পশ্চিমৰ পম খেদি

ড° লক্ষ্মীনন্দন বৰা

লয়াৰ্চ বুক ষ্টল
পানবজাৰ : গুৱাহাটী

PASCHIMAR PAM KHEDI

A travelogue in Assamese written by Dr. Lakshminandan Bora, Professor, Assam Agricultural University, Jorhat and published by Shri Khagendra Narayan Duttabarua for Messrs Lawyer's Book Stall, Panbazar, Guwahati.

প্ৰকাশক :

শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা

লয়াৰ্ছ বুক ষ্টল

পানবজাৰ : গুৱাহাটী

প্ৰথম প্ৰকাশ : জুলাই, ১৯৯১

মুদ্ৰক :

সাগৰিকা প্ৰেছ

শ্ৰীদিলীপ কুমাৰ ৰায়

৯, এ্যাণ্টনি বাগান লেন

কলিকতা-৯

মূল্য : ২৫·০০ টকা মাথোন

লেখাখনি এখন কিতাপ হব বুলি ভবাই নাছিলো। ইয়াৰ কৃতিত্ব দুজন বন্ধুৰ। লয়াছ´ বুক ষ্টলৰ সুৰুচিপূৰ্ণ প্ৰকাশক খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা আৰু আমাৰ দুয়োৰে উমৈহতীয়া বন্ধু, প্ৰসিদ্ধ ক্ৰীড়া-বিশ্লেষক পুলক লাহিড়ীৰ।

সকলোখিনি কথা বিদেশতে লিখা। কাৰণ সময়ে স্মৃতিক ক্ষমা নকৰে বুলি মই জানো। ইয়াত আছে মোৰ সুদূৰ প্ৰবাসৰ সময়-ছোৱাৰ মানসিক অৱস্থা, নতুন পটভূমিত লাভ কৰা বিশ্লেষণী দৃষ্টি আৰু আন ভ্ৰমণ কাহিনীৰ প্ৰভাৱ নপৰা এবিধ আন্তৰিকতাৰে লিখা কাণে কাণে ক'ব পৰা কথা। ইয়াকে পঢ়ি কোনো সদাশয় পঢ়ুৱৈয়ে যদি মোৰ নিজস্ব এখন গোপন জগত বিচাৰি পায়, তেনেহলে মোৰ এই চেগাচোৰাকাকৈ অৰ্থাৎ চৌতে খৰ মাৰি কৰা প্ৰচেষ্টা যৎসামান্য-ভাৱে সাৰ্থক হৈছে বুলি ভাবিবলৈ সুবিধা পাম।

"আ নো ভদ্ৰাঃ ক্ৰতবো যন্তু বিশ্বতঃ।"

৩০-৫-৯১ —লক্ষ্মীনন্দন বৰা

পশ্চিমৰ পম খেদি

এক

ড° লক্ষ্মীনন্দন বৰা

পশ্চিম জাৰ্মেনিৰ মাইনছ মহানগৰৰ গুটেনবাৰ্গ বিশ্ববিদ্যালয়ত কেই মাহমান থাকোঁতে ইউৰোপৰ আন দেশবো দুখনমান ঠাইলৈ গৈছিলো বাবেই এই লেখাটোৰ নাম এনেকৈ ৰাখিলো। পাছত নিজৰ ঠাইলৈ গৈ কিছুমান কথা পাহৰি যাওঁ বুলি আৰু তাত থকাৰ সময়ৰ আবেগ-অনুভূতিবোৰ হেৰাই যাব পাৰে বুলি আশংকা কৰিও বিদেশৰ পৰিস্থিতিতে সকলো কথা লিখি গৈছিলো। সেই সময়ৰ পৰ্য্যবেক্ষণৰ সূক্ষ্মতা, মনোভংগী আৰু তপতে-তপতে লিখা কথাখিনিৰ নিজস্ব চৰিত্ৰ হেৰাই যায় বুলি পাছত এটা বাক্য নালাগে এটা শব্দও সলনি কৰা নাই।

—লেখক, (৯. ১২. ৮৯)

বহুতে কয়, আজিকালি হেনো বিদেশলৈ যাবলৈ সহজ হৈছে। অৱশ্যে ধন খৰচ হ'বই। পিছে আগৰ সমুদ্ৰৰ জাহাজেদি যোৱাৰ তুলনাত বিমানযাত্ৰাত সময় কম লগাৰ উপৰিও খৰচো কম। বিমানৰ খৰচৰ তুলনাত জাহাজেৰে "সাত সাগৰ তেৰ নদী" পাৰ হোৱাৰ খৰচ যথেষ্ট বেছি। সেই বুলি আজিৰ এই ব্যস্ত জগততো সমুদ্ৰ-জাহাজৰ যাত্ৰী-পৰিবহণ ব্যৱস্থা উঠি যোৱা নাই। ইয়ো এক শ্ৰেণী মানুহৰ কাৰণে অতিশয় প্ৰিয় ভ্ৰমণ-ব্যৱস্থা হৈ পৰিছে। ইয়াক এক প্ৰকাৰ ভ্ৰমণ-বিলাস বুলিব পাৰি। এয়া অফুৰন্ত সময় আৰু ধন থকা জীৱনপ্ৰেমীৰ কাৰণেহে। ইতৰৰ বাবে নৈব নৈব চ। যাত্ৰীবাহী সমুদ্ৰৰ জাহাজখনেই এখন পৃথিৱী। বিয়াগোম জাহাজখনত সকলো থাকে। ভালেমান মাহ থকাৰ সকলো সা-সুবিধাও আছে। উৰ্দ্ধত বিবিধ চমৎকাৰিত্ব দেখুউৱা আকাশখন, সাগৰৰ অসীম বিস্তৃতি, পাৰত বিভিন্ন মানুহৰ বা গোষ্ঠীৰ জীৱন-যাত্ৰা, সহযাত্ৰীসকলৰ ধৰণকৰণ

আৰু একাকী দ্বীপৰ দৰে একো একোটা মন—এই সকলো অপৰূপতাৰ বাবে জাহাজৰ ভ্ৰমণ সঁচাকৈয়ে অবিস্মৰণীয়।

আগতে বিদেশলৈ যিসকল গৈছিল, বিশেষকৈ ষষ্ঠ দশকমানলৈ, তেখেতসকলৰ পৰা সমুদ্ৰেদি ভ্ৰমণ কৰাৰ কথা শুনি সঁচাকৈয়ে ৰোমাঞ্চিত হৈ পৰিছিলো। বিমানেৰে নতুন দিল্লীৰ পৰা ১০-১২ ঘণ্টাৰ ভিতৰত ইউৰোপৰ যিকোনো এখন ৰাজধানী পোৱা যায়। মোৰ সেয়ে হ'ল। বহু দূৰ অহাৰ ৰোমাঞ্চখিনি তেনেই অনুভৱ কৰিব নোৱাৰিলো। জম্বু বিমানত উঠিলো আৰু ডুবাৰমান কলাঘূমটি মাৰি পালোহিয়েই। অভিভূত কৰিলে মাত্ৰ বিমানকোঠৰ আৰু বিমানৰ 'কিটিপকাটাপ'বোৰে, আন্তঃৰাষ্ট্ৰীয় বিমানকোঠসমূহৰ বিৰাটত্বই আৰু শৃংখলিত ব্যৱস্থাবোৰে। বিমানকোঠ সজা আৰ্কিটে-ক্টসকলৰ পৰিকল্পনাসমূহ সঁচাকৈয়ে প্ৰশংসনীয়। বিমানকোঠসমূহৰ এক স্বকীয় নিৰ্মাণ ব্যৱস্থা আছে হ'বলা। কাৰণ, লণ্ডনৰ হিথ্ৰো বিমানকোঠেই হওক, নতুন দিল্লীৰ ইন্দিৰাগান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান-কোঠেই হওক বা ফ্ৰেংকফাৰ্ট আন্তঃৰাষ্ট্ৰীয় বিমানকোঠেই হওক, সকলোতে কিবা এটা মিল দেখা যায়। তিনিওটাই বৃহৎ বিমানকোঠ। হিথ্ৰো বিমানকোঠ ইউৰোপৰ ভিতৰত সৰ্ববৃহৎ আৰু ফ্ৰেংকফাৰ্ট বিমানকোঠৰ স্থান দ্বিতীয়। ভ্ৰমণ পুস্তিকাত পাইছোঁ যে ফ্ৰাংকফাৰ্ট বিমানকোঠত দিনৌ ৮০,০০০ যাত্ৰীৰ সমাগম হয়। ই কম কথা নহয়। এই বিমানকোঠসমূহত আৰু এটা কথা লক্ষ্য কৰি ভাল লাগিল। ইয়াৰ বহুমহলীয়া ঘৰ কিছুমানৰ কোঠাৰ বেৰবোৰ কাচৰ। ফলত এঠাইত বহিলে কেইবাটাও তলে-ওপৰে থকা ডাঙৰ-ডাঙৰ কোঠাত থকা মানুহে কি কৰিছে দেখা যায়; এটা বিমানকোঠৰ নিস্তব্ধ ব্যস্ততাও অনুভৱ কৰা যায়। যাত্ৰী বহন কৰা চলমান খটখটিৰ তললৈ আৰু ওপৰলৈ যোৱা বাটবোৰ চাই-চাই বৰ ভাল লাগে। এই যাত্ৰীসকলৰ এদল হয়টো গৈছে বিমাণত উঠিবলৈ আৰু এদল হয়তো নামি আহিছে আত্মীয়-স্বজনৰ মাজলৈ। বহুত ধৰণৰ মানুহ। বিভিন্ন

চেহেৰাৰ, বিভিন্ন বৈশিষ্টৰ, বিভিন্ন জাতি-উপজাতিৰ। এয়া যেন মহা মানৱৰ 'ত্ৰিবেনী সংগম'হে। এই অনুভূতিয়ে মোক অভিভূত কৰিছিল নতুন দিল্লীৰ ইন্দিৰাগান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানকোঠতো, ফ্ৰাংকফাৰ্টতো আৰু লণ্ডনৰ হিথ্ৰোতো।

পিছে আজিকালি আন্তঃৰাষ্ট্ৰীয় বিমানকোঠবোৰে কিছুমানত উঠা আৰু নমাৰ ব্যৱস্থা বেলেগ হৈছে। এনে ধৰণে বেলেগ হৈছে যে আপুনি যিখন বিমানত উঠিছে তাৰ অবয়বটো কিমান প্ৰকাণ্ড তাকে অনুমান কৰা টান হৈ পৰে। কাৰণ শীততাপনিয়ন্ত্ৰিত সুৰংগ এটাৰ মাজেদিহে বিমানত উঠিব লাগে আৰু তেনেকৈ নামিবও লাগে। অৱশ্যে দমদমত (কলিকাতাৰ) এই ব্যৱস্থা নাই। সিফালে মাদ্ৰাজত হ'লে আছে।

বিদেশলৈ যোৱা এখন জম্বু জেটৰ (৭৪৭ বয়িং) পেটত চাৰিশতকৈ বেছি যাত্ৰী ধৰে (বিমানত কাম কৰা মানুহকে ধৰি)। ভিতৰত সোমাই ইয়াৰ বিৰাটত্ব অনুমানহে কৰিব পাৰি, কিন্তু বাহিৰৰ পৰা দেখা পোৱাৰ সুবিধা নহয় বাবে ইয়াৰ চাক্ষুষ বিৰাটত্ব জনাৰ অৰ্থে মনটো বৰ কৌতূহলী হৈ উঠে আৰু বিজ্ঞান-প্ৰযুক্তিলৈ অপৰিসীম শ্ৰদ্ধা হয়। চাৰিশতকৈ বেছি যাত্ৰী লৈ যে এই বিয়াগোম বস্তুটো উপৰলৈ উঠিব,—ডাৱৰ থকা ঠাইৰ পৰাও বহু ওপৰলৈ, ইয়ো যে এজন সাধাৰণ বুদ্ধিৰ মানুহৰ মানত অসাধ্য-সাধন কাৰ্য নহয়নে ? আৰু ই অতিক্ৰম কৰিব সাগৰ, দেশ, মৰুভূমি, শ্যামল অৰণ্য, আৰু কত কি! ই বহু জলবায়ুৰ দেশ পাৰ হ'ব, ই আগবাঢ়ি যাব বহু দেশৰ পুৱা, দুপৰীয়া, সন্ধিয়া আৰু ৰাতিৰ মাজেদি। কাৰণ ই কেৱল অক্ষৰেখা কিছুমানেই পাৰ নহ'ব ; বহু দ্ৰাঘিমাও পাৰ হ'ব।

আমি উঠিছোঁ বৃটিছ এয়াৰ ৱেজৰ জম্বু জেটত। অল্প আগলৈকে মোৰ দিল্লীৰ বিমানকোঠত থকা ভাৰতীয় ষ্টেট বেংকৰ কৰ্মচাৰীজনলৈ খং উঠি আছিল। মানুহজনে কথাটো পৰিষ্কাৰ কৰি কওক চাৰি মোক বিভ্ৰান্তহে কৰিছিল। আমাৰ বিমানকোঠৰ কৰ (পত্নীৰে সৈতে

দুজনৰ মুঠ ৬০০ টকা) ডলাৰৰ ট্ৰেভেলাৰ্ছ চেকৰ পৰাহে লৈছিল। তাকে কৰিবলৈকে তেওঁ আমাৰ বহু চহী লৈছিল আৰু বহু ঠাইত পাছপৰ্ট আৰু ভিছাৰ নম্বৰ লিখিবলগীয়া গৈছিল। মানুহজনৰ কথা কোৱাৰ ধৰণটোও ভদ্ৰজনোচিত নাছিল।

এতিয়া বিমানত বহি সেইবোৰ পাহৰিছোঁ। বৃটিছ এয়াৰ বেজৰ অভ্যৰ্থনা সঁচাকৈয়ে সুন্দৰ। ভিতৰৰ কৰ্মীসকলে (বোধকৰোঁ বিমান পৰিচাৰিকা বা বিমান পৰিচাৰক) এজন যাত্ৰীক ঘৰলৈ আনি ড্ৰয়িং ৰুমত বহুউৱা যেনহে লাগে। গোটেই বিমানখন তিনি ভাগত ভগোৱা। অৰ্থাৎ তিনিটা যেন বেলেগ-বেলেগ সভাঘৰহে। বৈমানিকৰ ওচৰৰ হলঘৰটোক বোলে একজিকিউটিভ। ইয়াত টিকেটৰ মূল্য সৰ্বাধিক। ইয়াত বোধকৰোঁ যথেষ্ট আঢ্যৱন্ত মানুহৰ বাহিৰেও ভি. আই. পি. আদি যায়। আমাৰ যদি কেন্দ্ৰীয় মন্ত্ৰী এজন ক'ৰবালৈ যাবলগীয়া হয়, তেন্তে তেওঁ এনে এটা শ্ৰেণীতে যাব। তাৰ পিছৰটো হলঘৰক বোলে ক্লাব। শেষত হলঘৰটো সৰ্বসাধাৰণৰ কাৰণে। ইয়াক বোলে ইক'নমি।

প্ৰতিটো শাৰীত দহখন আসন দেখিলোঁ। মাজত দুটা। অহাযোৱা কৰা বাট। ইয়াৰ পৰাই বিমানৰ বিৰাটত্ব ভালকৈ অনুমান কৰিব পাৰি। প্ৰতিটো ভাগত বা ক্লাছত একেলগে তিনিটাকৈ 'টয়লেট' থাকে বাবে যাত্ৰীসকলৰ অসুবিধা নহয়। বিমানৰ ভিতৰত সুপৰিকল্পনাৰ অভাৱ দেখা নাযায়।

বৃটিছ এয়াৰ বেজে দিল্লীৰ পৰা লণ্ডনলৈ অহা বিমানখনত ভাৰতীয়ত্ব বজাই ৰখাৰ বাবে যথেষ্ট প্ৰয়াস কৰিছে। তাৰ প্ৰমাণ কেবটাও : (১) পোনতে হিন্দীত ঘোষণা কৰাৰ পাছতহে ইংৰাজীত ঘোষণা কৰা হয়। (২) কেবাগৰাকীও শাৰী-ব্লাউজ পৰিহিতা ভাৰতীয় পৰিচাৰিকা আছে আৰু (৩) খাবলৈ দিয়া বস্তু বিলাকো ভাৰতীয় আৰ্হিৰ ; অৰ্থাৎ বস্তুখিনি এনেকুৱা যে আন দেশৰ খাদ্য কদাপি মুখত নিদিয়া মানুহবো খাই বেয়া নালাগিব। তদুপৰি

সেইদিনা ইক'নমি ক্লাছত যোগান ধৰা আহাৰ আছিল সম্পূৰ্ণ নিৰামিষ।

ভাৰতৰ লগত ইংলেণ্ডৰ সম্পৰ্ক এতিয়াও যে কমা নাই তাৰ প্ৰমাণ পাবলৈ হ'লে ভাৰতৰ পৰা লণ্ডনলৈ যোৱা এখন বিমানত উঠিলেই হ'ল। আমাৰ বৃটিছ এয়াৰ ৱেজৰ বিমানখনতেই প্ৰায় শতকৰা সত্তৰভাগ যাত্ৰী ভাৰতীয়। তাৰ ভিতৰত বহুতেই তাত চাকৰি বা ব্যৱসায় কৰা মানুহ আৰু কিছুমান উচ্চ শিক্ষা বা প্ৰশিক্ষণৰ বাবে যোৱা মানুহ। এদল গুজৰাটৰ ইঞ্জিনিয়াৰ পালোঁ। তেওঁলোকে লণ্ডনত বৈদ্যুতিক ইঞ্জিনিয়াৰিঙত এমাহৰ বাবে প্ৰশিক্ষণ ল'বৰ বাবে ওলাইছে।

সাধাৰণতে অন্য দেশলৈ যোৱা বিমানসমূহে ভাৰতৰ পৰা মাজ নিশাহে যাত্ৰা কৰে বুলি এজনে ক'লে। আগতেও তাকে শুনিছিলো। ইয়াৰ হয়তো কাৰণ এয়ে যে একে ধাৰে দহ-বাৰ ঘণ্টা উৰাৰ পাছত দিনত আন দেশৰ বিমানকোঠ এটাত উপস্থিত হ'ব পৰা যায়।

আমি যাত্ৰা কৰিছিলো মাজ নিশা। অৰ্থাৎ ৩১ আগষ্টৰ ০১.৫০ বজাত। হিথ্ৰো পালোগৈ পুৱা ছয় বাজি পঞ্চাছ মিনিটত। আমি চাৰে দহ ঘণ্টাৰ মূৰত হিথ্ৰো পাইছিলো। হিচাপটো এনেকুৱা: ৬.৫০-১.৫০+৫১/২=১০১/২ ঘণ্টা (লণ্ডনৰ সময়ৰ লগত ৫১/২ ঘণ্টা যোগ দিলেহে আমাৰ সময়টো পোৱা যায়। ইয়াকে বোলে জেট লেগ যাৰ ফলত এজন প্ৰথমে বিদেশলৈ অহা মানুহৰ নিজৰ দেশৰ সময়মতে ভোক লাগে আৰু টোপনি ধৰে। গতিকে নতুন ঠাইৰ লগত খাপ নোখোৱা সময়তহে ভোক আৰু টোপনিয়ে আমণি কৰে।)

ৰাতি প্ৰায় দহ ঘণ্টা কাল আহিছোঁ যদিও আমি বিৰক্ত হোৱা নাই। কাৰণ বিমানৰ ধ্বনি কাণক আমনি কৰা বিধৰ নাছিল। আমাৰ দেশৰ ভিতৰত চলা ইণ্ডিয়ান এয়াৰ লাইন্‌ছৰ বিমান কেইখনৰ ধ্বনিয়েহে কিন্তু স্নায়ুক বেচ আঘাত কৰে। দ্বিতীয়তে হ'ল, ভিতৰৰ

পোহৰ জোনৰ পোহৰৰ দৰে কোমল আৰু চকুত ধৰা বিধৰ নহয়। তৃতীয়তে হ'ল—সকলোকে দিয়া ইয়েৰ ফোনটো (আমাৰ লৰাহঁতে ইয়াক ব্লাক্‌মেন বুলি কয়)। হলঘৰ বিভক্ত কৰা বেৰখনত ছিনেমা আৰম্ভ হ'ল। আমি ভাবিলো যে আমাৰ কিজানি শোৱা নহ'ব। কিন্তু সকলোৱে ইয়েৰ ফোনেৰে শুনাৰ বাবে আমাৰ শুৱলৈ অসুবিধা নহ'ল। ইয়েৰ ফোন গুচালে ছিনেমাখনক নিৰ্বাক ছিনেমাযেনহে লাগে।

আমাৰ এটা চিন্তা হৈ আছিল। আমি হিথ্ৰোত মাত্ৰ চল্লিছ মিনিটৰ ভিতৰতে ফ্ৰাংকফাৰ্টলৈ যাবলৈ আন এখন বিমানত উঠিব লাগিব। এজনী পৰিচাৰিকা ছোৱালীয়ে ক'লে যে হিথ্ৰোত নামিয়েই আমি খুব ল'ৰালৰিকৈ ১ নম্বৰ টাৰ্মিনেললৈ যাব লাগিব। তাতে পোৱা যাব বৃটিছ এয়াৰ ৱেজৰ ৯০২ নম্বৰৰ বিমানখন। কিন্তু কথাটো সিমান সহজ নাছিল। অৱশ্যে ৯০২ নম্বৰ বিমানত উঠিবলৈ আমাৰ হাতত ব'ৰ্ডিং কাৰ্ড আছিল। এই কাৰ্ড আমাক ইন্দিৰাগান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানকোঠতে দিয়া হৈছিল। লগতে আমাক জনোৱা গৈছিল যে আমাৰ বাকচকেইটা এইখন বিমানৰ লগতে যাব।

আকৌ কওঁ, আমি আশ্বস্ত হৈছিলো যদিও আমাৰ পক্ষে কথাটো সিমান সহজ নাছিল। নামিয়েই এজন বৃটিছ এয়াৰ ৱেজৰ মানুহক পালো। তেওঁ কলে, "গৈ থাওক, আমাৰ Transfer Officer এজন পাব।" আমি গৈ থাকিলো। খুব বেগেৰে গৈ আছোঁ। সুখৰ কথা যে পত্নীয়ে মোৰ সমানেই বেগেৰে খোজ দিব পাৰে। তলে-ওপৰে থকা বাটেদি আৰু মাজে-মাজে চলমান খটখটিয়েদি প্ৰায় এক কিলমিটাৰমান গৈহে সেই অফিচাৰজনক পালোগৈ। তেওঁ আকৌ দেখুৱাই দিলে আন দুটা বাট। তাত আমাৰ হাতৰ বেগ কেইটা পৰীক্ষা কৰা হ'ল। অৰ্থাৎ এক্স-ৰে'ৰ মাজেদি বেগকেইটা পাৰ হৈ গ'ল। এনেকৈ দুবাৰ। আমি বহুত সময় পাৰ কৰিলো। আমাৰ উৎকণ্ঠা বাঢ়িল। এনেতে পালো এগৰাকী বৃটিছ এয়াৰ ৱেজত

কাম কৰা তিৰোতাক। বেচ কথাচহকী তিৰোতা। তেওঁ উপযাচি ক'লে, "ইমান খৰধৰ নকৰিব। ফ্লাইটটো মইহে ঘোষণা কৰোঁ।" আমি তেওঁৰ পিছে পিছে আহি থাকিলো। তেওঁ ভাৰতৰ বিষয়ে আমাক কিবাকিবি সুধিলে। আমি কৈ গ'লো। তেওঁ পিছে নিজৰ কথাও ক'লে। মই মনে-মনে ভাবিলো,—বৃটিছৰো তেনেহ'লে কথাৰে আথৈ ফুটোৱা বিধৰ তিৰোতা আছে!

এঘণ্টা পয়ত্রিছ মিনিটৰ পাছত আমি ফ্রেংকফার্টত নামি বিমোৰত পৰিলো। আমাৰ বেগ দুটা নাই। আমি এজনী ছোৱালীক ৰিপ'র্ট কৰিলো। তাই কিন্তু উদ্বিগ্ন নহ'ল। ক'লে, "এনে হয়েই। সেই কাৰণেই আমাৰ হেৰোৱা বেগ ঘূৰাই দিয়া শাখা এটা আছে।" তাই আমাৰ বেগৰ অবয়ৰ (ছাইজ) সুধি কম্পিউটাৰৰ ভাষাৰে এখন ফর্ম পূৰালে। এটা কপি মোক দিলে। ইফালে মোক মাইন্‌ছলৈ লৈ যাবৰ কাৰণে গুটেনবার্গ বিশ্ববিদ্যালয়ৰ অধ্যাপক মানফ্রেড ডম্‌ৰ'ছ বৈ থকাৰ কথা। নাহিল বুলি তেওঁ গুচি গ'লে আমাৰ অৱস্থা পানীত হাঁহ নচৰা হ'ব। কাছটমছ পাৰ হৈ মই তেওঁক পালোগৈ। তেওঁ মোৰ লগত আহিল। পত্নীয়ে কলে যে ১২ বাজি ২৫ মিনিটৰ লণ্ডনৰ পৰা অহা Lufthansa ৰ 1605 নম্বৰৰ ফ্লাইটত আমাৰ বাকচ আহিবই বুলি কৈ ছোৱালীজনী গ'লগৈ। অৱশ্যে তাই ঠিকেই কৈছিল। আমি এঘাৰ বজাৰপৰা এঘণ্টা ৰ'লো। সচাঁকৈয়ে আমাৰ দক্ষতাৰ মাফকাঠিৰে সমস্যাটোৰ কথা ভাবিছিলো কাৰণেহে আমাৰ দুয়োৰে (মোৰ আৰু পত্নীৰ) ইমান চিন্তা হৈছিল।

এইবোৰ হয়তো খুব সাধাৰণ কথা। কিন্তু আমাৰ বাবে বেলেগ ধৰণৰ অভিজ্ঞতা কাৰণেহে লিপিবদ্ধ কৰিলো।

হয়তো কেই দিনমানৰ পাছত ব্যোমমার্গেৰে ভ্রমণ কৰাৰ কথা পাহৰি যাম। সেয়া অতি সাধাৰণ কথা যেন লাগিব। পিছে বোধহয় সদায় মোৰ মনত থাকিব এটা কথাহেঃ পর্যটন আৰু আন্তর্দেশীয় সংযোগ পৰিবহনৰ অভূতপূর্ব বিকাশ ঘটোৱা বিমান-

ভ্ৰমণত বিজ্ঞান-প্ৰযুক্তিগত অসাধাৰণ সাফল্যৰ চিনাকি আছে আৰু চমৎকাৰিত্বও আছে, কিন্তু ইয়াত হৃদয়ৰ আবেগ নাই আৰু বৈচিত্ৰ্যও অত্যন্ত সীমিত। সৰুতে এখন কিতাপ পঢ়িছিলো। নাম 'দৃষ্টিপাত'। লেখক যাযাবৰ। তেওঁ প্ৰথম বিমান যাত্ৰা কৰি লিখিছিল, "বিজ্ঞান আমাদিগকে দিয়েছে বেগ, কেড়ে নিয়েছে আবেগ।" কথাটো আখৰে-আখৰে সঁচা। গুৱাহাটীৰ পৰা দিল্লীলৈ ৰেলেৰে যাওঁতেই বহু ধৰণৰ মানুহক লগ পাওঁ, মানৱ চৰিত্ৰ সম্পৰ্কে নতুন-নতুন আভাস পাওঁ আৰু হৃদয়েও জনতাৰ অমোঘ শক্তিৰ কিছু পৰিচয় পায়; নিজৰ দৃষ্টিৰ পৰিধি বাঢ়ে। ভালেমান গল্প বা উপন্যাসৰ পৰিকল্পনাই তেতিয়া মোৰ মনটো সজীৱ কৰি ৰাখে। বাছৰ যাত্ৰাও মোৰ কাৰণে বৰ প্ৰিয়। বিশেষকৈ ৰাতিৰ বাছ। তাত জনসংযোগৰ সুবিধা কম যদিও কিবা অজ্ঞান কাৰণত ৰাতিৰ বাছত মোৰ সৃজনশীল মনটোৱে ঠন ধৰি উঠে। যোৱা পাঁচ বছৰৰ ভিতৰত ভালেমান ভালেমান গল্পৰ প্লট পাইছোঁ—যোৰহাট-গুৱাহাটীৰ ৰাতিৰ বাছত বহি ভাবি-ভাবি থাকোতে। আনকি মোৰ ধনীৰামৰ খেতি সম্পৰ্কে নতুন ধৰণৰ ৰেডিঅ' কথিকাৰ কৌশলটোও ভাবি উলিয়াছিলোঁ ৰাতিৰ বাছতে। 'কাল ডিঙৰাবে পাল' নামৰ উপন্যাসখনৰো পৰিকল্পনা কৰোঁ ৰাতিৰ বাছতে।

তাকে মনত পেলাই ভাবিবৰ মন গৈছে দুজন লোকৰ সমুদ্ৰ-জাহাজেৰে ভ্ৰমণত উদ্ভৱ হোৱা সৃষ্টিশীলতাৰ কথা। 'সঞ্চয়িতা' নামৰ বৃহৎ কবিতা-সংকলনত চকু ফুৰালে দেখা যায় যে কবিগুৰু ৰবীন্দ্ৰনাথে ভালেমান সুন্দৰ-সুন্দৰ কবিতা সাগৰৰ জাহাজতে লিখিছিল। মোৰ বিশেষকৈ প্ৰসিদ্ধ গল্পলেখক আৰু ঔপন্যাসিক ছমাছেট মমৰ কথা ভাবিহে ঈৰ্ষা হয়। তেওঁৰ লিখাৰ সময়খিনিত সময়ৰ সোঁত আপেক্ষিক-ভাৱে মন্থৰ আছিল আৰু মানুহৰ ধীৰে-সুস্থিৰে জীৱনক উপভোগ কৰাৰ সময় আছিল। আৰু আছিল যন্ত্ৰযুগে ভালকৈ স্পৰ্শ নকৰা কিছুমান স্বাভাৱিক ঠাই। বিশেষকৈ এছিয়াৰ উপকূলবৰ্তী অঞ্চলটো।

সেইটো অঞ্চললৈ তেওঁ বিলাতৰ পৰা জাহাজেৰে গৈছিল আৰু তাৰ ৰবৰৰ বাগিছাত কাম কৰা ইংৰাজসকল আৰু উপনিবেশৰ প্ৰশাসক-সকলক লৈ তেওঁ কাহিনী লিখিছিল। তদুপৰি জাহাজতো তেওঁ কাহিনীৰ সন্ধান পাইছিল। তাৰে উৎকৃষ্ট প্ৰমাণ হ'ল, মিছ ছেডী টমছন নামৰ এজনী দেহোপজীৱনীৰ করুণ কাহিনী থকা বিশ্ববিখ্যাত "ৰৰষুণ" নামৰ গল্পটো। তদুপৰি মমৰ বৰ্ণনাত এছিয়াৰ বহু উপকূলে প্ৰাণ পাই উঠিছে।

এইবোৰ কথা ভাবিছোঁ অধ্যাপক মানফ্ৰেড ডম্‌ৰ'ছৰ আটকধুনীয়া জাৰ্মান গাড়ীৰ বহি। ফ্ৰেংকফাটৰ পৰা মাইনছলে আহোঁতে। প্ৰায় চল্লিছ কিল'মিটাৰ বাট। গাড়ী চলিছে ঘণ্টাত ১২০ কিল'মিটাৰ বেগত। আৰু মোৰ মন উৰিছে সেই তাহানিতে ছমাৰছেট মম যোৱা কোনো এখন সমুদ্ৰজাহাজলৈহে। তাত হয়তো তীব্ৰাতিতীব্ৰ গতিৰ গৰ্ব নাই; আছে সকলো মানৱিক সম্পদ। মই যদি সমুদ্ৰৰ জাহাজত পশ্চিম জাৰ্মেনিলৈ আহিব পৰিলোঁহেঁতেন! সঁচাকৈয়ে দুখ পাইছোঁ। এই দহ-বাৰঘণ্টিয়া বিমান-ভ্ৰমণ হয়তো জীৱনৰ প্ৰাত্যহিক তুচ্ছতাৰ কলৰৱত শীঘ্ৰে মনৰ পৰা আঁতৰি যাব। ইয়াত অবিস্মৰণীয়তা একো নাথাকিব। কিন্তু এখন জাহাজত, ৰহস্যময় সাগৰৰ ঢৌৰ বিবিধ বৰ্ণালীৰ মাজেৰে আহোঁতে, বহু মানুহৰ সাগৰ সংগমত হয়তো বহু সুন্দৰ মুহূৰ্তই জীৱনটো মাজে-মাজে আলোকিত কৰি থাকিলেহেঁতেন। দুখ পাইছোঁ আৰু এটা কথা ভাবি যে ইয়াৰ পৰা তিনিমাহৰ মূৰত উভতি যাওঁতেও আমি, বিমানতেই যাব লাগিব। এৰা, বিজ্ঞানে বেগ দিছে, আৰু সাচ্ছন্দ্য দিছে, কিন্তু কাঢ়ি নিছে আগৰ সুন্দৰ অনুভূতি-বোৰ আৰু হৃদয়ৰ আবেগ।

ফ্ৰেংকফাৰ্ট' পশ্চিমজাৰ্মেনি। ২ ৯.৮৯।

*

মোৰ ইচ্ছা আছিল পশ্চিমৰ ইংৰাজী ভাষা চলা ৰাজ্যলৈ আহিবলৈ। অৰ্থাৎ আমেৰিকা, অষ্ট্ৰেলিয়া নাইবা ইংলেণ্ডলৈ। কিন্তু

মই যিটো আঁচনিত নিৰ্বাচিত হৈছোঁ সেই আঁচনিত (আন্তৰ্জাতিক সহযোগ/বিনিময় আঁচনি) আমেৰিকা আৰু অষ্ট্ৰেলিয়া নপৰে। ইংলেণ্ডলৈ অৱশ্যে আহিব পাৰিলোহেঁতেন। কিন্তু আগৰেপৰা চিঠি-পত্ৰৰ আদান-প্ৰদান থকা কোনো আবহবিজ্ঞানী তাত নাছিল বাবে ইংলেণ্ডলৈ অহাৰ আশা বাদ দিবলগীয়া হ'ল। এই আঁচনিত অৱশ্যে চীন আৰু ৰাছিয়াও পৰে। চীনত জলবায়ুবিজ্ঞান আৰু আবহবিজ্ঞানৰ শিক্ষা আৰু গৱেষণাৰ ব্যৱস্থা কেনে আৰু তাত কোন-কোন বিশেষজ্ঞ আছে তাকে নাজানো কাৰণে চীনলৈ যোৱাৰ আশাও বাদ দিবলগীয়া হ'ল। পাছতহে ছেপ্টেম্বৰৰ পহিলা তাৰিখে, মানে পশ্চিম জাৰ্মেনিলৈ অহাৰ এদিনৰ পাছত, গুটেনবৰ্গ বিশ্ববিদ্যালয়লৈ আমন্ত্ৰিত হৈ বক্তৃতা দিবলৈ অহা চীন দেশৰ অধ্যাপক লী ৱেন-য়ানৰ (Li Wen-Yan) মুখে জানিব পাৰিলো যে তাৰ Institute of Geography-ত জলবায়ুবিজ্ঞান আৰু আবহবিজ্ঞানৰ ভাল কাম হৈ আছে। তেওঁ সেই প্ৰতিষ্ঠানটোৰ উপ-সঞ্চালক। মানুহজনক দেখিলে সাইলাখ অসমীয়া মানুহ এজন যেন লাগে। কোনোবা ভূগোলবিজ্ঞানৰ মানুহে তেওঁৰ লগত যোগাযোগ কৰিলে উপকৃত হ'ব বুলিয়েই তেওঁৰ ঠিকনাটো দিলো :

LIE WEN-YAN, Professor & Deputy Director.
Institute of Geography
Chinese Academy of Sciences, Building 917
Datun Road, Beijing, China.

মোৰ ৰাছিয়ালৈ যোৱাৰ ইচ্ছা আছিল। তাৰ এজন অধ্যা-পকলৈ চিঠিও দিছিলো। কিন্তু সময়মতে উত্তৰ পোৱা নগ'ল। ফ্ৰান্সৰ অধ্যাপক এজনৰ পৰাও উত্তৰ পাইছিলো, কিন্তু তেওঁৰ উত্তৰ পোৱাৰ সময়ত মোৰ পশ্চিম জাৰ্মেনিলৈ আহিবৰে হ'ল।

পশ্চিম জাৰ্মেনিৰ মাইনছৰ জোহান্ছ গুটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ অধ্যাপক মানফ্ৰেড ডম্‌ৰ'ছৰ কাৰণে ভাৰত বৰ পৰিচিত ঠাই।

ভাৰতৰ লগত তেওঁৰ পৰিচয় সপ্তম দশকৰ পৰা। তেওঁ শ্ৰীলংকাত দুবছৰ থাকি তাৰ শস্যৰ ওপৰত জলবায়ুৰ প্ৰভাৱ সম্পৰ্কে গৱেষণা কৰিছিল। তেওঁ শ্ৰীলংকাৰ বিষয়ে এখন কিতাপ লিখিছে। নাম Climatology of Cylon. এইখন কিতাপ লিখাৰ সময়ত (১৯৭৪) শ্ৰীলংকা আছিল Cylonহে। তদুপৰি মাজে-মাজে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ দল লৈ (তেওঁ নিজৰ সংস্থাৰ মুৰব্বী অধ্যাপক) শ্ৰীলংকা আৰু ভাৰতলৈ যায়। শ্ৰীলংকাৰ জলবায়ু আৰু প্ৰাকৃতিক সমস্যাৰ বিষয়ে গৱেষণা কৰি কেইবাজনো জাৰ্মান গৱেষকে গুটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰি লাভ কৰিছে। নক'লেও হ'ব যে এই গৱেষক কেইজনৰ গৱেষণা পৰিচালক আছিল অধ্যাপক মানফ্ৰেড ডম্ৰ'ছ। তেখেতৰ ভাৰত সম্পৰ্কে ভাল জ্ঞান আছিল। আনকি এক নছ্টালজিয়াবোধো আছে। তেওঁ ভাৰতৰ বিশালতা, বৈচিত্ৰ আৰু বৈশিষ্ট্যত অতিশয় মুগ্ধ এজন জাৰ্মান বুদ্ধিজীৱী। তেওঁৰ ভাৰতৰ আবহবিজ্ঞান আৰু জলবায়ু বিজ্ঞানৰ লোকসকলৰ লগত ভাল পৰিচয় আছে। ১৯৮৫ চনত গুজৰাটত অনুষ্ঠিত হোৱা ভাৰতীয় কৃষি মৌচমবিজ্ঞানৰ অধিবেশনত তেওঁ যোগদান কৰিছিল।

এই ভাৰতপ্ৰেমী মানুহজনে মোক যথাসময়ত সঁহাৰি দিয়া বাবেই মই পশ্চিম জাৰ্মেনিলৈ আহিবলগীয়া হ'ল। মোৰ যোৰহাটৰ বন্ধু-বান্ধৱ কেইজনমানে ক'লে যে পশ্চিম জাৰ্মেনিলৈ অহাটো খুব ভাল হৈছে এই কাৰণেই যে ই হ'ল ইউৰোপৰ বক্ষস্থলত আৰু ইয়াত থাকিলে ইউৰোপৰ এটা মোটামুটি ধাৰণা হ'ব। তদুপৰি ইয়াত আমেৰিকাৰ দৰে প্ৰাচুৰ্য দেখা পোৱা যাব। কথাটো আধিকভাৱে সঁচাও। জনমূৰি আয়ৰ ক্ষেত্ৰত পশ্চিম জাৰ্মেনিৰ স্থান প্ৰথম, অথচ ইয়াত কয়লাত বাদে অন্য সামগ্ৰী নাই বুলিলেই হয়।

অধ্যাপক ডম্ৰ'ছক ভাৰত বা শ্ৰীলংকাক ভাল পোৱা মানুহ বুলি নকৈ এছিয়াপ্ৰেমী বোলাও ভাল হ'ব। তেওঁৰ চীনৰ প্ৰতিও অত্যন্ত কৌতূহল। তেওঁ চীনৰ জলবায়ু সম্পৰ্কেও বেচ গৱেষণা কৰিছে।

তেওঁ চীন-পশ্চিম জাৰ্মেনি সহযোগ আঁচনি মতে কেইবা বছৰো চীনত থাকি এজন চীনা অধ্যাপকক সহ-গ্ৰন্থকাৰ হিচাপে লৈ অলপতে ইংৰাজীত এখন গ্ৰন্থ লিখিলে। নাম Climatology of China (চীনৰ জলবায়ুৰ সবিশেষ)। শুনা যায় যে ইংৰাজী ভাষাত চীনৰ জলবায়ু সম্পৰ্কে এইখনেই একমাত্ৰ নিৰ্ভৰযোগ্য সুবিস্তৃত গ্ৰন্থ।

এতিয়া তেওঁক ভাৰত মহাসাগৰৰ দ্বীপসমূহে আকৰ্ষিত কৰিছে। তেওঁৰ সম্প্ৰতি গৱেষণাৰ স্থল হ'ল মালদ্বীপ। তালৈ তেওঁ গৈ থাকে।

অধ্যাপক ডমৰ'ছ সম্পৰ্কে এইবোৰ আগতে জনা কথা। মানুহ-জনক চাবলৈ আৰু জানিবলৈ মোৰ একান্ত আগ্ৰহ। মোৰ প্ৰতি বিধি এনে সুপ্ৰসন্ন যে সেইজন লোকেই মোক নিবলৈ বৈ আছে। দেখিয়েই মানুহজনক আপোন-আপোন লাগিল। তেওঁৰ অবদানৰ ফালৰপৰা বিচাৰ কৰিলে মানুহজনৰ বয়স আদহীয়া (চল্লিছৰ ওপৰ) হ'ব যেন লাগে। কিন্তু দেখাততো বেছ ডেকা। এটা ডাঠ নীলা কামিজৰ ওপৰত এটা সাধাৰণ কোট। টাই মৰা নাই। চুলিবোৰ ডাঠ। মেদবৰ্জ্জিত ঋজু দীৰ্ঘ দেহ। মুখখন ধুনীয়া। যথেষ্ট স্মাৰ্ট।

এজন সুবিখ্যাত জাৰ্মান অধ্যাপক। কিন্তু দেখিলে কাশ্মীৰী যেনহে লাগে। সাংবাদিক অৰুণ শ্বোৰিৰ লগত তেওঁৰ চেহেৰাটোৰ অলপ মিল আছে।

তেওঁক লগ পায়েই আমাৰ বেগ দুটা লণ্ডনত থাকি অহাৰ কথা ক'লো। তেওঁ ক'লে, "একো ভাবিবৰ কথা নহয়। এনে মোৰো হৈছিল। আপোনালোকৰ কাৰণে Apartment ঠিক কৰা আছে। তাৰ ঠিকনা দিলেই বেগ কেইটা এওঁলোকে থৈ আহিবগৈ। অৱশ্যে শ্ৰীমতী ৰবাই ঠিকেই কৈছে। লণ্ডনৰ পৰা অহা লুফটহানছাৰ বিমানখনলৈ ৰোৱা ভাল হ'ব এতিয়া আমাৰ হাতত তেন্তে এঘণ্টা সময় আছে "তেনেহ'লে এঠাইত কফি খাই বহি কথা পাতোঁ।"

মানুহজনে ভাল ইংৰাজী কয়। ই স্বাভাৱিক কথা। কাৰণ তেওঁৰ ভালেমান গৱেষণা পত্ৰ ইংৰাজী ভাষাৰ জার্নালতহে প্ৰকাশিত হয় আৰু তেওঁ দুখন ইংৰাজী গ্ৰন্থৰ প্ৰণেতা।

মানুহজন হলহলীয়া বিধৰ। বেচ কথা কৈ যাব পাৰে। বোধকৰোঁ এজন গল্প লেখকৰ নিচিনা মনটো critical নহয়। বোধকৰোঁ তেওঁ সজপ্ৰকৃতিৰ সৰল মানুহ। নহ'লে কফি খোৱা সময়কণতে তেওঁৰ কথা ইমান জানিব নোৱাৰিলোহেঁতেন। এই কেইটা কথা জানিলোঁ: তেওঁৰ জন্ম ১৯৪০ চনত। দ্বিতীয় মহাসমৰৰ বিভীষিকাৰ কথা তেওঁৰ মনত নাই। বুজন হ'লতহে জন্মস্থানলৈ এবাৰ গৈ যুদ্ধই বিধ্বস্ত কৰা ঠাইখন চাই তেওঁ বিচলিত হৈ পৰিছিল। তেওঁৰ সন্তান তিনিটা। দুটা ল'ৰাই পশ্চিম জার্মেনিৰ ৰাজধানী বন বিশ্ববিদ্যালয়ত পঢ়ে। সিহঁত মাজে-মাজেহে ঘৰলৈ আহে। নাড়ীমোচা ল'ৰাটো এতিয়া মাধ্যমিক বিদ্যালয়ত।

আমি বাকচ দুটা পোৱাৰ পাছত নিজ ঠাইৰ ফালে ৰাওনা হ'বৰ বাবে ডম্‌ৰ'ছে খদমদম লগালে। আমাৰ ডাঙৰ-ডাঙৰ বাকচ দুটা তেওঁ দুহাতত ল'লে। এটা বাকচ বেচ ডাঙৰ। তথাপি মানুহজনৰ দেহটো অকণো বেঁকা নহ'ল। গাত যথেষ্ট জোৰ। আমি বাৰে-বাৰে কলোঁ, "বাকচ দুটা আমি লওঁ। এস্, আপুনি কিয় কষ্ট কৰিব লাগিছে?" এনে কথাত তেওঁ কাণ নিদিলে। মই বৰ অভিভূত হ'লো। এজন জনাজাত অধ্যাপক। এতিয়া মই অতিথি কাৰণে আমাৰ বাকচ দুটা তেওঁ কঢ়িয়াইছে। এটা বাকচো কোনো পধ্যে আমাক ল'বলে দিয়া নাই। মনে-মনে ভাবিলো জার্মান আতিথ্যৰ এয়ে প্ৰাৰম্ভিক লক্ষণ নে কি?

আচৰিত কথা যে আমাক কাছ্‌টম্‌ছে একো মুসুধিলে। পাছপ'ৰ্ট চাই আমাক গ্ৰিন চেনেলেদি ওলাই যাবলৈ ক'লে। এই ধনী দেশখনেনো কিয় আমাৰ লগত অনা বস্তুবোৰ চাব? আমাৰ লগত অনা বস্তুৱে জানো পশ্চিম জার্মেনিৰ ঔদ্যোগিক প্ৰচেষ্টাত বিঘিনি

ঘটাব পাৰিব? আমেৰিকাৰ দৰে ইয়াতো মুক্ত বজাৰ। অৰ্থাৎ ইয়াত আমদানিত কোনো নিয়ন্ত্ৰণ নাই। ইয়াত জাপানীয়ে নিজৰ বস্তুৰ পোহাৰ মেলিছে। তথাপি পশ্চিম জাৰ্মেনিৰ আয় আৰু ঔদ্যোগীকৰণত বিঘিনি নহয় বুলি ইয়াৰ শক্তিশালী চৰকাৰে জানে। গতিকে ইয়াত কাছ্‌টম্‌ছে চোৰ ধৰা পুলিছৰ দৰে কাৰোবাক এসেকা দিম বুলি বহি নাথাকে। অথচ ভাৰততহে বিদেশ-ভ্ৰমণৰ বাবে ৫০০ ডলাৰ লোৱাৰ বাবদ ৬২৫ টকা কৰ দিব লাগে।

কাছ্‌টম্‌ছ পাৰ হৈ দেখিলো এডোখৰ খোলা ঠাই য'ত খোৱা বস্তুৰ দোকান-পোহাৰ আছে। মটৰ গাড়ী, টেক্সি আদি চকুত নপৰিল। মাটিৰ সমতলত আছোনে তলত আছোঁ তাকো ধৰিব নোৱাৰিলো।

আমি তললৈ যোৱা বাট এটাৰেহে আহি থাকিলো। প্ৰায় ১০০ মিটাৰমান। শেষত তলত এটা সুবিধামান ঠাই জোৰা ঘৰৰ ভিতৰলৈ গ'লো। সেয়া গাড়ী ৰখা ঠাই। তাতে ডম্‌ৰ'ছৰ জাৰ্মেনিত নিৰ্মিত সুন্দৰ খোৱাবৰণীয়া মটৰ গাড়ীখন আছে। ডমৰ'ছে ক'লে, "গাড়ী ডেৰ ঘণ্টা বেছিকৈ ৰখা হ'ল।" ইয়াকে কৈ লোহাৰ খুটি এটাত থকা ফুটা এটাত দুটামান মুদ্ৰা ভৰাই দিলে।

গাড়ীখন প্ৰকাণ্ড গেৰেজ যেন ঘৰটোৰ ভিতৰৰ পৰা ওলাই আহিল। তললৈ নামি অহা আলিটো, এটা একে সমতলত অৱস্থিত সুৰংগ হল। ইয়াৰ একাষে দেখিলো একে ধৰণৰ ১৩টা হলঘৰ য'ত মটৰ গাড়ী ঠাহ খাই আছে। অৰ্থাৎ মটৰগাড়ী ৰখা এনেকুৱা ১৪টা হলঘৰ তলত আছে। তাত টেক্সিও ৰখা হয়। ইয়াকে দেখি ভাবিলো, নতুন মানুহে ইয়াতে টেক্সি পোৱা যাব বুলি বাৰু কেনেকৈ অনুমান কৰিব? তদুপৰি আমি এই পৰ্যন্ত আহি থকা পাতালৰ আলিটো আৰু গাড়ী ৰখা চৈধ্যটা হলঘৰো বিমানকোঠ নামৰ প্ৰকাণ্ড আট্টালিকাটোৰহে অন্তৰ্ভুক্ত। পাছত ইয়ালৈ আহি গম পালো যে বিৰাট বিমানকোঠ ভৱনৰ কেইবাটাও মহলাত তলে-

ওপৰে যাবৰ বাবে ভাসমান চলমান খটখটি আছে। এই ভৱনটো যে বহুমহলীয়া সেই কথা ভিতৰত সোমাই অনুমানেই কৰিব নোৱাৰি।

এই ভৱনৰ অন্তৰ্ভুক্ত আলিয়েদি ডম্ৰ'ছে গাড়ী চলালে। প্ৰায় পাঁচ মিনিটমানৰ পাছতহে মাটিৰ সমতল আৰু উৰ্দ্ধত আকাশ দেখিলোঁ, এবাৰ সমতলৰ আৰু এবাৰ তলৰ আলিয়েদি আহিহে আমি মাইনৃছলৈ অহা পথটোত উঠিলোঁহি আৰু লগে-লগে গাড়ীৰ গতি ঘণ্টাত ৩০ কিল'মিটাৰৰ পৰা ১২০ কিল'মিটাৰলৈ বাঢ়িল। পত্নী বহিছে পিছৰ ছিটত। মই বহিছোঁ চালক ডমৰ'ছৰ সোঁফালে। কাৰণ গাড়ীৰ ষ্টিয়েৰিংডাল বাঁওফালেহে। চালক আৰু চালকৰ ওচৰৰ ছিটত বহা লোকে বে'ল্ট বান্ধিব লাগে। কেৱল নিৰাপত্তাৰ বাবেই নহয়, ইয়াৰ লংঘন ঘটিলে পুলিচে শুদায়ে নেবে বুলি গাড়ীত উঠোঁতেই ডম্ৰ'ছে নিজে বে'ল্ট বান্ধি লৈ মোকো বে'ল্ট বান্ধি ল'বলৈ ক'লে। বে'ল্টডাল বিমানত বন্ধা বে'ল্টৰ দৰে নহয়। এইডাল বে'ল্টে সোঁ কান্ধৰ পৰা বাঁও ফালৰ কঁকাললৈকে বান্ধি ৰাখে। ১০০-২০০ কিল'মিটাৰ বেগত চলা গাড়ীত এনেকুৱা বে'ল্টৰইহে প্ৰয়োজন কিজানি।

মাইনৃছ ফ্ৰেংকফাৰ্টৰ পৰা চল্লিছ কিল'মিটাৰ নিলগত। মই যিটোক ৰাষ্ট্ৰীয় পথ বুলি ভাবিছিলোঁ সেইটোক ৰাষ্ট্ৰীয় পথ নুবুলি মটৰ পথ (autobahn) বোলে। পশ্চিম জাৰ্মেনিত ৭৫০০ কিল'-মিটাৰ মটৰ পথ আছে। প্ৰতিটো পথেদি এটা দিশেহে গাড়ী যাব পাৰে। আন দিশে যোৱা পথটো একেই। প্ৰায়ে দুয়োটা পথ সমান্তৰালভাৱে থাকে। দুই পথৰ মাজৰ ঠাইকণত সুন্দৰ-সুন্দৰ গছ-গছনি। কিন্তু এই মটৰ-পথবোৰ পাৰ হ'ব নোৱাৰি। কাৰণ মটৰৰ সোঁত কেতিয়াও বন্ধ নহয়। গতিকে মাজে-মাজে দলঙৰ দৰে ওপৰেদি থকা আলিয়েদিহে পাৰ হ'ব লাগে। বোধকৰোঁ এনেকৈ খোজ কাঢ়ি আহিব পৰা দলং ঘনাই-ঘনাই আছে। কাৰণ পাছত দেখিলোঁ যে, মই থকা ঠাইৰ পৰা বিশ্ববিদ্যালয়লৈ এনে বাটেৰে

বাছেৰে ডেৰ কিল'মিটাৰ আহোঁতে এনে দুটা পথৰ তলেদি আহিব লাগে।

ইয়াৰ মটৰ পথবোৰৰ একোটা নাম থাকে। বেচ মনোৰম নামঃ যেনে, Romantische, Strasse, Burgenstrasse, Deutche, Fernstrasse, Deutche Alpenstrasse ইত্যাদি। Strasse মানে হ'ল পথ বা মাৰ্গ আৰু জাৰ্মানক, জাৰ্মান ভাষাক Deutche বোলে।

মটৰ-ওথৰ দাঁতিত নাতিবৃহৎ গছ-গছনিয়ে ইয়াৰ সৌন্দৰ্য বঢ়াইছে আৰু চকুকো বিশ্ৰাম দিবলৈ বা দৃষ্টিশক্তিক অক্ষুণ্ণ ৰাখিবলৈ সুবিধা দিছে। পশ্চিম জাৰ্মেনি কলকাৰখানাৰ দেশ, অট্টালিকাৰ দেশ। কিন্তু কৃষি আৰু অৰণ্যৰ ইয়াৰ অৰ্থনীতিৰ লগত সম্পৰ্ক অতিশয় ক্ষীণ বুলি ভবাটো ভুল। সেউজ ঘাঁহনি আৰু গছ-গছনিলৈ ইয়াৰ মানুহৰ আগ্ৰহ দেখিলে আচৰিত হ'ব লাগে। চহৰৰ অতিশয় জনাকীৰ্ণ ব্যৱসায়পূৰ্ণ এলেকাৰ সামান্য খালী ঠাইতো গছ-গছনি দেখা যায়। তদুপৰি চহৰবোৰত পাৰ্কৰ সংখ্যাও প্ৰচুৰ। হয়তো ইয়াৰ চহৰবোৰৰ নগৰ পৰিকল্পনা এনেকৈয়ে কৰা হৈছিল। গতিকে অনুমান হয় যে ফ্ৰাংকফাৰ্ট, মাইনছ আদি মহানগৰে প্ৰাকৃতিক ভাৰসাম্য কিজানি আমাৰ ভাৰতৰ ভালেমান সুৰু-সুৰা চহৰতকৈয়ো বেছি ভালকৈ বজাই ৰাখিব পাৰিছে।

ইয়াৰ মটৰ-পথত আন-আন সুবিধাও আছে। মাজে-মাজে বিশ্ৰাম লব পৰা ঠাই, বনভোজ খাব পৰা ঠাই, ৰেস্তোঁৰা আদি আছে।

মাইন্‌ছত নামিয়েই পোনেই আমাৰ তিনিমাহ থাকিবলগীয়া কোঠাটোত আমি পদাৰ্পণ কৰিলোহিঁ। স্বয়ং সম্পূৰ্ণ এনে কোঠাকে এপাৰ্টমেণ্ট বোলে। আমাৰ কোঠাটো আমি ভাৰতত থকা সাধাৰণ কোঠা এটাৰ তুলনাত যথেষ্ট সৰু যদিও ইয়াত থকাৰ সুবিধাবোৰ ৰখাৰ পৰিকল্পনা সুন্দৰ। কোঠাটোত দুখন বিছানা ধৰে।

বক্সা টেবুলখনৰ তলত ফ্রিজ আৰু এটা আলমাৰি। তাৰ ওপৰতো সৰু-সৰু দুটা আলমাৰি। দুটা বেছিনত অনবৰত পাইপেদি চেঁচা আৰু গৰম পানী পোৱাৰ ব্যৱস্থা আছে। তদুপৰি শৌচাগাৰ সংলগ্ন বাথৰুমত গৰম আৰু চেঁচা পানীৰ 'ছাৱাৰ' আছে। লাইট কেইটাও যথাস্থানত আছে। দহ ফুটমান দীঘল ডাঙৰ কাঠৰ আলমাৰি এটা, টেবুল এখন, চকি দুখন আৰু তিনিটা ড্রয়াৰ থকা টেবুল এখনো আছে। পিছে কাপোৰ-ধোৱা আৰু কাপোৰ মেলাৰ কোনো ব্যৱস্থা নাই। কাৰণ ইয়াত মানুহে মেছিনতহে কাপোৰ ধোৱে আৰু শুকুৱায়। অৱশ্যে নিজে কাপোৰ ইস্ত্রি কৰিব লাগে।

এপাৰ্টমেণ্টটো চাবিওফালে দেখৱাই ডম্ব'ছে ক'লে, "এইটো এপাৰ্টমেণ্টকে ভাবালৈ পোৱাটো মহা ভাগ্যৰ কথা। ইয়াত ভাৰাঘৰ পাবলৈ বৰ টান। কাৰণ চহৰখনৰ কৰ্মক্ষেত্ৰ বাঢ়ি আছে। এইটো এপাৰ্টমেণ্ট মই ঠিক কৰিছোঁ যদিও আচলতে ধন্যবাদ দিয়া উচিত আপোনালোকৰ অসমৰ মিষ্টাৰ নিৰঞ্জন বৰদলৈকহে।"

নিৰঞ্জন বৰদলৈ যোৰহাটৰ মানুহ। তেওঁ যোৱা প্ৰোন্ধৰবছৰ ধৰি ফ্ৰেংকফাৰ্টত আছে। ইয়াৰ মানুহৰ দৰেই তেওঁ জাৰ্মান ভাষাটো ক'ব পাৰে। তেওঁলৈ মই যোৰহাটৰ পৰা চিঠি দিওঁতে তেওঁ অধ্যাপক ডম্ব'ছৰ লগত মোৰ আগন্তুক তিনিমহীয়া বসতিৰ সা-সুবিধা সম্পৰ্কে প্ৰায়ে ফোনতে আলচ কৰিছিল। আগষ্টৰ ভিতৰতে ডম্ব'ছে এপাৰ্টমেণ্ট পোৱা সহজ নহ'ব বুলি জনোৱাত বৰদলৈ হতাশ নহ'ল। তেৱেঁ এই এপাৰ্টমেণ্টটো ঠিক কৰিলে। তেওঁ নিশ্চয় এইবোৰ কামত পাকৈত। ইয়াত এনেকৈ এপাৰ্টমেণ্ট ভাৰাৰ বাবে বিচাৰি দিয়া একোটা প্ৰতিষ্ঠান আছে। এনে এটা প্ৰতিষ্ঠানেই এই এপাৰ্টমেণ্টটো আমাক দিয়ালে। পিছে ডম্ব'ছে ভাৰা যুক্তিসংগত হৈছে বুলি ক'লেও ভাৰতৰ লগত আৰু টকাৰ লগত তুলনা কৰিলে এই ভাৰা আকাশচুম্বী যেন লাগে। এপাৰ্টমেণ্টটো অতিকমেও চাবি মাহলৈ ভাৰা ল'ব লাগে। গতিকে আমি তিনি মাহ থাকিলেও চাবি মাহৰ ভাৰা দিব

লাগিব। লগতে এপাৰ্টমেণ্ট বিচাৰি দিয়া প্ৰতিষ্ঠানটোক ফিজ হিচাপে দিব লাগিব ১২৫ ডি. এম (ডাচ্চ মাৰ্ক—পশ্চিম জাৰ্মেনিৰ ধন। এক ডি. এমৰ মূল্য ৮.৫০ টকা)। ভাৰা মাহে ৪০০ ডি. এম.। গতিকে আমাৰ তিনিমাহত এটা এপাৰ্টমেণ্টৰ ভাৰাত খৰচ পৰিব ১৭২৫ ডি. এম. অৰ্থাৎ সাত হাজাৰ সাত শ চৌষষ্টি টকা পঞ্চাছ পইচা।

ডমৰ'ছে আমাক এৰি যোৱাৰ পাছত আমি-ভাবিলো, ওচৰতে ছুপাৰ মাৰ্কেট আছে যেতিয়া আমি ৰান্ধিয়েই খাম। কাৰণ আমাৰ সিমান ভোক লগা নাছিল। বৃটিছ এয়াৰ ৱেজে ফ্ৰেংকফাৰ্টগামী বিমানত আমাক বেছ গধুৰ ধৰণৰ প্ৰাতঃভোজন খাবলৈ দিছিল।

কিন্তু ছুপাৰ মাৰ্কেটত মহা অসুবিধা। লেবেলবোৰ বুজি নাপাওঁ। সকলো জাৰ্মান ভাষাত লিখা। তথাপি বিলাহী, ফুলকবি, তিয়ঁহ, চাউল আৰু কফিৰ টেমা কিনাত আমাৰ অসুবিধা নহ'ল। ছবি চাই ভিজিটেবল অইল এটা কিনি পেলালো। Salz ক নিমখ আৰু Zucker ক চেনি বুলি ধৰি লৈ তাকো কিনিলো। বিস্কুটৰ পেকেট এটাও কিনিলো। লগতে মাখনো। কাৰণ মাখনক জাৰ্মান ভাষাতো butter বোলে। আচৰিত কথা যে কাটি-বাছি থোৱা মাছ কেইডোখৰমানো কিনিবলৈ পালো।

সন্ধিয়া আমাৰ আহাৰ প্ৰস্তুত হ'ল। অৱশ্যে এই কামটোত মোৰ সহযোগৰ প্ৰয়োজন নহ'ল। আমি সন্ধিয়াতে যোৰহাটত খোৱাৰ দৰে বিলাহীৰ জোল আৰু মাছেৰে ভাত খালো। ছালাডো খালো। পিছে বিলাহীৰ জোলখনত বাদে আনত বিশেষ সাদ-সোৱাদ নাপালো। মাছ কেইডোখৰো টান আৰু অলপ লিকটা। বোধকৰোঁ আমাৰ তাত পোৱা বামী বা টোৱাৰ দৰে মাছ। সাদ-সোৱাদ নোপোৱাৰ মূল কাৰণ হ'ল দুটা: (১) মছলাৰ অভাৱ আৰু (২) আমাৰ দেহৰ ওপৰত জেটলেগৰ প্ৰভাৱ পুৰা মাত্ৰাই চলি আছিল। কাৰণ জাৰ্মেনিত সন্ধিয়াৰ আঠ বজা মানে ভাৰতত ৰাতি চাৰে বাৰ।

তথাপি আমাৰ মনত সন্তোষ আৰু গৰ্ব এইখিনিতেই যে আকাশী পথেৰে প্ৰায় চাৰে পাঁচ হাজাৰ মাইল উৰি আহি নতুন ঠাইত প্ৰথম সাজ আহাৰ হিচাপে নিজে সদায় খোৱা আহাৰকে খাব পাৰিলো।

মাইনৃছ পশ্চিম জাৰ্মেনি ৮.৯.৮৯

(আগলৈ)

দুই

আগষ্ট আৰু ছেপ্টেম্বৰ পশ্চিম জাৰ্মেনিত মেলা আৰু বসন্ত উৎসৱৰ মাহ। আগষ্টৰ শেষ সপ্তাহ আৰু ছেপ্টেম্বৰৰ পহিলা সপ্তাহত ৰাইলেণ্ড-পেলেটিনেট ৰাজ্যৰ ৰাজধানী মাইনৃছত (Mainz) আকৌ সুৰা উৎসৱ। আঙুৰৰ পৰা তৈয়াৰ কৰা সুৰা। ইয়াত সুৰা বা wine দুবিধ—বগা আৰু ৰঙা। দুয়োবিধ সুৰা পান কৰা পাত্ৰও আকৌ সুকীয়া-সুকীয়া। গুটেনবাৰ্গ বিশ্ববিদ্যালয় মাইন্‌ছতে। ই মহানগৰী যদিও ইয়াৰ গাতে লাগি আছে বিস্তৃত অৰণ্যানী আৰু গৰু-ভেড়া আদি চৰা ঘাঁহনি। তদুপৰি ইয়াৰ ৪৫১ হেক্টৰ মাটিত আঙুৰৰ খেতি হয়। এইখিনি মাটি আকৌ ৰাইন নদীৰ পাৰতে।

তিনি ছেপ্টেম্বৰত আমি মাইন্‌ছৰ পৰা পুৰা ফ্ৰেংকফাৰ্টলৈ গৈছিলো। ৰাতি দহ বজাত তাৰ পৰা মটৰগাড়ীৰে উলটি আহোঁতে ৰাইন নদীৰ পাৰৰ সুসজ্জিত, সুআলোকিত, সুৰা আৰু খাদ্যৰ দোকান-পোহাৰেৰে ভৰা দুখনমান ঠাইত সুৰা উৎসৱ দেখা পাইছিলো। মানুহ যে সকলো পাহৰি এনেকৈ প্ৰাণ ঢালি আনন্দ কৰিব পাৰে তাকে দেখিলেই ভাল লাগি যায়। অৱশ্যে এই ক্ষেত্ৰত সুৰা দেৱীৰো প্ৰভাৱ নথকা নহয়। Wine-অক সুৰা বুলি কৈছোঁ। কিন্তু আচলতে সুৰা মদ হয়নে নহয় ক'ব নোৱাৰি; কাৰণ তাত এলকহলৰ শতকৰা পৰিমাণ ইমান সামান্য যে ই হয়তো মনহে গোলাপী কৰিব পাৰে, ৰাগীয়ে জ্ঞানশূন্য কৰিব নোৱোৰে। ইয়াত এলকহলৰ বেয়া প্ৰভাৱতকৈ পুষ্টিকাৰক গুণহে বেছি। ইয়াক আমাৰ

সাধনা ঔষধালয়ৰ মহাদ্ৰাক্ষাৰিষ্ট বা মৃত সঞ্জীৱনী সুধাৰ লগত বিজালে বেছি ভুল কৰা নহ'ব।

যিয়েই নহওক, মাইন্‌ছৰ মানুহৰ উৎসৱ-প্ৰীতি সাধাৰণতে জাৰ্মেনিৰ অন্য ঠাইতকৈ বেছি বুলি কোৱা-কুই কৰা শুনিছোঁ। কিন্তু মই নিজে দেখিলো মাত্ৰ সুৰা উৎসৱহে। যোৰহাটতেই মাইন্‌ছ মহানগৰখন উৎসৱ-বলিয়া হোৱাৰ ইংগিত পাইছিলো। মোৰ জাৰ্মেনিত জাৰৰ দিন কেইটা পাৰ কৰিবৰ ইচ্ছা নাছিল বাবে মই আগষ্টত গৈ নৱেম্বৰৰ পহিলা সপ্তাহত উভতি অহাৰ ইচ্ছা প্ৰকাশ কৰি লিখোঁতে অধ্যাপক ডম্ব'ছে মোক জনাইছিল যে মই আগষ্টত ইয়ালৈ অহা উচিত নহয়; কাৰণ ইয়াত আগষ্টত ইমান উৎসৱ হয় যে মোৰ হেনো কামত যথেষ্ট ব্যাঘাত হ'ব পাৰে।

মাইন্‌ছৰ মানুহৰ উৎসৱ-প্ৰীতি দেখি ভ্ৰমণ প্ৰতিষ্ঠানসমূহে এনেকৈ প্ৰচাৰ কৰে: মাইন্‌ছৰ মানুহ কঠোৰ পৰিশ্ৰমী জীৱনৰ পক্ষপাতী নহয়; এওঁলোক বেচ আৰামপ্ৰিয়।

আৰু মাইন্‌ছত যে কতনো উৎসৱ! জানুৱাৰিত কাৰ্নিভেল, ডেকা-ডেকেৰীৰ ফেঞ্চি ড্ৰেছ পেৰেড আৰু বিশ্ববিখ্যাত "গোলাপী সোমবাৰৰ শোভাযাত্ৰা"। জুনৰ মাজ ভাগত মধ্য গ্ৰীষ্মকালৰ নিশাৰ উৎসৱ। ইত্যাদি, ইত্যাদি।

মাইন্‌ছ যেনেকৈ উৎসৱৰ ঠাই, সেইদৰে ফ্ৰেংকফাৰ্ট হ'ল মেলাৰ ঠাই। ইয়াত মাহেকত এবাৰ কিবা এখন আন্তৰ্জাতিক মেলা হয়েই। ১৪ ছেপ্টেম্বৰৰ পৰা তাত অনুষ্ঠিত হৈছিল আন্তৰ্জাতিক মটৰ গাড়ীৰ মেলা। সেই কেইদিন তালৈ পৃথিৱীৰ সকলো ঠাইৰ পৰা মানুহ আহিছে। সকলোতে মানুহ। বিশেষকৈ ৰেলগাড়ীত। জাৰ্মান মানুহৰ মটৰ গাড়ীৰ প্ৰতি আকৰ্ষণ দেখি আচৰিত লাগে। সাধাৰণতে যিখন ৰেলগাড়ীত মই ফ্ৰেংকফাৰ্টলৈ আহোঁ, তাত একোটা ডবাত যিমান আসন থাকে তাৰ আধা ভাগহে পূৰ হয়। কিন্তু ১৪ আৰু ১৫ ছেপ্টেম্বৰত দেখিলো যে ৰেলত এখনো আসন খালী নাই; বৰঞ্চ

বহুত মানুহ থিয় হৈছে আহিছে। ফ্ৰেংকফাৰ্টৰ দক্ষিণ ভাগত এই মটৰগাড়ী উৎসৱ হয়। এই ঠাই তেতিয়া লোকে লোকাৰণ্য হৈছিল।

প্ৰতি বছৰৰ অক্টোবৰত ফ্ৰেংকফাৰ্টত বিশ্ব গ্ৰন্থমেলা হয়। ইয়াত আগতে কেইবাখনো সুবৃহৎ শিল্প বা ঔদ্যোগিক মেলাও হৈছিল।

ফ্ৰেংকফাৰ্টত ভালেমান প্ৰশস্ত আলিয়েদি মটৰ গাড়ীৰে ঘুৰি ইয়াৰ যানবাহনৰ শৃংখলা, প্ৰশস্ত সুপৰিকল্পিত আলিত থকা যান-বাহন নিয়ন্ত্ৰণৰ ব্যৱস্থা, শুৱনি মহানগৰীৰ বহুমহলীয়া ঘৰ আৰু তাৰ কাৰুকাৰ্য দেখাৰ অভিজ্ঞতা এতিয়া হৈছে। মোৰ জনাৰণ্য মহা-নগৰীত চাৰিআলি পাৰ হোৱা অভিজ্ঞতাও হৈছে।

এনে এটা অভিজ্ঞতাহে মোৰ সদায় মনত থাকিব। সেয়ে হ'ল পাতাল ৰেলত ভ্ৰমণ। মহানগৰীৰ বেছি ভাগ ঠাইলৈ যোৱাৰ বাবে তলেদি ৰেল গাড়ীৰ ব্যৱস্থা আছে। তীব্ৰ বেগী বৈদ্যোতিক ৰেলগাড়ী। খুব নিয়ম মতে আৰু সময় মতে চলে। আঠ বাজি চাৰি মিনিট বুলিলে ঠিক সেই সময়তেই ৰেল গাড়ীত উঠিব লাগিব। আঠ বাজি পাঁচ মিনিটত আহি পালে নহ'ব। সমগ্ৰ দেশতে ৰেল গাড়ী চলাৰ ব্যৱস্থা এনেকুৱাই। ৰেলৰ সময় তালিকাত ১২ বাজি ২৩ মিনিট বা ৮ বাজি ১ মিনিট আদি সময়ৰ মূল্য আছে। ধৰক এখন ৰেল ১২ বাজি ২৩ মিনিটত মাইন্‌ছ এৰি ৪১ মিনিটত ফ্ৰেংকফাৰ্ট পাব বুলি যদি লিখা আছে ঠিক তেনেকৈয়ে চন্দ্ৰ-সূৰ্যৰ আবৰ্তনৰ দৰে ৰেলে সময় মানি চলিব।

ইয়াৰ মাটিৰ তলেদি চলা ৰেলগাড়ী কলিকাতাৰ পাতাল ৰেলগাড়ীৰ দৰেই। অৱশ্যে ইয়াত গোটেই মহানগৰখনেই এই পাতাল ৰেলে ছুইছে। আনকি ফ্ৰেংকফাৰ্ট বিমান কোঠৰ তলেদিয়ো পাতাল ৰেলগাড়ী গৈছে। এজন মানুহ বিমানৰ পৰা নামি তলেদি গৈ ৰেলত উঠিলেই হ'ল। তেওঁৰ এক পইচাও খৰচ নহ'ব। মালবস্তুৰ কাৰণেও চিন্তা নাই। কাৰণ ট্ৰলিত মাল ভৰাই চলমান খটখটিত থিয় দিলেই হ'ল। মই দেশলৈ উভতি যোৱাৰ সময়ত মাইন্‌ছৰ পৰা ৰেলগাড়ীৰে

আহি বিমানকোঠৰ তলৰ বেল ষ্টেছনত নামি ওপৰলৈ উঠিয়েই বিমান কোঠ পাবহি পাৰিম। মোৰ টেক্সিৰ খৰচ নহ'ব, নতুবা কোনোবাই মটৰ গাড়ীৰে বিমানকোঠত নথ'লেও হ'ব।

ফ্রেংকফাৰ্টৰ যিবোৰ ঠাইত পাতাল বেলৰপৰা ওপৰলৈ উঠাৰ ব্যৱস্থা আছে তাতে আকৌ বহু মহলীয়া দোকানবোৰ। একো-একোটা মহলত দোকানে এক একৰৰ সমান ঠাই দখল কৰিছে। হৰেক ৰকম পণ্য দ্রব্য। তেনেকুৱা চাৰি-পাঁচ মহলীয়া দোকানত ইমানবোৰ বস্তু কোনে কিনিব ভাবিলে ওৰ পোৱা নাযাব। মই মোৰ গাইডস্বৰূপ শ্রীনিৰঞ্জন বৰদলৈক সুধিলো, "এই দোকানবোৰ কাৰ ?" তেওঁ ক'লে, "একোটা নিগমৰ হ'ব পাৰে নাইবা এজন মানুহৰো হ'ব পাৰে। ইয়াত যে কিমান ধনী মানুহ আছে জানিলে কিবা লাগি যায়। মই যিটো সাত মহলীয়া ঘৰৰ এপাৰ্টমেণ্টত আছোঁ, সেই ঘৰৰ মালিকজনৰ এনেকুৱা এশ দহটা ঘৰ আছে। অথচ সেই মানুহজন পশ্চিম জাৰ্মেনিৰ বহুত ধনী মানুহৰ মাজৰ এজনহে।"

নিৰঞ্জন বৰদলৈ বৰ আচৰিত মানুহ। তেওঁৰ সকৰে পৰা দেশ ঘুৰাৰ নিচা। এই নিচাৰ অনিবাৰ্য তাড়নাত তেওঁ প্ৰায় পোন্ধৰ বছৰৰ আগতেই পশ্চিম জাৰ্মেনি ওলালহি। কিছুদিন বহুত কষ্ট কৰি থাকিল। জাৰ্মান ভাষাটো সুন্দৰকৈ শিকি পেলালে। এই ভাষাক মাধ্যম হিচাপে লৈ তেওঁ স্নাতক হ'ল। হস্পিটেলত কাম কৰা বাবে তেওঁ চিকিৎসা-বিজ্ঞানৰ জ্ঞানো আৰ্জিলে। তেওঁ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হ'বৰ বাবে পৰীক্ষাও দিলে। এই প্ৰতিযোগিতামূলক পৰীক্ষাত ফল ভাল দেখুউৱাৰ বাবে তেওঁ অ-জাৰ্মান হৈয়ো চিকিৎসা-বিজ্ঞান অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিলে। মহাবিদ্যালয়ত ভৰ্তি হোৱাৰ ফলত তেওঁ বুজন পৰিমাণৰ ডয়েচ মাৰ্কৰ (জাৰ্মেনিৰ মুদ্ৰা) এটা বৃত্তিও লাভ কৰিলে। এই বৃত্তিৰ চৰ্তত ভাৰতলৈ অৰ্থাৎ নিজ ঘৰ যোৰহাটলৈ বছৰেকত ঘুৰাৰ অহা-যোৱা

কৰাৰ খৰচো ধৰা আছে। এতিয়া তেওঁ চাকৰিও কৰে আৰু আয়ু-ৰ্বিজ্ঞানৰ অধ্যয়নো কৰে। চাকৰি কৰি পঢ়াটো ইয়াত নিয়মহে; ব্যতিক্রম নহয়। জাৰ্মান ডেকা-গাভৰুৱে সাধাৰণতে নিজৰ খৰচত অৰ্থাৎ নিজৰ উপাৰ্জনেৰে পঢ়িবলৈ বিচাৰে আৰু পিতৃ-মাতৃৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ নিবিচাৰে। তেনেভাৱে আৰ্জি পঢ়িবলৈ চৰকাৰে, শিক্ষাব্যৱস্থাই আৰু সমাজে সুবিধাও দিছে। ফলত জাৰ্মান সমাজত প্ৰজন্মগত ব্যৱধানো (generation gap) বাঢ়িছে। বয়সীয়া মানুহখিনি অৰ্থাৎ বৃদ্ধ পিতৃ-মাতৃ বেছি অসহায় হৈ পৰিছে; তেওঁ-লোকে বেছিকৈ নিঃসংগতাত ভুগিছে।

এতিয়া আকৌ আমাৰ যোৰহাটৰ চোলাধৰাৰ নিৰঞ্জন বৰদলৈৰ কথালৈ আহোঁ। য়ুৰোপৰ বক্ষস্থলত থাকিও মানুহটোৱে নিজৰ মতে পোছাক-পাতি নিপিন্ধে। তেওঁক মোক ছুট এযোৰ কিনাই দিব লাগে বুলি কোৱাত তেওঁ এনেকৈ ক'লে, "দামদৰ ঠিক কৰি দিম। কিন্তু এইবোৰ ছুট-টাইৰ বিষয়ে মোৰ কোনো আইডিয়া নাই। মোৰ পোছাক দেখিছেই নহয়। মই টাইডালকে বান্ধিব নোৱাৰোঁ।"

শ্ৰীবৰদলৈয়ে বহল পেণ্টৰ লগত চুয়েটাৰ পিন্ধে। এডাল দীঘল গলাবান থাকে। চুলি সত্ৰৰ ভকতৰ দৰে। সত্ৰৰ ভকতে চুলিৰে পিছ ফালে খোপা বান্ধে। এওঁ অৱশ্যে খোপা নাবান্ধি ওলোমাই থয়। চুলি কোচা বেনীৰ দৰে দেখি। এনেকৈ অৱশ্যে চুলি ৰখা আৰু তিনিটামান পশ্চিম জাৰ্মেনিৰ ল'ৰা দেখিছোঁ।

শ্ৰীবৰদলৈয়ে ডাঢ়িও নুখুৰায়। হয়তো মাজে-মাজে ডাঢ়ি কেচিৰে কাটে। নহ'লে তেওঁৰ বহুত দীঘল ডাঢ়ি হ'লহেঁতেন। পিছে তেওঁৰ পাতল ডাঢ়িবোৰ হোচিনমিন-লেখীয়াহে। দীঘলীয়া মুখখনত এনে ডাঢ়ি বেয়া নেদেখি।

তেওঁৰ বয়স চল্লিছৰ ওচৰাউচৰি। মেদবৰ্জিত ঋজু দেহটো ৰোগবৰ্জিতও। তেওঁ জাৰ্মানৰ লগত জাৰ্মানীতে কথা পতা শুনিলে

আচৰিত হ'ব লাগে। তেওঁ জাৰ্মানৰ দৰেই পৰৰ ভাষাটো কয়। তাকে শুনি মই ভাবোঁ—মইতো ইংৰাজী ভাষাক মাধ্যম কৰিয়েই বিশ্ববিদ্যালয়ৰ সৰ্ব্বোচ্চ ডিগ্রি অৰ্জন কৰিলো আৰু ছাত্ৰ-ছাত্ৰীকো ইংৰাজী ভাষাতে পঢ়ুৱাওঁ; কিন্তু মই জানো ইংৰাজৰ দৰে ইংৰাজী ভাষাটো ক'ব পাৰোঁ? এৰা, এটা ভাষা আয়ত্ত কৰিবলৈ হ'লে সেই ভাষা কোৱা মানুহৰ লগত থাকিব লাগে। সেয়েহে আমাৰ অসমৰ যিথিনি ছাত্ৰই বাৰানসী, এলাহবাদ বা দিল্লীত পঢ়া-শুনা কৰিছিল বা কৰিছে, তেওঁলোকে অসমৰ বহুত হিন্দী মাষ্টৰতকৈ বহুত ভালকৈ হিন্দী ক'ব পাৰে।

এইজন নিৰঞ্জন বৰদলৈৰ যোগেদিয়েই আমাৰ, মানে মোৰ পত্নীৰ ফ্ৰেংকফাৰ্টৰ সৈতে ভাল পৰিচয় হৈছে যেন লাগে।

আঠ ছেপ্টেম্বৰত বৰদলৈ ৰেল ষ্টেছনৰ পৰা আমাক নিবলৈ বৈ আছিল। ফ্ৰেংকফাৰ্টৰ প্ৰধান ৰেল ষ্টেছনটোৰ কাষতে কেইজাৰ ৰোডত এখন খোৱাৰ আৰু বস্তু বেচাৰ দোকান আছে। তাতে পুৰা সাত দিনৰ মূৰত ভাৰতীয় খাদ্য খালো। আচাৰৰে সৈতে আলু থকা পৰঠা। পাছত ক্ৰিম দিয়া কফি। মোৰ পিয়াহ বাঢ়িলহে। কিন্তু ইয়াততো পানী পোৱা নাযায়। পানীতকৈ বিয়েৰৰ দাম অলপহে বেছি। কিন্তু পিয়াহত পানীৰ সমান একো হ'ব নোৱাৰে। এগিলাচ পানী খালো। এওঁলোকে এই পানীক মিনাৰেল ৱাটাৰ বুলি কয়। কিন্তু মোৰ ছোডা পানী খোৱা যেনহে লাগিল। দাম ১.৮০ ডি. এম.। আমাৰ হিচাপত প্ৰায় ১৮ টকা।

সেইদিনা আছিল শনিবাৰ। আমাৰ বহুতেই কিজানি জানে যে শনিবাৰ আৰু দেওবাৰে পশ্চিমীয়া মানুহে বিশ্ৰাম লয়,—আনন্দৰ পৰিবেশত। ই তেওঁলোকৰ মন সজীৱ কৰি ৰাখে—অহা পাঁচ দিন ভালকৈ কাম কৰিবলৈ।

এইটো শনিবাৰে ফ্ৰাংকফাৰ্টৰ দক্ষিণ অঞ্চলটো অধিক আনন্দ-মুখৰ হৈ পৰিছে। কাৰণ তাৰ এঠাইত বসন্ত উৎসৱ হ'ব। বসন্ত

উৎসৱ বুলি কোৱা হয় যদিও আমাৰ বহাগী বিদায়'ৰ দৰে বসন্তক বিদায় দিয়াৰ উৎসৱহে। এতিয়া বসন্তৰ এই যাওঁ-যাওঁ অবস্থাত গছ-গছনি আৰু উদ্যানৰ বং ডাঠ সেউজীয়া। বেচ উপভোগ কৰিব পৰা জাৰ। দিনত ছুয়েটাৰ নিপিন্ধাকৈ থাকিব পাৰি। মন উন্মাদ কৰিব পৰা মৃদু চেঁচা বতাহ। গড় উষ্ণতা ১৫° ছেলছাছ। অথচ আৰু দুসপ্তাহৰ পাছত উদ্যানৰ আৰু মাজে-মাজে থকা জোপোহা বনৰ সকলো সেউজ শৰতে হৰি নিব। সকলো উদ্ভিদ থিতাতে হালধীয়া হৈ পৰিব। ৰাইন নদীৰ পাৰৰ শাৰী পাতি থকা গছবোৰো তেনেকুৱা হ'ব। উষ্ণতা বহুত কমিব। পুৱা মাটিয়ে তুহিনৰ (frost) স্পৰ্শ পাব। তাৰ পাছত আকৌ নৱেম্বৰৰ শীতত বৰফ পৰিব। গতিকে শৰতৰ আগমনি জাৰ্মানভাষীৰ কাৰণে আদৰিবলগীয়া পৰিঘটনা নহয়। ইয়াৰ শৰৎ তাহানিৰ যমুনা পাৰৰ শৰৎ নহয়। শৰতত জোনৰ পোহৰে ৰাইনৰ পানী জিলিকাব নোৱাৰিব। শৰতৰ আকাশ গোমা হৈয়ে থাকিব। অথচ আমাৰ শৰৎ কিমান সুন্দৰ! মাধৱদেৱে ঘোষাত কৈছে—জলৰ যতেক মল, যেহেন শৰত কালে, স্বভাৱতে নিৰ্মল হোৱয়।...

এই শৰতক আদৰাৰ যুক্তি নাই কাৰণেই ছেপ্টেম্বৰত জাৰ্মেনিৰ চুকে-কোনে বসন্ত উৎসৱ পতা হয়। আগতেই কৈছোঁ যে বসন্ত উৎসৱ নুবুলি ইয়াক 'বসন্ত-মেলানি' উৎসৱ বোলাই ভাল হ'ব।

দক্ষিণ ফ্ৰাংকফাৰ্টৰ কোনখিনিত এই উৎসৱ হ'ব বৰদলৈয়ে জানে। সেই ঠাই পোৱাত তেওঁ ক'লে, "ঘৰটোৰ বেৰত কি লিখা আছে কওঁ বাৰু। ইয়াৰ অৰ্থ হ'ল—হে বিদেশী বন্ধু, আমাক অকল-শৰীয়াকৈ এৰি নাযাবা। পশ্চিম জাৰ্মেনিৰ মানুহে বিদেশীক ভাল পায়। ইয়াত কোনো হিটলাৰৰ অভ্যুত্থানৰ কোনো আশা নাই। বিশেষকৈ আজিকালিৰ আন্তৰ্জাতিক বাণিজ্যৰ দিনত। কাৰণ সামগ্ৰীৰ ক্ষেত্ৰত আৰু শিল্প-উৎপাদনৰ ক্ষেত্ৰত, আনকি আমদানি-ৰপ্তানিৰ ক্ষেত্ৰতো, কোনো দেশে আন এখন দেশৰ ওপৰত নিৰ্ভৰ

নকৰি চলিব নোৱাৰে। সেয়েহে পুঁজিপতিৰ দেশ পশ্চিম জাৰ্মেনিলৈ প্ৰাকৃতিক গেছ আহে কমিউনিষ্ট ৰাছিয়াৰ পৰা।”

আমি বসন্ত উৎসৱৰ স্থান পালোগৈ। দুখানি তিনি চাৰি মহলীয়া আট্টালিকাৰ মাজত একেলগে চাৰিখন ট্ৰাক যাব পৰা এটা সুন্দৰ ৰাস্তা। ৰাস্তাটো প্ৰায় এক কিল’মিটাৰমান দীঘল হ’ব। তাতে বসন্ত উৎসৱ হৈছে। ৰবদলৈয়ে ক’লে, “ইয়াত এই উৎসৱ পতাৰ এটা ডাঙৰ উদ্দেশ্য আছে। প্ৰথম উদ্দেশ্য হ’ল বিদেশীক সন্তোষ দিয়া। দুই কাৰৰ ঘৰবোৰত ভাৰাতীয়া হৈ বেলেগ-বেলেগ দেশৰ মানুহ আছে। তুৰ্কীৰ পৰা জাপানীলৈ, আফ্ৰিকাৰ ক’লা মানুহৰ পৰা ৰবফৰ দৰে বগা ৰাছিয়ানলৈকে। আৰু এটা উদ্দেশ্য হ’ল— কণ-কণ ল’ৰা-ছোৱালীক সন্তোষ দিয়া।”

তাত বহুত মানুহ দেখা গৈছে। মাক আৰু ল’ৰা-ছোৱালী যথেষ্ট। সকলো বিশেষভাৱে সুসজ্জিত। সকলোৰে মুখত হাঁহি। কিন্তু উৎসৱৰ আয়োজনত কোনো ফাৰ্মেলিটি নাই। ৰাস্তাৰ ওপৰতে পানশালা (bar) বহিছে। লগত খাদ্যসম্ভাৰ। এচুকত এটা দলে গান-বাজনা কৰি আছে। জিনৰ পেণ্ট পিন্ধা জাৰ্মান গাভৰুৱে তালে-তালে নৰ্তকীৰ ভংগীৰে খোজ দিছে। নানা ধৰণৰ বস্তু কিনি দি, ভাল লগা কিবাকিবি খাবলৈ দি মাক-বাপেকে ল’ৰা-ছোৱালীক সন্তুষ্ট কৰি নিজেও সন্তোষ পাইছে। পাছত আকৌ এদল ডেকা-গাভৰুৱে ছাৰ্কাছৰ দৰে নানা অংগীভংগীৰে খেল দেখুৱালে। ইয়াকে এক্ৰ’বেটিকছ বোলে কিজানি। খেলাধূলাৰ বাবে বিখ্যাত পশ্চিম জাৰ্মেনিৰ ডেকাগাভৰুৱে কিয়নো ভাল এক্ৰ’বেটিকছ নেদেখুৱাব? মই হ’লে এতিয়ালৈকে যিমান ছাৰ্কাছ দেখিছোঁ, তাত দেখা কাণ্ড-কাৰখানাতকৈ ইয়াত এই অপৰিচিত দলটোৱে দেখুউৱা কাণ্ড-কাৰখানাবোৰ বেছি আকৰ্ষণীয় আৰু বেছি বিপদসংকুল যেন দেখিলো।

এতিয়া ইয়াত আঠ বজাতহে সন্ধিয়া হয়। আমি আঠ বজাত

গুটি আহিলো। বাটত ইটালিয়ান কফি খালো। এই কফিৰ কাপৰ ওপৰত ডেৰ ইঞ্চিমান ডাঠকৈ ক্রিম থাকে। বৰদলৈয়ে অভিজ্ঞৰ সুৰত ক'লে, "বিদেশলৈ আহিলে ইটালিৰ মানুহৰ দোকান দেখিলেই ভাত কফি খাব লাগে। কফিৰ এনে সোৱাদ আৰু আন ঠাইত পোৱা নাযায়। ইটালিৰ মানুহবোৰ কিমান ধুনীয়া দেখিছেনে নাই? গাৰ ৰং বঢ়িয়া, নিমজ। মুখৰ গঢ় সুন্দৰ। এই কফি দিয়া মানুহকেইটা একেবাৰে ফিল্ম এক্টৰৰ দৰে নহয় জানো? চুলিবোৰো কিচকিচকৈ ক'লা।"

এনেতে ছোৱালী দুজনী আৰু ডেকা ল'ৰা এটা আমাৰ ওচৰেৰে চকিত বহিল। বৰদলৈয়ে সিহঁতক চিনি পায়। তেওঁ ক'লে, "এই ল'ৰাটো আৰু ছোৱালী দুজনী দেখিলে কি কাম কৰা যেন লাগে?" মই ক'লো, "ইয়াত পোছাক আৰু চেহেৰা দেখি একো ধৰিব নোৱাৰি। ৰেলত এজনী গার্ড কাম কৰা ছোৱালীয়ে আমাৰ টিকট-বোৰ চাইছিল। তাই দেখাত পূৰা ছিনেমাৰ নায়িকা যেন। এটা ট্রাম ড্ৰাইভাৰ দেখিলো। ছুটটাই পিন্ধা। সুন্দৰ নিপোটল চেহেৰা। তাক গৱর্ণৰ বুলি ক'লেও শুৱাব।"

তাকে শুনি বৰদলৈয়ে বৰ আমোদ পাই ক'লে, "উত্তৰটো ঠিকেই শুনিছোঁ। ইহঁতে ওচৰৰে দোকানত মাংস বেচে। আমাৰ ভাষাত ইহঁত মাংস কটা-বেচা কৰা কচাই-কচায়িনী। কচায়িনী বুলি শব্দ এটা আছেনে নাই নাজানো। কাৰণ আমাৰ তাত মাইকী কচাই দেখা নাই। গতিকে কচাই-কচায়িনীৰ এনে আকর্ষণীয় চেহেৰা, পৰিচ্ছন্ন সাজপাৰ হ'ব পাৰে বুলি আপুনি কল্পনা কৰিব পাৰেনে? ইহঁতো ইটালিৰ।"

সেই দিনা বৰদলৈয়ে আমাক দূৰৈৰ পৰা এটা স্তম্ভ দেখুৱালে। স্তম্ভটো ওচৰৰ পঞ্চাছ মহলীয়া অতি ওখ আট্টালিকা-টোতকৈয়ো ওখ। এনেকুৱা ওখ স্তম্ভ বর্ণনা কৰিবলৈ এটা শব্দহে মোৰ ভাষাজ্ঞানে বিচাৰি পাইছে। শব্দটো হ'ল গগনচুম্বী। বেচ উপযুক্ত শব্দ। এই গগনচুম্বী

স্তম্ভটোৰ যেৰটোও ডাঙৰ। তাৰ শীৰ্ষত এখন পানাহাৰ কৰিব পৰা ৰেস্তোঁৰা আছে। ৰেস্তোঁৰাখন ঘূৰি থাকে। এয়া ধনী মানুহৰ অদ্ভুত-অদ্ভুত চখৰ ফলহে। তাৰৈ কুতুব মিনাৰৰ দৰে এঙ্কাৰ খটখটি বগাই যাব নালাগে। লিফটৰ ব্যৱস্থা আছে। অৱশ্যে ৰেস্তোঁৰা পাবৰ বাবে লিফ্‌টত দুই ডি. এম. আৰু আহোঁতে দুই ডি. এম.। অৰ্থাৎ অহা-যোৱাতে ৪ ডি. এম. (অৰ্থাৎ ৩৪ টকা) খৰচ কৰিব লাগে।

ছেপ্টেম্বৰৰ ন তাৰিখ। আমি ফ্ৰেংকফাটত। বৰদলৈৰ ঘৰত আমি আলহী। সেইদিনাৰ অভিজ্ঞতাৰ কথা সহজে পাহৰিব নোৱাৰিম কিজানি। ৰাতি ন বজাত এটা চাৰিমহলীয়া অপেৰা হাউছৰ সমুখৰ বিস্তীৰ্ণ ঠাইত অৰ্থাৎ প্লাজাত পেৰিছৰ সুবিখ্যাত দল Urban Sax-অৰ সংগীত শুনিলো আৰু অপেৰাও দেখিলো। এটা অপেৰাত কাহিনী বিবৰিবলৈ ইমানবোৰ যে যান্ত্ৰিক ব্যৱস্থা লাগে, একেলগে ইমানবোৰ মানুহ লাগে আৰু ইমানবোৰ বিভিন্ন ধৰণৰ পোহৰৰ ব্যৱস্থা লাগে সেই ৰাতিহে প্ৰথম জানিব পাৰিলো। সকলো ব্যয়বহুল ব্যৱস্থা। ধনী দেশৰ কথাই সুকীয়া। আমি অপেৰা হাউছটো ভালকৈ চাই ৰাতি বাৰ বজাত ঘূৰলৈ আহিলো। কিন্তু বহুত মানুহ সেই মুকলি ঠাইত থাকি গ'ল। তাত পানশালা (bar) বহিল, খোৱাবস্তুৰ দোকানো বহিল। গতিকে মানুহ শেহ ৰাতিলৈকে থাকিব বুলি জানিব পাৰিলো। ইয়াৰ পৰা মোৰ স্পষ্ট অনুমান হ'ল যে ফ্ৰেংকফাটৰ নিশাৰ জীৱন পেৰিছৰ দৰেই খুব আকৰ্ষণীয় হোৱাৰ প্ৰতিশ্ৰুতি আছে।

কথাটো সঁচা হ'বই। নিশা বাৰ বজাতো মাটিৰ তলৰ ৰেলৰ তিনিটা ষ্টেছনত তিনিবাৰ ৰেল সলাই বৰদলৈৰ ঘৰলৈ আহিব পাৰি। তাত যথেষ্ট মানুহ-দুনুহ দেখি ভাব হ'ল যে ইয়াৰ ৰাতি সকলো সময়তে সজীৱ।

এইবোৰকে দেখি বাণিজ্য মহানগৰ ফ্ৰেংকফাটৰ কথা জানিবলৈ মন গ'ল। ইয়াৰ ভাস্কৰ্য চাইছোঁ, দোকান-পোহৰ চাইছোঁ, ইতিবৃত্ত

সংগ্ৰহালয়বে পঢ়িছোঁ চাইছোঁ আৰু মেলাও দেখিছোঁ। তাতে সবিস্তাৰে লিখিম বুলি ভাবিছোঁ।

ফ্ৰেংকফাৰ্ট পশ্চিম জাৰ্মেনি

১০.৯.৮৯

তিনি

পশ্চিম জাৰ্মেনিৰ কিছুমান বিশ্ববিদ্যালয়ৰ নাম ঠাইৰ নাম অনুসৰি হয়; কিন্তু বেছি ভাগ বিশ্ববিদ্যালয়ৰ নাম দিয়া হয় সেই ঠাইত জন্ম গ্ৰহণ কৰা কোনো যুগান্তৰকাৰী ব্যক্তিৰ নামত। মোৰ কৰ্মস্থল হ'ল জোহান্ছ গুটেনবাৰ্গ বিশ্ববিদ্যালয়। কিন্তু মই যোৰহাটত ভবাৰ দৰে ঠাইখনৰ নাম গুটেনবাৰ্গ নহয়; মাইন্ছহে। জোহান্ছ গুটেনবাৰ্গ হ'ল প্ৰথম ছপাখানাৰ সা-সৰঞ্জামৰ আবিষ্কাৰক। তেওঁৰ ছপাখানাত আখৰবোৰ একৰাই আকৌ ব্যৱহাৰ কৰাৰ ব্যৱস্থা আছিল। এই আবিষ্কাৰ হৈছিল পঞ্চদশ শতিকাৰ প্ৰথমাৰ্ধত। গুটেনবাৰ্গে ১৪৫০ চনত লেটিন ভাষাত প্ৰথম বাইবেল ছপা কৰিছিল। তেতিয়া অসমত শ্ৰীমন্ত শংকৰদেৱ আছিল এবছৰীয়া শিশু।

গুটেনবাৰ্গ যুগান্তৰকাৰী পুৰুষ নহয় জানো? ছপাখানাই মানৱ-সভ্যতাত যুগান্তৰ আনিলে জানো? গতিকে মাইন্ছৰ সুসন্তানৰ নামতেই তাৰ বিশ্ববিদ্যালয়খন পতা হৈছিল।

ফ্ৰেংকফাৰ্টৰ ক্ষেত্ৰতো একে কথা। সাহিত্য আৰু নতুন ভাব-ধাৰাৰে যুগান্তৰ সৃষ্টি কৰা আৰু সাহিত্য জগতত সৰ্বদায় অমৰ হৈ থকা গোটেৰ জন্ম ফ্ৰেংকফাৰ্টতে। গ্যেটেক লৈ জাৰ্মান জাতি গৰ্বিত। গ্যেটেই জাৰ্মানবাসীৰ মানসিক পৰিমণ্ডল প্ৰশস্ত কৰি থৈ গ'ল আৰু সূক্ষ্ম অনুভূতিৰেও তেওঁলোকৰ নান্দনিক পৃথিৱীখন অধিক বিনন্দীয়া কৰি থৈ গ'ল। গ্যেটেৰ জীৱনবোধেও জাৰ্মানবাসীক ভালকৈ স্পৰ্শ কৰিলে। সেইবাবে ফ্ৰেংকফাৰ্টবাসী হয়তো অন্যান্য জাৰ্মানতকৈ অধিক গৌৰৱান্বিত। ফলত ইয়াৰ ঐতিহ্যপূৰ্ণ বিৰাট

বিশ্ববিদ্যালয়খনৰ নাম হ'ল জোহান ওল্ফগাং গ্যেটে বিশ্ববিদ্যালয় (Johann Wolfgang Goethe University)।

এই বিশ্ববিদ্যালয়ৰে সমাজবিজ্ঞানৰ অধ্যাপক হেলমুট বেকাৰে আমাক সন্ধিয়াৰ আহাৰৰ বাবে নিমন্ত্ৰণ জনালে। এই নিমন্ত্ৰণৰো কাৰণ নথকা নহয়। মই জাৰ্মেনিলৈ আহিয়েই তৃতীয় দিনা (৩ ছেপ্টেম্বৰ, ১৯৮৯) নিবঞ্জন বৰদলৈক কৈছিলো, "মই বৰ উৎসুক মন এটা লৈ বিদেশলৈ আহিছোঁ। মই থাকিবলগীয়া তিনিমাহৰ বেছি ভাগ সময় পশ্চিম জাৰ্মেনিতে কটাব লাগিব; কাৰণ আজি কালি অন্য দেশলৈ যাবলৈ ভিছা পোৱা বৰ টান। গতিকে মোৰ জাৰ্মান জাতিটোকে ভালকৈ জানিবৰ ইচ্ছা। নিজে তিনি মাহৰ ভিতৰত ইয়াৰ আচল প্ৰতিচ্ছৱি হয়তো বিচাৰি নাপাম। কিন্তু দুবিধ মানুহে মোক এই ক্ষেত্ৰত সহায় কৰিব পাৰিব। সমাজবিজ্ঞানীয়ে আৰু সাহিত্যৰ মানুহে। অৱশ্যে, বৰদলৈ, আপোনাক উলাই কৰা নাই দেই। আপুনি ইয়াত পোন্ধৰ বছৰ আছে। আপোনাৰ পৰা বহুত কথা জানি আছোঁ আৰু এই কেইমাহৰ ভিতৰত আৰু বহু কথা আপোনাৰ মুখে শুনিম। আপুনি কোৱা কথাবোৰ, লগতে কাহিনীবোৰ, এজন কাহিনীকাৰৰ কাৰণে সঁচাকৈয়ে আপুৰুগীয়া বস্তু।"

বৰদলৈয়ে একো অভিমত দিয়া নাছিল আৰু কাৰোবাৰ লগত চিনাকি কৰি দিয়াৰো প্ৰতিশ্ৰুতি দিয়া নাছিল। কিন্তু তেওঁ বোধকৰোঁ কথাটোত খুব গুৰুত্ব দিছিল। কাৰণ আঠ ছেপ্টেম্বৰত তেওঁ মোক ফোনযোগে জনালে যে অধ্যাপক হেলমুট বেকাৰে মোক সপৰিয়ালে লগ পাবৰ বাবে আগ্ৰহ প্ৰকাশ কৰি চৈধ্য ছেপ্টেম্বৰৰ আঠ বজাত সান্ধ্যভোজনলৈ নিমন্ত্ৰণ জনাইছে। অধ্যাপক বেকাৰে তেওঁৰ বাসস্থানটো চিহ্নিত কৰি নক্স এখনো পঠিয়াইছে। আমি সেই ঠাই ৰাতি আঠ বজাত পাবগৈ লাগিব।

যাত্ৰাৰ সময়ত বৰদলৈৰ হাতত অধ্যাপক বেকাৰে পঠিওৱা নক্সাখন আৰু ফ্ৰেংকফাৰ্টৰ বাট-পথ আদি থকা মানচিত্ৰ এনেকুৱা মানচিত্ৰখন চাই

এডোখৰ ঠাই উলিওৱাটো ইয়াৰ মানুহৰ কাৰণে এটা সাধাৰণ কথা। গতিকে কোনেও সুধি-সুধি কাৰোবাৰ ঘৰ নোলায়গৈ। অৱশ্যে পশ্চিম জাৰ্মেনিৰ বা আন পশ্চিমীয়া দেশৰ নগৰ-পৰিকল্পনা এনে পৰিচ্ছন্ন, আৰু বৈজ্ঞানিকভাৱে সুশৃংখলিত যে এজন লোকে মানচিত্ৰ চাই এডোখৰ ঠাই ওলাবগৈ পাৰে। ধৰক একে মাত্ৰাৰে (dimension) গুৱাহাটীৰ এটা অংশৰ তেনে এখন মানচিত্ৰ ছপা কৰা হ'ল আৰু ঘৰবোৰ চিহ্নিত কৰা হ'ল। কিন্তু ঘৰৰ বা প্ৰতিষ্ঠান আদিৰ অৱস্থান গুৱাহটীত এনে বিশৃংখলভাৱে আছে যে মানচিত্ৰ অঁকা মানুহজনেও কিজানি নিৰ্দিষ্ট অপৰিচিত ঠাই ডোখৰ তেওঁ অঁকা মানচিত্ৰখন চাই ওলাবগৈ নোৱাৰিব। মোৰ বোধেৰে বাংগালোৰ, নতুন দিল্লী, ভুবনেশ্বৰ আদি সুপৰিকল্পিত মহানগৰতহে এনে মানচিত্ৰই কাম দিব।

আমি সন্ধিয়া চাৰে সাত বজাতে ওলালো। কাৰণ অধ্যাপক-জনৰ ঘৰ দক্ষিণ ফ্ৰেংকফাৰ্টৰ (তাতে বৰদলৈ থাকে) পৰা বহুত দূৰৈত। বতৰ চেঁচা আৰু সিমসিমীয়া বৰষুণ। অৱশ্যে ইয়াৰ সিমসীমিয়া বৰষুণে জোতা আৰু কাপোৰ নষ্ট নকৰে। কেৰেচীয়াকৈ বৰষুণ নপৰে আৰু সিমসিমীয়া বৰষুণৰ পাছত দপদপকৈ বৰষুণ পৰাৰ আশংকাও নাই। ইয়াৰ বৰষুণৰ গতি প্ৰকৃতি আমাতকৈ সুকীয়া। আমাৰ দেশ হ'ল গ্ৰীষ্মপ্ৰধান। জাৰ্মেনি হ'ল নাতিশীতোষ্ণ অঞ্চলত। ইয়াত মৌচুমী বতাহো নাই, বৰদৈচিলাও নাই, ঘূৰ্ণিবতাহো নাই।

এবাৰ ওলাই যাওঁতে মোৰ হাতত ছাতি নাছিল। প্ৰায় দুশ মিটাৰ খোজ কাঢ়িছিলো, সিমসিমীয়া বৰষুণত। মোৰ কিন্তু মুখখনেই ভালকৈ তিতা নাছিল। মুখখনত ঘাম লাগি থকা যেনহে লাগিছিল। চুলিকোচা সামান্যভাৱে সেমেকিছিল আৰু কোটটোও তিতা যেন লগা নাছিল। বৰষুণ এবাৰ পাছত স্বাভাৱিক বতাহতে কোটপেন্ট শুকাই গৈছিল। তাকো পাঁচ মিনিটৰ ভিতৰতে।

এতিয়া মই, মোৰ পৰিবাৰ আৰু নিৰঞ্জন বৰদলৈ অধ্যাপক

হেলমুট বেকাৰৰ ঘৰলৈ যোৱাৰ সময়ত আমাৰ প্ৰত্যেকৰে হাতত ছাতি। অলপ-অলপ বতাহ বলিছে যদিও আমাৰ জাৰ লগা নাই।

আমি পাতাল ৰেলত দুবাৰ ৰেলগাড়ী সলাইছোঁ। ওপৰত অৰ্থাৎ সমতলত দুবাৰ বাছো সলাইছোঁ। বাছৰ পৰা নামি দুবাৰ মাটিৰ তলৰ পথত সোমাইছোঁ আৰু ওলাইছোঁ। এনেকৈয়ে আমি আধা ঘণ্টাৰ মূৰত অধ্যাপক বেকাৰৰ ঘৰত উপস্থিত। তেওঁ পঠিওৱা নক্সা আৰু ফ্ৰেংকফাৰ্ট চহৰৰ মুদ্ৰিত মেপখন ইমান নিখুঁত যে বৰদলৈয়ে নিঃসংকোচে অধ্যাপকৰ ঘৰৰ কলিং বেলৰ বুতাম টিপি দিছে।

লগে-লগে দুৱাৰ খুলি দিছে এগৰাকী ক্ষীণকায় ওখ মহিলাই। নিশ্চয় অধ্যাপকৰ পত্নী। আমাক তেওঁ আগ্ৰহেৰে বহিবলৈ দিলে। প্ৰায় এক মিনিটৰ পাছত অধ্যাপক বেকাৰ ওলালহি। আমাৰ লগত কৰমৰ্দন কৰি তেওঁ পত্নীৰ লগত ৰন্ধা-বঢ়াত লাগি গ'ল। ইয়াত অধ্যাপক হ'লেও এইবোৰ কাম কৰিবই লাগিব। ইয়াত আমাৰ ঠাইৰ দৰে কাম কৰা মানুহ পোৱা নাযায়। ইয়ো এখন উন্নত দেশৰ উন্নত অৰ্থনীতিৰ চিনহে।

মই মনে-মনে ভাবিলো—তেনেহ'লে আমি অধ্যাপক আৰু অধ্যাপক-পত্নীয়ে ৰন্ধা আহাৰ খাম। তাকো জাৰ্মান অধ্যাপক। আমাৰ কি ভাগ্য!

অধ্যাপক হেলমুট বেকাৰো বেচ ওখ। ছফুটতকৈ বেছি। পিছে তেওঁৰ পত্নীও তেওঁতকৈ দুই ইঞ্চিমানহে চাপৰ। এৰা, ইয়াত ছফুটৰ ওচৰা-উচৰি বহুত মহিলা দেখা যায়। অধ্যাপক বেকাৰ মানুহটো হটঙা। গাত সমূলি চৰ্বি নাই যদিও মানুহটোক কেটেঙা বুলি ক'ব নোৱাৰি। তেওঁৰ মূৰত সামান্য চুলিহে আছে। চুলি আৰু চেলাউৰিৰ বং একে। ইয়াকে দেখি এই সিদ্ধান্তলৈ আহিব পাৰি যে তেওঁৰ চুলিৰ স্বাভাৱিক ৰং ক'লা নহয়। পকা চুলি যেন

লগা তুকাষৰ পাতাল চুলিখিনি তেনেহ'লে আচলতে পকা নহয়। মানুহটোক দেখিলে গাত বেচ বল থকা যেন লাগে।

অধ্যাপকৰ পোছাকটোৰ বিৱৰণ দিয়া উচিত হ'ব বুলি ভাবিছোঁ। তেওঁ পাতল নীলা ৰঙৰ ডাঠ আৰু খহটা জিনৰ পেণ্ট পিন্ধিছে। কামিজটোও সিমানেই ডাঠ আৰু ৰঙো একে। ভৰিত টেনিছ শু। পাছতহে জানিলো যে অধ্যাপকে চিধা টেনিছ খেলি ঘৰলৈ আহিছে। পাছতহে পত্নীৰ মুখে গম পালো যে অধ্যাপকে শৰীৰৰ প্ৰতি বেচ যতন লয়। স্বাস্থ্যৰ কাৰণে তেওঁ টেনিছ খেলে আৰু টেনিছ খেলিবলৈ নাপালে ব্যায়াম কৰে।

ইফালে অধ্যাপক-পত্নীৰ পোছাকো আমাৰ চকুত বহুত বেলেগ লাগিল। তেওঁো পিন্ধিছে ঈষৎ নীলা ৰঙৰ জিনৰ পেণ্ট আৰু একে ৰঙৰ আৰু একে জিন-কাপোৰৰে জেকেটৰ দৰে বস্তু এটা, যাক হাৱাইন ছাৰ্ট বুলিও ক'ব নোৱাৰি। তেওঁ ক্ষীণাংগী যদিও দেহ সৌষ্ঠৱ আকৰ্ষণীয় নহয়। কিন্তু তেওঁ কথা কৈ অলপ হাঁহিলে মুখখন হাঁহিৰ অভাবে মৰম লগা হৈ পৰে। তেওঁৰ বয়স অনুমান কৰা টান। ৰবদলৈৰ মতে পয়ত্ৰিছতকৈ বেছি। অধ্যাপকৰ বয়স পঞ্চাছৰ ওচৰা-উচৰি যেন লাগিল। কিন্তু তেওঁ দেহৰ যত্ন লয় কাৰণে তেওঁৰ বয়স ষাঠি বছৰো হ'ব পাৰে। ইয়াত অৱসৰৰ বয়স ষাঠি বছৰ নহয়; পুৰুষৰ ক্ষেত্ৰত ৬৫ বছৰ, আৰু মহিলাৰ ক্ষেত্ৰত ৬২ বছৰ।

মোৰ অনুমান সঁচা হ'ল। আহাৰৰ পাছত কথা-বতৰা পাতি গম পালো যে অধ্যাপকৰ এজনী জীয়েক মেডিকেল কলেজত পঢ়ে। বাকী দুটা সন্তানো কলেজত। ঘৰত এটা সন্তানো নাথাকে।

ইয়াৰ পৰা আৰু এটা সিদ্ধান্তলৈ আহিবলৈ মোৰ সহজ হ'ল। আমি দেখা শ্ৰীমতী বেকাৰক দেখিলে এনে লাগে যে তেওঁৰ ছোৱালী চিকিৎসা মহাবিদ্যালয়ত পঢ়াৰ বয়সৰ হ'ব নোৱাৰে। গতিকে এই গৰাকী মহিলা তেওঁৰ নিশ্চয় দ্বিতীয় বা তৃতীয় পত্নী।

অধ্যাপকৰ এটা আৰ্জিত অভ্যাসে মোক আকৰ্ষিত কৰিলে।

তেওঁ স্বাস্থ্যৰ প্ৰতি ইমান মনোযোগী যে পিয়াহ লাগিলে আনৰ দৰে বিয়েৰ বা ৱাইন নাখায়; ফলৰ ৰসহে খায়। ইয়াকে দেখি মোৰ মনত পৰিল গুৱাহাটীৰ এটা ঘটনালৈ। মই আৰু গ্ৰন্থপীঠৰ মালিক শ্ৰীনীহাৰেন্দ্ৰ চৌধুৰীয়ে তেওঁৰ দোকানতে চাহ খাই আছিলো। এনেতে ওলাওকহি আকৌ জনাজাত প্ৰাকৃতিক চিকিৎসক আৰু প্ৰাকৃতিক চিকিৎসাৰ গ্ৰন্থ-প্ৰণেতা ড. মোহন বৰা। তেওঁ কিয় এই অপকাৰী বস্তুবোৰ অৰ্থাৎ চাহ খাব লাগে বুলি প্ৰশ্ন কৰি আমাক স্বাস্থ্যৰ বিধি মতে নচলাৰ বাবে দোষাৰোপ কৰিলে। তাকে শুনি চৌধুৰীয়ে সুধিলে, "চাহ নাখাইনো খাম কি?" ড. বৰাই তপৰাই মাত লগালে, "ফলৰ ৰস খাবা।"

অলপ পৰৰ পাছত স্পষ্টকৈ জানিব পাৰিলো যে অধ্যাপক বেকাৰতকৈ তেওঁৰ পত্নীয়েহে কথাবোৰ ইংৰাজীত স্পষ্টকৈ বুজাই ক'ব পাৰে। তেওঁ আকৌ জীৱবিদ্যাত শিক্ষা পোৱা মহিলা। এখন বিদ্যালয়ত কাম কৰে।

অধ্যাপক বেকাৰে খুব লাহে-লাহে কথা কয়। তেওঁ সকলো কথা উদাহৰণ দি ক'বলৈ ভাল পায়। প্ৰশ্ন এটা সুধিলে তৎমুহূৰ্তে উত্তৰ দিয়ে। মানুহজনৰ জ্ঞানৰ গভীৰতা আছে যেন লাগিল। তেওঁৰ ঘৰখনলৈ ভালেমান বিখ্যাত লোক আহে। কাৰণ তেওঁৰ বিশ্বাস যে বুদ্ধিজীৱীসকলৰ লগত যোগাযোগ আৰু অন্তৰংগতা থাকিলে এজন লোকৰ বৌদ্ধিক চৰ্চাত আৰু বিশ্বৰ আৰ্থসামাজিক দিশসমূহ বুজাত বৰ সহায় হয়। তেওঁ সাহিত্যৰো বিশেষ অনুৰাগী। ইংৰাজীৰ প্ৰাধান্য চলি থকা ভাৰতৰ দৰে দেশসমূহত আৰু ইংৰাজী-ভাষী দেশ কেইখনতো যথেষ্ট লোকপ্ৰিয় জাৰ্মান ঔপন্যাসিক গুণ্টাৰ গ্ৰাছ তেওঁৰ বিশেষ বন্ধু। 'টিন ড্ৰাম'-খ্যাত এই ঔপন্যাসিকজন অধ্যাপক বেকাৰৰ ঘৰলৈ প্ৰায়ে আহি থাকে। তেওঁৰ পৃথিৱীৰ কেইবা গৰাকী বিখ্যাত ব্যক্তিৰ লগত ব্যক্তিগত চিনাকি আছে। যেনে, ঔপন্যাসিক ভি. এছ. নাইপুল, তেওঁৰ ভায়েক শিৱ নাইপুল,

ৰাছিয়াৰ কেইজনমান নেতা, পোলেণ্ডৰ দুজনমান শ্ৰমিক নেতা, দুজনমান জাপানী শিল্পপতি, ইত্যাদি।

লেনিনৰ সমসাময়িক বুদ্ধিজীৱী লেখক আৰু নেতা বুখাৰিনৰ পত্নী এতিয়াও জীয়াই আছে। বয়স পঁচাশীতকৈ বেছি। অলপতে ফ্ৰেংকফাৰ্টত এখন অধিবেশন (বোধহয় সমাজতান্ত্ৰিক ব্যৱস্থাত বিশ্বাসী কোনোবা দলৰ বা লোকসমষ্টিৰ) হ'ব। তালৈ বুখাৰিনৰ পত্নী আহিব আৰু অধ্যাপক বেকাৰৰ ঘৰত আলহী হ'বহি।

মোৰ গুণ্টাৰ গ্ৰাছক দেখাৰ আৰু তেওঁৰ লগত কথা পতাৰ বৰ ইচ্ছা। তেওঁ হয়তো ভাল ইংৰাজী জানিব। তেওঁৰ মতে কলিকাতা এখন অতিশয় মনোগ্ৰাহী মহানগৰ। তেওঁ কলিকাতালৈ কেইবা-বাৰো গৈছে। তাত এবছৰ থাকি, সকলো পৰ্যায়ৰ মানুহৰ লগত মিলামিছা কৰি আৰু তাৰ সামাজিক ব্যৱস্থাও ভালকৈ অধ্যয়ন কৰি গ্ৰাছে কলিকাতাক লৈ এখন উপন্যাসো লিখিছে। এই উপন্যাসখন নিশ্চয় সোনকালে ইংৰাজী ভাষাত পঢ়বলৈ পোৱা যাব। এতিয়া-লৈকে প্ৰকাশিত সমালোচনা-সমূহ পঢ়ি অনুমান কৰিব পৰা হৈছোঁ যে এইখন উপন্যাসৰ দৃষ্টিভংগী নিশ্চয় ডমিনিক লেপিয়াৰৰ 'আনন্দ নগৰী'তকৈ (City of Joy) সুকীয়া হ'ব।

গুণ্টাৰ গ্ৰাছ ফ্ৰেংকফাৰ্টনিবাসী নহয়। মোৰ তেওঁক দেখাৰ ভাগ্য নহ'ব যেন পাইছোঁ। কাৰণ অধ্যাপক বেকাৰে মোক খবৰ দিলেও নিৰঞ্জন বৰদলৈক সময় মতে ঘৰত নাপালে তেওঁৰ ঘৰলৈ যোৱাটো সম্ভৱ নহ'ব। কাৰণ মই নিজে অধ্যাপক বেকাৰৰ ঘৰটো বিচাৰি উলিওৱাটো অসম্ভৱ কথা।

দীঘলীয়া দ্‌চলীয়া ঘৰটো অধ্যাপক বেকাৰৰ নিজৰ ঘৰ। দূৰৰ পৰা আমাৰ নামঘৰৰ দৰে দেখি। বেৰবোৰ মাটিৰ স্বাভাৱিক ৰঙৰ। অৱশ্যে ভিতৰৰ ব্যৱস্থা সম্পূৰ্ণ জাৰ্মান আৰ্হিৰ। ঘৰৰ পিছৰ ছোৱাতহে আকৰ্ষণীয় কোঠা কেইটাও আছে। বহা কোঠা, খোৱা কোঠা, ৰন্ধা-বঢ়া কৰা কোঠা ইত্যাদি। ৰেডিঅ' আৰু টেলিভিশান

বোধকৰোঁ শোৱনি কোঠাত থাকে। পিছ ফালে এখন ফুলনি বাগিচাও আছে।

এইটোৱেই জাৰ্মানসকলৰ থকাৰ নিয়ম। ফুলনি এখন সকলোৰে থাকেই। ই তেওঁলোকৰ সৌন্দৰ্য্যপ্ৰিয়তাৰ চিন। মই লক্ষ্য কৰিছোঁ যে বহু-মহলাৰ এটা এপাৰ্টমেণ্টত থকা লোকেও বেলকনিতে টাবত সৰু ফুলনি এখন তৈয়াৰ কৰে। তাৰ বাবে বজাৰত প্লাষ্টিকৰ পেকেটত মাটি কিনিবলৈ পোৱা যায়। তাকে মোৰ এপাৰ্টমেণ্টৰ ওচৰৰ মানুহ এঘৰত দেখি বহু বছৰৰ আগতে পঢ়া তাৰাশংকৰ বন্দোপাধ্যায়ৰ মাটি নামৰ গল্পটোলৈ মনত পৰিল। এৰা, কলিকাতা মহানগৰীতো এমুঠি মাটি সমানে মৰাৰ্ঘ। পাঁচিত মাটি লৈ কলিকাতাৰ গলিয়ে-গলিয়ে ঘূৰি ফুৰা ফেৰিৱালাৰ এটা কথা কওঁতে তাৰাশংকৰে মানুহৰ মাটিৰ লগত এৰাব নোৱৰা সম্পৰ্কৰ কথাও কৈছে।

আন-আন মহানগৰীৰ দৰে জাৰ্মেনিৰ মহানগৰীতো মানুহ বহু মহলাৰ ঘৰত থাকিবলৈ বাধ্য। থকা ঠাইৰ অভাৱৰ কাৰণেই বোধকৰোঁ ইয়াৰ মহানগৰতো লোহা-কাচ স্থাপত্যৰ (iron and glass architecture) উদ্ভৱ হৈছে। তথাপি মানুহৰ মাটিৰ মোহ একেই হৈ আছে। সকলোৰে মাটিৰ ওচৰৰ নিম্নতম মহলাত থাকিবলৈ ইচ্ছা। সেইবাবে ঘৰৰ এটা ফ্লেটৰ যিমানেই উচ্চতা বেছি সিমানেই তাৰ ভাৰা কম। সেয়েহে নিজে থাকিবলগীয়া ঘৰ সাজিবলৈ হ'লে এজন জাৰ্মানে আমাৰ নামঘৰৰ আৰ্হিৰ ঘৰ এটাহে সাজে আৰু এখন ফুলনিও ৰাখে।

মাটিৰ মোহ থকা জাৰ্মান মানসিকতাৰ ইংগিত দি অধ্যাপক বেকাৰে ক'লে, "ফ্ৰেংকফাৰ্টৰ কিছুমান চল্লিছ-পঞ্চাছ মহলীয়া ঘৰত ছুইমিং পুলৰ ব্যৱস্থাও আছে। তথাপি জানো সেইবোৰ আচল পুখুৰীৰ সমান হ'ব ?"

এয়ে প্ৰমাণ কৰে যে বিজ্ঞান আৰু প্ৰযুক্তিকৌশলে অনা আৰু মাটিৰ পৃথিৱীখনৰ পৰা আঁতৰি অহা কৃত্ৰিমতাই গেটেৰ দেশৰ

মানুহখিনিক আমুৰাইছে। গ্যেটেই কালিদাসৰ শকুন্তলাক এখন শ্ৰেষ্ঠ গ্ৰন্থ বুলি কৈছিল—মানুহৰ লগত প্ৰকৃতিৰ সম্পৰ্ক নিবিড়ভাৱে দেখুউৱাৰ কাৰণেই।

ইয়াৰ প্ৰমাণ বাটে-পথে পোৱা যায়। প্ৰথম প্ৰমাণ হ'ল, বেছি ভাগ ঘৰৰে দুৱাৰখিৰিকি কাঠৰ; বহু মহলীয়া ঘৰবো ৰেলিংবোৰ কাঠৰ, গীৰ্জাঘৰৰ প্ৰকাণ্ড দুৱাৰবোৰো। দ্বিতীয় প্ৰমাণ হ'ল—বহুতে বহাকোঠাত বেতৰ চকিমেজ ৰাখে। ফ্ৰেংকফাৰ্টতে ভালেমান বেতৰ আৰু বাঁহৰ বস্তুৰ দোকান আছে। আহে চীন দেশৰ পৰা। তাকে দেখি মোৰ মনটো বেয়াহে লাগিল। বস্তুবোৰৰ কাৰুকাৰ্য ভাল হোৱা নাই। খহটা হৈছে। এইবোৰত কাৰিকৰজনৰ সৌন্দৰ্যপ্ৰিয় সত্তাটো ওলাই পৰা নাই। অথচ যোৰহাট কাৰাগাৰত আৰু যোৰহাট চহৰৰ কেইবাঠাইতো ইয়াতকৈ বহুত ভালকৈ বাঁহ-বেতৰ কাম কৰা হয়। গতিকে অসমৰ কোনোবা ব্যৱসায়ীয়ে ইয়ালৈ বাঁহ-বেতৰ বস্তু পঠিয়াবৰ বাবে ৰপ্তানিৰ অনুজ্ঞা-পত্ৰ ললে বৰ ভাল কথা হ'ব। বোধকৰোঁ ইয়াত অসমৰ খিলঞ্জীয়া কুটীৰ শিল্পজাত বহু বস্তু চলিব। তাৰ বাবে কোনোবা ব্যৱসায়ী ইয়ালৈ আহি বিপনন (marketing investigation) চলোৱা উচিত।

তৃতীয় প্ৰমাণ হ'ল,—ইয়াৰ বহু লোকে বাঁহৰ বা বেতৰ পাঁচি বা বাকচৰ দৰে বস্তু একোটা হাতত লৈ বজাৰ কৰিবলৈ যোৱা দেখা পাইছোঁ।

অধ্যাপক বেকাৰ আৰু তেওঁৰ পত্নীয়ে সান্ধ্য ভোজনৰ পাছত আমাক পিছ ফালৰ ফুলনিলৈ লৈ গৈ তন্নতন্নকৈ দেখুৱালে। মোৰ আমনিহে লাগিল। অসমৰ মানুহকনো কিয় গছ-গছনি আৰু ফুলৰ কথা ক'ব লাগিছে? মোৰ মানসপটত এতিয়া গোটেই অসমখনকে মনোমোহা ফুলনি যেন লাগিছে। ইয়াৰ সলনি তেওঁলোকে নিজৰ সন্তি-সন্ততিৰ কথা কোৱাহেঁতেন মই লেখক হিচাপে অধিক উপকৃত হ'লোহেঁতেন।

অনুশ্চে পৰা বয়সত এওঁলোকে ফুলনিৰ আৰু কুকুৰ আদি পোহনীয়া জন্তুৰ কথা নকৈ আৰু কি ঘৰুৱা কথা পাতিব? কাৰণ শিল্প-প্ৰধান এই উন্নত দেশবোৰত যিমানেই যৌন স্বাধীনতা বাঢ়িছে সিমানেই বিবাহবন্ধন শিথিল হৈছে। নিজৰ সন্তানে যৌবন পোৱাৰ লগে-লগে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ ফলত আৰু পিতৃ-মাতৃয়ে আগতে দেখুউৱা আৰ্হি অনুসৰিও সাধাৰণতে ঘৰ এৰি আন ঠাইত থাকে। গতিকে জীৱনৰ অৰ্ধেকতকৈ বেছি কাল পিতৃ-মাতৃয়ে অকলে থাকি, অকলে ঘৰুৱা কাম কৰি সন্তানৰ কোনো সহায় নোপোৱাকৈ মৰিব লাগে। এয়ে হ'ল পশ্চিমীয়া সভ্যতাৰ চৰম ট্ৰেজেডি। হয়তো নিঃসংগতাইহে ইয়াত প্ৰধান ব্যাধি। ইয়াকে খুব ভালকৈ প্ৰকাশ কৰিছে মাৰ্কিন ঔপন্যাসিকা কাৰ্চন মেককুলাৰে—লাইফ ইজ এ ল'নলি হাণ্টাৰত। এইখন উপন্যাস পঢ়িলে উন্নত পশ্চিমীয়া দেশৰ মানুহৰ মনৰ ব্যাধি বিচাৰি পাবলৈ বৰ সহজ হ'ব বুলি মই ভাবোঁ। মই এই সুন্দৰ উপন্যাসখন পঢ়িছোঁ।

এনে নিঃসংগতাৰ শৰশয্যাত ভোগা বেকাৰ-দম্পতীয়ে ৰাতি দহ বজাৰ পাছত ফুলনিৰ কথা নকৈ আৰু ক'ব কি? এওঁলোকে নিজৰ পৰিয়ালৰ কথা জানিবলৈ বিচাৰিলে ক'বলৈ ভাল নাপায় বুলি অনুমান কৰিব পাৰিলো।

জাৰ্মান সম্পৰ্কে মোৰ মনত অজস্ৰ প্ৰশ্ন। তাকে জানিবলৈ অধ্যাপক বেকাৰৰ ওচৰলৈ আহিছোঁ। এডলফ হিটলাৰ সম্পৰ্কে এওঁলোকৰ কি ধাৰণা তাকো জনাৰ মোৰ বৰ ইচ্ছা। কিন্তু নিৰঞ্জন বৰদলৈয়ে ক'লে, "হিটলাৰৰ কথা নুসুধিব দেই। সুধিলে এওঁলোকে বেয়া পায়। এওঁলোকৰ মানত হিটলাৰ এটা দুঃস্বপ্নহে।"

ফুলনিৰ পৰা আহি আমি ড্ৰয়িং ৰুম পালোহি। অধ্যাপক বেকাৰে ক'লা কফি এঢোক গিলি ক'লে, "নাও, প্ৰফেছৰ বৰা, লে'ট আছ ডিছকাছ...।"

ফ্ৰেংকফাৰ্ট, পশ্চিম জাৰ্মেনি

১৫।৯।৮৯

চাৰি

অধ্যাপক হেলমুট বেকাৰ আলোচনাৰ বাবে প্ৰস্তুত হ'ল। তেওঁ এছিয়া মহাদেশ ভ্ৰমণ কৰিছে। ভাৰতলৈকো দুবাৰ গৈছিল। এবাৰ সপৰিয়ালে কাশ্মীৰলৈ গৈ শ্ৰীনগৰত কেইবাদিনো আছিল। তেওঁ জাপানৰ অগ্ৰগতি সম্পৰ্কে কেইবাটাও মূল কাৰণ আমাৰ আগত দাঙি ধৰিলে। ভাৰতবৰ্ষ সম্পৰ্কে তেওঁৰ মতামত জানিবলৈ বিচৰাত তেওঁ কৈ গ'ল, "ভাৰত এখন মহান দেশ; দেশ নহয় যেন এখন মহাদেশহে! ইয়াৰ জলবায়ুও বিচিত্ৰ, মানুহো বিচিত্ৰ। হিন্দু মানুহ বেছি যদিও ইয়াত সকলো ধৰ্মৰে লোক আছে। বহু ভাষা, বহু সম্প্ৰদায়। সকলো দিশৰ পৰাই ভাৰত এখন বিচিত্ৰ দেশ। এনে বৈচিত্ৰ পৃথিৱীৰ আন কোনো দেশতে চকুত নপৰে। চীন দেশ এনে হ'ব পাৰিলেহেঁতেন। কিন্তু 'কমিউনিজিমে' ইউনিফৰ্মিটি আনি দেশৰ বৈচিত্ৰ হ্ৰাস কৰিলে। পিছে ভাৰতৰ বৈচিত্ৰ আৰু বিবিধ বৈশিষ্ট্যই সম্প্ৰতি নেতিবাচক ভূমিকাহে গ্ৰহণ কৰিছে। হিন্দু-মুছলমানৰ বিবাদ, হিন্দুৰে বিভিন্ন সম্প্ৰদায়ৰ মাজত আকৌ সদ্ভাৱৰ অভাৱ, অঞ্চলে-অঞ্চলে ভিন-ভিন ভাষাৰ প্ৰচলন; এইবোৰ বৈচিত্ৰৰে ফল। এইবোৰ পশ্চাদগামী শক্তিহে। তাৰ ফলত ৰাজ্যিক ভিত্তিত জাতীয়তাবোধৰ জাগৰণ ঘটিছে। আঞ্চলিকতাবাদে গা কৰি উঠিছে; আঞ্চলিক দলে শাসনো অধিকাৰ কৰিছে। অথচ ৰাজ্যবোৰে ফেডাৰেল গাঁথনিৰ সুবিধা পোৱা নাই। আনহাতেদি সংবিধানখনে দেশৰ ভালেমান সাংবিধানিক সংকটত শাসকসকলক বিমোৰতহে পেলাইছে। এই আটাইবোৰ সমস্যা এখন দেশৰ প্ৰগতিৰ প্ৰধান অন্তৰায় হৈ আছে। গুনাৰ মিৰ্ডালে 'এছিয়ান ড্ৰামা'ত লিখিছিল যে ভাৰতৰ আটাইতকৈ জটিল সমস্যাটো হ'ল সাম্প্ৰদায়িকতা। এই কথা এতিয়াও সত্য হৈ আছে। মই কাশ্মীৰত থাকি বুজিলো যে তাৰ মুছলমান লোকৰ পাকিস্তান-প্ৰীতি প্ৰচুৰ; তেওঁলোকে ভাৰতক ভাল নাপায়। ভাৰতৰ আন অঞ্চলত যাতে এনে হ'বলৈ

নাপায় তাতৈ সকলোৱে চকু ৰখা উচিত। স্বাধীনতা পোৱাৰ চাৰি দশকৰ পাছতো ভাৰতত প্ৰয়োজন হৈ পৰিছে এক বিশেষ প্ৰচেষ্টাৰ। সেয়ে হ'ল—ৰাষ্ট্ৰীয় সংহতিৰ। ভাৰতত ধনী আৰু দুখীয়াৰ ইমান আকাশ-পাতাল পাৰ্থক্য যে পৃথিৱীৰ আন দেশত এনে নিকৰুণ পাৰ্থক্য চকুত নপৰে।"

অধ্যাপক বেকাৰে নিবিষ্টমনে কথাবোৰ কৈ গৈছে। তেওঁ নিজকে পাহৰি গৈছে। গৌতম বুদ্ধৰ দেশ আৰু বেদান্ত দৰ্শনক জন্ম দিয়া দেশ ভাৰতবৰ্ষক অতিকৈ ভাল পায় কাৰণেই তেওঁ দুখেৰে অকপট-ভাৱে ভাৰতৰ বিষয়ে মতামতখিনি জনাইছে। মাজে-মাজে মোৰ মুখলৈ চাইছে। মই একো মতা নাই। কাৰণ মই তেওঁ জনা ভাৰতবৰ্ষখনৰ কথাহে জানিবলৈ বিচাৰিছোঁ, প্ৰতিবাদ জনাবলৈ বা তৰ্ক কৰিবলৈ মই তেওঁৰ ওচৰবলৈ অহা নাই। তেওঁ সত্যৰ খাতিৰতহে এইবোৰ কথা কৈছে।

ভাৰতৰ বিষয়ে তেওঁ এনেকৈ শেষ কৰিছে, "আপুনি ভাৰতলৈ গৈ নেতাসকলক ক'বগৈ যে ৰাজ্যিক ভিত্তিত বিচ্ছিন্নতাবাদ আৰু ভয়াবহ নিৰক্ষৰতাই দেশখনক দুৰ্বল কৰিছে, গণতন্ত্ৰকো দুৰ্বল কৰিছে। গান্ধীৰ দেশ ভাৰতবৰ্ষৰ বিষয়ে মোৰ আৰু এটা কথা ক'বলৈ থাকি গ'ল: ভাৰতত সঠিকভাৱে আধুনিক ঔদ্যোগীকৰণো হোৱা নাই, গান্ধীবাদো চলা নাই; গান্ধীবাদী অৰ্থনীতিৰ নীতি অনুসৰি খিলঞ্জীয়া শিল্পয়ো গা কৰি উঠা নাই। আজিকালি পৰিবেশ-সংৰক্ষণৰ অৰ্থেও শিল্পৰ বিকেন্দ্ৰীকৰণ হোৱা উচিত। ভাৰতত সেয়া হোৱা নাই। ভাৰতত বৈজ্ঞানিক ভিত্তিত শিল্পৰ প্ৰসাৰ হোৱা নাই আৰু পৰিপুৰক হিচাপে খিলঞ্জীয়া শিল্পৰ অৰ্থাৎ কুটীৰ শিল্পৰ লগতো যান্ত্ৰিক শিল্পৰ সমন্বয় ঘটা নাই।"

এনেতে আমাৰ ওচৰতে বহিলহি মোৰ পৰিবাৰ আৰু অধ্যাপকৰ পৰিবাৰ। আহিয়েই উপহাৰ স্বৰূপে মাধুৰীয়ে (পৰিবাৰ) এখন ফুলাম গামোছা অধ্যাপকৰ পত্নীৰ ডিঙিত ভালকৈ ওলোমাই দিছিল।

তেওঁ গামোচাখন ইমান ভাল পালে যে আমাক বিদায় দিয়া পৰলৈকে ডিঙিত গামোচাখন লৈয়েই থাকিল। জিনৰ ছুট পিন্ধা দীৰ্ঘাংগী মহিলা গৰাকীক গামোচাখনেৰে বেচ ভাল লাগিছিল।

তেওঁ ইংৰাজীতেই স্বামীক ক'লে, "তথাপি আছামৰ, প্ৰফেছাৰ বৰাৰ ৰাজ্যখনৰ, ঘৰুৱা শিল্পৰ সুন্দৰ ভৱিষ্যত আছে। চোৱাচোন হেলমুট, হাতেৰেনো ইমান সুন্দৰকৈ কাপোৰত ফুল তুলিব পাৰেনে? আৰু এয়া চোৱা, মিছেছ বৰাৰ পোছাকটো। মুগা নামৰ এবিধ সূতাৰে বোৱা কাপোৰ। তাতে আকৌ ফুল তোলা হৈছে। কাপোৰযোৰ বাৰু সোণৰ কাপোৰ যেন নালাগেনে? তথাপি তুমি তাৰ কুটিৰ শিল্পৰ কথা কিয় বেয়াকৈ কৈছা।"

শ্ৰীমতী বেকাৰৰ হয়তো দুবৈত পৰিবাৰৰ লগত কথা পাতি থকাৰ সময়ত আমাৰ কথাকেইটা কাণত পৰিছিল। সেয়েহে অসমৰ কুটীৰ শিল্প আৰু তাঁতৰ কাপোৰৰ বিষয়ে তেওঁৰ এই বক্তৃতা। তেওঁ অভিযোগ কৰাৰ নিচিনাকৈ কোৱা কথাখিনিৰ প্ৰত্যুত্তৰ অধ্যাপক বেকাৰে এনেকৈ দিলে: "মইতো ভাৰতৰ কুটীৰ শিল্পৰ বিপক্ষে একো কোৱা নাই! মই ভাৰতীয় কাৰিকৰৰ বস্তুক সদায় তোমাৰ দৰে শলাগি আছোঁ। কাশ্মীৰী কাৰ্পেটবোৰেই দেখোন ইয়াৰ প্ৰমাণ। এতিয়া আকৌ দেখিলো মিছেছ বৰাৰ গাত সোণ যেন লগা কাপোৰযোৰ। মই মাত্ৰ প্ৰফেছাৰ বৰাক ক'ব খুজিছোঁ। যে ভাৰতত পূৰাকৈ যান্ত্ৰিক শিল্পৰো বিকাশ হোৱা নাই, গ্ৰামীণ শিল্পৰো হোৱা নাই; দুয়োৰে ভিতৰত সমন্বয় ঘটা নাই। এয়া পৰিকল্পনা-কাৰীসকলৰ ভুল, চৰকাৰৰ ভুল; মানুহৰ ভুল নহয়।"

এনেতে পৰিবাৰে সৰু-সৰুকৈ অসমীয়াতে কৈ মোক সোঁৱৰাই দিলে যে ভাৰতৰ কথাৰ আলোচনা ইমানতে এৰা উচিত; কাৰণ আমাৰ ইয়ালৈ অহাৰ উদ্দেশ্য হ'ল এজন সমাজবিজ্ঞানীৰ পৰা জাৰ্মানৰ কথা শুনাহে।

গতিকে অল্প পাছতে মই আলোচনাৰ দিশ সলনি কৰি পেলালো। প্ৰশ্নবানেৰে অধ্যাপকৰ পৰা ভালেমান কথা আদায় কৰিলো।

তেওঁ দুখেৰে সৈতে জনালে যে ইউৰোপত ধৰ্মৰ স্থান নিতান্ত গৌণ। তেওঁলোকৰ জীৱনত ধৰ্মৰ স্থান নাইকিয়া হোৱা বাবে ভালেমান পুৰণি ঐতিহ্যৰ লাগতিয়াল বস্তু লাহে-লাহে লোপ পাবলৈ ধৰিছে। ই পশ্চিমীয়া জীৱনৰ অশান্তিৰো কাৰণ হ'ব পাৰে। বস্তুবাদী জীৱনত সকলো পোৱাৰো এটা অৱসাদ আছে, শিল্পায়নৰো ভালেমান নেতিবাচক দিশ আছে। তেনেহ'লে মানুহ কিহৰ উদ্দেশ্যে ধাবিত হৈছে? উদ্দেশ্যহীনতাৰ উদ্দেশ্যে? তেনেহ'লে আমাৰ সামাজিক অস্তিত্বৰ অৰ্থ কি? আগতে কিন্তু এনে হোৱা নাছিল। ধৰ্মবিশ্বাস বা ঈশ্বৰ-বিশ্বাসে মানুহৰ বহু আশাহীনতাৰ ডাৱৰৰ মাজত বৈদ্যুতিক আভা দিছিল। জীয়াই থাকিবলৈ মানুহক আস্থা বা বিশ্বাসৰ প্ৰয়োজন। কিন্তু মানুহৰ ধৰ্মলৈ আস্থা নোহোৱাত এনে আস্থা বা বিশ্বাস নাইকিয়া হৈ গ'ল আৰু লগে-লগে পশ্চিমীয়া জীৱন প্ৰাচুৰ্যৰ মাজতো যান্ত্ৰিক হৈ পৰিল। তদুপৰি দ্বিতীয় মহাসমৰে মানুহৰ মনৰ পৰা মানৱতাৰ প্ৰতি কথা বিশ্বাসকণো কাঢ়ি লৈ গ'ল। বহুতৰ মানত মানৱতা আদি থকা মাথোন শব্দৰ ফুলজাৰিহে।

তেনেহ'লে ধৰ্মই এই সময়ত এটা গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে। কিন্তু পৰা নাই। ধৰ্মীয় অনুষ্ঠানক ইয়াৰ মানুহে একো বুলি নাভাবে। গীৰ্জাই অৰ্থাৎ ধৰ্মীয় অনুষ্ঠানে যি অল্প প্ৰভাব বিস্তাৰ কৰা যেন লাগে, সেয়া এইবোৰ অনুষ্ঠানৰ হাতত যথেষ্ট ধন আৰু স-সম্পত্তি আছে বাবেহে।

হিন্দু ধৰ্মই হতাশাক স্থান নিদিয়ে। বেদান্ত দৰ্শন এক প্ৰচলন-যোগ্য প্ৰেক্‌টিকেল দৰ্শন। দ্বিতীয় মহাসমৰে মানুহৰ মাজত যি হতাশাৰ সৃষ্টি কৰিলে, সেই হতাশাৰ অন্ধকাৰত কেইগৰাকীমান বুদ্ধিজীৱীয়ে বেদান্ত দৰ্শনত আশাৰ জিলিকনি দেখিলে। ইয়াকে বক্তব্য হিচাপে লৈ এড্‌লাউচ্ হাক্সলেই উপন্যাস লিখিলে। ইংৰাজ

কবি ক্রিষ্টোফাৰ ইশ্বাৰউডে লিখিলে কবিতা। টি. এছ. ইলিয়টেও লিখিলে। আনকি ইংৰাজ উপনিবেশৰ শাসকসকলক লৈ ভালেমান গল্প উপন্যাস লিখা ছোমাৰছেট মমেও ইয়াকে প্রতিপাদ্য বিষয় হিচাপে লৈ লিখিছে—ৰেজৰ্চ এড্‌জৰ দৰে উপন্যাস।

হ'ব পাৰে। তেনেহ'লে ধৰ্মৰ গ্রহণযোগ্য সাৰ ভাগক লৈ ধৰ্মীয় পুনৰুত্থান হ'ব পাৰে আৰু মানুহে আশাৰ বেঙনি দেখিব পাৰে। পিছে, আপোনা'লাকৰ তৃতীয় বিশ্বত দেখোন ধৰ্মীয় মৌলবাদহে এটা অলংঘনীয় সমস্যা (unsurmountable problem) হৈ পৰিছে।

তথাপি মই ভাবোঁ, অধ্যাপক বেকাৰ, সমাজতত্ত্বৰ গৱেষণাৰ আধুনিক পদ্ধতিৰে ধৰ্ম ই দিয়া প্রমূল্যৰ পুনৰ বিচাৰ হোৱা উচিত।

কিন্তু আমাৰ ইউৰোপৰ মানুহৰ মাজৰ পৰা দ্বিতীয় মহাসমৰৰ বিভীষিকাৰ স্মৃতি মচ খোৱা নাই। তৃতীয় মহাসমৰ অধিক বিভীষিকাময় হ'ব বুলি বহুতৰে বিশ্বাস। তৃতীয় মহাসমৰৰ আশংকাত আমি অতিশয় সন্ত্রস্ত। সেইবাবে নতুন পুৰুষটোৰ আনকি নতুন এখন সমাজ গঢ়াৰ প্রতিও অনিচ্ছা। আনকি সন্তান জন্ম দিবলৈকো। তেওঁলোকে এনেকৈ ক'ব খোজে, "আগন্তুক মহাসমৰৰ দুৰ্দশা ভুগিবলৈ সিহঁতক জন্ম দি আমি দোষৰভাগী হ'ব নোখোজোঁ।" অৱশ্যে যুক্তিটো লেহুকা। হয়তো সন্তান জন্ম নিদিয়াৰ সাম্প্রতিক ধাৰাটোক এনেকৈ যুক্তিৰে দাঙি ধৰা হৈছে।

অধ্যাপক বেকাৰৰ পৰা পশ্চিম জাৰ্মেনিৰ জনসংখ্যাৰ সমস্যাটোৰ কথা শুনি পোনতে বৰ আচৰিত হৈছিলো। পাছতহে গম পালো যে অধ্যাপকে তথ্যৰ যোগেদিয়েই এই আচৰিত কথাটো কৈছে।

পশ্চিম জাৰ্মেনিয়ে জনসংখ্যাৰ ক্ষেত্রত অবিশ্বাস্য অভিলেখৰ সৃষ্টি কৰিছে। এই অভিলেখ বৃদ্ধিৰ নহয়; হ্রাস ৰহে। ইয়াত জনসংখ্যা ক্রমাৎ টুটি আহিছে। ডেকা-গাভৰুৰ বহুতৰে বিবাহ নামৰ সাতাম-পুৰুষীয়া ব্যৱস্থাৰ প্রতি আস্থা নোহোৱা হৈছে। কোনো-কোনো সমাজবিজ্ঞানীৰ মতে সমগ্র শিল্পপ্রধান দেশতে একবিংশ শতিকাত

বিবাহ-ব্যৱস্থাই আৰু মাৰঘাত খাব। এতিয়া পশ্চিম জাৰ্মেনিত অবাধ যৌন স্বাধীনতা। ডেকা-গাভৰুৰ বহুতে একে লগে থাকেহে, বিয়া নকৰায়। বিয়া কৰোৱা ডেকা-গাভৰুৱেও সন্তান নিবিচাৰে। এই ধাৰা ভালেমান বছৰৰ আগৰে পৰা চলি আছে। সেইবাবে সম্প্ৰতি পশ্চিম জাৰ্মেনিত ডেকা-গাভৰুতকৈ আদহীয়া বয়সৰ মানুহৰ আৰু বুঢ়াবুঢ়ীৰ—বিশেষকৈ বুঢ়ীৰ সংখ্যা বেছি। বাটেদি গ'লে, ট্ৰামে-বাছে উঠিলে আৰু বজাৰলৈ গ'লে ইয়াৰ প্ৰমাণ পোৱা যায়। তাকে দেখি মোৰো ভাব হয় যে সমস্যাটো সঁচাকৈয়ে ভয়ানক।

বিয়া কৰাই লোৱাৰ সলনি মতাতিৰোতা একে লগে থকাৰ দৃষ্টান্তটো নতুন নহয়। ছাইমন ড্য বেভিয়াৰৰ Second Sex নামৰ গ্ৰন্থৰ-দুয়োটা খণ্ড পঢ়াৰ পাছত আমাৰ এই ধাৰণা হয়। এই গৰাকী বিখ্যাত মহিলাই তাৰে দৃষ্টান্তও দেখুৱালে। তেওঁ সাহিত্যিক আৰু অস্তিত্ববাদী দৰ্শনৰ প্ৰবক্তা জ্যাঁপল ছাত্ৰেৰ বিবাহিত পত্নী নাছিল। দুয়ো একে লগেহে আছিল।

পশ্চিম জাৰ্মেনিলৈ অহাৰ তৃতীয় দিনা নিৰঞ্জন বৰদলৈৰ জৰিয়তে এজনী পঁচিছ বছৰীয়া গাভৰুৰ লগত আমাৰ চিনাকি হৈছিল। তাই কম্পিউটাৰ বিজ্ঞানৰ ছাত্ৰী। নিজৰ মটৰ-গাড়ী আছে। নাম চিবিলি। তাইক বিয়া কেতিয়া কৰাবা বুলি সোধাত তাই ক'লে যে তাইৰ দৰে আজিকালি বহুত ডেকা-গাভৰু একেলগে থকাতহে বিশ্বাসী। মোৰ বোধেৰে ইয়াত বহু সংখ্যক বিবাহ-বিচ্ছেদৰ দৃষ্টান্তই ডেকা-গাভৰুক এনে হ'বলৈ বাধ্য কৰাইছে। ইয়াত জীৱনবোধ আৰু সামাজিক প্ৰমূল্য ইমান দ্ৰুতভাৱে পৰিবৰ্তিত হৈ আছে যে এইবোৰৰ সামান্য আভাস পায়েই মই আচৰিত হৈছোঁ। মনত পৰিছে নিজৰ ঠাইলৈ। তাত আমি ইমান প্ৰাচুৰ্যৰ মাজত নাথাকিব পাৰোঁ, কিন্তু আমাৰ সমাজত শান্তিৰে জীৱন কটোৱাৰ বহু প্ৰতিশ্ৰুতি আছে। গতিকে আমাৰ ধৰ্মীয় আৰু সামাজিক ব্যৱস্থাৰ অধিক অনুসন্ধান হোৱা উচিত।

অধ্যাপক বেকাৰে ক'ব খোজে যে সম্প্ৰতি ইয়াত অৰ্থাৎ উন্নত দেশসমূহত দুৰাৰোগ্য এইডছ ৰোগৰ (AIDS—Acquired Immunity Deficiency Syndrome) প্ৰাদুৰ্ভাৱো যৌন বিশৃংখলতাৰ অশুভ পৰিণামহে। ইয়াতো ধৰ্ম আৰু ঈশ্বৰত বিশ্বাসী মানুহ তেনেই নোহোৱা হৈ পৰা নাই। তেনে দুই-এজন লোকে হেনো ক'ব খোজে যে অবাধ যৌন স্বাধীনতা আৰু অসংযত যৌন সম্ভোগৰ শাস্তি স্বৰূপেই ভগবানে মানুহৰ মাজলৈ এই বেমাৰটো পঠিয়াইছে।

পোনতে এই বেমাৰৰ উৎস আফ্ৰিকীয় গৰিলা বান্দৰ বুলি কোৱা হৈছিল। পাছত কোৱা হৈছিল যে ইয়াৰ কাৰণ হ'ল পুৰুষৰ সমকামিতা। কিন্তু কোনো-কোনো সমাজ-বিজ্ঞানীৰ মতে এইবোৰ কাৰণ পোনতে প্ৰদৰ্শন কৰা হৈছিল আত্মম্ভৰি উন্নত দেশসমূহৰ দোষ ঢাকিবলৈহে। এতিয়া এইডছৰ কথা ওলালে গৰিলা বা সমকামিতাৰ কথা নোলায়, দোষ দিয়া হয় বিবাহিত জীৱনৰ মূল্যবোধক নেওচা দিব খোজা পশ্চিমীয়া জীৱনৰ অবাধ যৌনসম্ভোগৰ অসংযমকহে।

অধ্যাপক বেকাৰে এনেকৈয়ে নিজৰ দেশৰ যৌনজীৱনৰ কথা ক'লে। তেওঁ একো কথা লুকুৱাবলৈ চেষ্টা নকৰিলে।

অধ্যাপক বেকাৰৰ ঘৰৰ পৰা ৰাতি এঘাৰ বজাত আহিলো। ফোন কৰাৰ লগে-লগে এখন টেক্সি আহি ঘৰৰ আগত ৰ'লহি। আমি নিৰঞ্জন বৰদলৈৰ ঘৰ পাবৰ হওঁতে তেওঁ ক'লে, "টেক্সি এইখিনিতে ৰখাওঁ। ইয়াৰ পৰা খোজ কঢ়িয়েই যাম। ইয়াতে এটা pub আছে। তাত ৰাতি এঘাৰ বজাৰ পাছত এই অঞ্চলৰ ডেকা-গাভৰুবোৰে ইয়াত সুৰাপান কৰিবলৈ আহে। সিহঁতক দেখিলেই অধ্যাপক বেকাৰৰ কথাবোৰ কিমান সত্য ধৰিব পাৰিব।"

আমি পাবটো (এবিধ পানশালা) পালোগৈ। এটা কোঠা মাত্ৰ। তাত ডেকা-গাভৰু ভৰি আছে। সিহঁতে খুব আড্ডা দিছে।

এওঁলোক হেনো প্ৰগতিশীল আৰু সাম্প্ৰতিক ব্যৱস্থাৰ প্ৰতি আস্থাহীন। সিহঁতে খুব কিতাপ পঢ়ে হেনো। এই পাবটো চলায় কেইজনীমান ছাত্ৰীয়ে। এই ডেকা-গাভৰুবোৰ আৰ্থিকভাৱে স্বাৱলম্বী। ইহঁত চৰকাৰৰ পৰা সুসজ্জিত এপাৰ্টমেণ্টত থকাৰ খৰচ পায়, ফোন পায়, টেলিভিশ্যন পায়। কলেজত বিনামূলীয়াকৈ পঢ়িবলৈ পায়। নাম ভৰ্তি হ'লেই মাহে ২০০০ জাৰ্মান মাৰ্ক পায়। পঢ়া-শুনা শেষ কৰাৰ পাছত নিবনুৱা হ'লেও থকা-খোৱাৰ একে সুবিধা পায় আৰু ২০০০ মাৰ্কো পায়। ২০০০ মাৰ্ক মানে আমাৰ ১৮,০০০ টকা।

সেইকাৰণেই ডেকাগাভৰুবোৰ বেপৰোৱা। সিহঁত মাক-বাপেকৰ লগত নাথাকে আৰু কোনো-কোনোৱে মাকবাপেকৰ একেবাৰে খবৰ নকৰে। এওঁলোকৰ উপাৰ্জনক্ষম ভৱিষ্যতটোও অনুজ্জ্বল নহয়। কাৰণ পশ্চিম জাৰ্মেনিৰ অৰ্থনীতি সবল আৰু সদা-প্ৰসাৰমান। সেয়েহে মই ভাবোঁ যে সুৰাৰ পিয়লাত চুমা দি দুখন-এখন কিতাপ পঢ়ি প্ৰগতিশীল যেন লগা কথা কোৱা এই ডেকা-গাভৰুবোৰে চলিত ব্যৱস্থাৰ বিপক্ষে কোৱাটো কিজানি পুঁজিপতি দেশৰ যুবক-যুবতীৰ এবিধ বিলাসহে।

এওঁলোকে হেনো এনেকৈ শেহ ৰাতিলৈকে 'প্ৰগতিশীল' কথা পাতি সুৰাপান কৰিব। তাৰ পাছত কোন কাৰ এপাৰ্টমেণ্টত থাকিব তাৰ ঠিকনা নাই।

"এয়ে পশ্চিম আৰু এয়ে পশ্চিমীয়া ডেকা-গাভৰুৰ মিলামিছা। নহয়নে বাৰু দাদা ?" নিৰঞ্জন বৰদলৈয়ে সুধিলে।

মই ক'লো, "আপুনিহে জানে। মোৰ ইয়াত মাথোন এপষহে হৈছে।"

ফ্ৰেংকফাৰ্ট, পশ্চিম জাৰ্মেনি

১৬।১০।৮৯

পাঁচ

বার্লিন এখন মহানগৰ। অকল পশ্চিম বার্লিনেই পশ্চিম জার্মেনিৰ ভিতৰত আটাইতকৈ ডাঙৰ মহানগৰ। আন হাতেদি ইয়াৰ ৰাজধানী বন (Bonn) মহানগৰ বা ছিটি যদিও আপেক্ষিভাৱে বহুত সৰু। কিন্তু মিউনিক, হামবুৰ্গ, ডুছেলডর্ফ, হেনোভাৰ আদি বনতকৈ ডাঙৰ চহৰ বা মহানগৰ। মহানগৰ শব্দটো ইয়াত ব্যাপক অৰ্থত ব্যৱহৃত নহয় যেন লাগে। কাৰণ দুই লাখৰ ওপৰা-উপৰি জনসংখ্যা থকা চহৰকো ইয়াত মহানগৰ বুলি কোৱা হয়। অৱশ্যে পশ্চিম জার্মেনিৰ আৰ্থিক আৰু নগৰৰ পৰিকল্পনাৰ বৈশিষ্ট্য ইমানেই যে সকলো নগৰ-মহানগৰক সমানে গুৰুত্ব দি শিক্ষা আৰু উদ্যোগীকৰণৰ সমানে সুবিধা দিয়া বাবে কোনো মহানগৰতে ৰাষ্ট্ৰীয় প্ৰচেষ্টা কেন্দ্ৰীভূত হোৱা নাই। সেই বাবেই শিল্প-উদ্যোগ আৰু প্ৰশাসনীয় ব্যৱস্থাই কোনো চহৰক ভাৰতৰ কেইখনমান চহৰৰ দৰে বাসৰ অনুপযোগী কৰি তোলা নাই। সেইবাবে মানুহৰ বসতিয়ে, মানুহৰ সমাগমে আৰু শিল্পউদ্যোগে ইয়াৰ কোনো চহৰৰে প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰা নাই; বেছি ভাগ চহৰেই সেইবাবে সুপৰিকল্পনা অব্যাহত ৰাখিব পাৰিছে আৰু চহৰবাসীক সুখী কৰি ৰাখিব পাৰিছে। এতিয়ালৈকে পশ্চিম জার্মেনিৰ বহু ঠাই ঘূৰিছোঁ। ইচ্ছা অনুসৰি মটৰ গাড়ী ৰখাই একোটা চকুত লগা ঘৰ চাইছোঁ, চকুত লগা প্লাজাও চাইছোঁ, সুপৰিকল্পিত ভাৱে ৰখা পাৰ্ক বা উদ্যানো চাইছোঁ আৰু এখন চহৰৰ ব্যস্ত ব্যৱসায়-চঞ্চল অঞ্চলৰ পাৰিপাট্যও নিৰীক্ষণ কৰিছোঁ। ক'তো মোৰ চকুত আসোঁৱাহে দেখা দিয়া নাই। মই পশ্চিমীয়া দেশ ভাল হ'বই বুলি অনিৰপেক্ষভাৱেও চোৱা নাই। মই চাইছোঁ এজন পৰিবেশবিজ্ঞানীৰ নৈৰ্ব্যক্তিকতাৰে। মই মুগ্ধ হৈছোঁ। মোৰ এই দেশৰ নিৰ্মাতা সকললৈ অসীম শ্ৰদ্ধা হৈছে। অথচ ইয়াত ৰাষ্ট্ৰীয় নিৰ্মাণকাৰ্য আৰম্ভ হৈছিল পূৰা চল্লিছ বছৰৰ আগতেহে (১৯৪৯ চনত)। তাকো দ্বিতীয় মহাসমৰৰ অভিশাপ হিচাপে দেশজোৰা

ভগ্নস্তূপৰ মাজতহে। এয়া হ'ল এটা জাতিৰ দেশপ্ৰেম, সততা, প্ৰযুক্তিবিদ্যাৰ ঐতিহ্য আৰু সুপৰিকল্পনাৰ চিনাকি। যিকোনো এজন সচেতন ভাৰতীয় আহি পশ্চিম জাৰ্মেনিৰ প্ৰান্তৰে-প্ৰান্তৰে ঘূৰিলে তেওঁৰ সহজে বিশ্বাস জন্মিব যে এই সকলোবোৰ প্ৰগতিৰ মূলতে হ'ল ঔদ্যোগিক আৰু প্ৰশাসনিক বিকেন্দ্ৰীকৰণ। তাকে দেখি ভাৰতৰ মহানগৰী কেইখনৰ দৃশ্য তেওঁৰ মনলৈ আহিব আৰু তেওঁ নিৰৱে দুখ কৰিব। শিল্প-উদ্যোগৰ বিকেন্দ্ৰীকৰণৰ অভাৱত আজি ভাৰতৰ কলিকাতা, কানপুৰ, দিল্লী, বম্বে আদি মহানগৰ বা একেখন মহানগৰৰে বিশেষ কোনো-কোনো অংশ বাসৰ অযোগ্য হৈ পৰিছে। পৰিবেশ প্ৰদূষণৰ সকলো কাৰণ আমাৰ ভালেমান মহানগৰত দেখা যায়। আনকি চালুকীয়া মহানগৰ গুৱাহাটীতো।

অথচ ইয়াত এনে দেখা নাই। সকলো নগৰ-মহানগৰেই নিজস্ব বৈশিষ্ট্যৰে সুস্থভাৱে গা কৰি উঠিছে। এই মতামত মোৰ নহয়; ভূগোলবিজ্ঞানৰ মুৰব্বী অধ্যাপক আৰু প্ৰসিদ্ধ জলবায়ুবিজ্ঞান-বিশেষজ্ঞ ড. মেনফ্ৰেড ডমৰ'ছৰহে। তেওঁ এই কথা মোক কৈছিল অক্টোবৰৰ চাৰি তাৰিখেই। সেই দিনা আমি দুয়ো পুৱাই এখন চহৰলৈ গৈছিলো—য'ত নিখিল পশ্চিম জাৰ্মেনিৰ ভূগোল-বিজ্ঞানৰ অধিবেশন হৈছিল। সেই ঠাইখনো এখন মহানগৰ। নাম ছাৰব্ৰুকেন (Saarbruken)। এই মহানগৰ ফ্ৰান্সৰ পৰা মাথোন পাঁচ কিল'-মিটাৰ নিলগত। মই কিন্তু আগতে ছাৰব্ৰুকেনৰ নাম শুনা নাছিলো; ই প্ৰধান ঠাই হ'ব পাৰে বুলিও ভবা নাছিলো। কিন্তু তাত উপস্থিত হৈহে আচৰিত হ'লো। এইখন মহানগৰো মাইনৎছৰ (Mainz) নিচিনাই। ই কোনো ক্ষেত্ৰত হীন নহয়। মাইনৎছ এখন প্ৰধান চহৰ হোৱাৰ কাৰণ আছে। ইয়াৰ চাৰিওফালে বিস্তীৰ্ণ এলেকাত আঙুৰ খেতি হয়। সেইবাবে ইয়াত সুৰা শিল্পই গা কৰি উঠিছে। ওচৰতে অপেল মটৰৰ (Opel car) সুবৃহৎ কাৰখানাটো। তদুপৰি মাইনৎছ হ'ল ফেডাৰেল গাঁথনিৰ ৰাজ্য

ৰাইনলেণ্ড পেলেটিনেটৰ ৰাজধানী। ইয়াৰ উপৰিও মাইনছতে জোহানছ গুটেনবার্গ বিশ্ববিদ্যালয় আছে। গতিকে মাইনছ কিয় সুন্দৰ আৰু প্ৰধান চহৰ হৈছে তাৰ কাৰণ বহুত। কিন্তু ছাৰব্ৰুকেন কিয় মাইনছৰ দৰে সুন্দৰ চহৰ এখন হ'ল ? ইয়াতো সুন্দৰ-সুন্দৰ অট্টালিকা আৰু অট্টালিকাৰ তলত ধৰণীৰ ৰহণ চৰোৱা উদ্যানসমূহ আছে। ৰাজপথত লানি নিছিগা সুন্দৰ-সুন্দৰ মটৰগাড়ী, নিপোটল স্বাস্থ্যৰ মানুহবোৰ আৰু নানা সামগ্ৰীৰে ভৰা দুই-তিনি মহলীয়া দোকানবোৰ। এই দোকানবোৰে মানুহৰ ক্ৰয়-ক্ষমতাৰো পৰিচয় দিছে।

৪৭ তম ভূগোল অধিবেশন যিটো ঘৰত হ'ব সেই ঘৰটোৰ প্ৰেক্ষাগৃহ নতুন দিল্লীৰ বিজ্ঞান ভৱনৰ সমানেই ডাঙৰ।

তেনেহ'লে মাইনছৰ পৰা এশ আশী কিল'মিটাৰ দূৰৰ এই ছাৰব্ৰুকেন মহানগৰৰ বিকাশৰ মূল কাৰণ কি ? মোৰ বোধেৰে মূল কাৰণটো হ'ল পৰিকল্পনাকাৰীয়ে ছাৰব্ৰুকেনক দিয়া প্ৰাধান্য আৰু সুবিধা। এই মহানগৰেদি যোৱা ৰাষ্ট্ৰীয় পথ কেইটামান এনেভাৱে নিৰ্মিত যে পথকেইটা পেৰিছৰ পৰা ফ্ৰেংকফাৰ্টলৈ, ষ্ট্ৰাছবুৰ্গৰ পৰা বনলৈ আৰু মিউনিকৰ পৰা ব্ৰাছেলছলৈ যোৱা ৰাজপথৰ সংযোগ স্থল হৈ পৰা বাবে ইয়াত বেপাৰ-বাণিজ্য বাঢ়িছে। ই গাহৰিৰ মাংসৰ ৰপ্তানিৰ কেন্দ্ৰও। ইয়াৰ আশেপাশে বহুতো গাহৰি-পাম আছে।

তদুপৰি ছাৰব্ৰুকেন প্ৰকৃতিৰ অনিষ্ট নকৰা ধৰণৰ কয়লা প্ৰযুক্তি-জ্ঞানৰ (ecological coal technology) ক্ষেত্ৰত আগৰণুৱা। এতিয়া ইয়াৰ মটৰ গাড়ী নিৰ্মাণ উদ্যোগত ইয়াৰ কয়লা আৰু তীখা উদ্যোগতকৈ বেছি লোকে কাম পাইছে। ইয়াৰ বিশ্ববিদ্যালয়খনৰো বিশেষত্ব আছে। এই বিশ্ববিদ্যালয় শক্তি আৰু পৰিবেশ প্ৰযুক্তিবিদ্যাৰ (environment technology) বাবে বৰ বিখ্যাত। সেইবাবে দেশ-বিদেশৰ পৰা বহু ছাত্ৰ-ছাত্ৰী আৰু গৱেষক ইয়ালৈ আহে।

ইয়াৰ কম্পিউটাৰ-বিজ্ঞান বিভাগটোৰ যথেষ্ট সুনাম আছে। সম্প্ৰতি ইয়াত প্ৰতিষ্ঠিত হৈছে—German Centre for Artificial Intelligence. আৰ্টিফিছিয়েল ইণ্টেলিজেন্স (ইয়াৰ প্ৰতিশব্দ পোৱা টান) হ'ল কম্পিউটাৰ-বিজ্ঞানৰ শেহতীয়া বিকাশ। গতিকে কেন্দ্ৰটো স্থাপিত হোৱাৰ বাবে ছাৰব্ৰুকেন বিশ্ববিদ্যালয়ৰ সুনাম আৰু বাঢ়িছে।

অকল এয়ে নহয়। আন-আন মনোৰম মহানগৰৰ দৰে ইয়াতো সংগ্ৰহালয়, গীৰ্জা, দুৰ্গ ইত্যাদি আছে।

তেনেহ'লে মই আগতে নাম নুশুনা আৰু ক'তো পঢ়িবলৈ নোপোৱা ছাৰ্‌ব্ৰুকেন জাৰ্মেনিৰ আন যিকোনো এখন উল্লেখযোগ্য মহানগৰৰ দৰে কিয় হ'ল ? ইয়াৰ উত্তৰ আকৌ সেই একেটাইহে বিচাৰি পাইছোঁ। উত্তৰটো হ'ল উন্নয়ন আঁচনিৰ সুষম বিকেন্দ্ৰীকৰণ।

এনে বিকেন্দ্ৰীকৰণৰ ফলত প্ৰতিখন মহানগৰে নিজস্ব প্ৰাধান্য লাভ কৰিছে। মাইনৎছ আৰু ছাৰ্‌ব্ৰুকেনৰ কথা কৈছোঁৱেই। এতিয়া আন দুখনমান মহানগৰৰ কথা উল্লেখ কৰা যুগুত হ'ব বুলি ভাবিছোঁ।

আমি মাইনৎছ মহানগৰৰ পৰা ইচ্ছা মতে মটৰগাড়ী ৰখাই-ৰখাই পশ্চিম জাৰ্মেনিৰ উত্তৰে অৱস্থিত ৱাছনাব্ৰুক চহৰলৈ যাওঁতে কব্লেন্স (Koblenz), বন (Bonn) কলন (Koln), ডৰ্টমুণ্ড (Dortmund) আদি চহৰ পাই গৈছিলো। প্ৰত্যেকখন মহানগৰেই একে যেন লাগিছিল। মহানগৰ কেইখনৰ মধ্যবৰ্তী অঞ্চলত ভালেমান শিল্প-প্ৰধান চহৰ আছে। উত্তৰে সাগৰ, মাজত ৰাইন নদী আৰু মাজে-মাজে ভালেমান কয়লাখনি থকা বাবে এই অঞ্চলটো অৰ্থাৎ পশ্চিম জাৰ্মেনিৰ উত্তৰ ভাগ সকলো প্ৰকাৰৰ উদ্যোগৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছে। তথাপি উদ্যোগসমূহ কেন্দ্ৰীভূত হোৱা নাই। এইবোৰ বিস্তীৰ্ণ এলেকাত সিঁচৰতি হৈ আছে। ফলত দুটা লেখত লবলগীয়া কাম হৈছে: (১) উদ্যোগসমূহ সিঁচৰতি হৈ থকা বিস্তীৰ্ণ এলেকা শিল্পোদ্যোগৰ বাবে ঠন ধৰি উঠিছে আৰু সেইবাবেই কব্লেন্স, কলন,

ৰ্টমুণ্ড, ব্ৰাছ্‌নাক্ৰক, ব্ৰিমেন (Bremen), হামবুৰ্গ (Humburg) আদি মহানগৰে সুপৰিকল্পিতভাৱে গঢ় লৈ উঠিছে। ব্ৰিমেন আৰু হামবুৰ্গে উপকূলবৰ্তী মহানগৰ হিচাপেও প্ৰাধান্য পাইছে। বনৰ নিচেই কাষৰীয়া ঠাইত উদ্যোগ আছে যদিও বন মহানগৰ গঢ় লৈ উঠিছে দেশৰ ৰাজধানী হিচাপেহে। (২) শিল্প-উদ্যোগসমূহক বিস্তীৰ্ণ এলেকাত সিঁচৰতি কৰি ৰখাৰ বাবে পানী আৰু বায়ুৰ প্ৰদূষণ নিয়ন্ত্ৰণ কৰাত সুবিধা হৈছে। একে ঠাইতে বহুত শিল্প-উদ্যোগ থাকিলে কাৰখানাৰ দূষিত পদাৰ্থই অৰ্থাৎ চিমনিৰ ধোঁৱাই এখন ঠাইৰ বায়ু এনেভাৱে বিনষ্ট কৰে যে এক কিল'মিটাৰমান উচ্চতালৈকে বায়ুৰ উষ্ণতা ক্ৰমাৎ কমি যোৱাৰ সলনি বাঢ়েহে। ইয়াৰ বৈজ্ঞানিক কাৰণটোক 'গ্ৰিন হাউছ এফেক্ট' বা সেউজগৃহ প্ৰভাৱ বোলে। এই বিপৰীতমুখী উষ্ণতাৰ (Temperature inversion) পৰিমাণ ভয়াবহ হয়। কাৰখানাৰ পৰা ওপৰলৈ যোৱা ধোঁৱাবোৰ ওপৰলৈ গৈ-গৈ মহাশূন্যত মিলি নাযায়, বৰঞ্চ তললৈহে নামি আহে। সেইবাবে শিল্প-উদ্যোগ গাঢ়ভাৱে থকা ঠাইত বায়ু-প্ৰদূষণ ভয়াবহ-ভাৱে ঘটে। ইয়াৰ উৎকৃষ্ট প্ৰমাণ হ'ল, ভাৰতৰ কলিকাতা আৰু কানপুৰ মহানগৰী। জাৰকালি দিনে গড়ে ৮৩৫ মেট্ৰিকটনকৈ কাৰখানাৰ ধোঁৱা আৰু ছাই কলিকাতা মহানগৰীৰ ওপৰত পৰে। সেই বাবেই কলিকাতাক কোনো-কোনোৱে মুমূৰ্ষু মহানগৰী বুলিও কয়।

কিন্তু সুপৰিকল্পনাৰ বাবে পশ্চিম জাৰ্মেনিৰ উত্তৰ অঞ্চলত এই অৱস্থা বোধকৰোঁ হোৱা নাই। শিল্প-উদ্যোগ-সমূহৰ মাজত থকা স্থানিক ব্যৱধানখিনিলৈ লক্ষ্য কৰি মই ভাবি পাইছোঁ যে ইয়াত নিশ্চয় বিপৰীতমুখী উষ্ণতা নামৰ বায়ুমণ্ডলৰ পৰিঘটনাটো ঘটা নাই আৰু সেইবাবেই বায়ু-প্ৰদূষণো নিয়ন্ত্ৰিত অৱস্থাত আছে। কিন্তু এনে শিল্প-পৰিকল্পনা অপৰিণামদৰ্শী লোকৰ হাতত পৰাহেঁতেন বেছি ভাগ শিল্পই কলন বা বনত থুপ খালেহেঁতেন আৰু চহৰ দুখন আমাৰ দেশৰ

কলিকাতা, কানপুৰ, বম্বে আদি মহানগৰৰ দৰে বাসৰ অনুপযোগী হৈ পৰিলহেঁতেন।

মোৰ বাবে ৱাছনাক্ৰুক মহানগৰৰ অভিজ্ঞতা একেবাৰে নতুন। ইয়াৰ লোকসংখ্য হেনো ডেৰ লাখৰহে ওচৰা-উচৰি। কিন্তু দোকান-পোহাৰ, সংগ্ৰহশালা, সুন্দৰ ভাস্কৰ্যৰে বৃহৎ-বৃহৎ গীৰ্জা, প্ৰশস্ত ৰাজ-পথ, ধুনীয়া-ধুনীয়া হোটেল, একেলগে চকুত পৰা কেইবাটাও ডাঙৰ-ডাঙৰ বেংক, ফুলনি, মাৰ্বলৰ মূৰ্তি আদি দেখিলে ভাব হয় যেন মহানগৰীখনিৰ এনে আয়োজন বহু লাখ মানুহৰ বাবেহে। অথচ দ্বিতীয় মহাসমৰত এই মহানগৰৰ শতকৰা নব্বৈ ভাগেই বিধস্ত হৈছিল। বোধকৰোঁ তেতিয়া পুৰণি স্মৃতিৰ প্ৰতি বোমাৰু বৈমানিকৰো শ্ৰদ্ধা আছিল। বোধকৰোঁ গীৰ্জা আৰু দুৰ্গত বোমা পেলোৱা হোৱা নাছিল। কাৰণ মই এই মহানগৰৰ (আমাৰ মতে চহৰৰ) এক বৰ্গ কিল'মিটাৰমান ঠাইতে তিনিটা যথেষ্ট ওখ, বহু দূৰৰ পৰা জিলিকি থকা গীৰ্জা দেখিলোঁ। যিটো কেইবামহলীয়া দুৰ্গ দেখিলোঁ তাৰো ভাস্কৰ্য অপৰূপ। এই বিৰাট দুৰ্গটোতে ৱাছনাক্ৰুক বিশ্ববিদ্যালয়ৰ প্ৰধান বিভাগসমূহ আছে। হেনোভাৰ বিশ্ববিদ্যালয়ো হেনো এনে ধৰণৰ দুৰ্গতে অৱস্থিত। অৱশ্যে ৱাছনাক্ৰুক বিশ্ববিদ্যালয়ৰ দৰে কিজানি হেনোভাৰতো আধুনিক বিজ্ঞানাগাৰ আৰু প্ৰেক্ষাগৃহ আদি আধুনিক স্থপতিৰেই সৃষ্টি।

জাৰ্মেনিৰ ভালেমান মহানগৰৰ ইতিবৃত্ত বহু পুৰণি। যেনে, ছাৰ (Saar) নদীৰ পাৰৰ ট্ৰায়াৰ, ৰাইন আৰু মাইন নদীৰ পাৰৰ মাইনৃছ, মাইন নদীৰ পাৰৰ ফ্ৰেংকফাৰ্ট ইত্যাদি। ট্ৰায়াৰ কাৰ্ল মাৰ্ক্সৰ জন্মস্থান। বহু গাঁও আৰু চহৰৰ ঐতিহ্যও সেই-সেই ঠাইৰ গীৰ্জাঘৰ বা কেথেড্ৰেলটোৰ দৰেই পুৰণি। ৱাছনাক্ৰুকৰ পৰা মাইনৃছলৈ আহোঁতে ভালেমান গাঁও দেখি আহিছোঁ। দুখন গাঁৱত ৰাতি থাকিও আহিছোঁ। সৰু-সৰু চহৰবোৰ আৰু গাঁওবোৰ দেখি মই আপ্লুত হৈছোঁ। মোৰ ভাব হৈছে, প্ৰতিখন চহৰ আৰু গাঁও যেন তাত বহু

শতিকা জুৰি গৰ্বৰে থিয় হৈ থকা গীৰ্জাঘৰটোতকৈয়ো পুৰণি। আচৰিত কথা যে গাঁৱৰ প্ৰতিটো ঘৰত আধুনিক সকলো সুবিধা আছে যদিও সৰু-সৰু ঘৰবোৰ গীৰ্জাঘৰৰ আৰ্হিৰ। চাল দুখন বেছি হেলনীয়া হোৱাৰ বাবে সৰু ঘৰ এটা যথেষ্ট ওখ হৈ গীৰ্জাঘৰৰ নিচিনা হৈছে। জাৰ্মেনিৰ ৰ'দ সদায় কোমল। সেইবাবেই কিজানি ঘৰত বাৰান্দা নাই। একেখন চালে ঢকা বেলকনিও নাই। চহৰৰ ডাঙৰ-ডাঙৰ ঘৰবোৰতহে বেলকনি আছে।

গাঁও আৰু চহৰ-নগৰ কাল আৰু পৰিস্থিতিয়ে সলনি কৰিছে। কিন্তু গাঁওবোৰ সলনি হৈছে যদিও (গাঁৱৰ পৰা সদায় ত্ৰিছ-ছল্লিছ কিল'মিটাৰ আঁতৰলৈ গাড়ীৰে গৈ কাম কৰা কম্পিউটাৰ প্ৰযুক্তিবিদো আছে।) গাঁওবোৰে পুৰণি দিনৰ বহু বস্তু বাদ দিব খোজা নাই। ইয়াৰ গাঁওবাসীয়ে নগৰ-মহানগৰৰ একে সুৰীয়া জীৱন দেখি হয়তো নিজৰ বৈশিষ্ট্যখিনি ৰাখিবলৈ যত্ন কৰিছে। হাবিবোৰ আগৰ দৰেই ৰাখিছে। আৰ্থিক ক্ষমতা থকা সত্ত্বেও ঘৰবোৰ আগৰ ঘৰৰ আৰ্হিতেই সাজিছে। আলমাৰী, চকীমেজ আদি কাঠৰেই সজা। বহা-কোঠাত থকা বস্তুবোৰ সাধাৰণতে বাঁহ, বেত আৰু কাঠৰ। আনকি বিজুলী-বাতিৰ ঢাকনিবোৰো বাঁহ বা বেতেৰে তৈয়াৰী। আন হাতেদি দুবৈৰ পৰা জুপুৰী যেন লগা আহল-বহল ঘৰটোৰ ৰান্ধনিঘৰটো সম্পূৰ্ণ আধুনিক। ৰান্ধনিঘৰত ব্যৱহৃত ইন্ধন, বৈদ্যুতিক শক্তিহে। এনে এটা ঘৰত স্লাইড দেখুউৱা, ভিডিঅ' দেখুউৱা আদিৰ ব্যৱস্থা আছে। টেলিভিশ্যন, ৰেডিঅ' আদি নথকাৰ প্ৰশ্নই নুঠে।

ইয়াৰ গাঁৱৰ মানুহে মটৰ গাড়ীথকা বাবে আৰু আলিবাট সুন্দৰ হোৱাৰ বাবেও দুবৈৰ শিল্প-প্ৰতিষ্ঠানত কাম কৰে আৰু কিছুমানে ঘৰত খেতিও কৰে। গতিকে দেশৰ অৰ্থনৈতিক আঁচনিৰ ৰচয়িতা সকলৰ দূৰদৰ্শিতাৰ কাৰণেই পশ্চিম জাৰ্মেনি উদ্যোগপ্ৰধান আৰু শিল্পপতিৰ দেশ হোৱা সত্ত্বেও ইয়াত ভাৰতৰ দৰে গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন ঘটা নাই, আৰু গাঁও আৰু নগৰ বাসৰ অনুপযোগীও হৈ পৰা নাই।

ফ্ৰেংকফাৰ্ট মহানগৰীৰ কথা বিস্তাৰিতভাৱে কম বুলিয়েই কথা-প্ৰসংগতে ইমানখিনি কথা কৈ পেলালো। ফ্ৰেংকফাৰ্টৰ কথা সুকীয়াকৈ কোৱাৰ উদ্দেশ্য এয়ে যে পশ্চিম জাৰ্মেনিৰ আন ডাঙৰ মহানগৰৰ অভ্যুত্থানৰ লগত ফ্ৰেংকফাৰ্টৰ অভ্যুত্থানৰ যথেষ্ট অমিলহে বিচাৰি পোৱা যায়। কেৱল ফ্ৰেংকফাৰ্টৰ ক্ষেত্ৰতহে বিকাশ-ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ তত্বটোৰ মিল বিচাৰি পোৱা সিমান সহজ নহয়। ফ্ৰেংকফাৰ্ট নিজস্বভাৱে বিশেষ সা-সুবিধাৰে অনিবাৰ্যভাৱে গুৰুত্বপূৰ্ণ হৈ পৰা এখন অতিশয় প্ৰধান মহানগৰী। ইউৰোপৰ সকলো নগৰ-মহানগৰলৈ ইয়াৰ পৰা আকাশীযান যায়। সুদীৰ্ঘ পথেদি অহা বহু আন্তৰ্জাতিক আকাশীযানৰ ৰোৱা ঠাই ফ্ৰেংকফাৰ্টেই। লগতে একেটা উৰণতে বহু দূৰৈৰ পৰা আহি পোৱা বিমানকোঠ ফ্ৰেংকফাৰ্টেইহে। বেইজিং, দিল্লী, মস্কো আদি ঠাইৰ পৰা একে কোবে এই বিমানকোঠ পাবহি পাৰি। এই বিমানকোঠত দিনে ৮০,০০০ বিমানযাত্ৰীয়ে উঠা-নমা কৰে। এই বিমানকোঠলৈ পঞ্চাছটা বিমান-প্ৰতিষ্ঠানৰ বিমান আহে আৰু ই ইউৰোপৰ তিনিটা বিমানকোঠৰ ভিতৰতে অন্যতম প্ৰধান বিমানকোঠ। ইয়াত পৃথিৱীৰ সৰ্ববৃহৎ গ্ৰন্থমেলাখন আৰু বাণিজ্য মেলাখন ব্যাৎসৰিকভাৱে অনুষ্ঠিত হয়। বিশ্বৰ সৰ্ববৃহৎ মটৰ গাড়ীৰ মেলাখনৰ স্থানো ফ্ৰেংকফাৰ্টতেই। শুনা যায় যে বৰ্তমানে নিৰ্মাণকাৰ্য চলি থকা অট্টালিকা এটা হেনো ইউৰোপৰ ভিতৰতে সৰ্বোচ্চ বহুমহলীয়া ঘৰ হ'ব। ইয়াৰ উচ্চতা হ'ব ২৫৬ মিটাৰ। এই ঘৰটো ফ্ৰেংকফাৰ্টৰ মাজ ভাগত। ঘৰটো এতিয়াই ষাঠি মহলামান হৈছে। দৈত্য হেন লগা ক্ৰেইনেৰে তলৰ বস্তু তুলি অট্টালিকাটো সাজি থকা অৱস্থাত দেখা পাইছোঁ।

অকল এয়ে নহয়। ফ্ৰেংফাৰ্ট হ'ল বেংক আৰু ব্যৱসায়-বাণিজ্যৰ মহানগৰী। অৰ্থবিনিয়োগ আৰু ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ হিচাপে ফ্ৰেংকফাৰ্টৰ স্থান ইউৰোপৰ ভিতৰতে সৰ্বোচ্চ। জাৰ্মেনিৰ কোনো চহৰে ফ্ৰেংকফাৰ্টৰ দৰে পৰিবৰ্তন ঘটা নাই। ইয়াৰ চাৰিত্ৰিক

বৈশিষ্ট্য আৰু বাহ্যিক ৰূপো অভূতপূৰ্বভাৱে সলনি হৈ আহিছে। আচলতে ফ্ৰেংকফার্ট জাৰ্মেনিৰ কোনো চহৰৰ লগত নিমিলা এখন বিশেষ মহানগৰী।

ফ্ৰেংকফার্টৰ বাণিজ্যিক ঐতিহ্যও চমকপ্ৰদ। যোৱা আঠ শ বছৰৰ আগৰে পৰা ইয়াত বাণিজ্যিক মেলা চলি আছে। সমগ্ৰ ইউৰোপৰ ভিতৰতে ফ্ৰেংকফার্টতে অহা-যোৱা কৰা ৰেলগাড়ীৰ সংখ্যা বেছি। ইয়াৰ মাটিৰ তলেদি ৭৭ কিল'মিটাৰ পথেদি ৰেলগাড়ী চলে। এই ৭৭ কিল'মিটাৰ হ'ল পঁচিছটা ভিন-ভিন ৰেল পথৰ সমষ্টি।

পশ্চিম জাৰ্মেনিৰ ধনক ডয়েট্চ্ মাৰ্ক বোলে। সংক্ষেপতে ডি. এম। এক ডি. এমৰ আন ধনৰ তুলনামূলক মূল্য সলনি হৈ থাকে। তথাপি এক ডি. এম সাধাৰণতে আমাৰ চাৰে আঠ টকাৰ সমান। উল্লেখযোগ্য যে ডি. এমেই ইউৰোপৰ ভিতৰত সবাতকৈ সবল কাৰেঞ্চি (hardest currency) আৰু এই কাৰেঞ্চিৰে অভিভাৱকস্বৰূপ "জাৰ্মান ফেডাৰেল বেংক'টো ফ্ৰেংকফার্টতেই আছে।

বহু শতিকা জুৰি ফ্ৰেংকফার্ট মুদ্ৰণশিল্প আৰু অৰ্থৰ কেন্দ্ৰ হৈ আছে। ই পূৰ্বৰে পৰা অৰ্থনৈতিক দিশত আগবঢ়া আছিল আৰু ইয়াত ধনৰ বিনিময় হৈছিল। অতীততেই ফ্ৰেংকফার্ট আছিল এখন আন্তৰ্জাতিক অৰ্থনৈতিক বজাৰ। ইয়াতে ধন-বিনিময় ব্যৱস্থাই (exchange) ঠন ধৰি উঠিছিল। প্ৰসিদ্ধ বেংক প্ৰতিষ্ঠাপক ৰথচাইল্ডৰ যোগেদি উনবিংশ শতিকাতে ফ্ৰেংকফার্টে অৰ্থনৈতিক ক্ষেত্ৰত বিশ্বজোৰা খ্যাতি অৰ্জন কৰিছিল। এতিয়া স্বনামধন্য ৰথচাইল্ডৰ পাঁচজন পুত্ৰই হেনো পেৰিচ, লণ্ডন, ভিয়েনা আৰু নেপোলছত বেংকৰ শাখা খুলি ইউৰোপত জাৰ্মান অৰ্থনীতিৰ প্ৰভুত্ব বিস্তাৰত সহায় কৰিছে।

এই শতিকাৰ পহিলা ভাগত ফ্ৰেংকফার্টত ভালেমান বৃহৎ শিল্পৰ প্ৰতিষ্ঠা হয় আৰু এনে শিল্প ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰে। সম্প্ৰতি এই মহানগৰী ৰসায়ন আৰু ঔষধ শিল্পৰ বাবে বৰ বিখ্যাত।

আগতেই কোৱা হৈছে যে ইয়াৰ পৰা চল্লিছ কিল'মিটাৰ নিলগৰ মাইনৃছত মুদ্ৰণ-যন্ত্ৰপাতিৰ আবিষ্কাৰক জোহানৃছ গুটেনবাৰ্গৰ জন্ম। তেওঁৰ কাৰণেই পোন্ধৰ শতিকাৰ মাজ ভাগৰ পৰাই জাৰ্মেনিত কিতাপ ছপোৱাৰ কাম আৰম্ভ হয়। ঘটনাবোৰ ভাৰতীয় পট-ভূমিৰ লগত বিজাই চাই ভাল লাগে। পোন্ধৰ শতিকাটোত ভাৰতত ভালে কেইজন বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক তথা কবি-সাহিত্যিকৰ (আমাৰ শংকৰদেৱকে ধৰি) পয়োভৰ ঘটিছিল আৰু সাঁচিপতীয়া পুথিতহে শাস্ত্ৰ ৰচনা কৰা হৈছিল। কিন্তু পোন্ধৰ শতিকাৰ মাজভাগৰ পৰাই ফ্ৰেংকফাৰ্ট কিতাপৰ ব্যৱসায় আৰু প্ৰকাশৰ কেন্দ্ৰস্থল হৈ আছে। সঁচাকৈয়ে ভাবিলে আচৰিত হ'বলগীয়া কথা। ইয়াতে ওঠৰ শতিকাৰ মাজ ভাগলৈকে বছেৰেকত দুবাৰ গ্ৰন্থমেলা হৈছিল, যাৰ ফলত জাৰ্মান গ্ৰন্থ-প্ৰকাশন আৰু গ্ৰন্থ-বিপণনে প্ৰচুৰভাৱে প্ৰসাৰ লাভ কৰিছিল। দ্বিতীয় মহাসমৰৰ পাছৰ পৰা ফ্ৰেংকফাৰ্টত কিতাপৰ ব্যৱসায় বাঢ়িছেহে। ইয়াতে প্ৰতি বছৰে অক্টোবৰ মাহত বিশ্বৰ সৰ্ববৃহৎ গ্ৰন্থ মেলাখন হয় বুলি আগতে উন্নুকিয়াইছোঁৱেই। এতিয়া অক্টোবৰত মই ফ্ৰেংকফাৰ্টৰ পৰা ছল্লিছ কিল'মিটাৰ নিলগত আছোঁ বাবে এই মেলা চাই গ্ৰন্থ-ব্যৱসায়ৰ বিৰাটত্ব আৰু আন্ত-ৰ্জাতিকতাৰ কথা কিছু পৰিমাণে উপলব্ধি কৰিব পাৰিছোঁ। পৃথিৱীৰ সকলো ঠাইৰ প্ৰকাশকসকল ইয়াত গোট খাইছেহি। যোৱা সাত অক্টোবৰত মাইনৃছৰ গুটেনবাৰ্গ আন্তৰ্জাতিক মুদ্ৰণশিল্পৰ সংগ্ৰহশালা চাবলৈ অহা এদল গ্ৰন্থ-প্ৰকাশকক লগ পাইছিলো। দলটোত জাপান, ইণ্ডোনেছিয়া, আফ্ৰিকা আদিৰ লোকো আছিল। দিল্লীৰ প্ৰকাশক এজনকো পালো। তেওঁ মোক ক'লে যে এঘাৰ অক্টোবৰৰ পৰা আৰম্ভ হ'বলগীয়া ফ্ৰেংকফাৰ্ট বিশ্ব গ্ৰন্থমেলাত যোগদান দিবলৈ অকল ভাৰতৰ পৰাই এসত্তৰজন গ্ৰন্থ-প্ৰকাশক আৰু ৰাষ্ট্ৰীয় গ্ৰন্থ ন্যাসৰ পৰা তিনিজন বিষয়া, মুঠতে চৌসত্তৰজন গ্ৰন্থৰ লগত সম্পৰ্ক থকা লোক আহিছে। ইয়াকে শুনিয়েইহে মোৰ

এই বিশ্ব গ্ৰন্থমেলা চাবলৈ বৰ মন গ'ল। মোৰ তেতিয়াহে মনত পৰিল যে নতুন দৈনিকৰ সম্পাদক আৰু তেতিয়াৰ অসম প্ৰকাশন পৰিষদৰ সচিব শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া এইখন বিশ্ব গ্ৰন্থমেলা চাবলৈ কোনোবা এবছৰ আহিছিল। শ্ৰদ্ধেয় শইকীয়া নিশ্চয় ইয়াকে চাই উপকৃত হৈছিল। কাৰণ ১৯৮৫ চনত প্ৰকাশন পৰিষদৰ সচিব হিচাপে তেওঁ যিখন গ্ৰন্থমেলা গুৱাহাটীৰ জৰ্জ ফিল্ডত পাতিলে, ই ইমান বৃহৎ, জাকজমকীয়া আৰু সুশৃংখলিত আছিল যে অসমত তাৰ পাছত এনে গ্ৰন্থমেলা এতিয়ালৈকে কোনো প্ৰতিষ্ঠানে পাতিব পৰা নাই।

গ্ৰন্থ প্ৰকাশনত বিশ্বত অগ্ৰগণী স্থান অধিকাৰ কৰা ফ্ৰেংকফাৰ্টত সম্প্ৰতি প্ৰকাশন প্ৰতিষ্ঠানৰে সংখ্যা সম্ভৱতকৈ বেছি। ইয়াতে জাৰ্মান ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰটোও আছে আৰু জাৰ্মান গ্ৰন্থ-প্ৰকাশক-সকলৰ শক্তিশালী সংগঠনটোৰ কাম ইয়াৰ পৰাই চলোৱা হয়। এই সংগঠনে প'লৰ গীৰ্জাঘৰত ১৯৫১ চনৰ পৰা শান্তিৰ পুৰস্কাৰ দি আহিছে।

কিন্তু আজিৰ দৰে ফ্ৰেংকফাৰ্ট সৰ্বদায় কৰ্মব্যস্ত আৰু প্ৰাচুৰ্যৰে ভৰা মহানগৰ নাছিল। সকলো ঠাইতে উৰ্বৰ গছ-গছনিৰ দৰে গজা এতিয়াৰ সুউচ্চ নয়নাভিৰাম অট্টালিকাসমূহে প্ৰতিজন জাৰ্মানক ইয়াকে সোঁৱৰায় যে ফ্ৰেংকফাৰ্ট এই শতিকাৰ শেষাৰ্ধৰহে সৃষ্টি। দ্বিতীয় মহাসমৰত গ্যেটেৰ জন্মস্থান ফ্ৰেংকফাৰ্ট সম্পূৰ্ণভাৱে ভস্মীভূত হৈছিল। সেয়েহে এতিয়াৰ ফ্ৰেংকফাৰ্ট জাৰ্মানসকলৰ প্ৰতিভা আৰু কৰ্মশক্তিৰ প্ৰতীকস্বৰূপ।

এই মহানগৰী দ্বিতীয় মহাসমৰৰ পাছৰ কেইবছৰৰ জাৰ্মেনিৰো প্ৰাণকেন্দ্ৰ আছিল। মিত্ৰ শক্তিৰ সামৰিক চৰকাৰ (allied military government) আৰু নতুন জাৰ্মানৰ কেন্দ্ৰীয় কৰ্তৃপক্ষৰ আৰু মাৰ্কিন সমৰ অধিনায়কৰ স্থান আছিল ফ্ৰেংকফাৰ্টতে। ১৯৪৯ চনত পশ্চিম জাৰ্মেনিৰ জন্ম হয়। ই নাম পায় ফেডাৰেল ৰিপাব্লিক

অৰ জাৰ্মেনি। আগৰ জাৰ্মেনি দুভাগ হয়। যি ভাগত গণতন্ত্ৰ নাই আৰু য'ত শাসন চলে ছোভিয়েট ৰাছিয়াৰ নিৰ্দেশত, সেই ভাগ জাৰ্মেনিয়ে অৰ্থাৎ পূব জাৰ্মেনিয়ে নাম পায় জাৰ্মান গণতান্ত্ৰিক ৰিপাব্লিক।

নকৈ পৰিচিত হোৱা পশ্চিম জাৰ্মেনিৰ ৰাজধানী পতাৰ বাবে ফ্ৰেংকফাৰ্টৰ কথাও ভবা হৈছিল। কিন্তু অৱশেষত গ্যেটেৰ জন্মস্থান ফ্ৰেংকফাৰ্টে বিথোফেনৰ জন্মস্থান বনৰ হাতত পৰাজয় স্বীকাৰ কৰিলে। বনত ৰাজধানী পতাৰ মূল কাৰণ কেইটা হ'ল—ই আছিল ৰাজনৈতিক প্ৰচেষ্টাৰ কেন্দ্ৰস্থল আৰু ই ফ্ৰেংকফাৰ্টৰ সমান ধ্বংসপ্ৰাপ্ত হোৱা নাছিল। এতিয়াও ই জাৰ্মানসকলৰ ৰাজনৈতিক কেন্দ্ৰ। ৰাজধানী প্ৰতিষ্ঠা হোৱাৰ পাছত এতিয়া বনে মোট সলাইছে। দেখাত ধুনীয়া হৈছে, ইয়াৰ বিস্তৃতি বাঢ়িছে আৰু অধিক কৰ্মচঞ্চল হৈ পৰিছে। তথাপি প্ৰায় নকৈৰ ভাগ ঘৰ-দুৱাৰ মহাসমৰৰ বোমা-বৰ্ষণত বিধস্ত হোৱাৰ পাছতো ফ্ৰেংকফাৰ্টৰ কৰ্মব্যস্ততা আৰু প্ৰসাৰতা বনতকৈ বহুত বেছি। বাৰ্লিন, হামবুৰ্গ, মিউনিক আৰু ফ্ৰেংকফাৰ্টৰ তুলনাত বন এখন সৰু চহৰ। বহুতে বনক ফেডাৰেল ভেলেজ বুলিহে কয়।

ফ্ৰেংকফাৰ্ট এখন আধুনিক মহানগৰ। ইয়াত আধুনিক মহানগৰৰ সকলো সুবিধা-অসুবিধা আৰু দোষ-গুণ কম-বেছি পৰিমাণে আছে। ইয়াৰ প্ৰধান ৰেল ষ্টেছনটোৰ ওচৰৰ কাইজাৰ ষ্ট্ৰীটত বহু ধৰণৰ যৌন প্ৰলোভন আছে; লোক আকৰ্ষিত কৰি থকা দেহোপজীৱিনী আছে। আৰু আছে কিছু পৰিমাণে প্ৰশাসনক সমস্যাত পেলোৱা ড্ৰাগছৰ ব্যৱসায় আৰু ড্ৰাগছসেৱী ডেকা-গাভৰু। ইয়াৰ সম্ভেদ পালো—নিৰঞ্জন বৰদলৈয়ে দূৰৈৰ পৰা দেখুৱাই দিয়া বাবেহে। চুটি গল্প লেখক হিচাপে মোৰ ঔৎসুক্য আৰু পৰ্যবেক্ষণ-শক্তি আছে বুলি ভাবোঁ যদিও মোৰ হ'লে চকুত পৰা নাছিল। বোধকৰোঁ জাৰ্মান ভাষাটো নাজানো কাৰণেও মোৰ বাবে বহু কথা জনাটো

অত্যন্ত কঠিন হৈ পৰে।

কিন্তু মোৰ দৃঢ় ধাৰণা যে জাৰ্মান যুৱশক্তি অপচয়মান শক্তি নহয়। তেনে হোৱাহেঁতেন ইয়াৰ প্ৰতিফলন ঘটিলহেঁতেন—জাতিটোৰ অৰ্থনীতিত, জ্ঞান-বিজ্ঞানৰ চৰ্চাত আৰু প্ৰযুক্তিকৌশলৰ পৰিচালনাত। কিন্তু এই তিনিওটা গুণ থকা কাৰণেই কয়লাৰ বাহিৰে শিল্পৰ আন কেঁচা মাল নথকা দেশখন প্ৰাচুৰ্যৰ ৰংগালয় হ'ব নোৱাৰিলেহেঁতেন। ফ্ৰেংকফাৰ্ট মহানগৰী আৰু কাষৰীয়া শিল্পোদ্যোগসমৃদ্ধ ঠাই কেইখনেই তাৰ জ্বলন্ত দৃষ্টান্ত।

ফ্ৰেংকফাৰ্ট,

৮।১০।৮৯

ছয়

ইংৰাজীত এটা কথা আছে, যাৰ অৰ্থ হ'ল তুমি য'লৈকে যোৱা তাতে তাৰ মানুহৰ দৰে থাকিবা; অৰ্থাৎ Do as the Romans do. কিন্তু সেয়া সম্ভৱ জানো? প্ৰথম যৌবন কালত ইয়ালৈ অহাহেঁতেন হয়তো সেয়া কিছু দূৰ সম্ভৱ হ'লহেঁতেন। পিছে জীৱনৰ বেছি ভাগ কাল নিজ দেশত থকাৰ পাছত, নিজ দেশৰ ভালেমান প্ৰমূল্য মনত বদ্ধমূল হোৱাৰ পাছত, দেশৰ খোৱাবোৱা আদিৰ অভ্যাস এৰিব নোৱৰা অৱস্থাত আৰু পুত্ৰ-দুহিতাক, মিতিৰ-কুটুমক, বন্ধু-বান্ধৱক, নিজ ৰাজ্যখনৰ মানুহক আৰু কলা-সংস্কৃতিক ভাল পোৱা আদি নানা মোহৰ ফলত বিদেশীৰ লগত নিজকে মিলাই দি তেওঁলোকৰ দৰে থকাটো মোৰ দৰে পঞ্চাছ বছৰৰ ওপৰৰ বয়সৰ মানুহৰ বাবে কিজানি সম্ভৱ নহয়।

আমি অসমত আহল-বহল ঘৰত থকা মানুহ। ইয়াৰ বহু মহলীয়া এটা অট্টালিকাৰ কোনো এটা মহলাৰ সৰু এপাৰ্টমেণ্টত অৰ্থাৎ যাবতীয় সুবিধা থকা এটা কোঠাত থাকি নিজকে বাকচৰ ভিতৰত বন্দী হৈ থকা যেন লাগে। অথচ কোঠাটোত ফ্ৰিজ আছে, দীঘল বাৰ খলপীয়া প্ৰকাণ্ড কাঠৰ আলমাৰি আছে, বন্ধা-বঢ়াৰ সুন্দৰ

ব্যৱস্থা আছে, কোঠাটো ঠাণ্ডাত উম লগাকৈ ৰখাৰ কেন্দ্ৰীয় উত্তাপ-বিতৰণ ব্যৱস্থা আছে ; আনকি ইয়াৰ সৰু কোঠা এটাত পায়খানাৰ উপৰিও স্নানাৰ বাথৰ ব্যৱস্থা আছে। যিকোনো সময়তে গা-ধোৱা ঘৰত আৰু বেছিনত গৰম আৰু ঠাণ্ডা পানী পোৱা যায়। আৰু বহু সুবিধা আছে। সুন্দৰ সুপৰিকল্পিত ব্যৱস্থা। তথাপি এপার্ট-মেণ্টটো বাকছ-বাকছ লাগে।

Do as the Romans do বোলা উক্তি প্ৰতিপন্ন কৰিবলৈ গৈ পশ্চিম জাৰ্মেনিৰ মানুহৰ খাদ্য গ্ৰহণ কৰিবলৈ টান লাগে। তাৰ কাৰণ দুটা ঃ আহাৰৰ ক্ষেত্ৰত কেইটামান বিধি মানি চলাৰ বাবে কেইবিধমান বস্তু মুখত দিবলৈ মোৰ ইচ্ছা নাই। দ্বিতীয়তে ৰন্ধাবঢ়া আনকি তেওঁলোকে ৰন্ধা হাঁহ-কুকুৰাৰ মাংসও আমাৰ জিভাত জুতি নালাগে। কেৱল সিজোৱা মঙহ যেনহে লাগে। মঙহৰ ৰঙো ঢেলা হৈ থাকে। শাক-পাচলিবোৰো মাত্ৰ সিজোৱাহে হয়। ছালাডত দিয়া শাকৰ পাতবোৰ ডাঙৰ-ডাঙৰ। ইয়াৰ আহাৰ ভাল নলগাৰ প্ৰধান কাৰণ হ'ল এয়ে যে তাত জলা আৰু মছলা নাথাকে।

ইয়াৰ মানুহৰ ঘড়িৰ কাটাই-কাটাই চলা অভ্যাসটো আমাৰ স্বভাৱৰ লগত নিমিলা বস্তু। পিছে বিদেশলৈ নহা মানুহে ধৰি লব নালাগিব যে ঘড়িৰ কাটাই-কাটাই চলা মানুহবোৰ বৰ কৰ্মী আৰু অতিশয় ব্যস্ত। এইটো তেওঁলোকৰ আৰ্জিত স্বভাৱহে। তাৰ প্ৰধান উদ্দেশ্য হ'ল এঠাইত সময় মতে হাজিৰ হোৱাহে। সাধাৰণ মানুহখিনি আমি আগতে ভবাৰ দৰে অতিশয় ব্যস্ত নহয় ; কাৰ্যালয়ত বা কাৰখানাত গতানুগতিকভাৱে কাম কৰি যোৱা মানুহহে। আমাৰ দেশতো কাৰখানাত আঠ বা দহ ঘণ্টা কাম কৰা মানুহ আছে। চাহ বাগিচাৰ শ্ৰমিকেও একে নিৰিখতে কাম কৰে। আমি তেওঁলোকক ব্যস্ত কৰ্মী বুলি ক'বলৈ টান পাওঁ কিয় ? অৱশ্যে ইয়াৰ মানুহৰ নিয়মানুবৰ্তিতা সম্পৰ্কে ধাৰণা আমাতকৈ বেছি।

ই আমাৰ বাবে অনুকৰণীয় বিষয় হোৱা উচিত। আৰু এটা ভাল কথা ইয়াৰ মানুহৰ পৰা জানিব পাৰিছোঁ। বজাৰে-সমাৰে, বাটে-পথে আৰু ট্ৰামে-বাছে দেখা মানুহবোৰক উদ্বিগ্ন বা লৰা-ঢপৰা কৰি হাবাথুৰি খাই ফুৰা ধৰণৰ অৱস্থাত দেখা পোৱা নাই। অহা-যোৱাৰ সুবিধা আছে আৰু কামৰ প্ৰণালী আছে কাৰণেই হয়তো এওঁলোক নিৰুদ্বিগ্ন। গুৱাহাটী বা কলিকাতাত বাছত পোৱা মানুহবোৰ দেখিলে ভাৰতৰ মানুহবোৰ বৰ tense অৰ্থাৎ উদ্বিগ্ন, ব্যস্ততাৰে স্নায়ুতন্ত্ৰক ক্লান্ত কৰা ধৰণৰ মানুহ যেন লাগে।

তথাপি পশ্চিমৰ ধৰা-বন্ধা নিয়মত চলা আপেক্ষিকভাৱে নিৰুদ্বিগ্ন বা tension free জীৱনক, ইয়াৰ একে ধৰণৰ সুন্দৰ-সুন্দৰ ঘৰবোৰক, বিলাস আৰু প্ৰাচুৰ্যক, যৌন জীৱনৰ অবাধ স্বাধীনতাক আৰু প্ৰয়োজনাধিক চকচিক্যৰে streamlined জীৱনযাত্ৰাক গাঁৱলীয়া জীৱনৰ আৰু চহৰৰ দুৰ্ভগীয়াসকলৰ জীৱনৰ ওপৰত গল্প-উপন্যাস লিখা মোৰ দৰে এজন সামান্য লেখকৰো ভাল নলগাটোহে স্বাভাৱিক। মই এই মতামত বাৰে-বাৰে পৰিবাৰৰ আগত ডাঙি ধৰিছোঁ। ইয়াৰ অধিবাসীসকলৰ কিছুমান কাণ্ড-কাৰখানা দেখি ভাব হৈছে যে এওঁলোকৰ পৰা জানিবলগীয়া এই কেইটা বস্তুহে আছে: শৃংখলাবোধ, সামাজিক স্বাৰ্থৰ ক্ষেত্ৰত সততা (আনকি ৰাজনীতিকৰো) আৰু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতি অনুৰাগ আৰু প্ৰয়োগ। তাৰ বাহিৰে বাকীখিনি যিকোনো সচেতন ভাৰতীয়ৰে অপছন হ'ব। বহু ক্ষেত্ৰত ভাৰতৰ প্ৰবাহমান ঐতিহ্যৰ ভালেমান প্ৰমূল্য সঁচাকৈয়ে অপূৰ্ব।

ইয়াৰ নাৰীসকলে এতিয়ালৈকে মোৰ চকুত মনোগ্ৰাহীৰূপে দেখা দিয়া নাই। ৰাস্তাত বুঢ়ীৰ সংখ্যাই বেছি। সেই অনুপাতে বুঢ়াৰ সংখ্যা কম। কাৰণ হ'ল—দ্বিতীয় মহাসমৰত বহু ডেকা মৰিছিল। পিছে বুঢ়ীসকলৰ পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰত নিখুঁত হোৱাৰ চেষ্টা, বিউটি পাৰ্লাৰত ৰং দি চুলি পৰিপাটীকৈ ৰখাৰ প্ৰমাণ, নাতিপুতি-

বিহীন নিঃসংগ জীৱনযাত্ৰা আদিয়ে তেওঁলোকৰ বৃদ্ধাৱস্থাৰ বহুখিনি বয়সোচিত মৰ্যাদা কাঢ়ি নিছে। তেওঁলোকক দেখিলে আইতা-আইতা নালাগে। কিন্তু ভাৰতত নাৰীজীৱনৰ সকলো স্তৰকে সুন্দৰ আৰু মৰ্যাদাবিশিষ্ট (dignified) যেন লাগে।

ভাৰতত কৃষক-কন্যাৰ পৰা কম্পিউটাৰ বিজ্ঞানী গাভৰুলৈকে বেছি ভাগ গাভৰুৰে নাৰীত্বৰ কমনীয়তা আছে। এয়ে মোৰ এই পৰ্যন্ত ধাৰণা। আমাৰ আধুনিকাৰ বেছি ভাগৰ প্ৰতিয়েই মোৰ ধাৰণা ইতিবাচক। ৰবীন্দ্ৰ নাথ ঠাকুৰে এটি কবিতাত (আমি যদি জন্ম হতাম কালিদাসেৰ যুগে) কৈছে যে আধুনিকাই যিমানেই নতুন ধৰণে সাজপাৰ কৰক লাগে, তথাপি "চোখেৰ কোণে দিছে সাক্ষ্য,-যেমন এক দিন ঘটেছিল কালিদাসেৰ যুগে।"

কিন্তু ইয়াতহে ছোৱালীবোৰ দেখি কিবা আখজা-আখজা লাগিছে। পুৰুষৰ সৈতে সমান অধিকাৰ আছে বুলিয়েই ইয়াৰ গাভৰুৰ বেছি ভাগেই পুৰুষৰ পোছাক ললে কিয়? ই সামাজিক সমস্যা নহ'ব পাৰে; কিন্তু মোৰ মনত কিন্তু এটা সমস্যা হৈ আছে। বহুতেই পুৰুষৰ দৰে ট্ৰাউজাৰ আৰু কোট পিন্ধে—হলোজলোকে। বহুতে পিন্ধে ডাঠ আৰু খহটা জিনৰ পেণ্ট আৰু জিনৰ কাপোৰেৰে জেকেট বা হাৱাইন ছাৰ্টৰ দৰে কিবা এটা। চুলিবোৰ ওখকৈ আৰু আউল-বাউলকৈ ৰখাও ইয়াত এটা ষ্টাইল, যাৰ বাবে বিউটি পাৰ্লাৰত যথেষ্ট ধন দিব লাগে। গাভৰুহঁতৰ বেছি ভাগৰে জোতাবোৰ পামশুৰ নিচিনা। খোজ কাঢ়োঁতে যথেষ্ট শব্দ হয়। ৰাস্তাতো, ঘৰৰ ভিতৰতো। ৰাস্তাত জোৰেৰে খোজ কাঢ়ি যোৱা একোজনী গাভৰু দেখিলে এনেহে লাগে যেন তাই কোনোবা আধুনিক জোৱান অৰ অাৰ্কহে। মাজে-মাজে মতা মানুহৰ দৰে সাজ নিপিন্ধা দুই এজনী গাভৰু দেখা যায় যদিও তাইৰ মুখত নাৰীসুলভ কমনীয়তা সাধাৰণতে দেখা নাযায় আৰু তাইৰ দেহ-প্ৰদৰ্শনৰ প্ৰচেষ্টাও দৃষ্টিকটু যেন লাগে। পাৰ্কত আৰু বাটত একোযোৰা ডেকা-গাভৰুৰ অধিক অন্তৰংগ হ'ব খোজা

প্ৰচেষ্টা আমাৰ চকুত কিন্তু অভদ্ৰতা আৰু অশ্লীলতা যেনহে লাগে।

গতিকে মোৰ বয়সৰ মানুহ এটাৰ বা মাধুৰীৰ (পত্নী) বয়সৰ-মহিলা এগৰাকীৰ নিজ দেশলৈ মনত পৰাটো বা নষ্টালজিয়াবোধ প্ৰবল হোৱাটো স্বাভাৱিক। বিদেশৰ প্ৰতি বিতৃষ্ণা জন্মাৰ কাৰণে নহয়; নিজক খাপ খুৱাই লোৱাটো অসম্ভৱ কাৰণেহে। অথচ আমি বিদেশক নৈৰ্ব্যক্তিকভাৱেই চাবলৈ চেষ্টা কৰি আহিছোঁ।

মন বেয়া লাগিলে আমি ওচৰৰে ৰাইন নদীৰ পাৰলৈ যাওঁ। তাত উত্তৰ ভাৰতৰ নদীৰ সৌন্দৰ্য দেখা নাপাওঁ। ৰাইন নদী ছুইজাৰলেণ্ডৰ আল্পছ গিৰিমালাৰ পৰা নামি সাগৰত পৰিছেগৈ। আমাৰ বুঢ়ীদিহিঙতকৈ দুগুণ বহল। দুই পাৰ সুন্দৰকৈ বন্ধোৱা আৰু পাৰত বহিবৰ বাবে, পাৰৰ ৰাস্তাত দৌৰিবৰ বাবে আৰু মটৰগাড়ী চলাবৰ বাবে ভাল ব্যৱস্থা আছে। গছ-গছনিয়ে ছাঁ দিয়া সুৰংগৰ দৰে ৰাস্তাও আছে। সেই কাৰণেই হয়তো মাইনুছ মহানগৰেদি বৈ যোৱা ৰাইনক মোৰ স্বাভাৱিক নদী যেন নালাগে। অথচ ইয়াৰ বুকুৱেদি যাত্ৰীবাহী আৰু মালবাহী জাহাজ সঘনে গৈ থাকে।

ৰাইন নদীৰ বুকুৰ ওপৰত বহুত গঙাচিলনী (আচল গঙাচিলনীয়েই, ছি গাল নহয়) দেখা যায়। পাৰতো বহুত পাৰ চৰাই। তথাপি আধুনিক যুগৰ প্ৰযুক্তিদত্ত কৃত্ৰিমতাই যেন ৰাইনৰ প্ৰাকৃতিক সৌন্দৰ্য গ্ৰাস কৰি পেলালে; আচল ৰাইনখনৰ যেন কোনোবা এটা শতিকাত মৃত্যু হ'ল।

ৰাইনৰ পাৰত বহি সেয়েহে মই কিলিং, কপিলী, দিখৌ, ধনশিৰি, দিহিং, দিচাং আৰু মোৰ অতিকে আপোন সোণাইলৈ মনত পৰে। আৰু মনত পৰে এৰি অহা অসমীয়া জীৱনটোলৈ।

এনে এটা মানসিক অৱস্থা চলি থকা সপ্তাহটোতে অৰ্থাৎ অক্টোবৰৰ ছয় তাৰিখে ফ্ৰেংকফাৰ্টৰ পৰা ফোন পালো। কৈছে এজন অসমীয়া মানুহে: "ছাৰ, দেওবাৰে কিন্তু আহিবই লাগিব। দুপৰীয়া ভাত মুঠি আমাৰ ঘৰতে খাব লাগিব। আমি পিছে আগৰটো

দেওবাৰেই আপোনালোকক আনিবগৈ লাগিছিল। পিছে বহুত অথন্তৰ। ঘৰ গলাইছোঁ। এতিয়াও লেঠা মৰা নাই।

পশ্চিম জাৰ্মেনিত, অসমৰ পৰা প্ৰায় ফেইবা হাজাৰো মাইল আকাশমাৰ্গীয় দূৰত্বত, এখন অপৰিচিত ঠাইত এনেকুৱা শুদ্ধ অসমীয়া শুনি কাৰ ভাল নালাগিল ? যিজনে ফোনত কথা কৈছে তেওঁক হ'লে মই এতিয়ালৈকে দেখা নাই। ফোনত কথা শুনিয়েই তেওঁক আপোন-আপোন লাগিছে। আৰু আপোন-আপোন লাগিবৰ কথাও। তেওঁ হ'ল গোটেই অসমৰে আপোন, কবি, সাহিত্যিক, ৰাজনীতিক, সুপণ্ডিত আৰু মন্ত্ৰমুগ্ধকাৰী বক্তা স্বৰ্গীয় হেম বৰুৱাৰ পুত্ৰ। নাম অঞ্জন বৰুৱা। তেওঁ ফ্ৰেংকফাৰ্টত যোৱা তিনি বছৰমানৰ পৰা আছে। বেংকপ্ৰধান মহানগৰী ফ্ৰেংকফাৰ্টৰ ভাৰতীয় ষ্টেটবেংকৰ বিদেশী মুদ্ৰা বিনিময় শাখাৰ তেওঁ পৰিচালক। দৰমহা আৰু আন সা-সুবিধাৰে সৈতে তেওঁৰ চাকৰিটো পশ্চিম জাৰ্মেনিৰ মানদণ্ড অনুসৰিও যথেষ্ট ভাল।

এইবোৰ কথা লোকৰ মুখে শুনিছোঁ। কিন্তু এতিয়ালৈকে অঞ্জন বৰুৱাক মই দেখা নাই। মই ফোনতে কৈছোঁ, "নিশ্চয় যাম। ইয়ালৈ আহি হেম বৰুৱা ছাৰৰ ল'ৰাৰ ঘৰলৈ নগ'লে বাৰু গুৱাহাটীত মই কি বুলি কৈফিয়ৎ দিম ? বিশেষকৈ অণু বাইদেউক। আৰু এটা কথা, বৰুৱা, মই ইয়াৰ ভালেমান কথা জানিছোঁ। কিন্তু আপোনাৰ পৰা পশ্চিম জাৰ্মেনি সম্পৰ্কে এনে কিছুমান কথা জানিব বিচাৰোঁ যিবোৰ মই এজন জাৰ্মানক সুধিব নোৱাৰোঁ।"

তেওঁ মোক ফোনতে সুধিলে, "ভাত, মানে আপোনাৰ ইউনিভাৰ্ছিটিত বহুদিন থকা ভাৰতীয় নাইনে কি ?"

মই ক'লো, "নাই। ফিজিকেল ৰিছাৰ্চ লেবৰেটৰিৰ (আহমদাবাদ) ড. শ্যামলাল ছমাহৰ আগতেহে আহিছিল। তেওঁ কালি গ'লগৈ। ড. অসীম কুমাৰ মাইতি নামৰ কলিকাতাৰ গৱেষক এজন আছে। ল'ৰা মানুহ। তেওঁ আমাতকৈ পোন্ধৰ দিনৰ আগতেহে আহিছে।

তেওঁলোকে ইয়াৰ মেক্স-প্লেংক ইন্‌ষ্টিটিউটত ৰসায়নৰ গৱেষণা কৰিছেহি। তেওঁলোকৰ বিজ্ঞানাগাৰটোৰ বাহিৰে বাহিৰা জগতখনৰ বিষয়ে জানিবলৈ কৌতূহল নাই যেন লাগে। বোধকৰোঁ তেওঁলোক খুব ভাল ছাত্ৰ আৰু ভাল ৰসায়নবিজ্ঞানী।"

আমাৰ মনটো বৰ উৎফুল্ল। কাৰণ আৰু এদিনৰ পাছত এঘৰ সম্পূৰ্ণ অসমীয়া মানুহৰ ঘৰত আলহী হ'মগৈ। বোধকৰোঁ অসমীয়া আহাৰ খাবলৈ পাম। লগতে এগৰাকী অসমীয়া পুৰুষ আৰু অসমীয়া মহিলাৰ (অঞ্জন বৰুৱা বিবাহিত) দৃষ্টিত জাৰ্মেনি আৰু জাৰ্মানসকল কেনেকুৱা তাকে জানিব পাৰিম।

আমি পশ্চিম জাৰ্মেনিলৈ যাম বুলি অঞ্জন বৰুৱাক শেহতীয়াকৈ খবৰ দিছিলো।

মই সস্ত্ৰীক পশ্চিম জাৰ্মেনিৰ গুটেনবাৰ্গ বিশ্ববিদ্যালয়লৈ তিনি মাহৰ কাৰণে যাম বুলি ক'লন মহানগৰীত থকা ড. নিৰোদ কুমাৰ বৰুৱালৈ চিঠি লিখিছিলো। ড. বৰুৱা 'প্ৰান্তিক'ৰ পঢ়ুৱৈৰ এজন প্ৰিয় লেখক। মই তেওঁৰ ঠিকনাটো পাইছিলো 'প্ৰান্তিক'ৰ সম্পাদক প্ৰদীপ বৰুৱাৰ পৰা। কুৰি দিনৰ পাছত (চিঠি যোৰহাট পাবলৈ ইমান দিন লাগে) চিঠিৰ উত্তৰ পাইছিলো। তেওঁ অঞ্জন বৰুৱা আৰু নিৰঞ্জন বৰদলৈৰ ঠিকনা আৰু ফোনৰ নম্বৰ দি লিখিছিল, "আপুনি থাকিব লগীয়া চহৰখনৰ ওচৰতে ফ্ৰেংকফাৰ্ট। আপোনাৰ কোনো অসুবিধা নহ'ব। এই দুয়োজন লোকেই বেচ helpful."

মই পোনতে যোৰহাটৰ মানুহ কাৰণে তাৰ পৰা নিৰঞ্জন বৰদলৈলৈ চিঠি দিছিলো। অঞ্জন বৰুৱালৈ চিঠি দিছিলো যাত্ৰাৰ পোন্ধৰ দিনৰ আগতেহে। তেওঁ চিঠি পাইছিল। কিন্তু আমি ফ্ৰেংকফাৰ্টত যিখন জম্বু জেটৰ পৰা নামিম তাৰ নম্বৰ দিয়া সত্ত্বেও বৰুৱা বিমানকোঠলৈ আহিব নোৱাৰিলে। কাৰণ তেওঁ সপৰিয়ালে ইউৰোপৰ আন আন দেশত ফুৰিবলৈ গৈছিল।

কিন্তু তেওঁ ফ্ৰেংকফাৰ্টলৈ আহিও মোৰ খবৰ কৰিব নোৱৰা হ'ল। কাৰণ মই মাইনৎছৰ ক'ত আছোঁ তেওঁ নাজানে। ময়ো তেওঁক খবৰ

দিব নোৱৰা হ'লো। কাৰণ তেওঁৰ ফোন নম্বৰ কেইটা লিখি থোৱা কাগজখন বিচাৰি নাপালো। এদিন হঠাতে ডায়েৰিৰ মাজত সক কাকত এটুকুৰাত তেওঁৰ ফোন নম্বৰ দুটা পাইহে সকাহ পালো।

তাৰ পাছতেই ফোনেৰে এনে অন্তৰংগ যোগাযোগ।

অক্টোবৰৰ আঠ তাৰিক। দেওবাৰ। মাইনৃছ মহানগৰৰ পুৱাটোত ব'দৰ ৰেঙনি নাই। আকাশত ধোঁৱাবৰণীয়া মেঘ। বেচ ঠাণ্ডা। উষ্ণতা দহ ডিগ্রি ছেলছাছৰ তলত। অভাৰকোট পিন্ধিব লগীয়া বতৰ। সিমসিমীয়া বৰধুপো চলি আছে।

আমি মাইন্ছৰ প্ৰধান ৰেল ষ্টেছনত। ইয়াকে জাৰ্মান ভাষাত হপ্ট্বানহফ্ (hauptbahnhof) বোলে। আমি যাব লাগিব ৩৭ কিল'মিটাৰ দূৰৈৰ ফ্ৰেংকফাৰ্টৰ হপ্ট্বান্হফলৈ। এটা টিকেটৰ মূল্য ৬.৫০ মাৰ্ক। আমি স্লটত মুদ্ৰা গুজি টিকেট দুখন লৈ নিশ্চিন্তে ৰেলগাড়ীত উঠিছোঁ। কাৰণ ইয়াৰ আগতে কেইবাবাৰো আমি ফ্ৰেংকফাৰ্টলৈ গৈছোঁ।

আমাৰ ৰেলগাড়ীখনে মাইন্ছৰ প্ৰধান ৰেলগাড়ীৰ আস্থান এৰিছে পুৱা ৯ বাজি ৪ মিনিটত। ৯ বাজি ৪৫ মিনিটত পামগৈয়ে। পলম হোৱাৰ কোনো সম্ভাৱনা নাই। ইয়াত ৰেল-বাছ সকলো চন্দ্ৰ-সূৰ্যৰ দৰে সময়ৰ অকণো হেৰফেৰ নোহোৱাকৈ চলে। ৯ বাজি ৪ মিনিটৰ ৰেলগাড়ী ধৰিবলৈ যদি ৯ বাজি ৫ মিনিটত কোনোবা ওলায়হি, তেওঁৰ আৰু যোৱা নহ'ব। সময়ৰ ক্ষেত্ৰত ৯ বাজি ৪ মিনিট, ১২ বাজি ২৩ মিনিট আদি সংখ্যাৰ মূল্য আছে। ভাৰতৰ ৰেলগাড়ীৰহে সময়ৰ ফালৰ পৰা এঘণ্টা-ডেৰ ঘণ্টাৰো মূল্য নাই। কেতিয়াবা একোখন ৰেল দহ ঘণ্টালৈকে পলম হয়।

বিদ্যুতচালিত ৰেলগাড়ীখন একোটা আস্থানত অলপ পৰহে ৰয়। দুৱাৰবোৰ চলাৰ আগতে আপোনা-আপুনি বন্ধ হৈ যায়। ৰেলে উকি নামাৰে। ভিতৰত হেঁচাঠেলাও নাই। সঁচাকৈয়ে এক নিশ্চিন্ত আৰামদায়ক ভ্ৰমণ।

আমাৰ এই যাত্ৰা সঁচাকৈয়ে মধুৰ হ'ব বুলি ভাবিছোঁ। ফ্ৰেংকফাৰ্টৰ প্ৰধান ৰেলগাড়ী আস্থানত অঞ্জন বৰুৱা আমাৰ বাবে ৰৈ থাকিব। তেওঁ নিজৰ গাড়ীৰে আমাক লৈ যাব। আমাক তেওঁ সহজে চিনাক্ত কৰিব পাৰিব।

মাইন্‌ছ, পশ্চিম জাৰ্মেনি,
১০।১০।৮৯

সাত

দহ অক্টোবৰৰ দিনলিপি এই অধ্যায়ৰো বিষয়বস্তু।

ন বাজি পঞ্চলিছ মিনিট। ৰেলগাড়ীখন ফ্ৰেংকফাৰ্টৰ ভূগৰ্ভস্থ আস্থানত। অকলে থিয় দি থকা মানুহজন যে অঞ্জন বৰুৱা আমি নিঃসন্দেহে চিনাক্ত কৰিব পাৰিছোঁ। দেখিলেই হেম বৰুৱাৰ ল'ৰা বুলি ধৰিব পাৰি। চেহেৰাত দেউতাকৰ লগত বহুতখিনি মিল আছে। আমাৰ আগত যেন ডেকা কালৰ হেম বৰুৱাহে। নিমিষতে ভালেমান পুৰণি কথাৰে মনটো ভৰপূৰ হৈ পৰিল। ১৯৫৮ চনৰ সুপুৰুষ হেম বৰুৱা। যোৰহাটৰ জয়ন্তী ষ্টু'ৰৰ টুলত বহি এমোকোৰা তামোল খাই-খাই দেশ-বিদেশৰ কথা কোৱা হেম বৰুৱা। দেশ-বিদেশৰ সাহিত্যৰ সৰস আলোচনা কৰা হেম বৰুৱা। নপুৰুষত আস্থা স্থাপন কৰিব পৰা আশাবাদী হেম বৰুৱা। সমাজতন্ত্ৰত বিশ্বাসী ৰাজনৈতিক হেম বৰুৱা। সংসদী সদস্য হেম বৰুৱা।

বহুত কথাই মোৰ মনটো জুমুৰি দি ধৰিছিল। তেতিয়া মই যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ শিক্ষক। কামত সোমোৱা দুমাহেই হোৱা নাই। তেওঁৰ লগত জয়ন্তী ষ্টু'ৰত প্ৰথম চিনাকি হোৱাৰ দিনাই মই উৎসাহিত হৈছিলো। তেতিয়া মোৰ মাত্ৰ দুটা গল্পহে প্ৰকাশিত হৈছে: 'ভাওনা' আৰু 'সম্পত্তিৰ বাপেক'। মই কাকো এই বিষয়ে একো উল্লেখ কৰা নাই। কিন্তু মানুহজনে গল্প দুটাৰ কথা উল্লেখ কৰি মোক লেখক হ'বলৈ প্ৰচুৰভাৱে উৎসাহিত

কৰিলে। পাছৰ বাৰ সুধিলে, "তুমি কি হ'ব খুজিছা?" মই ক'লো, "ভাবি-ভাবি একো সিদ্ধান্তলৈ আহিব পৰা নাই। সম্প্ৰতি ছিভিল ছাৰ্ভিছ পৰীক্ষাৰ কাৰণে অলপ পঢ়াশুনা কৰিছোঁ।"

তাকে শুনি ৰঙিয়াল মানুহজন হঠাতে গম্ভীৰ হৈ পৰিল। তেওঁ লাহে-লাহে কৈ গ'ল, "এইটোৱেই আমাৰ ডেকাহঁতৰ বেমাৰ। They went to choose the line of least resistance. সকলোৱেই যদি হাকিম হ'বলৈ বিচাৰা তেনেহ'লে দেশৰ পৰি থকা ইমানবোৰ কাম কোনে কৰিব? যিটো উদ্দেশ্যত সহজে উপনীত হ'ব পাৰা, সেইটোলৈ চেষ্টা নকৰিবা। যেনে তোমাৰ ছিভিল সাৰ্ভিছ। যিটো সহজে হ'ব নোৱাৰা, য'ত সাধনা লাগে, তালৈহে অসমীয়া ল'ৰাই বেঙা মেলিব লাগে। হয় বিজ্ঞানী হোৱা নহয় লেখক হোৱা, নতুবা ছুয়াটো হোৱা। You must aim high, young man. মোৰ কথা শুনিবানে? এইবোৰ হাকিম হোৱাৰ পৰীক্ষা-চৰীক্ষা বাদ দিয়া।"

কথাকেইটা মোৰ আজিও মনত পৰে। তেখেতৰ উপদেশ মই শুনিলো। বুৰ'ক্ৰেট হোৱাৰ পৰা বাচি গ'লো। আজি যদি মই বুৰ'ক্ৰেট হ'লোহেঁতেন, মোৰ ইউৰোপ দেখাৰ সৌভাগ্য ন'হলহেঁতেন।

অঞ্জনে আমাক দেখি নমস্কাৰ জনালে। অৰ্থাৎ তেওঁ বুজাই দিলে যে তেঁৱেই অঞ্জন। তেওঁ পিন্ধিছে এটা বহল ধৰণৰ ট্ৰাউজাৰ আৰু এটা বাদামৰঙী ছুৱেটাৰ। সাধাৰণ পোছাক। কিন্তু তেওঁৰ ব্যক্তিত্ব আৰু চেহেৰাত বৈশিষ্ট্য আছে।

তেওঁ ক'লে, "প্ৰায় আধা ঘণ্টা ইয়াতে আছোঁ। আগৰ ঘৰটো ইয়াৰ পৰা দূৰৈত। এতিয়া লোৱা ঘৰটো ওচৰতে। কিন্তু আগৰ হিচাপত আহি ইয়াত ৰ'বলগীয়া হ'ল।"

তেওঁ আমাক জাৰ্মেনিত কেনে ধৰণৰ অসুবিধা হৈছে বাৰে-বাৰে সুধি আৰু আমাৰ সমিধান শুনি-শুনি তেওঁৰ মটৰগাড়ীখনৰ ফালে লৈ গ'ল। মটৰগাড়ীখন পালোগৈ প্ৰায় আধা কিল'মিটাৰ খোজকাঢ়ি

গৈছে। ইয়াত প্ৰায় সকলোৰে মটৰগাড়ী আছে। এঘোৰৰ মানুহৰ তিনিখনকৈয়ো আছে। কিন্তু অগণন গাড়ীয়ে এটা সমস্যাৰ সৃষ্টি কৰিছে: গাড়ী ৰাখিবলৈ ঠাইৰ অভাৱ। গতিকে ব্যস্ত চহৰত এঠাইত গাড়ী ৰখাই প্ৰয়োজন হোৱা ঠাইলৈ ভালেমান দূৰ খোজ কাঢ়িব লাগে। মাইন্‌ছতো একে অৱস্থা। প্ৰফেচাৰ ডম্‌ৰ'ছৰ গাড়ীত মই এদিন বহি আছোঁ। তেওঁ বেংকত সোমোৱাৰ কথা। কিন্তু ক'তো গাড়ী ৰখাবলৈ ঠাই নোপোৱাত বেংকত সোমোৱাকে বাদ দি তেওঁ বিশ্ববিদ্যালয়লৈ গুচি আহিল।

এনে পৰিস্থিতি প্ৰায়ে হয় বাবে অঞ্জন বৰুৱাই অফিচলৈ ৰেল বা বাছতহে আহে। তেওঁৰ জাপানী গাড়ীখনৰ কেৱল প্ৰয়োজন চহৰৰ বাহিৰলৈ নিবলৈহে। তেওঁ এইখন গাড়ীৰেই সপৰিয়ালে ইউৰোপৰ প্ৰায়বোৰ দেশ ঘূৰিছে। অৱশ্যে কমিউনিষ্ট ৰাষ্ট্ৰ কেইখনক বাদ দি। এইবোৰ ৰাষ্ট্ৰত গাড়ী লৈ ঘোৰাৰ অসুবিধা হেনো বহুত।

গাড়ী চলাই-চলাই তেওঁ কৈ গ'ল, "নিজৰ গাড়ীৰে গ'লে খৰচ কম পৰে। কাৰণ ইয়াত ৰেল আৰু বাছৰ ভাৰা বহুত। ইয়াৰ পৰা জেনেভালৈ ৰেলৰ ভাৰা প্ৰায় ২০০ মাৰ্ক। নিজৰ গাড়ীৰে গ'লেও লগত যিমান ধন নিয়া দৰকাৰ তাতকৈ বেছি নিব লাগে। কাৰণ কেতিয়াবা উপায় নাপাই খুব দামী হোটেলত থাকিব লগীয়া হ'ব পাৰে।"

আমি নিৰ্দিষ্ট ঠাই পালোহি যেন লাগিল। অঞ্জন বৰুৱাই গাড়ীত বহিয়েই বেৰ এখনত থকা ফাট এটাত চাবিটো ভৰাই ঘূৰাই দিয়াত গাড়ীৰ আগত থকা দুৱাৰখন স্বয়ংক্ৰিয়ভাৱে ওপৰলৈ উঠি গ'ল আৰু আমি পালোহি কিছুমান গাড়ী ৰখা ঠাই।

তেওঁলোক এটা প্ৰকাণ্ড ঘৰৰ সপ্তম তলাত থাকে। বেচ আহল-বহল ঘৰ। সকলো সুবিধা আছে। তেওঁলোক এটা চহকী জাৰ্মান পৰিয়ালৰ দৰেই আছে।

তেওঁৰ ল'ৰা-ছোৱালী তিনিটা। প্ৰথম সন্তান হ'ল দহ বছৰীয়া

জোনালী, দ্বিতীয় সন্তান সোণালী আৰু আঢ়ৈ বছৰীয়া ল'ৰাটোৰ নাম আকৌ কেঁচুৱা। সোণালীৰ বয়স কিমান সুধিবলৈ নহ'ল। তিনিটা সন্তান বেচ লোদোৰ-পোদোৰ। সোণালী আৰু কেঁচুৱাৰ গাৰ বৰণো সুন্দৰ। দীঘল আৰু কোমল চুলিৰে সিহঁতক সাইলাখ জাৰ্মেনিৰ ল'ৰা-ছোৱালী যেন লাগে।

মোৰ প্ৰশ্ন: জোনালী আৰু সোণালী সুন্দৰ নাম। কিন্তু ল'ৰাটোৰ নাম কেঁচুৱা হ'ল কিয়? জাৰ্মান মানুহে শুনি ভালেই পাব। পিছে অসমতভো এই নাম নচলিব। এইটো নামে সমস্যাৰ সৃষ্টি কৰিব।

অঞ্জনৰ উত্তৰ: কথাতো হয়। পিছে ইয়াত সন্তান জন্মৰ লগে-লগে চৰকাৰক নাম দিব লাগে। এইবাৰ নাম বিচাৰি নাপালো। ততাতৈয়াকৈ পশ্চিম জাৰ্মান কৰ্তৃপক্ষক ক'বলগীয়া হ'ল যে ইয়াৰ নাম "কেঁচুৱা"।

হাঁহিবৰ এটা সমল পালো। তথাপি এই উত্তৰে মোক সন্তুষ্ট কৰিব নোৱাৰিলে। মোৰ মনত এটা প্ৰশ্ন থাকি গ'ল: জোনালী আৰু সোণালী, এই দুটা সুন্দৰ নাম মাক-বাপেকৰ মনলৈ তেনেহ'লে আহিল কেনেকৈ? অৱশ্যে অলপ পাছতে গম পালো যে মাকৰ নাম ৰূপালী। সেইবাবেই হয়তো এই দুটা নাম দিয়া সহজ হ'ল। কিন্তু মোৰ অনুমান ভুল হ'ল। ল'ৰা-ছোৱালী উপজিলে তপতে-তপতে অঞ্জনে গুৱাহাটীৰ মাকলৈ ফোন কৰে খবৰটো দিবলৈ আৰু নাম এটা পঠাবলৈ। মাক অণু বৰুৱায়ো ফোন পোৱাৰ পাছত তপতে-তপতে নৱগ্ৰহত জন্মৰ বাৰ, তাৰিখ আৰু সময়টো কয়গৈ। নৱগ্ৰহৰ পুৰোহিতে চাইচিতি ৰাশি নিৰ্ণয় কৰি নামৰ আদ্যাক্ষৰটো দিয়ে। সেই মতে অঞ্জনৰ প্ৰথম আৰু দ্বিতীয় ছোৱালীজনীৰ নামৰ আদ্যাক্ষৰ দুটা সুবিধাজনক হ'ল বাবে মাকৰ নামৰ আহিত জোনালী আৰু সোণালী নামটো আইতাকে দিব পাৰিলে। নৱগ্ৰহৰ জ্যোতিষীৰ মতে 'কেঁচুৱা'ৰ নামৰ আদ্যাক্ষৰ 'ন'। 'ন'ৰে আৰম্ভ

হোৱা ভাল নাম এটা এতিয়ালৈকে পোৱা নাই কাৰণেই আঢ়ৈ বছৰলৈকে তাৰ নাম কেঁচুৱা হৈয়ে আছে।

এই নাম-বৃত্তান্ত মই পাছত শুনাহে। ৰূপালীয়ে ৰন্ধা-বঢ়া কৰাৰ সময়ত মাধুৰীক কৈছিল। বৃত্তান্তটো শুনি সঁচাকৈয়ে আমোদ পালো। মনে-মনে ৰূপালী আৰু অঞ্জনৰ শলাগ ললো। এই কাৰণেই যে তেওঁলোকে বিদেশত কেইবাবছৰ থাকিও ঘৰৰ নীতি-নিয়মবোৰ মানি চলিছে আৰু অঞ্জনৰ মাকৰ ফোনত কোৱা উপদেশবোৰ আখৰে-আখৰে পালন কৰিছে। পশ্চিমীয়া দেশৰ বিলাস আৰু প্ৰাচুৰ্যই তেওঁলোকক অকণো স্বকীয়া কৰিব পৰা নাই।

ৰূপালী তেনেই ঘৰৰ লখিমী যেন গৃহিণী। পিন্ধন-উৰণো অসমত দেখা প্ৰথাসিদ্ধ বোৱাৰী এজনীৰ দৰেই। কথাবতৰা মাৰ্জিত। অঞ্জনৰ দৰে তেৱোঁ অতি বিনয়ী। এই বিনয় স্বভাৱজাত; অভিনয়ৰ বিনয় নহয়।

"এইবোৰ মানি ভাল লাগে, ছাৰ। এইবোৰ থকা কাৰণেই ভৰিৰ তলত মাটি এডোখৰ আছে যেন লাগে। এই নীতি-নিয়মবোৰ কিমান প্ৰয়োজনীয় ইয়াত আহিহে গম পাইছোঁ। ধৰ্ম, নীতি-নিয়ম, বিশ্বাস, এইবোৰেহে জীৱনক জীয়াই থকাৰ কিবা এটা দিয়ে। পশ্চিমৰ প্ৰাচুৰ্যইনো আৰু কিমান দিব? ইয়াত আগৰ ভাল নিয়মবোৰ জহি-খহি গৈছে। ফলত মানুহ অশান্তিত হাবাথুৰি খাই ফুৰিছে।"—অঞ্জনে মোক ক'লে।

ইয়াকে শুনি 'বহাগতে পাতি যাওঁ বিয়া'ৰ লেখক সুপণ্ডিত হেম বৰুৱালৈ মনত পৰিল।

অঞ্জনৰ কথাৰ পৰাই বুজিলো যে তেওঁৰ পত্নীক ধৰ্মপৰায়ণতা আৰু ধৰ্মীয় নীতি-নিয়মৰ প্ৰতি আস্থা থকা বাবে তেওঁলৈকো খুব আস্থা। গতিকে তেওঁ ফ্ৰেংকফাৰ্টত নীতি-নিয়মত চলা এজন গৃহস্থৰ দৰে চলে। তেওঁলোক প্ৰতি শনিবাৰে পূৰা চৌবিছ ঘণ্টা উপবাসে থাকে। ৰূপালীয়ে আগতে মঙলবাৰেও একো নাখাইছিল। আজি-কালি

হেনো এসাজ খায়। তদুপৰি এঘাৰ মহলীয়া ঘৰটোৰ তেওঁলোক থকা সাত মহলাত থকা ফ্লেটটোৰ এটা কোঠাত থাপনা পাৰি থোৱা আছে। তাত শ্ৰীকৃষ্ণৰ ছবি এখনো আছে। তাত দিনৌ ধূপ-ধুনা জ্বলোৱা হয় আৰু নাম গোৱা হয়। ৰূপালীয়ে সেই থাপনা ৰখা কোঠাটোত ভিন-ভিন পৰ্বত শৰাই দি থাকে।

আমি গৈ পোৱাৰ লগে-লগেই ৰূপালীয়ে আমাৰ আগৰ টেবুলত মাহ-চাউল থ'লেহি। মাহ-চাউল মানে কল, মগুমাহ আৰু বুটমাহ। আমি তৃপ্তিৰে খালো। ভাবি আচৰিত লাগি গ'ল। ফ্রেংকফার্ট যেন মহানগৰৰ ব্যস্ত অঞ্চলৰ সাত মহলাত—ইউৰোপ বক্ষস্থলত—আমি পূজা উপলক্ষে আগ কৰা শৰাইৰ মাহ-চাইল খাইছোঁ।

এইবোৰ দেখি-শুনি মই ভাবিলো যে অঞ্জনৰ পৰিয়ালৰ হিন্দুৰ নিষিদ্ধ কোনো বস্তু নচলে। ইয়াত পানী কিনি খাব লাগে। এবিধ হ'ল পাহাৰৰ জুৰিৰ পৰা আনি বটলত ৰখা 'স্বাভাৱিক পানী' আৰু ইবিধ হ'ল মিনাৰেল ৱাটাৰ। স্বাভাৱিক পানীখিনি খাবলৈ ভাল। পিছে মিনাৰেল ৱাটাৰ ছোৱা পানী যেনহে লাগে। ইয়াত বিয়েৰ, ফলৰ ৰস আৰু পানীৰ দামৰ বিশেষ পাৰ্থক্য নাই। সেয়েহে ইয়াৰ বহু লোকৰ পি খোৱা বস্তু হ'ল বিয়েৰ আৰু ৱাইন। এই দুয়োটা বস্তুৰ বদগুণ আছে। নিচা দিব পৰা বিশেষ ক্ষমতা নথকা সত্ত্বেও। কাৰণ এইবোৰ মেদসৃষ্টিকাৰী পানীয়। সেয়েহে কিছুমান ৰেস্তোৰাত স্বয়ং জাৰ্মানকো স্বাভাৱিক পানী পইচা দি কিনি খোৱা দেখিছোঁ।

অঞ্জনৰ ঘৰত 'পানীয়' চলে দুটা : স্বাভাৱিক পানী আৰু ফলৰ ৰস। আমি অহা তেওঁৰ মটৰ গাড়ীখনৰ পৰা প্ৰায় এশমান টকাৰ (১২ মাৰ্ক) পানীৰ বটল নমোৱা দেখিলো।

সেয়েহে ৰূপালীৰ গৃহিণী জীৱনৰ কথা শুনি মই অঞ্জনক সুধিলো, "পাৰ্টিত কি কৰা ?"

অঞ্জনে ক'লে, "কোকাকোলা"।

(অঞ্জনক মই পোনতে 'আপুনি' বুলিয়েই কথা কৈছিলো। কিন্তু তেওঁ কোনো পথ্যে আপুনি বুলিবলৈ নিদিলে।)

অঞ্জন বৰুৱাৰ ফ্রেংকফার্টত থকাৰ ধৰণ-কৰণ দেখি মোৰ ধাৰণা হ'ল যে আমাৰ কিছুমান মানুহে বিদেশৰ পৰা আহি এনেয়ে কিছুমান ফোপজহী কথা কৈ ফুৰে। সেয়েহে বিদেশযাত্রাৰ সময়ত মোৰ ভাব হৈছিল যে মোৰ কথাতো বাদেই, কিজানি এইবোৰ বিয়েৰ, ৱাইন আদি মৰিলেও মুখত নিদিব কাৰণে মাধুৰীৰ জাৰত অৱস্থা কাহিল হ'ব। পিছে ইয়াতো সুৰাবিবাগী মানুহ আছে। আৰু এটা কথা : ঠাণ্ডাত মদে বিপৰীত ক্রিয়াহে কৰে। ই বৈজ্ঞানিক প্রমাণসিদ্ধ কথা। ১৯৮৭ আৰু ১৯৮৮ চনত ইউৰোপত পূর্বতে কেতিয়াও নোহোৱা ধৰণৰ অতিপাত শীত হৈছিল। তেতিয়া বিয়েৰৰ পৰা হুইস্কিলৈকে ইউৰোপৰ দুখনমান দেশত সুৰাজাতীয় মাদক দ্রব্য দুমাহমানলৈ নিষিদ্ধ কৰা হৈছিল। গতিকে ঠাণ্ডা হ'লেই যে মদ খাব লাগিব তাৰ কোনো কাৰণ নাই। শীতৰ লগত মদ খোৱাৰ সম্পর্ক থকাহেঁতেন অলপতে ছোভিয়েট ৰাছিয়াই মদ নিষিদ্ধ নকৰিলেহেঁতেন।

অঞ্জন বৰুৱা দম্পতিৰ বিষয়ে আৰু সুৰাৰ বিপক্ষে ইমানখিনি কথা ক'লো, ভাৰতৰ মানুহক ইয়াকে সোঁৱৰাই দিবলৈকে যে পশ্চিমৰ সকলো চকমকীয়া বস্তু মানেই সোণ নহয়। ভালেমান পাশ্চাত্যপ্রেমী লোকে পশ্চিমলৈ আহি নিজস্বতা বিসর্জন দিয়া দেখা যায় আৰু ফলত তেওঁলোকে হয়তো পশ্চিমীয়া দেশৰ নিজস্ব আত্মাক বিচাৰি নাপায়। সেয়েহে ভাৰতৰ এটা শ্রেণীৰ লোকৰ পশ্চিমৰ অক্ষম অনুসৰণ দেখি বেয়া লাগে।

অঞ্জন বৰুৱাৰ ঘৰত দুপৰীয়া অসমীয়া আহাৰেই খালো। শাকেৰে ৰন্ধা দুডোখৰকৈ মাছ, ভাত, দাইল, আৰু পছুৰ মাংসৰ ভজা। প্রায় ডেৰ মাহৰ মূৰত বিদেশলৈ আহি এগৰাকী অসমীয়া মাইকী মানুহে ৰন্ধা (পত্নীৰ বাহিৰে) অসমীয়া আহাৰ খাবলৈ

পোৱাটো কম ভাগ্যৰ কথা নহয়।

মাছ কেইডোখৰৰ সোৱাদেই সুকীয়া। আমাৰ লিঠা মাছৰ দৰে বাকলি নথকা মাছ। তাকো নদীৰ মাছ। অৰণ্যৰ দেশ অসমত আমাৰ পছুৰ মাংস খোৱাৰ ভাগ্য নহ'ল; এনে ভাগ্য হ'ল, বেংক আৰু বাণিজ্যৰ কেন্দ্ৰস্থল ফ্ৰেংকফাৰ্টতহে। দহ বছৰমানৰ আগতে শ্বিলঙত আৰু নংপোত পছুৰ মঙহ কিনিবলৈ পোৱা গৈছিল। ডিব্ৰুগড়তো পোৱা গৈছিল। এতিয়া নিৰ্বনীকৰণে প্ৰাকৃতিক ভাৰসাম্য নাইকিয়া কৰিব খোজা উত্তৰ-পূৱ ভাৰতত পছুৰ মঙহ খাবলৈ পোৱাটো অসম্ভৱ কথা হৈ পৰিছে।

ইয়াত পছুৰ-মঙহ কিয় পোৱা যায়?

কিছুমান মানুহে পোহে। ইয়াত ছাৰ, চব বস্তুৱেই কিনিবলৈ পোৱা যায়। আনকি গাঁজটেঙাও।

কিয়?

ফ্ৰেংকফাৰ্টত শতকৰা ত্ৰিছ ভাগ মানুহেই আন দেশৰ পৰা অহা মানুহ। থাইলেণ্ড, ইণ্ডোনেছিয়া, ভিয়েটনাম, ফিলিপাইনছ আদি ঠাইৰ মানুহো ইয়াত আছে। তেওঁলোকে গাঁজটেঙা খায়। পাতত দিয়া মাছো খায়।

হয়। "মেকং নৈ দেখিলো"ত তাকো পঢ়িবলৈ পাইছিলোঁ।

আৰু, ছাৰ, ইয়াত জীয়া ৰৌমাছো পোৱা যায়। আজি বিচাৰিছিলো। যোৱা দেৰি হ'ল কাৰণে নাপালোগৈ।

এইখিনি কথা জানিবলৈ পাই ভাল লাগিল। এদিন আমাৰ অভিজ্ঞতা হৈছিল এখন ভাৰতীয়ৰ দোকানত হালধি, মছলা, কেঁচা জলকীয়া আদি দেখাৰ। মাইন্‌ছতো ইটালীয় মানুহৰ দোকানত আমাৰ ভালেমান খোৱাবস্তু পোৱা যায়। আনকি ধনিয়াৰ পাত, তিতা কেৰেলা আদিও ফ্ৰেংকফাৰ্টৰ কোনো-কোনো দোকানত পোৱা যায়। এইবোৰ বস্তু বিচাৰিলে আনকি মাইন্‌ছতো পোৱা যাব বুলি অঞ্জন বৰুৱাৰ বিশ্বাস। গতিকে আমি এই সিদ্ধান্তলৈ আহিলো যে নিজে ৰন্ধা-বঢ়া কৰিব জানিলে বিদেশতো খাদ্যাভ্যাস সলনি কৰিবৰ প্ৰয়োজন নহয়।

দিনৰ তিনি বাজিল। আমি সকলো গাড়ীত উঠিলো। আমাৰ লক্ষ্যস্থান হ'ল—ফ্রেংকফার্টৰ পৰা ৪৫ কিল'মিটাৰ দূৰৈৰ আচ্ছাফেনবুর্গ (Aschaffenburg)। দহ মিনিটমানৰ পাছত অঞ্জনৰ জাপানী গাড়ী ৰাষ্ট্রীয় পথত (autobahn) উঠিল। গাড়ীয়ে বেগ ললে ঘণ্টাত ১৪০ কিল'মিটাৰকৈ।

সেই ঠাই পালোহি। তাত দেখিলো এটা সুন্দৰ ভাস্কর্যনিহিত গীর্জা আৰু এটা প্রকাণ্ড দূর্গ। দুর্গটোৰ ভাস্কর্য আগ্রাৰ ফটেহপুৰ ছিক্রিৰ আকবৰে পতা ৰাজধানীখনৰ নিচিনা। ইটাবোৰো তাত দেখা ইটাৰ দৰেই। কিন্তু এই দুর্গৰ উচ্চতা আৰু বিস্তৃতি তাতকৈ বহুত বেছি। ইয়াৰ নিচেই কাষেদি মাইন নদী বৈ গৈছে। প্রাদেশিক চৰকাৰে চৌহদটো খুব ভালকৈ ৰাখিছে। দুর্গটো আৰু ইয়াৰ চৌপাশৰ পৰিবেশ অতি মনোমোহা। সেইবাবেই হয়তো সিমসিমীয়া বৰষুণ সত্ত্বেও দর্শনার্থীৰ ভিৰ। খালী ঠাইত অসংখ্য মটৰ গাড়ী। মই ভাবিলো, বেছি শীত নথকা ঋতুত ব'দ পৰা যতৰত চাগৈ এই দুর্গ আৰু ইয়াৰ চৌকাষৰ প্রকৃতি আৰু সুন্দৰ হয়।

আমি সন্ধিয়া ফ্রেংকফার্ট পালোহি। ৰাতি আঠ বজাত সকলোৰে পৰা বিদায় লৈ আমি মাইন্‌ছ অভিমুখে ৰেলগাড়ীত উঠিলো।

কিন্তু এই দিনটোত জনা ভালেমান কথা লিখিবলৈ থাকি গ'ল।

মই অঞ্জন বৰুৱাক দেখাৰ আগতেই ফোনত কৈছিলো যে জার্মান মানুহক সুধিব নোৱৰা কিছুমান কথা তেওঁৰ পৰা জানি লম। তেওঁ যৎপৰোনাস্তি জনাব পাৰিম বুলিও কৈছিল। দিনটোৰ বিভিন্ন সময়ত তেওঁক জার্মানসকলৰ বিষয়ে কিছুমান প্রশ্ন সুধিছিলো আৰু তেওঁ মনঃপূত উত্তৰো দিছিল। মই কথাবোৰ টুকি লৈছিলো। তাকে এটা সুকীয়া অধ্যায়ত সবিস্তাৰে লিখিব পাৰিম বুলি আশা ৰাখিছোঁ।

মাইন্‌ছ, পশ্চিম জার্মেনি
১৪।১০।৮৯

আঠ

ভাৰতীয় ষ্টেট বেংকৰ চাকৰিটো তেওঁ ফ্ৰেংকফাৰ্টতহে কিয় পালে তাকে জানিবৰ বৰ ইচ্ছা গ'ল। তেওঁ এই বেংকত কাম কৰা ভাৰতৰ বিষয়াসকলৰ দৰে নহয় নেকি? তেওঁ সদায় বিদেশতে থাকিবলগীয়া হ'ব নেকি?

অঞ্জন বৰুৱা ফ্ৰেংকফাৰ্টত যোৱা চাৰে তিনি বছৰৰ পৰা সপৰিয়ালে আছে কাৰণে এনে ধৰণৰ প্ৰশ্ন মোৰ মনত উদয় হ'বই।

দিল্লী বিশ্ববিদ্যালয়ৰ ষ্টিফেনছ কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰি লাভ কৰা অঞ্জন বৰুৱাই ক'লে যে ভাৰতীয় ষ্টেট বেংকে তেওঁক চাৰি বছৰৰ বাবেহে বিদেশলৈ পঠাইছে। ইয়াৰ আগতে তেওঁ ষ্টেট বেংকৰ তিনিচুকীয়া শাখাৰ মেনেজাৰ আছিল। বিদেশত কাম কৰিবৰ বাবে তেওঁ সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলগীয়া হৈছিল। এতিয়া তেওঁৰ কামটো অতিশয় গুৰুত্বপূৰ্ণ। তেওঁ বিদেশী মুদ্ৰা বিনিময় কৰা শাখাৰ মুৰব্বী। তেওঁ নিতৌ বহু মিলিয়নৰ ডলাৰৰ ব্যৱসায় কৰিব লাগে। ব্যৱসায়টো শ্বেয়াৰ মাৰ্কেটৰ দৰেই। মাথোন ষ্টেট বেংকৰ জৰিয়তে ভাৰত চৰকাৰৰ হৈ এই ব্যৱসায়। এই কামত স্পেকুলেশ্যন কৰোঁতে কিবা দুৰ্যোগ ঘটিলেই খন্তেকতে মিলিয়ন ডলাৰ লোকচান ভৰাৰ সম্ভাৱনা।

—"সেইবাবেই, ছাৰ, মোৰ কামটোত খুব tension, কিজানি tension অতে চুলিবোৰ আধা পকা হৈছে। অৱশ্যে কামটো কৰি ভাল লাগিছে। challenging কাম। চৰকাৰ, বিশেষকৈ ষ্টেট বেংকৰ কৰ্তৃপক্ষ মোৰ কামত সন্তুষ্ট। যথেষ্ট লাভ দেখুৱাব পাৰিছোঁ।"

"পিছে, অঞ্জন, ছমাহৰ পাছত উলটি গৈ আকৌ অসমৰ কোনোবা এটা বেংকৰ শাখাত চাকৰি কৰিবা নেকি?"

"অসমীয়া ল'ৰাৰ অভিলাষ নাই বুলি ভবা বদনামটো খণ্ডন কৰিব খুজিছোঁ। মই বম্বেতহে ষ্টেট বেংকত কাম কৰিম। তেতিয়াহে বেছি ওপৰলৈ যাব পাৰিম।"

অঞ্জনৰ কৰ্তব্যনিষ্ঠা আৰু অভিলাষৰ সম্ভেদ পাই মোৰ সঁচাকৈয়ে গৰ্ববোধ হ'ল। মই মনে-মনে ভাবিলো, জাৰ্মানসকলৰ দুখ-সুখ আৰু আশা-আকাংক্ষাৰ কথা জানিবৰ বাবে এয়েঁই নিশ্চয় উপযুক্ত লোক। এইখন বিছমাৰ্কৰ জাৰ্মেনি, আইনষ্টাইনৰ জাৰ্মেনি, গ্যেটেৰ জাৰ্মেনী, আৰু কাৰ্ল মাৰ্ক্সৰো জাৰ্মেনি। এইখন জাৰ্মেনি পণ্ডিত মেক্স মুলাৰৰো ; ঔপন্যাসিক হাৰ্মন হেছৰো। এইখন জাৰ্মেনিৰ মিউনিকতে পণ্ডিত প্ৰবৰ কৃষ্ণ কান্ত সন্দিকৈৰ বৌদ্ধিক চৰ্চা গঢ় লৈ উঠিছিল। এইখন জাৰ্মেনিৰে অন্তৰাত্মাক বিচাৰি উলিয়াবলৈ মোৰ ইচ্ছা অদম্য হৈ উঠিছে।

মই অঞ্জনক নানা প্ৰশ্ন সুধি গ'লো। তেওঁ প্ৰতিটো প্ৰশ্নৰে উত্তৰ বিচাৰি পালে। জাৰ্মেনিক তেওঁ যেনেভাৱে দেখিছে, তেনেভাৱেই এটি প্ৰতিচ্ছবি দাঙি ধৰিবলৈ চেষ্টা কৰিলে।

জাৰ্মানসকলৰ দুটা গুণে তেওঁক আপ্লুত কৰিছে। সেয়া হ'ল—গভীৰ দেশপ্ৰেম আৰু জ্ঞান আহৰণৰ প্ৰতি প্ৰবল আগ্ৰহ। ইয়াত মাধ্যমিক শিক্ষা শেষ কৰাৰ পাছত চিধা কলেজলৈ যাবলৈ বা চাকৰি কৰিবলৈ দিয়া নহয়। এজন ছাত্ৰই দুবছৰৰ কাৰণে সামৰিক প্ৰশিক্ষণ লৈ এজন সৈন্যৰ দৰে যোগ্যতা অৰ্জন কৰিব লাগে। কোনোবাই অনিচ্ছা প্ৰকাশ কৰিলে বা তেওঁৰ দেহটো এই প্ৰশিক্ষণৰ বাবে অনুপযুক্ত বুলি বিবেচিত হ'লে তেওঁ ১৮ মাহ সামাজিক কাম কৰাৰ প্ৰশিক্ষণ ল'ব লাগে আৰু সামাজিক কামো কৰিব লাগে। জাৰ্মান যুৱকসকল নিজ দেশৰ প্ৰতিৰক্ষাৰ প্ৰতি ইমান সচেতন যে শতকৰা আশী ভাগ যুৱকেই সৈনিকৰ প্ৰশিক্ষণহে লয়। ফলত হঠাৎ কোনোবাই পশ্চিম জাৰ্মেনি আক্ৰমণ কৰিলে চৰকাৰে পঁচিছ নিযুত অৰ্থাৎ আঢ়ৈ কোটি যোদ্ধাক যুদ্ধ ক্ষেত্ৰলৈ পঠিয়াব পাৰে। ইয়ো তেওঁলোকৰ দেশপ্ৰেমৰে এটা চানেকী। আগৰ জাৰ্মান দুভাগ হ'ল। তাৰ বেদনা এতিয়াও সকলো জাৰ্মানৰে আছে। ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি আৰু প্ৰবল জাতীয়তাবোধ থকা বাবেই পূৰ্ব জাৰ্মেনি

কমিউনিষ্ট ৰাজ্য হ'ল বুলি এওঁলোকে তাৰ মানুহক আপোন বুলি ভাবিবলৈ পাহৰা নাই। তেওঁলোকে পূব জাৰ্মেনিৰ কমিউনিষ্ট নেতৃত্বকহে দোষ দিয়ে কিন্তু তাৰ ৰাইজক ভাল পায়। এতিয়াও দুয়োখন জাৰ্মেনিৰ স্বপ্ন এক গোট হৈ বৃহত্তৰ জাৰ্মেনিৰ যোগেদি জাৰ্মান জাতি অধিক শক্তিশালী হোৱাৰ।

যোৱা ছেপ্টেম্বৰৰ পৰা এই কথাখিনি লিখা দিনটোলৈকে (১৬.১০.৮৯) পূব জাৰ্মেনিৰ পৰা অষ্ট্ৰিয়া, পোলেণ্ড আৰু হাংগেৰিয়েদি প্ৰায় পঞ্চাছ হাজাৰ পূব জাৰ্মেনিৰ মানুহ পশ্চিম জাৰ্মেনিলৈ আহিছে। তদুপৰি দৈনিক আৰু আহি থাকিব। সেই বাবে পশ্চিম জাৰ্মেনিৰ চৰকাৰ আৰু ৰাইজে বৰঞ্চ ভালহে পাইছে। সকলোৱে নিৰ্বিবাদে শৰণাৰ্থীসকলক স্বাগতহে জনাইছে। এই প্ৰব্ৰজনে পশ্চিম জাৰ্মেনিত সমস্যাৰ সৃষ্টি নকৰিব বুলি ক'ব নোৱাৰি। কাৰণ ইয়াত সম্প্ৰতি চাকৰি নোপোৱা লোকৰ সংখ্যা প্ৰায় দুই নিযুত। তথাপি নিজৰ জাতি-ভাইক পশ্চিম জাৰ্মেনিয়ে আদৰিছে একমাত্ৰ প্ৰবল জাতীয় প্ৰেম থকা বাবেই।

কথাটো ময়ো লক্ষ্য কৰিছোঁ। মোৰ লগত অঞ্জনৰ উক্ত মত মিলি গৈছে।

প্ৰশ্ন : ইয়াৰ মানুহ কিমান কৰ্মঠ ? মই দেখিছোঁ, ইয়াত কাম কৰিবলৈ বৰ সুবিধা। জলবায়ু ইমান মনোৰম যে কাম কৰিলে অকণো ভাগৰ নালাগে। মই 'জেট লেগ'ৰ কাৰণে দুদিন শুব পৰা নাছিলো। কিন্তু মোৰ অকণো ভাগৰ লগা নাছিল। এওঁলোকে কিমান কাম কৰে বুলি তুমি ভাবা ?

অঞ্জন : যুদ্ধৰ পাছৰে পৰা দেশক সম্প্ৰতিৰ ৰূপ দিবলৈ এওঁলোকে খুব খাটিলে। ১৯৭৫ চনলৈকে উন্নতি কৰাৰ সকলো আঁচনিয়ে ইয়াত পূৰ্ণতা পালে। তেতিয়াৰে পৰা পশ্চিম জাৰ্মেনি চমকপ্ৰদভাৱে ধনী হ'বলৈ ধৰিলে। ইয়াৰ জনমূৰি আয় এতিয়া পৃথিৱীৰ ভিতৰতে সৰ্বাধিক। কিন্তু ধনী হোৱাৰ পাছৰে পৰা সাধাৰণ জাৰ্মান এজন

আৰামপ্ৰিয় আৰু কৰ্তব্যৰ প্ৰতি কম নিষ্ঠাবান হ'ল যেন লাগে। মোৰ অফিছত কাম কৰা জাৰ্মান লোকখিনি দেখিয়েই এনে সিদ্ধান্তলৈ সহজে আহিব পাৰিছোঁ। আপুনি যিটো অৰ্থত এজন জাপানীক কৰ্মগতপ্ৰাণ (workaholic) বুলি ভাবে সেই অৰ্থত এজন জাৰ্মানক তেনে বুলি ভাবিব নোৱাৰি। এওঁলোকে শনি আৰু দেওবাৰে বেচ ফুৰ্তিত কটায়। এই দুটা দিনত খুব খৰচো কৰে। শুকৰবাৰৰ দিনাও ছিৰিয়াছ কাম কৰিবলে ইচ্ছা নকৰে। এওঁলোকৰ অফিছত কাম পেলাই গৈ আড্ডা মৰা দশৰটোও এতিয়া হৈছে। মুঠতে ইয়াত অৰ্থনৈতিক শ্ৰীবৃদ্ধিৰ পাছত মানুহে বেচ আৰামত দিন কটাইছে। জীৱনটোক সহজে লৈছে।

: মই থকা ঠাই মাইনছৰ মানুহৰ বিষয়ে পৰ্যটন বিভাগৰ প্ৰচাৰ পত্ৰিকাত লিখিছে যে তাৰ মানুহবোৰ আৰামপ্ৰিয় আৰু মাইনছৰ জীৱন নিশ্চিন্ত আৰু অজটিল। কথাটো গোটেই পশ্চিম জাৰ্মেনিতে খাটে নেকি ?

ঃ আৰাম কৰিবলৈ কোনেনো ইচ্ছা নকৰে? পিছে দুদিনৰ শনিবাৰ আৰু দেওবাৰৰ—আৰামেও বাকী কেই দিনত ভালকৈ কাম কৰিবলৈ হেঁপাহ জন্মাব নোৱৰা মানুহৰ সংখ্যা কিজানি বাঢ়িছেহে। অৱশ্যে বিশ্ববিদ্যালয়ত আৰু শিল্প প্ৰতিষ্ঠানসমূহত মানুহে কেনে ধৰণে কাম কৰে নাজানো। নিশ্চয় তেওঁলোক জাপানীৰ নিচিনা নহয়। ইয়াৰ ফলত অৱশ্যে পশ্চিম জাৰ্মেনিৰ অগ্ৰগতিত বাধা নজন্মে। ইয়াৰ infrastructure ইমান ভাল যে দেশ আগুৱাই গৈ থাকিব। তদুপৰি ইয়াত সাধকলোকৰ অভাৱ নাই। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰচুৰ বিকাশ হৈছে। ভৱিষ্যতে দেশে আৰু অগ্ৰগতি লাভ কৰিব।

ইয়াৰ মানুহৰ বৌদ্ধিক চিন্তা-চৰ্চা আন দেশৰ মানুহতকৈ বেছি বুলি মোৰো ধাৰণা হৈছে। ইয়াত অলপ ঠাইৰ ভিতৰতে ভালেমান ডাঙৰ-ডাঙৰ কিতাপৰ দোকান দেখা পাই আছোঁ। ৰছানক্ৰক নামৰ

ডেৰ লাখ বা দুই লাখ জনসংখ্যাৰ চহৰখনতে ওচৰা-ওচৰিকৈ এনে তিনিখন কিতাপৰ দোকান দেখিলো যে প্ৰতিখন দোকানেই একোটা ডাঙৰ পুথিভঁৰালৰ সমান। প্ৰত্যোকতে ক্ৰেতাৰ ভিৰ। মাইনুছৰ প্ৰতিটো আলিতে থকা ডাঙৰ-ডাঙৰ কিতাপৰ দোকানবোৰত যথেষ্ট কিতাপ কিনোতা মানুহ সদায় দেখি আচৰিত হৈছোঁ। তদুপৰি প্ৰতি চহৰত ভালেমান পুথিভঁৰাল আছে বুলিও শুনিছোঁ।

মোৰ এতিয়ালৈ চাৰি ঘৰমান জাৰ্মানৰ ঘৰত আলহী হোৱাৰ সৌভাগ্য ঘটিছে। আচৰিত কথা যে প্ৰত্যেক ঘৰতে বহা কোঠাত আৰু পঢ়া কোঠাত দ'ম দ'ম কিতাপ দেখিছোঁ। সেইবাবেই অনুমান কৰিব পাৰিছোঁ যে ইয়াৰ মানুহৰ quality of life প্ৰচুৰৰূপে উন্নত আৰু ইয়াৰ যিকোনো মানুহে আমি অনুমান কৰিব নোৱৰা বিধৰ বহুত ধৰণৰ কথা জানিব পাৰে।

অলপতে বাটত এজন সাধাৰণ যুৱকে মোক হাতযোৰ কৰি প্ৰণাম জনাই সুধিলে, "Indian ?" মই ভাৰতীয় বুলি কৈ সুধিলো, "এনেকৈ প্ৰণাম কৰিব লাগে বুলি কেনেকৈ জানিলে ?" তেওঁ ইংৰাজীতে উত্তৰ দিলে, "কিতাপ পঢ়ি।"

যুৱকজনে বোধকৰোঁ কোনোবা দোকানত কাম কৰে। তেওঁ পিন্ধা বগা কোটটোৰেই তাৰ চিন। তেওঁ ইংৰাজী জনাটোও আচৰিত কথা নহয়। ইয়াত মাধ্যমিক বিদ্যালয়ত সকলোৱে ইংৰাজী পঢ়িব লাগে।

মোৰ অভিজ্ঞতাৰ কথা শুনি অগ্ৰজনে ক'লে "এবাৰ ৰেলগাড়ীত এজন মানুহ লগ পাইছিলো। তেওঁ মোক ভাৰতীয় বুলি জানি বেদ আৰু উপনিষদৰ কথা আৰু যোগ-ব্যায়ামৰ কথা পাতিছিল। মানুহজন আছিল কাৰখানাৰ কৰ্মীহে। এবাৰ মই হস্পিটেলত আছিলো। তাত কাম কৰা সাধাৰণ কৰ্মী এজনে কাপোৰ সলাওঁতে মোৰ লগুণডাল দেখি মই বামুন নেকি বুলি সুধিছিল।"

জাৰ্মানসকলৰ হেনো দুটা দস্তুৰ সহজে জানিব পাৰি। মানুহবোৰ হেনো খুব খৰচী। ধন জমা কৰাৰ কথা বহুতেই নাভাবে। তেওঁলোকৰ বহুতেই অভাব ড্ৰাফটত (অৰ্থাৎ এক প্ৰকাৰ ধাৰত) চলাটো অঙ্গনে গম পায়। সকলো প্ৰচাৰ মাধ্যমে ধূমপানৰ পৰা কেন্সাৰ হয় বুলি ছিগাৰেটৰ বিৰুদ্ধে বিশ্বৰ সকলোতে জেহাদ ঘোষণা কৰিছে আৰু কোনো-কোনো দেশত ধূমপান কৰা লোকৰ সংখ্যা কমিছে যদিও পশ্চিম জাৰ্মেনিত তেনে লোকৰ সংখ্যা বাঢ়িছেহে বুলি তেওঁৰ পৰাহে জানিব পাৰিলোঁ। ইয়াত হেনো মতা মানুহতকৈ মাইকী মানুহেহে বেছি ছিগাৰেট খায়।

বাটে-পথে ইয়াৰ প্ৰমাণ পোৱা যায়: ডেকা-গাভৰুৰ বেছি ভাগৰ ওঁঠত ছিগাৰেট। চাবি মাৰ্ক ভৰাই দিলেই নিজৰ ভাল লগা ছিগাৰেটৰ পেকেটটো ওলাই অহা ব্যৱস্থা থকা মেছিন ইয়াত য'তে-ত'তে দেখা যায়।

ইয়াত কোন ক্ষেত্ৰত মানুহৰ বেছি দোষ দেখিছা?

পাৰিবাৰিক জীৱনত। ইয়াত বিবাহ-বিচ্ছেদৰ নিৰিখ ভয়াবহভাৱে বাঢ়িছে। দোষ দুয়ো পক্ষৰে। যাঠি বছৰৰ পাছতো বিবাহ-বিচ্ছেদ হোৱা দেখিছোঁ। আন এটা দোষ হ'ল, ডেকা-গাভৰুৱে ইজনে সিজনক ভাল পাই বিয়া কৰোৱাৰ সলনি একে লগে সন্তানহীনভাৱে থাকিবলৈহে ভাল পায়। ই এটা এতিয়া নিয়মেই হৈ পৰিছে। ই সমাজত সংকটৰ সৃষ্টিও কৰিছে। সিকালে বিয়া কৰোৱা ডেকা-গাভৰুৱেও সন্তান হোৱাটো বাঞ্ছা নকৰে। ইয়াৰ ফলত পশ্চিম জাৰ্মেনিত লোক সংখ্যা কমিছে। গতিকে দেশত ল'ৰা-ছোৱালীতকৈ আন পয়গৰ মানুহৰ বিশেষকৈ আলহীয়া মানুহৰ আৰু বুঢ়া-বুঢ়ীৰ সংখ্যা বেছি যেছে। ল'ৰা ছোৱালী ব'লে চৰকাৰে স্বামী-স্ত্ৰীক কিছুমান বিশেষ সুবিধা দিয়ে, কিন্তু যুবক-যুৱতী সকলে সেই সুবিধাও গ্ৰহণ কৰিবলৈ নিবিচাৰে।

: বিবাহ-বিচ্ছেদ কৰাটো খুব সহজনে কি?

: তেনেই সহজ নহয়। বিবাহ-বিচ্ছেদ যাতে সহজে হ'ব নোৱাৰে তাৰ বাবে চৰকাৰে কটকটীয়া নিয়মেই বান্ধি দিছে। তথাপি বিবাহ-বিচ্ছেদৰ নিৰিখ বাঢ়িছে। ই বোধকৰোঁ পশ্চিমীয়া সভ্যতাৰ এক অভিশাপ। কটকটীয়া নিয়মৰ কথা শুনক। স্বামী-স্ত্ৰীৰ যিজনে উপাৰ্জন কৰে, বিবাহ-বিচ্ছেদ ঘটিলে তেওঁহে ক্ষতিপূৰণ দিব লাগে। স্বামীয়েও দিবলগীয়া হ'ব পাৰে, স্ত্ৰীয়েও দিবলগীয়া হ'ব পাৰে। কাৰণ এইখন দেশত স্ত্ৰীৰ উপাৰ্জনত চলা স্বামীও আছে। বিবাহ-বিচ্ছেদ হোৱাৰ লগে-লগে উপাৰ্জন কৰা গৰাকীৰ আয় কৰ বাঢ়ি যায় আৰু লগতে আয়ৰ শতকৰা পঞ্চাছ ভাগ ইজনকো দিব লাগে। ধৰক স্বামীৰ উপাৰ্জন আছে, স্ত্ৰীৰ নাই। তেতিয়া বিবাহ-বিচ্ছেদৰ পাছত স্ত্ৰীয়ে স্বামীৰ উপাৰ্জনৰ শতকৰা পঞ্চাছ ভাগ পাব আৰু স্বামীৰ আয়কৰো বাঢ়িব।

: ইয়াত উপাৰ্জন কৰা সহজ নেকি ?

: ক'ব নোৱাৰি। কিন্তু আমাৰ দেশৰ দৰে সিমান টান নহয়। তদুপৰি দৰমহাও বেছি। ইয়াৰ আয়কৰৰ নিয়মবোৰ এনেকুৱা যে বেছি দৰমহা পোৱা মানুহে ইমান আয়কৰ দিব লাগে যে তেওঁৰ ঘৰলৈ নিয়া ধনৰ অংকটোৰ লগত সাধাৰণ চাকৰি কৰা মানুহটোৰ মাহেকীয়া আয়ৰ বেছি পাৰ্থক্য নাথাকে। সেইবাবে সকলোৱেই সমানে সচ্ছল বুলি ক'ব পাৰি। পশ্চিম জাৰ্মেনিত পুঁজিবাদ চলিছে। কিন্তু আচৰিত কথা যে ইয়াতহে সমতাৰ ফালৰ পৰা সমাজতন্ত্ৰ চলিছে যেন লাগে। আন হাতে কমানিয়া আদি সমাজতান্ত্ৰিক দেশ যথেষ্ট দুখীয়া।

: ইয়াত আয়কৰ কি নিৰিখত কাটে ?

: দৰমহাৰ শতকৰা ১৫ ভাগৰ পৰা ২০ ভাগলৈকে। উপাৰ্জন ৫০,০০০ মাৰ্কৰ অধিক হ'লে আয়ৰ শতকৰা ৫০ ভাগ আয়কৰ মাহেকীয়া হিচাপে দিব লাগে।

: এজন মানুহৰ বাবে আৰু কি-কি কৰ থাকিব পাৰে ?

: আপাততঃ সকলোৱে যথেষ্ট দৰমহা পায় যদিও এজন জাৰ্মানে যথেষ্ট কৰ দিবলগীয়া হয়। চিকিৎসাৰ বাবে বীমা আছে। তাত মটৰ গাড়ীৰ বীমাৰ বাবে মাহে ৯০০ মাৰ্কৰ পৰা ১০০০ মাৰ্কলৈকে দিব লাগে। তদুপৰি সামাজিক নিৰাপত্তাৰ নামতো কৰ দিব লাগে। এই কৰৰ ধনেৰে বুঢ়া-বুঢ়ীক বাৰ্ধক্যৰ বানচ দিয়া হয়। ইয়াত বৃদ্ধ মাতা-পিতাৰ লগত সন্তানৰ সম্পৰ্ক অত্যন্ত ক্ষীণ। ই এক অসহনীয় কথা। কিন্তু সামাজিক নিৰপত্তাৰ কৰেৰে দেশৰ সক্ষম নাগৰিকসকলে বাৰ্ধক্যপীড়িতসকলক পুহিছে বুলিও ক'ব পাৰি। ইয়াকে কৈ কোনো জাৰ্মান যুৱকে কিজানি মাক-বাপেকৰ চোৱা-চিতা নকৰা গৰ্হিত কামটো আচলতে গৰ্হিত নহয় বুলি যুক্তি দিব পাৰে।

: ইয়াত যোগ-ব্যায়াম আদিৰ প্ৰচলন কেনে?

: যোগ-ব্যায়ামৰ প্ৰতি ইয়াৰ মানুহৰ খুব শ্ৰদ্ধা। ইয়াত যোগাসন আদি শিকোৱা ভালেমান কেন্দ্ৰ আছে। ভাৰতৰ ভাল বৈশিষ্টবোৰ এওঁলোকে খুব শ্ৰদ্ধাৰ চকুৰে চায়। আজিকালি নিৰামিষ খাদ্যৰ প্ৰতিও মানুহৰ আগ্ৰহ বাঢ়িছে। ইয়াত এনে কিছুমান দোকান আছে য'ত ৰাসায়নিক সাৰ নিদিয়াকৈ, ৰাসায়নিক দৰব নছটিওৱাকৈ উৎপন্ন কৰা খাদ্যহে বিক্ৰি হয়।

আমাৰ কথাবোৰ মাধুৰী আৰু ৰূপালীয়ে শুনা নাছিল। তেওঁলোকে আন এটা কোঠাত কথা পাতি আছিল। পাছতহে মাধুৰীৰ মুখে ৰূপালীৰ আৰু এটা খবৰ পালো।

মাধুৰীয়ে কৈছিল, "তুমি থাপনা পাতি পূজা-সেৱা কৰা সপ্তাহত এদিন উপবাসে থাকা। খুব ভাল কথা। কিন্তু মাছ, মঙহ, কণী, এইবোৰ একো নেখোৱাটো জানো ভাল হৈছে?"

ৰূপালীয়ে কৈছিল, "খুব ভাল হৈছে। নিৰামিষী হ'বলৈ ইয়াতেই বেছি সুবিধা। ইয়াত হবেক ৰকমৰ মাখন-ক্ৰিম-দৈ আদি পোৱা যায়। এইবোৰ ইয়াত উভৈনদী। দামো সস্তা। গাখীৰৰ লিটাৰত ১ মাৰ্ক, এক লিটাৰ ফলৰ ৰসত ৭৯ ফেনিংছ। পানীৰ সমান দাম।

আচলতে মইহে বেছি ভাল আহাৰ খাইছোঁ। তদুপৰি বহু লোক এতিয়া আমাৰ হিন্দুৰ খোৱাৰ নিয়মলৈ ঘূৰি আহিছে; বহু মানুহ নিৰামিষ আহাৰৰ সপক্ষে। বাইদেউ, ইয়াত থাকোঁতেই এই কেইটা দি এইবোৰ বস্তু খাই লওক; তাত আৰু ক'ত পাব?

মাইনছ, পশ্চিম জাৰ্মেনি, ১৬।১০।৮৯

ন

জাৰ্মানসকল অতিশয় অতিথিপৰায়ণ লোক। জাৰ্মেনিত থকা ভেৰ মাহৰ ভিতৰত তাৰে সুন্দৰ প্ৰমাণ পালো। পোনতে পশ্চিম জাৰ্মেনিৰ উত্তৰ সীমান্তৰ নিকটবৰ্তী ওছ্‌নাব্ৰুক নামৰ ধুনীয়া চহৰ-খনত-আৰু তাৰ পাছত দুখন পাহাৰত অৱস্থিত গাঁৱত।

ওছনাব্ৰুকত ১১ অক্টোবৰ (১৯৮৯) তাৰিখে আবেলি পাঁচ বজাত মাইনৃছৰ গুটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ জলবায়ুবিজ্ঞানৰ গৱেষক ড. হান্স-জোৱাচিম ফুক্স আৰু মোৰ কাম আছিল। তাতে ৯ অক্টোবৰৰ পৰা জাৰ্মান ইক'ল'জিকেল ছছাইটিৰ (GFO) বছৰেকীয়া অধিবেশন চলি আছিল। ড. ফুক্স সেই সমিতিৰ সভ্যও।

ওছনাব্ৰুকৰ পৰা নেদৰলেণ্ড পাবলৈ মাথোন দহ কিল'মিটাৰ-মানহে থাকে। ইয়াৰ জলবায়ু হেনো নেদাৰলেণ্ডৰ নিচিনাই। সীমান্তবৰ্তী চহৰ যদিও ধুনীয়া-ধুনীয়া অট্টালিকা, পথ-উপপথ, দোকান-পোহাৰ আদিয়ে পশ্চিম জাৰ্মেনিৰ আঞ্চলিক বৈষম্যহীন সমৃদ্ধিৰে চিনাকি দিছে।

আমি থকা মাইনৃছৰ পৰা ইয়াৰ দূৰত্ব প্ৰায় পাঁচ শ কিল'মিটাৰ। আমি আহিছোঁ ঘণ্টাত ১৪০ কিল'মিটাৰ বেগেৰে চলোৱা ভক্সৱেগন গাড়ীত। চালক ড. ফুক্স। এওঁ ছফুটতকৈ বেছি ওখ এজন ধুনীয়া আৰু স্বাস্থ্যবান ডেকা গৱেষক। তেওঁ গাড়ী চলাবই লাগিব। কাৰণ ইউৰোপত 'ড্ৰাইভাৰ' বুলি সুকীয়া এবিধ চাকৰিজীৱী নাই। গুটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ চৌহদত অসংখ্য মটৰ গাড়ী। ছাত্ৰ-ছাত্ৰীও

নিজৰ গাড়ীতে বিশ্ববিত্তালয়লৈ আহে। কিন্তু সকলোবোৰ গাড়ী চলায় গাড়ীৰ গৰাকীয়েহে। কেৱল ইয়াৰ সভাপতিজনৰ (অৰ্থাৎ উপাচাৰ্যৰ) গাড়ীখনহে তেওঁ নিজে চলাব নালাগে।

আমি ক'ল'ন আৰু বন পাৰ হৈ গৈছোঁ। ক'ল'ন আৰু বনৰ মাজৰ অঞ্চলটো শিল্পপ্ৰধান। ইয়াত কয়লা পোৱা যায় বাবে কিছুমান শিল্প গঢ়ি উঠাত বৰ সুবিধা হৈছে। কিন্তু বহু শিল্প-প্ৰতিষ্ঠানে অৰ্থাৎ কলকাৰখানাই অঞ্চলটোৰ পৰিবেশ বাসৰ অযোগ্য কৰি তোলা নাই বুলি ড. ফুক্সে ক'লে। তথাপি অঞ্চলটোত কলকাৰখানাৰ ঘনত্ব আগতকৈ অলপ বেছি হোৱা বুলি জানিব পাৰিলো। ক'ল'নত অসমৰ ড. নিবোদ কুমাৰ বৰুৱা থাকে। কিন্তু তেওঁৰ ঘৰটো উলিয়াব নোৱাৰিম বুলি ভাবিয়েই তেওঁক দেখা কৰাৰ ইচ্ছাটো বাদ দিব লগীয়া হ'ল। তদুপৰি আমাৰ হাতত সময় নিচেই কম।

আমি যথা সময়ত ওছনাব্ৰুক পালোগৈ। ওছনাব্ৰুক বিশ্ব-বিদ্যালয়তে আমাৰ অধিবেশনখন বহিছে। ইয়াৰ পৰিবেশ সুন্দৰ। মূল অট্টালিকাটো এটা প্ৰকাণ্ড দুৰ্গৰ ভিতৰত। পঞ্চদশ শতিকাৰ দুৰ্গ। তেতিয়াই সজা দুৰ্গটোৱেই যথেষ্ট ওখ আৰু দুই মহলীয়া। শুনিছোঁ যে হেনোভাৰ বিশ্ববিদ্যালয়ো এনেকুৱা দুৰ্গতে স্থাপিত হৈছে। এয়া জাৰ্মানসকলৰ অতীতৰ স্থাপত্য কলাৰ প্ৰতি থকা শ্ৰদ্ধাৰ চিন। কিন্তু বিশ্ববিদ্যালয়ৰ নিজৰ এটা আধুনিক অট্টালিকা আছে যাক কেৱল সভাসমিতিৰ কাৰণেই নিৰ্মাণ কৰা হৈছে। কেইবামহলীয়া বিশাল অট্টালিকাটোত বহু সা-সুবিধা আছে। দুটা প্ৰেক্ষাগৃহৰ বাহিৰেও বহুত সৰু-সৰু কোঠা আছে। প্ৰদৰ্শনীৰ কাৰণে বিশেষ ব্যৱস্থা আছে আৰু পানশালাও আছে—য'ত ৱাইন, বিয়েৰ, কফি, ক'ক আদি আৰামত বহি খাব পাৰি।

আমি অধিবেশনৰ নাম পঞ্জীকৰণৰ ঠাই পালোগৈ। তাতে এটা অমংগলীয়া খবৰ পালো। আমাৰ গৱেষণা-পত্ৰ নিবেদন কৰাৰ

সময় আছিল বিয়লি পাঁচ বজাত আৰু ছয় বজাত উভতি গৈ ৪৬৫ কিল'মিটাৰ দূৰৈৰ ওল্ড্ ডেণ্টেল নামৰ পাহাৰৰ ওপৰৰ গাঁওখনত ড. ফুক্সৰ ঘৰত থকাৰ কথা আছিল। কিন্তু পঞ্জীকৰণৰ দায়িত্বত থকা বেছ ওখ-পাখ সুন্দৰী ছোৱালীজনীয়ে জনালে যে আমাৰ সেই কাৰ্যক্ৰম পিছ দিনা দুপৰীয়া বাৰ বজালৈ পিছুৱাই দিয়া হৈছে। কিন্তু আমি চহৰখনত ৰাতি থকাৰো উপায় নাই। আমাৰ হাতত ধনো নাই, আন কামি-কাপোৰো নাই।

ছোৱালীজনীয়ে ডক্টৰেট ডিগ্ৰিৰ বাবে গৱেষণা কৰে। তাইৰ গৱেষণা-পৰিচালক অধ্যাপকজনেই এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। তাই বোধকৰোঁ কিবা যোগাযোগ কৰিলে। তাই ক'লে, "মোৰ মা-দেউতাৰ ঘৰতে ৰাতিটো থাকিব পাৰিব। বৰ ভাল পাব। মোৰ মাই ভাল ইংৰাজী ক'ব পাৰে। বুফেৰ পাছত মোৰ ভাইটোৱে আপোনালোকক লৈ যাবহি।"

মই এই ইক'লজিকেল সমিতিৰ সভ্য নহওঁ। মই আন দেশৰ মানুহ। গতিকে মোক আৰু মাধুৰীক সমিতিয়ে বিদেশী আলহী বুলি ধৰি সন্ধিয়াৰ বুফে নৈশভোজলৈ নিমন্ত্ৰণ জনালে। ড. ফুক্স নিমন্ত্ৰিত হ'ল সমিতিৰ সক্ৰিয় সদস্য হিচাপে।

আমি আঠ বজালৈকে চহৰখনত ঘূৰিলোঁ। কেইবাটাও গীৰ্জা চালোঁ। চাৰে আঠ বজাত নৈশ ভোজনৰ আয়োজন দেখি আমি অবাক। সঁচাকৈয়ে বিৰাট আয়োজন। মাছেই চাৰি বিধমান, গাহৰি মঙহো তিনি বিধ, কেইবা প্ৰকাৰৰো পাউৰুটি, দহ বিধমান মাখন আৰু চিজ, পোন্ধৰ বিধমান ছালাড আৰু অসংখ্য কোকাকোলা আৰু বিয়েৰৰ ৰটল।

ভিন-ভিন প্ৰকাৰৰ বন্ধা বস্তুবোৰ কিন্তু পেটৰ কাৰণে তেনেই অপকাৰী নহয়। কাৰণ প্ৰায়বোৰেই সিজোৱা বস্তু। ইয়াৰ মানুহে ব্যৱহাৰ কৰা তেলৰ পৰিমাণ সামান্য বা কিছুমান আহাৰত তেল হয়তো নায়েই। এবিধ মাছ খাই মোৰ পাতত দিয়া মাছ খোৱা

যেন লাগিল। উল্লেখযোগ্য যে পশ্চিম জাৰ্মেনিৰ এনে ৰাজহুৱা ভোজত গোমাংস নাথাকে, গাহৰিৰ মাংসহে থাকে। ইয়াত গৰুতকৈ গাহৰিৰ মাংস প্ৰিয় আৰু সুলভ।

নৈশ ভোজনৰ পাছত ছোৱালীজনী আমাৰ ওচৰলৈ আহিল আৰু তাই ভায়েকটোৰ লগত চিনাকি কৰি দিলে। ল'ৰাটোৰ এৰৈকেশ বছৰমান বয়স হৈছে। বৰ নম্ৰ ল'ৰা। ইংৰাজী কোৱাত পাকৈত। ইংৰাজীৰ উচ্চাৰণ হুবহু আমেৰিকানৰ দৰে। মোৰ বৰ কৌতূহল হ'ল। তাক সোধাত জানিব পাৰিলো যে সি নিউয়ৰ্ক বিশ্ববিদ্যালয়ৰ কোনো এখন মহাবিদ্যালয়ৰ ছাত্ৰ। তাৰ প্ৰধান বিষয় (major) হ'ল আণৱিক জীৱবিদ্যা (Molecular Biology)।

তাৰ মাৰ্চেডিজ বেন্‌জ গাড়ীখনৰ পিছে-পিছে ড. ফুক্সে আমাক লৈ তেওঁৰ গাড়ী চলালে।

মানুহঘৰ আঢ্যৱন্ত। মাক-বাপেক আমাৰ আগমনৰ বাবে বৈ আছিল। তেওঁলোকৰ উপাধি হ'ল ভাৰ্নকেন্। চিনা-পৰিচয়ৰ পৰ্ব শেষ হোৱাৰ পাছত দেখিলো—টেবুলত চাৰিটা বেলেগ ধৰণৰ গিলাছ। কাচৰ বানবাটিৰ দৰে। হেৰ্ ভাৰ্নকেনৰ হাতত এটা বুজন ৱাইনৰ বটল।

আমি অলপ অপ্ৰস্তুত হোৱা যেন দেখি ড. ফুক্সে ক'লে, "জাৰ্মানসকলৰ ঘৰলৈ সন্ধিয়াৰ পাছত আলহী আহিলে তেওঁলোকে ৱাইন খাবলৈ দিয়ে। তেওঁলোকে আলহাৰ লগত ৱাইন খায়। এইটো ধৰা-বন্ধা নিয়ম। প্ৰফেচাৰ বৰা, এই অনুৰোধ ৰক্ষা কৰা উচিত।"

ধৰা-বন্ধা নিয়ম হ'লেও মাধুৰীয়ে বিদেশতো এইবোৰ বস্তুত মুখ নিদিব বুলি ড. ফুক্সে জানে। গতিকে তেওঁৰ সমুখৰ পৰা আগৰ গিলাছটো গৃহিণী ফ্ৰাউ ভাৰ্নকেনে লৈ গ'ল আৰু অন্য ধৰণৰ গিলাছ এটাত ফলৰ ৰস বাকি দিলে। তেওঁলোকে নিশ্চয় আনৰ খাদ্যা-ভাসক আদৰ কৰে। তেওঁলোকক অসন্তুষ্ট হোৱা দেখা নগ'ল।

পানীয় গ্ৰহণৰ পাছত তেওঁলোকে আমাৰ প্ৰত্যেককে একো-একোটা সুকীয়া কোঠাত শুবলৈ দিলে। মিষ্টাৰ ভাৰ্নকেন পাছ দিনা পুৱা সাত বজাত কামলৈ ওলাই যাব। আমি তেতিয়া শুই থাকিম। আমাৰ প্ৰাতঃভোজনৰ সময় পুৱা চাৰে আঠ বজাত। গতিকে মিষ্টাৰ ভাৰ্নকেনে আমাৰ পৰা শেষ বিদায় লৈ শুবলৈ গ'ল।

শোৱা ঘৰটো আৰু কাষৰ স্নান-শৌচাগাৰৰ (toilet) পৰিচ্ছন্নতা দেখি আমি তবধ মানিলো। স্নান-শৌচাগাৰত কাৰ্পেট, আনকি কমোডৰ ঢাকনিখনতো সুন্দৰ টাৱেলৰ আৱৰণ। তাত আকৌ বিভিন্ন ধৰণৰ সৰঞ্জাম। এঠাইত কিতাপ, আলোচনী আদি। শোৱনি-কোঠাৰ প্ৰতিপদ বস্তুৱেই অতিশয় চাফা। এনে পৰিচ্ছন্নতাই সূচায় যে আমি ইয়াত খুব পৰিষ্কাৰকৈ থাকিব লাগিব। কিন্তু এনেভাৱে থকাটো মোৰ কাৰণে অস্বস্তিকৰহে আছিল।

জাৰ্মানসকলৰ অধ্যয়ন এটা এৰাব নোৱৰা অভ্যাস। এয়ে তেওঁলোকৰ উচ্চতৰ জীৱন-গুণৰ চিনাকি দিয়ে। মই বেছি ভাগ জাৰ্মান মানুহৰ ঘৰত লক্ষ্য কৰিছোঁ যে তেওঁলোকৰ ঘৰৰ প্ৰতিটো কোঠাতে জাপ-জাপ কিতাপ। আমি শোৱা কোঠাটোৰ বেৰৰ খলপাত বহুত কিতাপ দেখিলো। ইংৰাজী কিতাপো তাত আছে।

শুবৰ সময়ত এবাৰ মই বাহিৰলৈ ওলাওঁতে ড. ফুক্সক পাই সুধিলো, "মিষ্টাৰ ভাৰ্নকেনে কি কৰে ?" তেওঁ ক'লে, "এশ কিল'মিটাৰ দূৰৈৰ এখন চহৰত তেওঁ প্ৰধান বিচাৰপতি। তেওঁ ঘৰখন এৰিবলৈ ইচ্ছা নকৰে। তেওঁ আপোনালোকৰ ভাৰতীয়-সকলৰ দৰে পৰিয়ালৰ মাজত থাকিবলৈ বিচাৰে। সেইবাবে নিতৌ দুশ কিল'মিটাৰ গাড়ী চলাই চাকৰি কৰি আছে।"

কথাটো জানি ভাল লাগিল। তেনেহ'লে পৰিয়ালৰ জীৱন ভাল পোৱা দুই-এক বিৰল জাৰ্মানো আছে।

পুৱা আঠ বজাত আমি সাজু হ'লো। গৃহিণীয়ে আমাক 'গোটেন মৰ্গেন' বুলি পুৱা আদৰণি জনাই আমাৰ কাৰণে প্ৰাতঃভোজনৰ যোগাৰ কৰিবলৈ গ'ল।

পিছে এটা কথা জানি আচৰিত লাগিল। অধিবেশনত লগ পোৱা এওঁলোকৰ গাভৰু ছোৱালীজনী কিন্তু বাপেক-মাকৰ ঘৰত নাথাকে। তাই সুকীয়াকৈ আন ঠাইত থাকে। কথাটো জানি মনটো বেয়াহে লাগিল। যিজন মিষ্টাৰ ভাৰ্নকেনৰ পাৰিবাৰিক জীৱনলৈ ইমান হেঁপাহ, তেওঁৰে ছোৱালীয়ে পূৰ্ণ যৌবন পাই বিয়াৰ আগতে, পঢ়া-শুনা শেষ নৌহওঁতেই ঘৰ এৰিলেই। হয়তো তাই বিয়া নাপাতিবও পাৰে। আজিকালি আকৌ বিবাহ-বন্ধনত আবদ্ধ হ'বলৈ ইচ্ছা নকৰি ডেকা-গাভৰুৱে একেলগে থকাটো এটা প্ৰথা হৈ পৰিছে। এনেকুৱা কেইবাটাও দৃষ্টান্ত ইয়াত দেখি ভাবিছোঁ,— আগত একবিংশ শতিকাত বিবাহ-প্ৰথাৰ অৱস্থা বাৰু কি হ'ব? বিবাহ বোলা বস্তুটো উঠি যাব নে কি? পশ্চিমত নিশ্চয় বিবাহিত জীৱন নিতান্ত গৌণ হৈ পৰিব।

প্ৰাতঃভোজনৰ বাবে বহোঁতে এটা কথা মনত পৰিল। ছোৱালীজনীয়ে ৰাতি আমাক কৈছিল যে পুৱা তাইৰ মাকে আমাৰ বাবে প্ৰকৃত জাৰ্মান প্ৰাতঃভোজনৰ যোগাৰ কৰিব।

আমি তাকে খালো। কেইবাবিধো পাউৰুটিৰ চকল। তাত সানিবলৈ আছে কেইবাবিধো মাখন, মাৰ্গাৰিন, চিজ আৰু মাৰ্মালেড। ওচৰত 'হেম' অৰ্থাৎ পানী পিঠা যেন লগা হাড়বিহীন গাহৰিৰ মঙহ। ফলৰ ৰস, মৌজোল আৰু সিজোৱা কণীও আছে। শেষত কফি। গাহৰিৰ 'পানীপিঠা' কেইখনত বাদে আমি প্ৰতিপদ বস্তু হেঁপাহ খালো।

কিন্তু শ্ৰীমতী ভাৰ্নকেনে মাখন, মাৰ্কাৰিন আদিত চৰ্বি আৰু 'হেম'ত কলেষ্টৰেল আছে কাৰণে এই কেইবিধ বস্তু নুচুলেই।

মই ক'লো, "ফ্ৰাউ ভাৰ্নকেন, আপুনি তেনেহ'লে স্বাস্থ্যৰ কাৰণে

খুব যতন লয়। খুব ভাল কথা। অলপ আগতে ক'লে যে শৰীৰ আটিল কৰি ৰাখিবলৈ আপুনি যথেষ্ট খোজো কাঢ়ে। সেয়েহে আপোনাক দেখাত কম বয়সীয়া যেন লাগে। বিশ্ববিদ্যালয়ত পঢ়া প্ৰায় ছফুট ওখ ছোৱালী এজনীৰ মাক যেন নালাগে।"

মোৰ মুখত এনে প্ৰশংসা শুনি তেওঁ মোক ধন্যবাদ জনাই ক'লে, "কিন্তু, প্ৰফেছাৰ, ইয়াৰো এটা উদ্দেশ্য আছে। মই স্বাস্থ্যৱতী হৈ বেছি দিন বাচি থাকিবলৈ বিচাৰিছোঁ।—নিজৰ কাৰণে নহয়, শৰীৰটো কাৰ্যক্ষম কৰি ৰাখি এওঁক (স্বামীক) সেৱা কৰিবলৈহে। মোৰ জীৱনৰ মূল্য কেৱল তেওঁৰ কাৰণে জীয়াই থকাৰ বাবেহে।"

এতিয়াও যে এনে পতিব্ৰতা নাৰী সুদূৰ পশ্চিমত থাকিব পাৰে তাকে জানি মোৰ ভাল লাগিল। মোৰ ভাব হ'ল যে কোনো সামাজিক বিষম পৰিস্থিতিয়ে মানৱ জাতিৰ মৌল সৎ প্ৰবৃত্তিক বিনষ্ট কৰিব নোৱাৰে।

শ্ৰীমতী ভাৰ্নকেন সঁচাকৈয়ে এই বয়সতো (বোধকৰোঁ পনচল্লিছৰ ওপৰ) সুন্দৰী হৈ আছে। দেখাত কিন্তু পয়ত্ৰিছ বছৰীয়া যেনহে লাগে। ক্ষীণাংগী মহিলা গৰাকীৰ মুখখনৰ গঢ়টো জীয়েকতকৈ বেছি মৰম লগা।

আমাক বিদায় দিওঁতে ল'ৰাটো আৰু শ্ৰীমতী ভাৰ্নকেন আমাৰ মটৰগাড়ীখনৰ ওচৰলৈকে আহিছিল আৰু গাড়ী নচলালৈকে ৰৈ আছিল। ইয়ো হেনো জাৰ্মান আতিথ্যৰ এটা নিদৰ্শন।

বাটত ড ফুক্সে কৈছিল, "মানুহ ঘৰত থাকি ইমান ভাল পালো যে মই জাৰ্মান হৈয়ো স্বীকাৰ কৰিছোঁ, এই আতিথ্য সঁচাকৈয়ে অনুপম। এনে লাগিছিল, ঘৰৰ প্ৰত্যেক জনেই যেন আমাৰ বহু বছৰৰ চিনাকি। বিচাৰপতি মিষ্টাৰ ভাৰ্নকেনৰ কাণ্ডৰ কথা শুনিও মই অভিভূত। তেওঁ অফিছ পায়েই ফোনেৰে আমাৰ খবৰ লৈছিল, আমি শোৱাৰ পৰা উঠিলোনে নাই, আমি খালোনে নাই আদি জানিবলৈকে।"

শ্ৰীমতী ভাৰ্নকেন বহু দেশলৈ ভ্ৰমণ কৰিবলৈ যোৱা মহিলা। সেয়েহে তেওঁ আন দেশৰ আলহীক বৰ গুৰুত্ব দিয়ে। বিদায়ৰ সময়ত তেওঁ আমাক ওছনাক্ৰুকলৈ অহাৰ আৰু তেওঁলোকৰ তাত থকাৰ চিন স্বৰূপে ব্ৰ'ঞ্জৰ ফলি দুখনো দিছিল। এই ফলি দুখনে ভৱিষ্যতে আমাক নিশ্চয় তেওঁলোকলৈ আৰু ওছনাক্ৰুকলৈ মনত পেলাই থাকিব।

দিনৰ এক বজাত প্ৰকৃতিবিজ্ঞানীৰ সভাত আমাৰ কাম শেষ হ'ল। আমি একো নোখোৱাকৈ গাড়ীত উঠিলো। আমি সন্ধিয়া ছয় বজাৰ আগতে প্ৰায় তিনি শ কিল'মিটাৰ দূৰৰ গ্লীছ নামৰ পাহাৰীয়া গাঁও এখনলৈ যাব লাগিব। তাতে ড. ফুক্সৰ প্ৰণয়িনী ক্ৰিছলাৰ মাক-বাপেক আৰু বায়েকৰ ঘৰ।

আকৌ ৰাষ্ট্ৰীয় পথেদি ১৪০-১৫০ কিল'মিটাৰ বেগত ড. ফুক্সে গাড়ী চলালে। আমি সন্ধিয়া চাৰে পাঁচ বজাত সেই গাঁও পালোহি। ক্ৰিছ্লা ড. ফুক্সৰ লগত থাকে তাৰ পৰা ১৫০ কিল'মিটাৰ দূৰৈৰ ওল্ড্ডেণ্টেল নামৰ গাঁও এখনত। তাই ইয়াৰ আগতেই নিজৰ গাড়ীখনত এই ঠাই ওলালহি। কাৰণ আজি সন্ধিয়া ছয় বজাৰ পৰা স্থানীয় গীৰ্জাত এটা ডাঙৰ পৰ্ব আছে। পৰ্বটোৰ নাম ফিৰ্মুংগ (Firmung)—যাক আমাৰ দেশত বেপ্টিজিমৰ পৰ্ব বোলে।

ক্ৰিছ্লাৰ বায়েকৰ চৈধ্য বছৰীয়া ল'ৰাটোৰ নাম খৃষ্টিয়ান। সিহে এই পৰ্বৰ অন্যতম নায়ক। একোটা অঞ্চলৰ চৈধ্য বছৰত ভৰি দিয়া সন্তানসমূহক শৈশৱ আৰু কৈশোৰ অতিক্ৰম কৰি পূৰ্ণ ব্যক্তি (adult) হোৱা বুলি ধৰি লোৱা হয় আৰু চৈধ্য বছৰ পাৰ হোৱাৰ পাছত যিকোনো এদিন ল'ৰাটোক বা ছোৱালীজনীক গীৰ্জাত খৃষ্টধৰ্মত দীক্ষিত কৰা হয়,—অৰ্থাৎ শৰণ দিয়া হয়। এয়ে খৃষ্ট ধৰ্মৰ বেপ্টিজিম।

আমি গাঁৱৰ আহল-বহল গীৰ্জাটোলৈ গৈ দেখিলো যে মিতিৰ-কুটুম আৰু বাপেক-মাকৰ লগত সেই অঞ্চলৰ এনেবোৰ ল'ৰাছোৱালী

সুসজ্জিত হৈ আছিছে। গোটেই গীৰ্জাঘৰটো মানুহেৰে ঠাহ খাই আছে। বিশ্ববিদ্যালয়ৰ সমাবৰ্তনত উপাচাৰ্য আদি সংগীতৰ তালে-তালে মঞ্চলৈ অহাৰ দৰে গীৰ্জাৰ মঞ্চলৈ ৰঙা পোছাক পৰিহিত বিশপ আদি কেথলিক ধৰ্মৰ সাতজনমান পুৰোহিত আহিছে। তেওঁলোকে আহি ধৰ্মৰ বিষয়ে বক্তৃতা দিছে।

তাৰ পাছতেই শৰণ দিয়াৰ কাম। ভালেমান পৰ সংগীত পৰিবেশন কৰি একো-একোটা দলক শৰণ দিয়া বা বেপ্‌টিষ্ট কৰা হয়। পদ্ধতিটোৰ প্ৰায় মন্ত্ৰ গোৱাৰ দৰেই। আমাৰ অসমত গোঁসায়ে শিষ্যক শৰণ দিয়াৰ লগত বা পুৰোহিতে বামুণৰ ল'ৰাক লগুণ দিয়াৰ লগত এই কামটোৰ মই ভালেমান সাদৃশ্য দেখা পাইছিলো। ধৰ্মাচাৰৰ যে ভালেমান মিল সকলো ধৰ্মতে পোৱা যায়, তাৰে এতিয়া প্ৰমাণ এটা পালো।

এই পৰ্ব প্ৰায় ডেৰ ঘণ্টা চলিল। গীৰ্জাৰ পৰা ওলাই আমি পশ্চিম জাৰ্মেনিৰ গাঁৱৰ শ্ৰীবৃদ্ধিৰ চিনাকি দেখি বিস্মিত হ'লো। কাৰণ বাহিৰত প্ৰায় একুৰিমান ধুনীয়া-ধুনীয়া মটৰ গাড়ী বৈ আছে।

আমি খৃষ্টিয়ান বোলা সদ্যদীক্ষিত ল'ৰাটোৰ ঘৰত ৰাতিৰ আহাৰ খাব লাগে। তাক উপহাৰ দিবলৈ মই এখন ভাৰত সম্পৰ্কীয় ইংৰাজী কিতাপ কিনি আনিছিলো। নৈশ ভোজৰ টেবুলত মই, মাধুৰী, খৃষ্টিয়ান, ক্ৰিছ্‌লা, ক্ৰিছ্‌লাৰ মাক দেউতাক আৰু খৃষ্টিয়ানৰ মাক-দেউতাক।

পোনতে আহিল ৱাইন আৰু ফলৰ ৰস। খৃষ্টিয়ানক সকলোৱে একোটা উপহাৰ দিলে আৰু তাৰ ভৱিষ্যত জীৱন সুখৰ হ'বৰ বাবে সদিচ্ছা জনালে। খাবলৈ গোট খোৱা প্ৰত্যেকজনেই আমাক আপ্যায়িত কৰাত অধিক ব্যস্ত হ'ল। তেওঁলোকৰ আতিথ্য ইমান সৰল আৰু আন্তৰিক আছিল যে আমি তেওঁলোকৰ কথা জীৱনত কাহানিও পাহৰিব নোৱাৰিম। গাঁৱৰ মানুহ স্বভাৱতে সৰল; জটিল হয় অৰ্থৰ অনাটনত পৰিহে। কিন্তু সচ্ছলতাই গাঁৱৰ মানুহক

সবল, মৰমীয়াল আৰু অঞ্জলিৰ ফুলৰ দৰে পবিত্ৰ কৰি ৰাখে। গ্ৰীছ নামৰ কেতিয়াও নাম নুশুনা এই সাধাৰণ গাঁওখনত ৰাতি এঘাৰ বজালৈকে থাকি ইয়াৰে সন্ধান পালো।

সা-সুবিধাৰ ফালৰ পৰা ইয়াত গাঁও আৰু চহৰৰ কোনো পাৰ্থক্য নাই। বৰঞ্চ প্ৰদূষণহীন নিজম পৰিবেশৰ বাবে গাঁওবোৰ বেছি ভালহে। সেই কাৰণে বহুতে কৰ্মস্থান ত্ৰিছ-চল্লিছ কিল'মিটাৰ দূৰৈত হ'লেও গাঁৱৰ পৰাহে অহা-যোৱা কৰে। তাৰ এটা প্ৰমাণ হ'ল খৃষ্টিয়ানৰ বাপেক। তেওঁ চল্লিছ কিল'মিটাৰ নিলগৰ কোনো এখন চহৰৰ শিল্প-প্ৰতিষ্ঠান এটাৰ কম্পিউটাৰ শাখাত কাম কৰে। তেওঁ কম্পিউটাৰ বিজ্ঞানী।

ক্ৰিছ্‌লাৰ বাপেক-মাক বয়সীয়া। বাপেক দ্বিতীয় মহাসমৰত ৰাছিয়াত পাঁচ বছৰ বন্দী হৈ আছিল। সত্তৰ বছৰীয়া মানুহজনক পঞ্চাছ বছৰমানহে হৈছে যেন লাগে। সাদৰী মাকজনীৰ বয়স প্ৰায় ৬০-৬৫ বছৰৰ ভিতৰত। কিন্তু তেওঁকো বুঢ়ী যেন নালাগে। তেওঁলোকে ইংৰাজী নাজানে। কিন্তু তেওঁলোকৰ আচৰণ দেখিয়েই বুজি পাইছিলো যে আমাক সন্তুষ্ট কৰিবলৈ তেওঁলোক সততে উদ্যত।

এইখন গাঁৱৰ এই দুটা পৰিয়ালৰ ঘৰৰ ভিতৰত নিখুঁত পৰিচ্ছন্নতা ওছনাব্ৰুকৰ বিচাৰকৰ ঘৰৰ অৰ্থাৎ ভাৰ্নকেন পৰিয়ালৰ দৰেই।

আমি বাৰ বজাত এই গ্ৰীছ নামৰ গাঁওখন এৰিলো। ড. ফুক্সৰ গাড়ীত মই আৰু ক্ৰিছ্‌লাৰ গাড়ীত মাধুৰী। ডেৰ শ কিল'মিটাৰ পথ অতিক্ৰম কৰি আমি বাৰ বজাৰ পাছত ওল্ডেনবুৰ্গ পালোহি। তাতে ৰাতি থাকিলো। তাৰে এটা ভাৰা ঘৰত ড. ফুক্স আৰু ক্ৰিছ্‌লা থাকে।

এওঁলোক সঁচাকৈয়ে অতিথি-বৎসল। নিজৰ কোঠাটো আমাৰ

কাৰণে এবি দি তেওঁলোকে নিজে টিভি থকা কোঠাটোৰ ভিতানত শুইছিল।

ড. ফুক্স শ্ৰীলংকাত দুবছৰ আছিল। তেওঁ ডক্টৰেটৰ কাৰণে গৱেষণা কৰিছিল শ্ৰীলংকাৰ চাহ শিল্পত জলবায়ুৰ প্ৰভাৱ সম্পৰ্কে। ভাৰতৰো ভালেমান ঠাইত তেওঁ আছিল। এম্বেছেডৰ গাড়ী চলাই গোটেই দক্ষিণ ভাৰত ভ্ৰমি ফুৰিছিল। তেওঁ ভাৰতীয় মানুহৰ বহু কথাই জানে। তেওঁৰ ঘৰত ভাৰতৰ বহু বস্তু দেখিলো। যেনে, গোপবাম, নটৰাজ, মুৰুলীধাৰী শ্ৰীকৃষ্ণ আদিৰ মূৰ্তি, মহীশুৰৰ দীপান্বিতাৰ ফটো, মন্দিৰৰ ঘণ্টা ইত্যাদি। তেওঁলোকে ড্ৰয়িং ৰুমটো ভাৰতীয় ধৰণেৰেই সজাইছে। বাঁহ আৰু কাঠেৰে সজা বস্তুৰ প্ৰতিয়েই তেওঁলোকৰ আকৰ্ষণ বেছি। ভাৰতীয় মানুহক আলহী ৰাখিবলৈ পালে তেওঁ বৰ ভাল পায়। আমি গুছনাক্ৰকলৈ আহোঁতেও আগ নিশা তেওঁলোকৰ ঘৰত আছিলো। আমাক সন্তুষ্ট কৰিবলৈকে তেওঁলোকে আমাক বাচমতী চাউলৰ ভাত আৰু বিলাহীৰ লগত ৰন্ধা কুকুৰাৰ মঙহ খুৱাইছিল আৰু নিজেও তৃপ্তিৰে খাইছিল।

ড. ফুক্স আৰু ক্ৰিছ্‌লাই গাঁও বৰ ভাল পায়। ক্ৰিছ্‌লা স্থানীয় স্কুলৰ ইংৰাজীৰ শিক্ষয়িত্ৰী। স্কুলখন মাধ্যমিক পৰ্যায়ৰ নহয়, তাৰ তলৰ পৰ্যায়ৰহে। বোধহয় প্ৰাথমিক স্কুল। তালৈ তেওঁ নিচেই পুৰাতে নিজৰ ভক্সৱাগেন গাড়ীখন চলাই যায়। দৃশ্যটো এজন ভাৰতীয়ৰ কাৰণে অস্বাভাৱিক যেন লাগে। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীৰ লগত নিজে চলোৱা এখন ভক্সৱেগন গাড়ীক বজিতা খুৱাবলৈ আমাৰ বৰ টান লাগে।

ইয়াৰ পৰা মাইন্‌ছৰ গুটেনবাৰ্গ বিশ্ববিদ্যালয়লৈ ৩৫ কিল'মিটাৰ। ড. ফুক্স ইয়াৰ পৰা সদায় গাড়ীৰে যায়।

এইখিনিতে জাৰ্মানসকলৰ আলহীক দিয়া নিশাৰ আহাৰ সম্পৰ্কে এষাৰ কথা কোৱা ভাল। এইটো মোৰ অভিজ্ঞতাৰ পৰা কৈছোঁ। নিশাৰ আহাৰত দুপদমানহে বস্তু থাকে। পৰিমাণ কিন্তু যথেষ্ট।

-এওঁলোকে আমাৰ দৰে বহুবিধ বস্তু পৰিবেশন কৰি সময় আৰু বস্তুৰ অপচয় নকৰে। কেইবাবিধো ৱাইন, ফলৰ ৰস আদি থাকে। এওঁলোকে এইবোৰ পানীয় খাদ্য গ্ৰহণৰ আগতেও খায়, খাদ্য গ্ৰহণৰ সময়তো খায়, পাছতো খায়। বেছি ভাগ জাৰ্মানৰে নিচা লগা পানীয়লৈ, অৰ্থাৎ হুইস্কি আদিলৈ অৰুচি। তদুপৰি ইয়াত এটা বিশেষ টেবুল মেনাৰ আছে: আহাৰৰ লগত যথেষ্টভাৱে পানীয় পৰিবেশন কৰা হয় যদিও পানীয় এনেভাৱে গ্ৰহণ কৰিব লাগে যাতে ইয়াৰ প্ৰতিক্ৰিয়া কাৰো চকুত নপৰে। অৰ্থাৎ এজন মানুহে ছুগিলা-ছতকৈ বেছি ৱাইন নাখায় আৰু কোনো জাৰ্মানে ফলৰ ৰস খোৱা মাধুৰীজাতীয় ব্যক্তিক সংৰক্ষণশীল 'নিৰামিষ' ব্যক্তি বুলিও নাভাবে। জাৰ্মেনিৰ জাতীয় জীৱনত সংযমক বিশিষ্ট স্থান দিয়া হয়।

জাৰ্মান মানুহৰ ঘৰলৈ নৈশ আহাৰৰ বাবে গ'লে সদায় গৃহিণীলৈ এটা উপহাৰ লৈ যাব লাগে। এই উপহাৰ এটা ফুলৰ তোড়া হ'ব পাৰে, এবটল ৱাইন হ'ব পাৰে নাইবা নিজৰ ভাল লগা যিকোনো বস্তু হ'ব পাৰে। এই ক্ষেত্ৰত আমি কিন্তু বাজী মাত কৰিলো। নিশাৰ আহাৰৰ বাবে নিমন্ত্ৰিত হ'লে আমি সদায় এখন ফুলাম গামোচা লৈ যাওঁ। এওঁলোকে গামোচাখন ইমান ভাল পায় যে গামোচাৰ শিপিনীগৰাকীৰ বিষয়ে ভালেমান সময় আলোচনা কৰে।

অ'ফেনবাক, পশ্চিম জাৰ্মেনি,
২১।১০।৮৯

দহ

পশ্চিম জাৰ্মেনিত থকাৰ এমাহৰ ভিতৰত মাইনৃছকে ধৰি কেইবা-খনো চহৰত ৰাজপথত খোজ কাঢ়ি এটা কথা লক্ষ্য কৰিছোঁ যে য'তে-ত'তে ডেকা-গাভৰুতকৈ বুঢ়া-বুঢ়ীহে বেছি। তাৰ কাৰণ কেইবাটাও: ইয়াৰ মানুহৰ গড় আয়ুস ৭৬ বছৰ আৰু কেইবাটাও দশকৰ পৰা ইয়াত কঠোৰ জন্ম নিয়ন্ত্ৰণ চলিছে। ফলত লোকসংখ্যা বাঢ়ক চাৰি

কমিছেহে। সেয়েহে সত্তৰ বছৰৰ ওপৰৰ বয়সৰ মানুহ যথেষ্ট বেছি। বাটত বুঢ়া-বুঢ়ী বেছি দেখাৰ দ্বিতীয় কাৰণ হ'ব পাৰে এয়ে যে চাকৰি বা ব্যৱসায়-বাণিজ্য কৰা লোকসকলে মটৰ গাড়ীতেই ফুৰা-চকা কৰে। বাছ বা ট্ৰামতকৈ মটৰ গাড়ীত অহা-যোৱা কৰিলে খৰচ কম হয় আৰু সুবিধাও বেছি। ইয়াত ১ লিটাৰ পেট্ৰলৰ দাম মাথোন ১ মাৰ্ক ৮ ফেনিং। এক মাৰ্ক ৮ টকা পঞ্চাছ পইচা বুলি ধৰিলেও পেট্ৰলৰ দাম বেছি নহয়। বহুত বুঢ়া-বুঢ়ীৰ মটৰ গাড়ীত ঘূৰি ফুৰিবলৈ ধন আছে। কিন্তু তেওঁলোকে গাড়ী চলাব নোৱাৰিবও পাৰে। ধন থাকিলেও ড্ৰাইভাৰ পোৱা টান আৰু পালেও মাহেকত দুহাজাৰ মাৰ্কমান খৰচ পৰে।

বাটত আন মানুহ দেখা পোৱা নাযায় বুলি ক'ব নোৱাৰি। কিন্তু বুঢ়া-বুঢ়ীৰ সংখ্যাহে যথেষ্ট বেছি। এওঁলোকক দেখি বৰ ভাল লাগে। তাৰ কাৰণ আছে। বেছি ভাগ বুঢ়া-বুঢ়ীয়েই স্বাস্থ্যবান আৰু ৰঙিয়াল স্বভাৱৰ। পোছাক-পাতি সুন্দৰ আৰু নিখুঁত। পোছাকৰ ৰুচিও বৰ আকৰ্ষণীয়। আমি চাহাবৰ পোছাক বুলিলে যিটো ধাৰণা পোষণ কৰি থাকোঁ তেনে পোছাক বোধকৰোঁ বুঢ়া-বুঢ়ীসকলেহে পিন্ধে। আন হাতেদি বেছি ভাগ ডেকা-গাভৰুৱে পোছাকবোৰ হুলোজলো। তেওঁলোকৰ পোছাকবোৰ জোখতকৈ বেছি ডাঙৰ যেন লাগে। তদুপৰি ডেকা আৰু গাভৰুৰ পোছাক প্ৰায় একে যেনহে লাগে। সাধাৰণতে ঢিলা ট্ৰাউজাৰ আৰু কোট নাইবা জিনৰ পেণ্ট আৰু জিনৰে জেকেটৰ দৰে কোট ডেকাবোৰেও পিন্ধে, গাভৰুবোৰেও পিন্ধে। জোতাও একে। এনে 'ইউনিছেক্স' পোছাকেৰে গাভৰুবোৰক গাভৰু যেন নালাগে। তদুপৰি যথেষ্ট শব্দ কৰি জোৰেৰে মেদিনী কঁপাই খোজ কঢ়া গাভৰুবোৰক অন্য গ্ৰহৰ জীৱ যেনহে লাগে। এজনী যথেষ্ট ধুনীয়া ছোৱালীৰ লাস্যময় ৰূপক এনে পোছাকে আৰু দৌৰবীৰৰ দৰে চলনে তাইৰ মোহনীয় নাৰীত্বৰ ভালেখিনি হৰণ কৰে। আমি ভাৰতীয়ৰ দৃষ্টিৰে তাইক

ভাল নেদেখোঁ। তাইক খুব দাম্ভিক যেনো লাগে। তদুপৰি বেছি ভাগ গাভৰুৱে মুখত ছিগাৰেট। ধূমপানৰ বিপক্ষে ইয়াতো প্ৰচুৰ প্ৰচাৰ হৈছে যদিও ইয়াত ধূমপান কৰা লোকৰ সংখ্যা কমা নাই। অথচ আমেৰিকাৰ পৰা অহা প্ৰতি পেকেট ছিগাৰেটেই যথেষ্ট দামী। বিছটা দীঘল ছিগাৰেট থকা পেকেটৰ দাম ৪ মাৰ্ক অৰ্থাৎ আমাৰ হিচাপত প্ৰায় ৪০ টকা। তদুপৰি ইয়াত ল'ৰাতকৈ ছোৱালীয়ে বেছি ছিগাৰেট খায়।

অৱশ্যে কিছুমান ছোৱালীয়ে ছোৱালীৰ পোছাকো পিন্ধে। এই ক্ষেত্ৰত যৌন আবেদন হৈ পৰে উৎকটৰূপে প্ৰলোভনীয়। অৱশ্যে বিশ্ববিদ্যালয়ৰ চৌহদত এনে যৌনাবেদনমূলক পোছাক পিন্ধা ছোৱালী কাচিৎহে দেখা যায়।

এই আটাইকেইটা দিশ বিচাৰ কৰি চালে সহজে এই সিদ্ধান্তলৈ আহিব পাৰি যে ডেকা-গাভৰুতকৈ বুঢ়ীসকলৰ পোছাকহে সুৰুচিপূৰ্ণ আৰু চকুত লগা বিধৰ। মই বাটত বুঢ়ী এগৰাকী দেখিলে তন্ন-তন্নকৈ চাই আমোদ পাওঁ। তেওঁলোকৰ মুখবোৰ দেখিলেও বেচ মৰমিয়াল যেন লাগে। তেওঁলোকৰ বেছি ভাগেই অকলে থাকে। এতিয়ালৈকে মই কোনো বুঢ়ীক গাভৰু জীয়েক, ডেকা পুতেক বা নাতি-পুতিৰে সৈতে একালে ওলাই যোৱা দেখা পোৱা নাই। অতিপাত জাৰতো এজনী বুঢ়ীয়ে অকলে বজাৰ কৰি ডাঙৰ টোপোলা এটা হেকেঁা-জেকোঁকৈ কঢ়িয়াই অনা দেখিলে মোৰ মনত বেথা লাগে।

বাটত বুঢ়াতকৈ বুঢ়ীহঁতকহে বেছি দেখা যায়। সহজে অনুমান কৰিব পাৰি যে জাৰ্মেনিত বুঢ়াতকৈ বুঢ়ীৰ সংখ্যা বেছি। তথ্যয়ো এই অনুমান সঁচা বুলি প্ৰমাণ কৰিছে বুলি এজন জাৰ্মানে মোক ক'লে। ইয়াৰো এটা কাৰণ আছে। মই বাটত দেখা বুঢ়া-বুঢ়ীসকল দ্বিতীয় মহাসমৰৰ সময়ত ডেকা-গাভৰু আছিল। মহাসমৰত অসংখ্য ডেকা মৰিছিল আৰু পুৰুষৰ সংখ্যা আশাতীতভাৱে কমি

গৈছিল বাবেই আজিৰ জাৰ্মেনিত অকলশৰীয়া বুঢ়ীৰ সংখ্যা ইমান বেছি হৈছে।

যুদ্ধত বাচি বৈবাহিক জীৱন সম্পূৰ্ণভাৱে অতিবাহিত কৰা এহাল বুঢ়া-বুঢ়ীও অকলে থাকিব লাগে। কাৰণ নিজৰ পুত্ৰ-দুহিতা পৰিয়ালৰ বান্ধোনত নাথাকে; তেওঁলোকে সুকীয়াকৈ থাকিহে নিজস্ব জীৱন যাপন কৰে। তেওঁলোকে পিতৃ-মাতৃৰ প্ৰতি দায়িত্ব আছে বুলি নভবাটো বহু দিনৰে পৰা ইয়াৰ জীৱনৰ ধাৰা হৈ পৰিছে। চৰকাৰে বৃদ্ধলোকক ভালকৈ চলিব পৰা পৰিমাণৰ মাহেকীয়া বানচ দিয়ে বাবে আৰু নিচেই অক্ষম হৈ পৰিলে বৃদ্ধলোকসকল প্ৰতিপালন-গৃহলৈ স্থানান্তৰিত হয় বাবেও সন্তানসকলে নিজৰ পিতৃ-মাতৃৰ প্ৰতি দায়িত্ব নথকাটোক হয়তো যুক্তিৰে খণ্ডন কৰি (rationalise) বিবেকৰ দংশনৰ পৰা অব্যাহতি পায় যেন লাগে।

এই ফালৰ পৰা চালে আমাৰ চকুত পশ্চিমীয়া উন্নত দেশসমূহক সভ্য দেশ যেন নালাগে। আৰু এটা কথা দেখিলেও আমাৰ চকুত ইয়াৰ মানুহক মাৰ্জিত যেন নালাগে। সেয়ে হ'ল, বাটে-পথে বা ৰাজহুৱা ঠাইত অবাধ প্ৰাৰম্ভিক প্ৰণয়লীলা—যাক সকলো সুসভ্য লোকে নিতান্ত গোপনীয় নান্দনিক অৰসৰ-সামগ্ৰী বুলি বিবেচনা কৰা উচিত। এই ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে গৰ্বিত শিল্প-উদ্যোগেৰে চহকী পশ্চিমীয়া লোকসকলে কালিদাসৰ আৰু তেওঁৰ যুগৰ কামৰসিক বাৎসায়ন ঋষিৰ পৰা শিক্ষালাভ কৰা উচিত।

আকৌ জাৰ্মানৰ বুঢ়া-বুঢ়ীসকলৰ কথালৈ আহোঁ। তেওঁলোক সকলোকে পৰিত্যক্তা হৈয়ো জীৱনৰ প্ৰতি মুহূৰ্তক উপভোগ কৰিবলৈ আৰু সময়ৰ ওচৰত সেও নামানিবলৈ দৃঢ় প্ৰতিজ্ঞ যেন লাগে। তাৰ প্ৰমাণ পোৱা যায় তেওঁলোকৰ চলনফুৰণত আৰু ব্যক্তিত্বত। পিছে দুটা এটা ব্যতিক্ৰম দৃশ্যই মোৰ মনক আমনি দিছে। কেতিয়াবা দেখিছোঁ যে এগৰাকী বুঢ়ীয়ে বুঢ়াক গাত ধৰিহে ফুৰাবলৈ আনিছে

নাইবা বুঢ়া-বুঢ়ীৰ কোনোবা এজনে বেছি অক্ষমজনক চকা লগোৱা গাড়ীত বহুৱাই গাড়ী ঠেলি-ঠেলি ফুৰাবলৈ আনিছে। তেনে অৱস্থাতো আলৰ বুঢ়া বা বুঢ়ীগৰাকীৰ মুখত হতাশা নাই। তেওঁলোকে তেনে অৱস্থাতো মানবীয় মৰ্যাদা বজাই ৰাখিব পাৰিছে। ইয়াতে হয়তো সমগ্ৰ জাৰ্মান জাতিটোৰে ব্যক্তিত্ব প্ৰতিভাত হৈছে।

জাৰ্মানিৰ বুঢ়া-বুঢ়ীৰ ব্যক্তিত্বৰ আভাস পালো যোৱা পহিলা অক্টোবৰত (১৯৮৯)। মই আৰু মাধুৰী এখন পৰ্যটন সংস্থাৰ বাছত উঠিলো। বাছখনত যাত্ৰীৰ সংখ্যা ৪৫। তাৰ ভিতৰত আমাৰ দুয়োৰে বাহিৰে সকলোৰে বয়স সত্তৰৰ বেছি। বুঢ়াৰ সংখ্যা মাথোন চাৰি। এই বাছখনে আমাক ১৫০ কিল'মিটাৰ বাট পাহাৰৰ অৰণ্যৰ মাজে-মাজে এখন ঠাইলৈ লৈ গ'ল। অৰণ্যৰ মাজতো এঠাইত খোৱা-বোৱাৰ ভাল ব্যৱস্থা আছিল। তাতে বাছখন দুঘণ্টা ৰখালে। যাত্ৰীসকলে অৰণ্যত ফুৰাচকা কৰিলে। উভতি আহিলো অৰণ্যৰ পথেদি আন এটা বাটেৰেহে। জাৰ্মেনিৰ অৰণ্য দেখি আচৰিত হ'লো। পৃথিৱীৰ উন্নত সাতখন শিল্পপ্ৰধান দেশৰ ভিতৰত পশ্চিম জাৰ্মেনিয়ে উচ্চতম আসন পাইছে। কিন্তু ইয়াত য'তে-ত'তে গছ-গছনি। চহৰৰ মাজতো গছ-গছনি, চহৰ পাৰ হ'লে অধিক গছ-গছনি। সকলো পথৰ দাঁতিত ডাঠ হাবি-বন। পশ্চিম জাৰ্মেনিৰ উত্তৰে অৱস্থিত নেদাৰলেণ্ডৰ সীমালৈকে প্ৰায় ৬০০ কিল'মিটাৰ ৰাজপথৰ দাঁতিত ক'তো গছ-গছনি নথকা ঠাই মোৰ চকুত পৰা নাছিল। দক্ষিণে জেনেভালৈকে সুদীৰ্ঘ পথৰ দাঁতিবোৰো গছ-গছনিৰে ভৰা। ১ অক্টোবৰত পৰ্যটন সংস্থাৰ বাছত গৈ অটব্য অৰণ্যত দেখিলো, সৰু-সৰু পাহাৰত আৰু পাহাৰৰ দাঁতিৰ ঘাঁহনিত অসংখ্য ভেড়া, গৰু-গাই আৰু পহু চৰি থকাও দেখিলো। ইয়াৰ সুপৰিকল্পিত, বৈজ্ঞানিকভাৱে ৰোপিত আৰু সুসংৰক্ষিত হাবি-বনত মানুহে নানাবিধ পহু পোহে। বজাৰত পহুৰ মঙহ বিক্ৰিও হয়। চৰণীয়া পথাৰো যথেষ্ট আছে কাৰণে পশ্চিম জাৰ্মেনিত মঙহ, গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰ কৰা বস্তু

আৰু মৌজোল পৰ্যাপ্ত। পশ্চিম জাৰ্মেনিয়ে আন দেশলৈ এইবোৰ বস্তু ৰপ্তানিও কৰে।

এইবোৰ দেখি-শুনি মোৰ দৰে এজন ভাৰতীয় বৰ আচৰিত হ'বৰে কথা। মই কল্পনাই কৰিব পৰা নাছিলো—শিল্পপ্ৰধান এই এলবাৰ্ট আইনষ্টাইনৰ দেশখন হাবি-বন, গোধন, পশুধন আদিৰ ফালৰ পৰাও এনে হ'ব পাৰে। আমাৰ ভাব হয়, ইউৰোপ মানেই যেন কল-কাৰখানা। কিন্তু বৰঞ্চ তাৰ ওলোটাটোহে। পশ্চিম জাৰ্মেনি আৰু ছুইজাৰলেণ্ড ঘূৰি দেখিছোঁ যে ইয়াত কলকাৰখানাতকৈ হাবি-বনহে বেছিকৈ চকুত পৰে। অথচ কৃষিপ্ৰধান দেশ বুলি জনাজাত ভাৰতত ইমান হাবি-বন দেখা নাযায়। নিৰ্বনীকৰণে ভাৰতত উৎকট জলবায়ুৰ জন্ম দিছে। আনকি 'জংঘল' ভৰা অসমতো গছ-গছনি ইমান দেখা নাযায়। বাছেৰে গ'লে কেৱল কাজিৰঙা আৰু নামবৰ হাবি পাৰ হওঁতেহে অসমত হাবি থকা যেন লাগে। এইবোৰ কথা মনত পৰিলে ভাৰত তথা অসমৰ বন সংৰক্ষণ বিভাগবোৰক 'বন ভক্ষণ' বিভাগ যেনহে লাগে। নিৰ্বনীকৰণৰ ফলত ভাৰতৰ বহু ৰাজ্যত প্ৰাকৃতিক ভাৰসাম্য (ecological balance) নাইকিয়া হৈছে। আনকি 'জংঘলৰ দেশ' অসমতো। আমাৰ জাতীয় জীৱনত ইয়াতকৈ ডাঙৰ ট্ৰেজেডি আন একো হ'ব নোৱাৰে। পশ্চিম জাৰ্মেনিত মাটিকালিৰ শতকৰা ৩৩ ভাগতকৈ বেছি ঠাই হাবি-বন আছে। তদুপৰি মুঠ মাটিকালি আধা ভাগত খেতি হয়।

বুঢ়া-বুঢ়ীসকলৰ লগত পৰ্যটক সংস্থাৰ বাছত মাইনৃছ ৰাজ্যৰ অৰণ্যৰ মাজেদি আহি এইবোৰ কথাকে ভাবিছোঁ। ৰাইন নদীৰ এটা অংশৰ দুয়ো ফালে ওখ পাহাৰ। পাহাৰ আৰু ৰাইনৰ মাজেৰে আমাৰ বাছ চলিছে। আমি আৰু এটা অপৰূপ বস্তু দেখিছোঁ। দুয়োকাষৰ পাহাৰৰ টিলাবোৰত একোটাকৈ চৈধ্য পোন্ধৰ শতিকাতে সজা মজবুত দুৰ্গ। এনেকুৱা দহটামান দুৰ্গ আমাৰ চকুত পৰিছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে এই শতিকাৰ দুখন মহাসমৰৰ বাদেও

জাৰ্মেনিত চতুৰ্দশ-পঞ্চদশ শতিকাৰ পৰাই যথেষ্ট যুদ্ধ-বিগ্ৰহ হৈ আছিল। এতিয়া আকৌ এই দুৰ্গবোৰত জিলিকি থকা পশ্চিম জাৰ্মেনিৰ পতাকাই সঁচাকৈয়ে জাৰ্মানসকলৰ অপৰাজেয় শক্তিকেই সগৰ্বে ঘোষণা কৰিছে।

অফেনবাক (Offenback) নামৰ এখন চহৰলৈ গৈছিলো। তাতে জাৰ্মান বতৰবিজ্ঞান কেন্দ্ৰ এটা আৰু কৃষি মৌচম বিজ্ঞানৰ ভাল গৱেষণা-কেন্দ্ৰ এটাও আছে। তাতে বিশিষ্ট কৃষি মৌচম বিজ্ঞানী ড. এইচ হেগাৰক সুধিছিলো, "জাৰ্মেনিৰ কিমান অংশত বননি আছে?" তেওঁ কৈছিল "প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিবৰ বাবে যিখিনি লাগে তাতকৈ বেছি আছে। পাহাৰৰ কোনো ঠাইৰ পৰা গছ-গছনি নাইকিয়া কৰা হোৱা নাই। কটা গছৰ ঠাইত তুৰন্তে আন গছ লগোৱা হৈছে।" বননি পাতল হোৱা নাই। তদুপৰি সমতল অঞ্চলতো শতকৰা ৩০ ভাগতকৈ বেছি গছ-গছনি আছে।"

গতিকে শিল্প-প্ৰধান জাৰ্মেনিয়েও যদি অৰণ্য ৰক্ষা কৰিব পাৰে আমি নোৱৰাৰ কাৰণ কি? উত্তৰটো এনে হ'ব পাৰে: আমাৰ অমনোযোগিতা, অকৰ্মণ্যতা, আৰু ব্যৱসায়ী আৰু বিষয়াৰ পৰ্যায়ত দুৰ্নীতি। সেই কাৰণেই পৰিবেশ বিজ্ঞানীসকলে কয় যে নিৰ্বনীকৰণৰ ফলত পাহাৰীয়া দেশ নেপালো দহ বছৰৰ পাছত মৰুভূমিলৈ ৰূপান্তৰিত হ'ব পাৰে। গতিকে বনসংৰক্ষণৰ ক্ষেত্ৰত ভাৰতে পশ্চিম জাৰ্মেনিৰ পৰা শিক্ষা লাভ কৰিব পাৰে। ইয়াত বন সংৰক্ষণৰ আইন ইমান কটকটীয়া যে কোনেও নিজৰ ঘৰৰ চৌহদত থকা গছ এজোপা কাটিব নোৱাৰে আৰু কাটিবলৈ অনুমতিও দিয়া নহয়।

বাছ-যাত্ৰাত মই প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰিছোঁ আৰু এইবোৰ ভাবি বৰ বিষণ্ণ হৈছোঁ। কিন্তু বাছৰ বুঢ়া-বুঢ়ীসকল ইমান ৰংমনে হাঁহি-খিকিন্দালি কৰি আছিছে যে তাকে দেখি মোৰ ভাব হৈছে এজাক ল'ৰা-ছোৱালীহে যেন বনভোজ খাবলৈ আহিছে।

অৰণ্যৰ মাজৰ ৰেস্তোৰাত ভাগ্যবশত এগৰাকী ইংৰাজী জনা যুৱতীক লগ পাইছিলো। তেওঁ মোক কৈছিল, "বুঢ়ীহঁত এই বয়সতো ইমান ভাল হৈ থকাৰ কাৰণটো কি জানেনে? ভাল আহাৰ খালেই দেহটো ভালে ৰাখিব নোৱাৰি। আচল কাৰণ দুটা: উদ্বেগহীনতা আৰু জীৱনৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী—Lack of worry and positive outlook towards life. তদুপৰি তেওঁলোকে জীৱনটোক এতিয়া অভিলাষী মানুহবোৰৰ দৰে ছিৰিয়া-ছলি লোৱা নাই।"

সন্ধিয়া বাছৰ পৰা নামোতে প্ৰতি গৰাকী বুঢ়ীয়ে নিজৰ ভাষাৰে আমাক মৰমেৰে মাত লগাই গৈছিল। ভাষাৰ বিনিময় নোহোৱাকৈয়ে তেওঁলোকৰ লগত মোৰ হৃদতা গঢ়ি উঠিছিল। কিন্তু আকৌ যে এই মৰমিয়াল আৰু ৰঙিয়াল বুঢ়ী কেইজনী দেখা নাপাম! জীৱন এনেকুৱাই। তাকে ভাবি বৰ দুখ লাগিছিল।

বুঢ়ী মানুহৰ কথা কওঁতে আৰু দুগৰাকী বুঢ়ীৰ কথা লিখিবলৈ মন গ'ল। এগৰাকী হ'ল মাইন্‌ছৰ ওচৰৰ গোষ্টাভছবাৰ্গৰ শ্ৰীমতী ফিচ্চাৰ। বয়স আঠসত্তৰ বছৰ। মোৰ পৰিচিতা ছিবিলিৰ আইতাক। বুঢ়ী বেছ লাহ-বিলাহত থাকে। বিউটি পাৰ্লাৰতহে চুলি কোচা নিজৰ মনোমত কৰি লয়। প্ৰেমিকৰ পৰা ছিবিলিলৈ ফোন আহিলে বুঢ়ীয়ে কিবা এটা অজুহাত উলিয়াই ফোনৰ ওচৰ পাই কথা পতা শুনেহি। ছিবিলি বিৰক্ত হৈ পৰে আৰু বুঢ়ীক আঁতৰি যাবলৈ ক'লে বুঢ়ীয়ে হাঁহি কয়, "তহঁতৰ দিনৰ কাণ্ড-কাৰখানাবোৰ জানিবলৈ বৰ ইচ্ছা যায় অ' আই। আখ্যানবোৰৰ গতি একে নে বেলেগ, তাকে জানিবলৈ কাৰণো ইচ্ছা নহ'ব?"

এইগৰাকী বুঢ়ীয়ে জীৱনৰ প্ৰতিটো মুহূৰ্ত উপভোগ কৰিবলৈ বিচাৰে। অলপতে তেওঁ ১৯১০-১১ চনৰ ভিতৰত ওপজা সেই ঠাইৰ বহুত বুঢ়ীক গোটাই চান্দা তুলি এখন বাছ ভাৰা কৰিলে আৰু

তেওঁৰ দৰে চলিছ গৰাকীমান বুঢ়ীয়ে বাছত তিনি দিন ধৰি গোটেই পশ্চিম জাৰ্মেনি ভ্ৰমণ কৰিলে।

আন এজনী বুঢ়ীৰ নামটো কি ছিৰিলিয়ে নাজানে। কিন্তু তেওঁক মাইনুছ চহৰৰ সকলোৱেই চিনি পায়। তেওঁ 'ফুল বেচা আইতা' নামে সকলোৰে পৰিচিত। তেওঁক মই প্ৰায়ে দেখোঁ। তেওঁ বেচ ধুনপেচ ভাল পোৱা ধুনীয়া বুঢ়ী। বেজিলেন্সৰ চচমা পিন্ধে। বয়স আশীতকৈ বেছি। কিন্তু শাৰীৰিকভাৱে সক্ষম। তেওঁ ৰেলৰ ষ্টেছনত আৰু ছেইণ্ট মাৰ্টিন কেথেড্ৰেলৰ আগত ফুল বেচে। লাভৰ কাৰণে নহয়, মানুহৰ সেৱা কৰাৰ উদ্দেশ্যে আৰু নিজকে ব্যস্ত ৰখাৰ উদ্দেশ্যেও।

বুঢ়ীক পোনতে কৰ্তৃপক্ষই বাধা দিছিল। কিন্তু বুঢ়ীয়ে সত্যাগ্ৰহ কৰিলে। তেওঁ ক'লে, "কতই বেয়া কাম কৰি আছে অথচ তোমা-লোকে বাধা দিব পৰা নাই? মই বিনা অনুমতিত কি বেয়া কাম কৰিছোঁ? মই কাৰ অপকাৰ কৰিছোঁ?

শেষত বুঢ়ীৰ কথাই ৰজিল। সত্যাগ্ৰহ কামত আহিল। বুঢ়ীয়ে সদায় ফুল বেচি ফুৰাটো মাইনুছৰ ৰেল ষ্টেছনৰ ওচৰৰ অঞ্চলত এটা সাধাৰণ অথচ আপুৰুগীয়া দৃশ্য। মই এদিন বুঢ়ীৰ পৰা এথোপা ফুল কিনিলো। বুঢ়ীয়ে মোক কপালত চুমা এটা খাই এটা সৰু ফুল মোৰ কোটত পিন মাৰি আঁৰি দিলে।

অ'ল্ডডেণ্টেল, পশ্চিম জাৰ্মেনি,

২০।১০।৮৯

এঘাৰ

পশ্চিম জাৰ্মেনিলৈ আহি ইয়াৰ সাহিত্যৰ বিষয়ে জানিবলৈ মোৰ বৰ ইচ্ছা। গ্যেটেই জাৰ্মান ভাষাত লিখিছিল। তদুপৰি টমাছ মান, হাৰ্মান হেছ আদি যুগান্তৰকাৰী সাহিত্যিকৰ দুই-এখন গ্ৰন্থ মই পঢ়িছোঁ। ফ্ৰানৎজ কাফ্কায়ো জাৰ্মান ভাষাতেই লিখিছিল।

ইয়াৰ কিতাপৰ দোকানবোৰ দেখি মই আচৰিত হৈছোঁ। এখন দুই লাখমান অধিবাসীৰ চহৰত, যেনে ওছ্নাব্রুক, ছাবব্রুকেন, মানহেইম, কাজল আদিত, সাধাৰণতে যিমান কিতাপৰ দোকান থাকিব লাগে তাতকৈ বহুত বেছি দেখিছোঁ। প্ৰতিখন দোকানেই এটা ভাল পুথিভঁৰালৰ সমান। কিতাপো বিষয় অনুসৰি পুথিভঁৰালৰ দৰে সজাই থোৱা হয়। একোখন কিতাপৰ দোকানত পঢ়া কোঠাও আছে। জাৰ্মান ভাষাত কিতাপৰ দোকানক "লাইব্ৰেৰি" বোলে। পুথিভঁৰালৰ জাৰ্মান শব্দ হ'ল—Bibliotek।

জাৰ্মান ভাষাতো পকেট বুকৰ প্ৰাদুৰ্ভাৱ বেছি। কিতাপৰ দোকানত কিতাপৰ বেটুপাতত চকু ফুৰাই অনুমান কৰিব পাৰি যে জাৰ্মান ভাষালৈ আন ভাষাৰ পৰা প্ৰচুৰ গ্ৰন্থ অনূদিত হয়। মোৰ প্ৰিয় আটাইকেইজন আমেৰিকান আৰু বৃটিছ লেখকৰ কিতাপৰ জাৰ্মান অনুবাদ দেখিছোঁ আনকি আগাথা খৃষ্টি, চিমেনন, নিক্ কাৰ্টাৰ আদিৰ কিতাপৰ অনুবাদো পাইছোঁ। অনূদিত কিতাপৰ মাজত আইজাক এছিমোভৰ বিজ্ঞানভিত্তিক উপন্যাসো দোকানত দেখা পাইছোঁ।

ওছ্নাব্রুকত এখন প্ৰকাণ্ড কিতাপৰ দোকান দেখিলোঁ। দোকানখনে প্ৰকাণ্ড অট্টালিকাটোৰ চাৰিটা মহলা জুৰি আছে: এনে এখন আপক্ষাকৃতভাৱে সৰু চহৰৰ এই কিতাপৰ দোকানখনৰ সমান ডাঙৰ কিতাপৰ দোকান মই এতিয়ালৈকে ক'তো দেখা নাই। আনকি মাইনৃছ আৰু ফ্ৰেংকফাৰ্টতো। অৱশ্যে মই বাৰ্লিন আৰু মিউনিকৰ কথা ক'ব নোৱাৰোঁ।

ইয়াৰ মানুহৰ কাৰণে কিতাপ জ্ঞান আহৰণৰ সৰ্বশ্ৰেষ্ঠ-মাধ্যম। এখন কিতাপৰ দোকানত সোমালেই কথাটো ধৰিব পাৰি। এজন জাৰ্মানৰ ঘৰত সোমালেও তেনে ধাৰণা হয়। মই এতিয়ালৈকে কেইবাটাও জাৰ্মান পৰিয়ালত সোমাইছোঁ। প্ৰত্যেকৰ ঘৰতে বহা-কোঠাত ভালেমান কিতাপ আৰু আলোচনী দেখিছোঁ। প্ৰত্যেকৰ

ঘৰতে নিজৰ মনোমত কিতাপ থকা পঢ়া কোঠাও এটা আছে যাক ইংৰাজীত 'ষ্টাডি' বুলি কয়।

ৰেল ষ্টেছনবোৰতো ডাঙৰ-ডাঙৰ কিতাপৰ দোকান আছে। তাত ক্রেতাও বহুত। ইয়াৰ ৰেলত বা বাছত গ্রন্থ অধ্যয়নত নিমগ্ন ভালেমান মানুহ পোৱা যায়। একোজন লোকে দুই-তিনিখন দৈনিক পত্রিকা পঢ়ে বুলি মোৰ এজন বিশিষ্ট বন্ধুৱে (জাৰ্মান) ক'লে।

পঢ়ুৱৈসকলৰ ৰুচি সাধাৰণ বিধৰ নহয় যেন লাগে। কাৰণ ডিপার্টমেণ্টেল ষ্ট'ৰতো ভাৰতীয় দর্শনৰ কিতাপ পোৱা যায়। অথচ ডিপার্টমেণ্টেল ষ্ট'ৰত (ছুপাৰ মার্কেটত) সাধাৰণতে খোৱাবস্তুহে বেছি থাকে বাবে মানুহ তালৈ যায় সাধাৰণতে খাদ্য দ্রব্য কিনিবলৈহে।

এই দেশৰ মানুহৰ আন দেশৰ বিষয়ে জানিবলৈ বৰ আগ্রহ। কিতাপৰ যোগেদি যোগাসন অভ্যাস কৰি ভাৰতৰ কোনোবা গুৰুৰ ওচৰ পোৱা জাৰ্মানো ইয়াত আছে। এদিন এজন টেক্সি ড্রাইভাৰে মোক ৰবি শংকৰৰ কথা শুধিছিল।

ইয়াৰ কিতাপৰ দোকানত সাই বাবা, মহেশ যোগী আৰু ৰাজনীশৰ কিতাপো আছে। অৱশ্যে জাৰ্মান ভাষাতহে। বেটুপাত দেখিয়েই ধৰিব পাৰি।

এইবোৰকে দেখি মোৰ জাৰ্মান সাহিত্যৰ বিষয়ে জানিবলৈ মন গ'ল। গুটেনবার্গ বিশ্ববিদ্যালয়ৰ ভাষা-সাহিত্যৰ বিভাগত খবৰ লোৱাই গম পালো যে ইয়াত ইংৰাজী সাহিত্যৰ বিভাগটোত ড. ট্রিয়েল আৰু ড. ষ্টেইনৰ ক্রমে ভাৰতীয় লেখকৰ ইংৰাজী সাহিত্য আৰু কমনৱেল্থ সাহিত্যৰ ওপৰত বেছ দখল আছে।

মই সংযুক্ত হৈ থকা বিভাগটোৰ পৰা মোৰ কথা তেওঁলোকক জনোৱাত ইংৰাজী সাহিত্যৰ মুৰব্বী অধ্যাপক ড. হোমাছ এম. চেইল ষ্টেইনে (Dr. Homas M. Chael Stein) মোক লগ পাবলৈ ইচ্ছা

কৰিলে। কথা দিয়া মতে মই ২৭ অক্টোবৰৰ দুপৰীয়া তেওঁৰ ওচৰ পালোগৈ।

অধ্যাপক ষ্টেইনক দেখিলে পণ্ডিত ব্যক্তি যেন নালাগে। অথচ তেওঁৰ চৰিওফালে বেকত শাৰী-শাৰী কিতাপ। যথেষ্ট ওখ মানুহ-জনৰ দেহটো আটিল। হাড়-শকত মানুহ। খেলুৱৈৰ দৰে চেহেৰা। থাকেও বেচ মেজাজত। মুখত ধপাতৰ পাইপ। ইংৰাজৰ দৰে ইংৰাজী কয়।

মোক তেওঁ সাদৰেৰে আদৰি মোৰ পূৰ্ণ পৰিচয় লৈ ক'লে, "জন্মগত গুণ নাথাকিলে বিজ্ঞানৰ শিক্ষক হৈ কাহিনীকাৰ হোৱা টান। পণ্ডিত হ'বলৈ প্ৰতিভা লাগে। কিন্তু সৃষ্টিধৰ্মী লেখক হ'বৈল কিবা এটা ঈশ্বৰে দিয়া গুণ লাগে। সেয়েহে আপোনাক দেখি ভাল লাগিছে। বাৰু, কওকচোন, ইংৰাজীত লিখা ভাৰতীয় লেখক কাক কাক আপুনি চিনি পায় ?"

মই মুল্কৰাজ আনন্দ, অনীতা দেশাই আৰু বিক্ৰম শেঠক চিনি পাওঁ বুলি ক'লো।

তেওঁ মুল্কৰাজ আনন্দৰ প্ৰত্যেকখন উপন্যাসেই পঢ়িছে। "কুলি" আৰু "টু লিভছ এণ্ড এ বাড" পঢ়ি মুগ্ধ হৈছে। মুল্কৰাজৰ লিখাত ভাৰতৰ সাধাৰণ মানুহৰ জীৱন সুন্দৰভাৱে প্ৰতিফলিত হৈছে বুলি অধ্যাপক ষ্টেইনে ভাবে। "টু লিভছ এণ্ড এ বাড" অসমৰ চাহ বাগিচাৰ জীৱনক লৈ লিখা আৰু মই তাৰে মানুহ বুলি কোৱাত তেওঁ অসমৰ বিষয়ে ভালেমান কথা জানি ললে।

মই ভবানী ভট্টাচাৰ্য আৰু নয়নতৰা চেহ্‌গলৰ উপন্যাস পঢ়ি বৰ আৰাম পাওঁ বুলি কোৱাত তেওঁ একো অভিমত নিদিলে। বোধ-কৰো ভট্টাচাৰ্য আৰু চেহগলৰ লিখা তেওঁৰ পছন নহয়। কিন্তু কথা শুনিয়েই বুজিব পাৰি যে অধ্যাপকজনে ভাৰতীয়ই লিখা বেছি ভাগ ইংৰাজী উপন্যাস পঢ়িছে।

প্ৰীতিশ নন্দী, পি. লাল আদিয়ে ইংৰাজীত কেনে কবিতা লিখে

আৰু বিক্ৰম শেঠৰ উপন্যাস "দ্যা গল্ডেন গেইট" সম্পৰ্কে তেওঁৰ অভিমত কি বুলি সোধাত তেওঁ মাথোন ক'লে যে আৰ. কে. নাৰায়ণ, ছালমন ৰুছডি আদি লোকৰ ইংৰাজী সাহিত্যত যেনে স্থান আছে, এওঁলোকৰ তেনে স্থান নাই। শেষত ক'লে, "মোৰ ভুল হ'ব পাৰে। মই ভাৰতীয়ই লিখা ইংৰাজী সাহিত্য বিশেষভাৱে অধ্যয়ন কৰা নাই। কমনৱেল্থ সাহিত্যহে সামগ্ৰিকভাৱে অধ্যয়ন কৰিছোঁ। তথাপি মোৰ দৃঢ় ধাৰণা যে আৰ. কে. নাৰায়ণ সঁচাকৈয়ে অসাধাৰণ।"

আৰ. কে. নাৰায়ণ তেওঁৰ চকুত কিয় অসাধাৰণ বুলি সোধাত তেওঁ কৈ গ'ল, "কাৰণ তেওঁৰ লিখাত মহীশুৰৰ সাধাৰণ মানুহৰ জীৱনৰ প্ৰতিটো দিশ ইমান সুন্দৰভাৱে ফুটি উঠিছে যে তেওঁৰ গল্প-উপন্যাসৰ যোগেদি মই বৰ্ণাঢ্য ভাৰতক চিনি পাইছোঁ, মানুহৰ জীৱনৰ অসামঞ্জস্যতাক বিচাৰি পাই আমোদিত হৈছোঁ। লগতে ভাৰতৰ আত্মাক বিচাৰি পাবলৈ মোৰ মন গৈছে। নাৰায়ণে সুন্দৰ ইংৰাজী লিখে। Effortless but flexibe English। ভাষাতেই তেওঁৰ অনাড়ম্বৰ ব্যক্তিত্ব ওলাই পৰে।"

এই বুলি কৈ তেওঁ ৰেকৰ পৰা আৰ. কে. নাৰায়ণৰ কেইৰাখনো উপন্যাস উলিয়াই দেখুৱালে আৰু কোনোবা এখন কিতাপৰ পৰা নাৰায়ণ সম্পৰ্কে লিখা পৰিচ্ছেদ দুটামানো পঢ়ি শুনালে। তেওঁ ক'লে যে সম্প্ৰতি তেওঁ নাৰায়ণৰ "ভেণ্ডৰ অৱ ছুইটছ" (দূৰদৰ্শনৰ মিঠাই-ৱালা) পঢ়ি আছে। উপন্যাসখন তেওঁৰ বৰ ভাল লাগিছে।

এই উপন্যাসখন আৰু নাৰায়ণৰ ভালেমান চুটি গল্প আমাৰ দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্যক্ৰমত ছিৰিয়েল হিচাপে প্ৰদৰ্শিত হৈছিল আৰু যথেষ্ট লোকপ্ৰিয়তা অৰ্জন কৰিছিল বুলি কোৱাত তেওঁ বেচ প্ৰসন্ন হৈ পৰিছিল।

মই পুনৰ কৈছিলো যে নাৰায়ণৰ "গাইড" নামৰ উপন্যাসখনৰ আলম লৈ হিন্দী আৰু ইংৰাজীত চলচ্চিত্ৰ নিৰ্মাণ কৰা হৈছিল আৰু

ইয়াৰ প্ৰযোজক আছিল নোবেল বটা বিজয়িনী ঔপন্যাসিকা পাৰ্ল এছ বাক।

এইটো তেওঁৰ কাৰণে নতুন খবৰ। সেইবাবে তেওঁ মোক ধন্যবাদ জনালে।

তেওঁ ইংৰাজী সাহিত্যৰ ডক্টৰেট। তেওঁ গৱেষণা কৰিছিল শ্বেক্সপিয়েৰৰ বিষয়ে। সম্প্ৰতি তেওঁৰ অনুৰাগ হ'ল কমনৱেলথ সাহিত্যত। তেওঁৰ মতে সমগ্ৰ কমনৱেলথ সাহিত্যৰ শ্ৰেষ্ঠ লেখক হ'ল ভি. এছ. নাইপুল; তেওঁৰ পিছতেই চিলড্ৰেন এট মিড নাইট আৰু ছেটানিক ভাৰ্ছেছৰ লেখক ছালমন ৰুছডি।

তেওঁ ক'লে, "মানুহৰ জীয়াই থকাৰ পৰিস্থিতিৰ বৰ্ণনাত ভি. এছ. নাইপুল অদ্বিতীয়। এই কেৰিবিয়ান লেখকজনৰ ৰচনাত বিশ্বজনীনতা বৰ্তমান। তেওঁ উপন্যাসৰ যোগেদি কেইবাটাও অমৰ চৰিত্ৰৰ সৃষ্টি কৰিছে। তেওঁৰ নামটো এবাৰ নোবেল বটাৰ কাৰণে উত্থাপিত হৈছিল। তেওঁ নোবেল বটা লাভ কৰা উচিত।"

মই মাত লগালো, "ভাৰতীয় লেখক ৰাজা ৰাওৰ দা ছাৰ্পেণ্ট এণ্ড দা ৰ'প নামৰ উপন্যাসখনৰ বিষয়েও এনে এটা কথা শুনিছিলো। ৰাজা ৰাওৰ বিষয়ে আপোনাৰ মতামত কি?"

তেওঁ ক'লে, "উপন্যাসখন পঢ়িছোঁ। তাত গোটেইবোৰ ধাৰ কৰা কথা। তেওঁ উপাখ্যান আদিৰ যোগেদি ঘটনা এটা বিৱৰিবলৈ চেষ্টা কৰিছে। কিন্তু তেওঁ কি ক'ব খুজিছে বুজা টান। তেওঁৰ লেখাবোৰ প্ৰাঞ্জল নহয়। তেওঁ এজন প্ৰিয় লেখকো নহয়। তেওঁৰ উপন্যাস বুজিবলৈয়ো টান and dull also."

তেওঁ ছালমন ৰুছডিৰ প্ৰশংসাত পঞ্চমুখ। তাৰ কাৰণ কেইবাটাও: ইতিহাস-সচেতনতা, গল্প কোৱাৰ সুন্দৰ ধৰণ, অপূৰ্ব ইংৰাজী, মৌলিক ৰীতি আৰু উদাৰ সংস্কাৰমুক্ত মনটো।

মই ৰুছডিৰ দুখন উপন্যাস পঢ়িছোঁ। মই অধ্যাপকৰ অভিমতটো মানি লৈ ক'লো, "মই তেওঁৰ আৰু এটা গুণ বিচাৰি পাইছোঁ। সেয়ে

হ'ল উপন্যাসৰ স্থান-কালৰ বিস্তৃতি—the vast canvas and sweep."

তেওঁ কথাটো মানি লৈ আকৌ ক'লে, "অৱশ্যে কছুডিয়ে তেওঁৰ উপন্যাসত সৃটিছ ঐতিহ্যৰ ধাৰাবাহিকতা বজাই ৰাখিছে।"

মই সুধিলো, "তেওঁৰ "ছেটানিক ভাৰ্ছেছ বহুত ঠাইত নিষিদ্ধ হৈছে। তেওঁৰ ওপৰত আয়টোল্লা খোমেনিয়ে আন দেশৰ নাগৰিক হোৱা সত্ত্বেও প্ৰাণদণ্ডৰ ফতোৱা জাৰি কৰিছে। খোমেনিৰ মৃত্যুৰ পাছতো কছডি বিপদমুক্ত হ'ব পৰা নাই।"

তেওঁ ক'লে, "জঘন্য কাম হৈছে। ধৰ্মীয় মৌলবাদী এজন যদি সাহিত্যৰ বিচাৰক হয়, তাতকৈ আৰু ট্ৰেজিক কথা কি থাকিব পাৰে? বাট্ৰাণ্ড ৰাছেলে খৃষ্ট ধৰ্মৰ বিৰুদ্ধে নানা কথা কৈছিল। সেইবুলি ৰোমৰ পোপে তেওঁক জানো মৃত্যুদণ্ড বিহিছিল?"

অধ্যাপকজনৰ লগত সাহিত্যৰ আলোচনা কৰি বেচ লাভবান হ'লো। তেওঁৰ স্মৃতিশক্তি বোধকৰোঁ খুব প্ৰখৰ, নাইবা তেওঁ খুব সাৱধানী পাঠক। কাৰণ যিবোৰ কিতাপৰ তেওঁ নাম উল্লেখ কৰিছিল সেইবোৰৰ প্ৰকাশৰ চন পৰ্যন্ত উল্লেখ কৰিছিল আৰু ভাল লগা কিতাপ এখনৰ একোটা পৰিচ্ছদ মুখস্থ মাতিব পাৰিছিল।

তেওঁক মই নম্ৰভাৱে কৈছিলো যে যিসকল ভাৰতীয়ই ইংৰাজীত উপন্যাস লিখিছে তেওঁলোকতকৈ অধিক শক্তিশালী লেখক ভাৰতীয় ভাষাসমূহতহে আছে।

মোৰ মতামতৰ কাৰণ দৰ্শাবলৈ কোৱাত মই ক'লো যে বহুত ভাৰতীয়ই ইংৰাজীত উপন্যাস লিখে ভাল বিশ্ববিদ্যালয়ত ইংৰাজী ভাষাটো নিখুঁতভাৱে জনাৰ সুবিধা পোৱাৰ কাৰণেহে। এনে বেছি ভাগ লেখকেই ওপৰ মহলাৰ লোক। সেই কাৰণে সাধাৰণ মানুহৰ জীৱনৰ প্ৰকৃত ছন্দ, আশা-আকাংক্ষা আৰু হা-হুতাশৰ লগত এওঁলোকৰ আত্মিক পৰিচয় নাই। . অৱশ্যে মুল্কৰাজ আনন্দ আৰু আৰ. কে. নাৰায়ণ ইয়াৰ ব্যতিক্ৰম। সেই কাৰণে ইংৰাজী ভাষাত

উপন্যাস লিখা কোনো ভাৰতীয়ৰ মাজত এজন ৰবীন্দ্ৰ নাথ, এজন মুন্সি প্ৰেমচন্দ বা এজন তাৰা শংকৰ ওলোৱা নাই।

এই তিনিগৰাকী লোকৰ এগৰাকীৰো ৰচনা সম্পৰ্কে তেওঁ একো নাজানে। মই ৰবীন্দ্ৰ নাথৰ কাবুলীৱালা, প্ৰেমচন্দৰ 'কফন' আৰু তাৰা শংকৰৰ 'নাৰী ও নাগিনী' নামৰ গল্পৰ সাৰাংশ কোৱাত লেখক কেইজন কিমান শক্তিশালী হ'ব পাৰে তেওঁ তাৰ এটা আভাস পালে।

তেওঁ হঠাতে সুধিলে, "আৰ. কে. নাৰায়ণক ৰাজ্য সভাৰ সদস্য কোনে পাতিলে? তেওঁ কিন্তু "মাই ডেইজ" নামৰ আত্মজীৱনীত ইন্দিৰা গান্ধীৰ কথা বৰ বেয়াকৈ লিখিছে।"

মই ক'লো, "হয়তো ৰাজীৱে এইবোৰ কথা নাজানে। সাহিত্যিক হিচাপেও ৰাজ্যসভালৈ মানুহ নিৰ্বাচিত হয়। এই ক্ষেত্ৰত নাৰায়ণৰ ঘোৰ শত্ৰুৱেও স্বীকাৰ কৰিব যে তেওঁ ৰাজ্যসভাৰ সদস্য হ'বৰ যোগ্য।"

মই জাৰ্মানসকলৰ সাহিত্য সম্পৰ্কে জানিব খোজাত তেওঁ ক'লে, "এখন কিতাপ বেছিকৈ বিক্ৰি হ'লেই কিতাপখনে সাহিত্যত স্বীকৃতি পাব বুলি ক'ব নোৱাৰি। বহু বেষ্ট ছে'লাৰবে অৱস্থা এনে হয়। সম্প্ৰতি জাৰ্মান সাহিত্যত নানা বিধ পৰীক্ষা-নিৰীক্ষা চলিছে। নতুন-নতুন পৰীক্ষা-নিৰীক্ষা চলোৱা ডেকাসকলে আমাৰ সাহিত্যৰ পৰিবেশ উত্তপ্ত কৰি তুলিছে। এওঁলোকৰ বহুতৰে প্ৰতিশ্ৰুতি আছে। সাধাৰণতে আধুনিক জাৰ্মান সাহিত্যত ছুইজাৰলেণ্ডৰ লেখকৰ প্ৰভাৱ পৰিছে যদিও আমাৰ বেছি ভাগ শক্তিশালী লেখকে বামপন্থী চিন্তাধাৰাৰহে পৃষ্ঠপোষকতা কৰে।"

মই সুধিলো, "গুণ্টাৰ গ্ৰাছ সম্পৰ্কে আপোনাৰ মতামত কি?"

তেওঁ ক'লে, "তেওঁ শক্তিশালী আৰু জনপ্ৰিয় লেখক। তেওঁৰ একোখন কিতাপ এক লাখ কপিলৈকে বিক্ৰি হয়। ব্যক্তি হিচাপে তেওঁ গণতন্ত্ৰ আৰু পুঁজিবাদত বিশ্বাসী।"

"জাৰ্মান ভাষাত এবছৰত কিমান উপন্যাস প্ৰকাশিত হয় ?"

"এশতকৈ বেছি।"

"বিজ্ঞানভিত্তিক উপন্যাসৰ জনপ্ৰিয়তা কেনেকুৱা ?"

"আন-আন দেশৰ দৰে আমাৰ ইয়াতো অপৰাধ-কাহিনীহে সৰ্বাধিক জনপ্ৰিয়।"

"টিভি, ভিডিঅ', চলচ্চিত্ৰ আদিয়ে পঢ়ুৱৈৰ সংখ্যা কমাই-ছেনে কি ?"

"অকণো কমোৱা নাই। মোৰ বোধেৰে কিতাপেই মানসিক তুষ্টিৰ আৰু জ্ঞান-আহৰণৰ চূড়ান্ত মাধ্যম। কিতাপক কোনেও চেৰ পেলাব নোৱাৰে। অক্টোবৰত ফ্ৰেংকফাৰ্টত বিশ্ব গ্ৰন্থমেলা হৈছিল। তাত জ্ঞানী-গুণী মানুহে বহুত কথা আলোচনা কৰিছিল। তাৰে আলোচনা-চক্ৰত থাকি ইয়াকে বুজিলো যে কিতাপৰ জনপ্ৰিয়তা কমা নাই। প্ৰকাশকসকলেও নিজৰ অভিজ্ঞতাৰ পৰা তাকে কৈছে।"

অধ্যাপক ষ্টেইনে আত্মবিশ্বাসেৰেই মোৰ এই প্ৰশ্ন কেইটাৰ উত্তৰ দিলে। ভাৰতলৈ গৈ মই তেওঁৰ লগত যোগাযোগ ৰাখিলে তেওঁ বৰ ভাল পাব বুলি কেইবাবাৰো ক'লে। মানুহজনৰ ইংৰাজী সাহিত্যলৈ শ্ৰদ্ধা আৰু ভাৰতৰ প্ৰতি কৌতূহল দেখি বৰ ভাল লাগিল।

ডুছেলডৰ্ফ, পশ্চিম জাৰ্মেনি,

৩০।১০।৮৯

বাৰ

মাইনছৰ জোহানছ গুটেনবাৰ্গ বিশ্ববিদ্যালয়ত থকা কালত সকলো বিদেশীয়েই বছৰেকত এবাৰ বা দুবাৰ ছুইজাৰলেণ্ডলৈ যায়। বিশেষকৈ বাৰ্ন, জুৰিক আৰু জেনেভালৈ। মাইনছ পশ্চিম জাৰ্মেনিৰ দক্ষিণ-পশ্চিমত। ইয়াৰ পৰা ছুইজাৰলেণ্ড-পশ্চিম জাৰ্মেনিৰ সীমান্তত অৱস্থিত চহৰ বাজল (Basel) বেছি দূৰৈত নহয়। গতিকে বন,

হামবাৰ্গ, বাৰ্লিন আদি উত্তৰ ফালে থকা মহানগৰৰ পৰাহে ছুইজাৰ-লেণ্ডৰ দূৰত্ব বেছি; দক্ষিণ-পশ্চিমত থকা মহানগৰ মাইন্‌জৰ পৰা ইয়াৰ দূৰত্ব আপেক্ষিকভাৱে কম। তথাপি ইয়াৰ পৰা তীব্ৰবেগী ৰেলগাড়ীৰে গ'লে ছুইজাৰলেণ্ডৰ ৰাজধানী বাৰ্ন পাবলৈ চাৰি ঘণ্টা লাগে; বস্তুত আন্তৰ্জাতিক সংস্থা থকা জেনেভা মহানগৰী পাবলৈ লাগে মাত্ৰ ছঘণ্টা।

এইখিনিতে এটা কথা কৈ থোৱা ভাল হ'ব যে ইয়াত যিবোৰ ঠাইক মহানগৰ বুলি কোৱা হয়, জনসংখ্যাৰ ফালৰ পৰা বিচাৰ কৰি চাই এজন ভাৰতীয়ই বেছি ভাগ মহানগৰক নগৰ বা চহৰ বুলিহে গণ্য কৰিব। কাৰণ মাইন্‌জ, বন, ক'ল'ন, বাৰ্ন, জেনেভা আদি কোনোখন মহানগৰৰেই জনসংখ্যা ৩ লাখৰ বেছি নহয়। মাইন্‌জ জাৰ্মেনিৰ (ফেডাৰেল ৰিপাব্লিক) ৰাইন্‌লেণ্ড নামৰ ৰাজ্যৰ ৰাজধানী, বাৰ্ন ছুইজাৰলেণ্ডৰ ৰাজধানী, বন পশ্চিম জাৰ্মেনিৰ ৰাজধানী, ক'ল'ন এখন শিল্প-প্ৰধান মহানগৰ। কিন্তু জনসংখ্যাৰ ফালৰ পৰা এই প্ৰতিখন মহানগৰেই গুৱাহাটীতকৈ সৰু; যোৰহাট, ডিব্ৰুগড় বা তিনিচুকীয়াৰ লগতহে এই কেইখনক বিজাৰ পাৰি। পিছে পশ্চিমৰ এনে এখন চহৰত সোমালে আচলতে মহানগৰ যেনেই লাগে। কাৰণ অট্টালিকাৰ শাৰী, আহল-বহল আলি, লানি নিছিগা অসংখ্য মটৰ গাড়ী, তলে-ওপৰে থকা সুবিস্তৃত ৰেল ষ্টেচন, অফুৰন্ত সামগ্ৰীৰে ভৰা ডাঙৰ-ডাঙৰ দোকান আদি দেখিলে ভাব হ'ব যেন মহানগৰখনৰ যাৱতীয় আয়োজন বম্বেৰ দৰে মহানগৰৰ আধা কোটিৰ ওচৰাউচৰি অধিবাসীৰ বাবেহে। মোৰ বোধেৰে বাৰ্ন, বন, ক'ল'ন, মাইন্‌জ আদি মহানগৰক ভাৰতীয় ভাষাত পুৰ বুলিহে কোৱা উচিত।

আমি মাইন্‌জলৈ অহাৰে পৰা ভাবি থৈছোঁ যে ছুইজাৰলেণ্ডলৈ যাবই লাগিব। নগ'লে জীৱনত ডাঙৰ ভুল কৰা হ'ব। ইউৰোপৰ বেছি ভাগ চহৰ বা মহানগৰৰ বাহ্যিক চেহেৰা প্ৰায় একেই। কিন্তু পাহাৰ-পৰ্বতৰ দেশ ছুইজাৰলেণ্ডৰ চহৰ বা মহানগৰ একে ধৰণৰ নহ'ব

বুলি আমাৰ ধাৰণা। তদুপৰি সকলৰে পৰা এই দেশৰ প্ৰাকৃতিক সৌন্দৰ্যৰ কথা শুনি আছোঁ। আৰু এটা কাৰণ আছে। আন দেশত থকা ছুইজাৰলেণ্ডৰ কনছুলেটসমূহে সহজে ছুইজাৰলেণ্ডলৈ যাবলৈ ভিছা দিয়ে। কিন্তু বৃটেইন আদি কেইখনমান দেশৰ দূতাবাসে ভিছা দিবৰ সময়ত এজন ভাৰতবাসীৰ পৰা ইমানবোৰ কৈফিয়ৎ বিচাৰে যে ভিছাপ্ৰাৰ্থীজন যেন কোনোবা দুৰ্ধৰ্ষ দস্যু বা সন্ত্ৰাসবাদীহে।

মোৰ ছুইজাৰলেণ্ডৰ ভিছা পোৱা সহজ হ'ল। কাৰণ, জেনেভাত থকা বিশ্ব বতৰবিজ্ঞান সংগঠন (World Meteorological Organisation) চাবৰ বাবে মই আৰু মাধুৰীয়ে আগতীয়াকৈ অনুমতি পাইছিলো। বাৰ্নত দুদিনমান থকাৰো আমাৰ এটা বিশেষ সুবিধা ওলাল। ফ্ৰেংকফাৰ্টত চাকৰি কৰা যোৰহাটৰ নিৰঞ্জন বৰদলৈৰ ভনীয়েক মালতী বৰদলৈ বাৰ বছৰ ধৰি বাৰ্নত আছে। তাত তেওঁৰ বিশিষ্ট ছুইছ বন্ধু ড. গিডো লিব্‌ব্ৰেণ্ড্‌ট (Guido Leibbrandt) আছে। তদুপৰি আমি পশ্চিম জাৰ্মেনিত ভৰি দিয়া দিন ধৰি মালতীয়ে ফোন যোগে আমাক বাৰ্নলৈ মাতি আছে। তেওঁ কৈছে, "জেনেভাতকৈ বাৰ্নত থাকি বেছি ভাল পাব। জেনেভাত ৰাষ্ট্ৰসংঘৰ বিয়াগোম কেন্দ্ৰবোৰ পাব। নগৰতো ধুনীয়া। কিন্তু সাধাৰণতে মানুহবোৰ বেছি মেটেৰিয়েলিষ্ট আৰু আত্মকেন্দ্ৰিক যেন লাগে।"

আমি অক্টোবৰৰ (১৯৮৯) বিছ তাৰিখে দিনৰ এঘাৰ বাজি চাৰি মিনিটত বাৰ্নলৈ বুলি ৰেলগাড়ীত উঠিলো। চাৰি ঘণ্টাৰ পাছত বাৰ্ন পোৱাৰ কথা।

দুখন দেশৰ সীমান্তত বাজল চহৰ। তাত দুটা ৰেল ষ্টেছন। এটা পশ্চিম জাৰ্মেনিত আৰু ইটো ছুইজাৰলেণ্ডত। সীমা এটা আছে কিজানি। ছুইজাৰলেণ্ডৰ বাজলত পাছপ'ৰ্ট আৰু ভিছা বিচাৰে। তথাপি ভাব হয়, বাজল যেন দুয়োখন দেশৰে উমৈহতীয়া নগৰ। বাজল পাওঁতেই আমি অনুমান কৰিব পাৰিলোঁ যে ৰেলগাড়ীখন পাহাৰীয়া অঞ্চলেদি আহি বাজল পাইছেহি। তাহাৰ পৰা পাহাৰ

ৰগাই ৰেলগাড়ী গৈ আছে। কাষৰ বিস্তীর্ণ সেউজীয়া ঘাঁহনিত চৰি থকা গৰু-গাই, ভেড়া আদি দেখি আমি বিমোহিত হৈছোঁ। মাজে-মাজে ওচৰত একোটা ঘাঁহ-বন থকা সেউজ পাহাৰে নাইবা অপূর্ব সুন্দৰ বননি ভাৰ বোৱা নানা-ৰঙী পাহাৰে ভুমুকি মাৰিছে। মাজে-মাজে আকৌ দূৰণিৰ গিৰিমালাই আমাক এখন অপার্থিব জগতলৈ লৈ গৈছে।

এতিয়া পশ্চিম জার্মেনিত আৰু ছুইজাৰলেণ্ডত শৰত কাল চলিছে। অসমৰ শৰতৰ দৰে ইয়াৰ শৰতত আকাশ নির্মেঘ নহয়; ৰাতি যমুনাতীৰৰ শৰতৰ দৰে ইয়াত জোনৰ কোমল জেউতিও নাই। তথাপি ইয়াত শৰতৰ আগমনৰ বাতৰি পাইছোঁ—বননিত, প্ৰতিজোপা গছৰ ৰূপত।

আমি পোনতে অহাৰ সময়ত ইয়াত আছিল বসন্ত। ইয়াত বসন্তৰ পাছত গ্ৰীষ্মকাল নহয়, শৰত কালহে হয়। তেতিয়া বসন্তত গছ-গছনি আছিল ডাঠ সেউজীয়া। কিন্তু শৰত অহাৰ লগে-লগে গছ-গছনিয়ে নতুন ৰূপ ললে। প্ৰতি জোপা গছৰ পাতে একোটা নতুন ৰং ললে। পাতল হালধীয়া, ডাঠ হালধীয়া, আজাৰফুলীয়া, নাহৰ-ফুলীয়া, ৰঙা, বেঙুনীয়া আদি বহু ৰং। ইন্দ্ৰধনুৰ সাতোটা ৰং যেন মৰতলৈ নামি আহিল আৰু এই সাতোটা ৰঙে যেন অজস্ৰ প্ৰকাৰে মিলিত হৈ অজস্ৰ ন-ন ৰং ধৰণীত সিঁচি দিলেহি। প্ৰতিজোপা গছ যেন অকস্মাতে এটি-এটি গছৰ সমান ফুল হৈ পৰিল।

পশ্চিম জার্মেনিৰ আৰু ছুইজাৰলেণ্ডৰ সুউচ্চ ভূমিৰ তৃণ-তৰু-লতাৰ এনে অজ্ঞাতপূর্ব অপৰূপতা দেখি মোৰ দৰে কেতিয়াও কবিতা নিলিখা আৰু বহু কবিতাক সৌন্দর্যতত্ত্বৰ ফালৰ পৰা হৃদয়ংগম কৰিব নোৱাৰা, আৰু কোনোমতে কাহিনীকাৰ হোৱা মানুহটোৰো ভাব হ'ল যে সমুদ্ৰপৃষ্ঠৰ বহু ওপৰত থকা ছুইজাৰলেণ্ডৰ বনভূমিৰ পৰা কিজানি স্বৰ্গ বেছি দূৰৈত নহয়; সৃষ্টি কৰ্তাও যেন নিচেই ওচৰতে আছে।

এই অপূৰ্ব শোভা উপভোগ কৰাৰ সময়তে ভূপেন হাজৰিকাৰ 'ৰং কিনিবা কোনে' শীৰ্ষক গীতটোৰ এছোৱা ভুনভুনালো :

সেউজীয়া ঠোৰ মেলা ধাননিতে
বৰপথাৰৰ সীমা মিলা নীলাখিনিতে
উৰি ফুৰা বগটি লুকালে,
বগপাখিৰ বগা বিচাৰি
খালেঁ৷ মই হাবাথুৰি
উৰি ফুৰা বগটি হেৰালে।
সেউজীয়া ৰহণ সানি, সেন্দুৰি আলিৰে গ'লোঁ৷
সুকুম ককাইক লগ পাবৰ মনে
সুকুমে বোলে সকলো ৰঙৰ
খেলা কৰে,
ইন্দ্ৰ ধনুখনে......

ৰেলগাড়ীখন ব্যস্ত বাৰ্ন ষ্টেছনত ৰ'লহি। মোৰ মোহাবিষ্ট মনটো এতিয়া মানুহৰ পৃথিৱীখনত। মই হাতত ছুটকেছটো লৈ ভূগৰ্ভৰ ষ্টেছনটোৰ প্লেটফৰ্মেদি এটা কথাই ভাবি আহিছোঁ : ইয়াৰ প্ৰকৃতি মানুহৰ পৰশত অধিক অপৰূপা হৈ পৰিছে। তাকো বিজ্ঞানাশ্ৰয়ী সৌন্দৰ্যপ্ৰিয় মানুহৰ। কাৰণ ইয়াৰ পাথৰ-সমাৰ, নদী-সৰোবৰ, পৰ্বত-পাহাৰ, অৰণ্য-মহানগৰ সকলোতে বিজ্ঞান-প্ৰযুক্তিকৌশলৰ লগত প্ৰকৃতি আৰু সৌন্দৰ্যবোধৰ সমন্বয় ঘটিছে।

বাৰ্ন আমাৰ কাৰণে নতুন মহানগৰ যদিও ৰেল ষ্টেছনৰ কাষৰ ব্যস্ত অংশটোত সহজে উপস্থিত হ'লোহি। কাৰণ এইটো ৰেল-ষ্টেছনৰ আৰ্হিও ফ্ৰেংকফাৰ্টৰ দৰেই। খবৰ পৰিবেশন কৰা ঠাই, ওপৰলৈ উঠা আৰু তললৈ নমা চলমান খটখটিবোৰ আৰু কাঁড়ৰ যোগেদি নিৰ্দেশ দিয়াৰ ধৰণ একেই। ছুইছ ফ্ৰাংকৰ মুদ্ৰা এটা ভৰাই দি আলিৰ দাঁতিত থকা টেলিফোনৰ পৰা মালতী বৰদলৈলৈ ফোন কৰিলো। তেওঁ আমাক নিজৰ ঘৰলৈ লৈ গ'লহি।

ঘৰ মানে এটা বৃহৎ অট্টালিকাৰ পাঁচ তলাৰ এটা ফ্লেট; অর্থাৎ কেইটামান কোঠাৰে সৈতে এটা আবাস। চাৰিটামান কোঠা আছে। তেওঁ বেচ ভালকৈ থাকে। থকা-খোৱাৰ ধৰণত সচ্ছলতাৰ চিন স্পষ্ট। তেওঁ জাৰ্মান, ফ্রেঞ্চ আৰু ইংৰাজী ভাষাত নিখুঁত উচ্চাৰণৰে সাবলীলভাৱে কথা ক'ব পাৰে। এইটো কম গুণ নহয়। তাৰ প্ৰমাণ পালো তেওঁৰ ওচৰলৈ অহা বান্ধৱী দুগৰাকীমানৰ লগত কথা পাতোঁতে। মই তেওঁক ইউৰোপৰ ভাষাত ব্যুৎপত্তি থকাৰ বাবে প্ৰশংসা কৰোঁতে তেওঁ কথাপ্ৰসংগত ক'লে, "মোৰ গুৱাহাটীত দুজনীমান অসমীয়া বান্ধৱী আছে। ডাঙৰ মানুহৰ ঘৰৰ ছোৱালী। মই হেঁপাহেৰে অসমীয়া কওঁ, আনৰ মুখত বহুত দিনৰ মূৰত অসমীয়া শুনিবলৈ ভাল লাগে বাবে। কিন্তু তেওঁলোকে আকৌ মোৰ লগত ইংৰাজীতহে কথা পাতে। তেওঁলোকৰ মানত অসমীয়া যেন এটা ভাষাই নহয়।"

ছোৱালীজনী যথেষ্ট স্মাৰ্ট অৰ্থাৎ তজবজীয়া। বাৰ বছৰ বিদেশত আছে আৰু বিদেশীৰ দৰে সাজপাৰ পিন্ধিছে যদিও চকু-মুখৰ কমনীয়তা অসমীয়া ছোৱালীৰ দৰেই হৈ আছে। পিছে তেওঁ খুব কথা কয়। আগতে কোৱা নহ'ল বুলি ভাবি হয়তো এটা কথা দুবাৰমান কয়। কথা শুনিলে পেটত কথা নথকা ছোৱালী যেন লাগে।

তাৰ প্ৰমাণ পালো এটা কথাত। তেওঁ এজন দক্ষিণ ভাৰতীয় গুৰুৰ ওচৰত যোগাসন আৰু ভাৰতনাট্যম শিকে, একজ বহু বছৰৰ আগতে অহা বাঙালী ভদ্ৰলোকৰ পৰা চেতাৰ শিকে আৰু জাৰ্মান ভাষাত হিন্দু ধৰ্মৰ কিতাপ পঢ়ে। ইউৰোপৰ বক্ষস্থলত থাকিও তেওঁ মাছ-মাংস নাখায়। তাকে গম পাই মই আচৰিত হ'লো। কাৰণ ইয়াত মাছ-মঙহ, ৱাইন আদি নোখোৱাৰ দৰে বিৰল ব্যতিক্ৰমৰ অসমীয়াৰ অসমলৈ গৈ আমি টেঙা জোলেৰে ৰন্ধা মাছ নোখোৱাৰ লগতহে তুলনা হ'ব পাৰে। নিৰামিষ আহাৰক বৈজ্ঞানিক যুক্তিৰে সমৰ্থন কৰি ভালেমান অনাতাঁৰ কথিকা পাঠ কৰিব পৰা যোগ্যতা

মোৰ থাকিব পাৰে, কিন্তু অন্তৰেৰে সমৰ্থন কৰিবলৈ টান পাওঁ; কাৰণ জিভাত জুতি পাওঁ—অৰ্থাৎ আজন্ম খাদ্যাভ্যাসৰ কাৰণেই।

কিন্তু শৰীৰ ব্যাধিশূন্য ৰখাৰ বাবে আৰু লগতে সক্ষমভাৱে বহু বছৰ জীয়াই থাকিবৰ বাবে মালতীয়ে নিৰামিষ আহাৰ খায় বুলি জানি প্ৰশংসা কৰোঁতে তেওঁ সুধিলে,

"মোৰ বয়স বাৰু কিমান হ'ল ?"

"মই ক'লো ত্ৰিছৰ কম। পঁচিছৰ পৰা সাতাইছৰ ভিতৰত।"

আচলতে তেওঁ তেনে বয়সৰ গাভৰু যেনেই লাগে। তেওঁ বৰ উৎফুল্ল হৈ ক'লে, "মোৰ বয়স আচলতে চৌত্ৰিছ।"

আচল বয়স স্বীকাৰ কৰাতেই—তাকো উপযাচি—তেওঁৰ হলহলীয়া স্বভাৱটো ওলাই পৰিল। মই আগতে ভাবিছিলো যে ঋষি-মুনিয়ে আৰু তিৰোতাইহে নিজৰ বয়সৰ কথা নকয়। কিন্তু মালতীয়ে ক'লে বাবে মই এনে এটা মতামত দিলো: ধন্যবাদ, মালতী। পিছে এনে পেটত কথা নৰখা স্বভাৱটোৱে তোমাক এদিন বিপদত পেলাব। ইতিমধ্যে বিপদত পৰিছা যদিও মই নাজানো।

তেওঁ একো নামাতিলে। আমি আহিম বুলি জানি তেওঁ হেনো দুদিনমানৰ পৰা উখলমাখল লগাই আছে। আমি তেওঁৰ তালৈ অহাৰ আগদিনা ককায়েক নিৰঞ্জন বৰদলৈয়ে ফোন যোগে আমাক জনালে। এতিয়া তেওঁৰ অতিথি শুশ্ৰূষাৰ প্ৰমাণ পালো।

টেবুলত ইটালিৰ আঙুৰ। পাঁচ দিনমানৰ আগতে তেওঁ ইটালি আৰু গ্ৰীছ ফুৰি আহিছে। এয়া তাতে কিনা আঙুৰ। তাকে মুখত দি সুকীয়া সোৱাদ পাইছোঁ। তেওঁ প্ৰতি বছৰে এবাৰ দূৰৈলৈ ফুৰিবলৈ যায়। তেওঁৰ ভাষাত কথাটো এনেকুৱা: সাধ্য মতে কম খৰচত চলিবলৈ চেষ্টা কৰোঁ আৰু ৰাহি ধনেৰে ফুৰিবলৈ যাওঁ। এৰা, এদিনতো মৰিমেই। তাৰ আগতে পৃথিৱীখন সাধ্য মতে চাই লোৱা ভাল। কি কয় ?

তেওঁ অৰণ্যে মোৰ উত্তৰলৈ বাট নাচায়। তেওঁ কথাৰ সোঁতত

সাধাৰণতে যতি নপৰে। পিছে বেছেৰীৰ আমাক সন্তুষ্ট কৰিবলৈ অপৰিসীম প্ৰচেষ্টা। বাৰে-বাৰে বাইদেউ কি লাগিব, দাদা কি লাগিব বুলি সুধি থাকে। আমি হ'ব, হ'ব, চব ঠিক আছে বুলি বাৰে-বাৰে কওঁ যদিও তেওঁ কয়, "বিদেশত থকা ছোৱালী; বেছি আওভাও নাপাওঁ। বেয়া-চেয়া নাপাব।"

তেওঁ আমাৰ কাৰণে অসমৰ চাহ আনি থৈছে; কোনোবা ভাৰতীয় দোকানৰ পৰা বুন্দিয়াৰ লাড়ুও। তেওঁ অসমীয়া আঞ্জা ৰান্ধিবলৈ চেষ্টা কৰিছে। মাছ নাপালে বাবে কুকুৰাৰ মঙহৰ আঞ্জা খুৱাইছে। ভাত আকৌ বাচমতী চাউলৰ।

ৰাতিৰ আহাৰৰ পাছত মালতীৰ পৰা ছুইজাৰলেণ্ডৰ কথা জানিবলৈ কথাৰ চলতে ভালেমান প্ৰশ্ন কৰিছোঁ। কাৰণ মোৰ দৃষ্টি আৰু অনুমানতকৈ তেওঁৰ বাৰ বছৰীয়া অভিজ্ঞতাৰ মূল্য বেছি।

তেওঁ ভাবে যে ইউৰোপতো বহুতৰ কাৰণে বিদ্যা হ'ল অৰ্থো-পাৰ্জনৰ এটা আহিলাহে। ছুইজাৰলেণ্ডত নিবনুৱা সমস্যা সমূলি নাই। গতিকে বেছি ভাগ ডেকাগাভৰুৱে মাধ্যমিক শিক্ষা সাং কৰিয়েই কামত সোমায়। ধনী মানুহৰ ল'ৰা-ছোৱালীয়েহে উচ্চ শিক্ষা লাভ কৰে।

তেওঁৰ ঘৰত কিছুমান জাৰ্মান কিতাপ দেখিলো, যিবোৰৰ বেটু-পাতটো চায়েই হিন্দু ধৰ্মৰ কিতাপ বুলি ধৰিব পাৰি। ছুইজাৰলেণ্ড বা পশ্চিম জাৰ্মেনিত থকা কোনোবা ভাৰতীয় সাধুৱে পাঠ্যপুথিৰ দৰে সহজে বুজিব পৰাকৈ এই কিতাপবোৰ লিখিছে। হিন্দু ধৰ্মৰ বৈশিষ্ট্যৰ প্ৰতি ইউৰোপৰ মানুহৰ শ্ৰদ্ধা আছে। নহ'লে মিউনিক সংস্কৃত শিক্ষাৰ প্ৰধান পীঠস্থান নহ'লহেঁতেন আৰু ইউৰোপে মেক্স মুলাৰৰ দৰে পণ্ডিত এজনৰ জন্ম দিব নোৱাৰিলেহেঁতেন। এনে অবিচ্ছেদ্য ঐতিহ্য থকাৰ বাবেই হয়তো ইউৰোপত হিন্দু ধৰ্মৰ কিতাপ বিক্ৰি হয় আৰু সম্প্ৰতিৰ ইউৰোপবাসীয়ে ভাৰতীয় ধৰ্মাত্মা-সকলৰ শিষ্যত্বও গ্ৰহণ কৰে।

আচৰিত কথা যে জাৰ্মান আৰু ফৰাছী ভাষাত সত সাই বাবা, ৰাজনীশ আদিৰ কিতাপো আছে। মালতীৰ ঘৰতে এইবোৰ কিতাপ দেখিলো।

বিদেশত থকা সাধুমহাত্মাসকললৈ সেই বুলি মোৰ শ্ৰদ্ধা ন'হল। কাৰণ নিজ দেশত ধৰ্মই পশ্চাদগামী ভূমিকাহে গ্ৰহণ কৰিছে। ভাৰতত এতিয়া এজন কবীৰ, শংকৰদেৱ বা বিবেকানন্দৰ প্ৰয়োজন হৈছে। যিসকল সাধু-সন্ন্যাসী আছে তেওঁলোকে ধৰ্মক প্ৰভুত্ব বিস্তাৰৰ আহিলা হিচাপেহে ব্যৱহাৰ কৰিছে। গতিকে ইউৰোপ-আমেৰিকাত বাজী মাত কৰা আমাৰ দেশৰ সাধু বা যোগীসকলে ভাৰতত থাকিহে ধৰ্মৰ ইতিবাচক দিশটো সাধাৰণ ৰাইজক বুজোৱা উচিত আছিল। এতিয়া এওঁলোক এইবোৰ দেশত থিতাপি লোৱাৰ দুটা কাৰণ থাকিব পাৰে: আৰাম আৰু পলায়নবাদ।

মোৰ মতামত মই মালতীক ব্যক্ত কৰিলো। তেওঁ মানি ললেনে নাই বুজিব নোৱাৰিলো।

মই আকৌ ক'লো, "ইউৰোপত গীৰ্জা কেথেড্ৰেলহে আছে। কিন্তু আধুনিক বিজ্ঞানে, প্ৰযুক্তিবিদ্যাই আৰু শিল্পায়নে মানে ইণ্ডাষ্ট্ৰিয়েলাই-জেশ্যনে আধ্যাত্মিকতাক মাৰি পেলালে। সেই কাৰণেই হয়তো কিবা নতুনৰ সন্ধানত মানুহৰ হিন্দু ধৰ্মলৈ আকৰ্ষণ হৈছে। হয়তো বিকল্প বিচাৰি—perhaps in search of an alternative. কি কোৱা?"

মুখৰা মালতী কিছুপৰ স্তব্ধ। তেওঁ শেষত ক'লে, "এৰা, ঐশ্বৰ্যই সকলো নহয়। All the we enjoying here is not what we seek. মানুহক বোধকৰোঁ শান্তিৰ বাহিৰে আন একো লগা উচিত নহয়। সেইবাবেই ধৰ্মৰ প্ৰয়োজন। এইবোৰ সেই বাবে পঢ়ো।"

"বিকল্প হিচাপে? As alternative only?"—মই সোধোঁ।

তেওঁ দুখ মনেৰে কয়, "হয়তো বিকল্প। এনেকৈয়ে হয়তো চৰম কিবা এটা বিচাৰি পাব পাৰি।"

ওছনাব্রুক, পশ্চিম জাৰ্মেনি,

২।১১।৮৯

তেৰ

পুৱাই গাড়ী লৈ নিৰঞ্জন ববদলৈৰ বন্ধু ড. গিদো লিব্রেশ্ট ওলালহি। তেওঁ জুৰিকৰ চিকিৎসক। ধনীৰ সন্তান। আমাক ফুৰাবলৈকে বাৰ্নলৈ আহিছে। অৱশ্যে মালতী আৰু নিৰঞ্জনৰ অনুৰোধত।

এখ-পাখ স্বাস্থ্যবান মানুহজন বেচ গহীন। হাঁহিটো সৌহাৰ্দ্য-পূৰ্ণ। তেওঁ ভাল ইংৰাজী কয়। তেওঁ আমেৰিকালৈকো গৈছিল। বয়স চল্লিছৰ ওচৰা-উচৰি। তেওঁ ইণ্টাৰনেল মেডিছিনৰ বিশেষজ্ঞ। পোনতে চিকিৎসাক কেন্দ্ৰ কৰি তেওঁ লগত আলাপ হ'ল। তেওঁৰ মতে কোনোটো চিকিৎসা পদ্ধতিয়েই সৰ্বশ্ৰেষ্ঠ বুলি দাবী কৰিব নোৱাৰে। প্ৰত্যেকটো পদ্ধতিৰে নিজা বৈশিষ্ট্য আছে। এলোপেথিক পদ্ধতিত দৰবৰ বিষম প্ৰতিক্ৰিয়া আছে বাবে বহু মানুহ হেমিওপেথিক চিকিৎসাৰ প্ৰতি আকৃষ্ট হৈছে। সম্প্ৰতি হোমিওপেথিক চিকিৎসাৰ বিষয়ে প্ৰচুৰ প্ৰচাৰো হৈছে। বহু লোকে প্ৰাকৃতিক চিকিৎসাৰ পৰা ফল পাইছে। কিন্তু একুপাংচাৰ চিকিৎসাৰ বিষয়ে চীনদেশে কৰা প্ৰচাৰক তেওঁ বিশ্বাস নকৰে। এই চিকিৎসা সিমান ফলপ্ৰসূ বুলি তেওঁ নাভাবে। ই মাত্ৰ কেইবিধমান ৰোগহে ভাল কৰিব পাৰে বুলি তেওঁ ভাবে।

তেওঁৰ মতে ইউৰোপত হৃদয়যন্ত্ৰৰ ৰোগেই বেছি। ইয়াৰ বাবে খাদ্যৰ কুঅভ্যাসতকৈ মানসিক দ্বন্দ্ব মানসিক চাপ আৰু উদ্বিগ্ন তাহে অধিক দায়ী। জাপানৰ মানুহে খুব কাম কৰে। জাপানীৰ অভিধানত বিশ্ৰাম বেলা শব্দটো নাই। তাৰ মানুহৰ এই তিনিটা

বদগুণ—মানসিক দ্বন্দ্ব, মানসিক চাপ আৰু উদ্বিগ্নতা—খুব বেছি কাৰণে জাপানত স্বাস্থ্যৰক্ষা এটা ডাঙৰ সমস্যা হৈ পৰিছে।

ড. গিদো ছুইজাৰলেণ্ডক লৈ পৰম গৰ্বিত। তেওঁ কয়, "ইউৰোপত একমাত্ৰ ছুইজাৰলেণ্ডতহে নিবনুৱা সমস্যা নাই। ইয়াৰ কাৰণ হ'ল আমাৰ সুপৰিকল্পিত সদা-সম্প্ৰসাৰিত অৰ্থনীতি। আমি কেৱল ঘড়ি বিক্ৰি কৰি চলা জাতি নহওঁ। আমাৰ সমৃদ্ধিৰ কাৰণ হ'ল শিল্প-উদ্যোগ, যন্ত্ৰপাতিৰ ৰপ্তানি, বেংকৰ যোগে ব্যৱসায় আৰু পৰ্যটন। পৃথিৱীৰ সকলো মানুহৰ ছুইজাৰলেণ্ডলৈ সমাগম হয়। ইয়াৰ এখন সৰু চহৰতো এটা আন্তৰ্জাতিক চৰিত্ৰ আছে। ইয়ালৈ যি আহে সেয়ে চাকৰি পায়। সেয়েহে ইয়াত তিনিটা ভাষা সমানে চলে। আনহাতে ইউৰোপৰ আন দেশে আনক চাকৰি দিয়ক চাৰি নিজেহে নিবনুৱা সমস্যাত ভুগিছে। ইউৰোপত মুঠ নিবনুৱাৰ সংখ্যা ১০ নিযুত।"

ড. গিদোক মই এটা কথা সুধিলো: "পশ্চিমৰ দেশসমূহে কেঁচা সামগ্ৰী আনে তৃতীয় বিশ্বৰ দেশসমূহৰ পৰা। কিন্তু এইবোৰ দেশে যদি ব্যৱহাৰ্য সকলো দ্ৰব্য নিজৰ কলকাৰখানাত প্ৰস্তুত কৰিব পাৰে, তেনেহ'লে আপোনালোকৰ দেশসমূহৰ অৱস্থা কাহিল নহ'বনে?"

তেওঁ অলপ ভাবি-চিন্তি ক'লে, "প্ৰকৃততে যদি তৃতীয় বিশ্বৰ দেশসমূহ শিল্প-উদ্যোগত আমাৰ নিচিনা হয়, তেনেহ'লে আমাৰ এটা ডাঙৰ সমস্যা হ'ব। কিন্তু আমাৰ লগত শিল্প উদ্যোগৰ ক্ষেত্ৰত আপোনালোকৰ ব্যৱধান ইমান বেছি যে এই ব্যৱধান সহজে নাইকিয়া কৰিব নোৱাৰিব। সেই বাবেই আমি এনেকৈ চলি থাকিম। উদ্যোগৰ সকলো সা-সুবিধা (infra-structure) আমাৰ আগৰ পৰাই আছে। গতিকে আমাৰ উন্নতি কৰিবলৈ সুবিধা। তদুপৰি বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ গৱেষণাৰ লগত আমাৰ শিল্পজগতৰ সম্পৰ্ক গভীৰ। ইয়ো আমি আগবাঢ়ি থকাৰ অন্যতম কাৰণ। এছিয়াৰ সকলো দেশ সেই কাৰণেই জাপানৰ দৰে হ'ব নোৱাৰে।"

সেইদিনা আছিল শনিবাৰ। এৰৈছ অক্টোবৰ। বাৰ্নৰ আকাশত ডাৱৰ নাই। ৰ'দ পৰিছে। সেয়েহে আমি আটাইবোৰ গৰম কাপোৰ পিন্ধিব লগা হোৱা নাই। মোৰ গাত কেৱল কোটটো। মোৰ ছুৱেটাৰৰ দৰকাৰ হোৱা নাই।

আমি সেই দিনা এছোৱা বাট ছিটি বাছেৰে গৈ গোলাপৰ বাগিচা এখনত ঘূৰিলো। তাৰ পাছত পুৰণি বাৰ্নলৈ গৈ আৰ্কডেদি খোজ দি, কাচৰ মাজেদি দোকানৰ বিবিধ সামগ্ৰী চাই এঠাইত তুপৰীয়াৰ আহাৰ খালো। তাৰ পাছত নতুন বাৰ্নলৈ আহি নতুন ধৰণৰ ঘৰবোৰ চাই আকৌ পুৰণি বাৰ্নলৈ আহিলো। কাৰণ তাৰ পাৰ্লিয়ামেণ্ট ভৱনৰ আগত ছুইজাৰলেণ্ডৰ সকলো ঠাইৰ পৰা বহুত মানুহ আহি দেশখনে সৈন্যবাহিনী এটা ৰখাৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰিব।

আমি সেই ঠাই পালোহি। পাৰ্লিয়ামেণ্ট ভৱন পোৱাৰ বহু আগৰে পৰা ৰাজপথত অগণন মানুহ। পাৰ্লিয়ামেণ্ট পাৰ হৈ পোৱা এলানি ওখ ঘৰৰ মাজৰ ঠাইতো বহুত মানুহ। এই ঠাইত সপ্তাহত তুবাৰ হাট বহে;—শনি আৰু মঙলবাৰে। গতিকে আজি হাট বন্ধ। হাটতো বিক্ষোভকাৰী। তাতে আকৌ খোৱা-বোৱাৰ ব্যৱস্থাও চলিছে। বেপাৰীয়ে জনতাক দেখি এই ব্যৱস্থা কৰিছে। কফি, বিয়েৰ, ৱাইন আদি খুব চলিছে।

এই প্ৰচণ্ড বিক্ষোভ-প্ৰদৰ্শনত কোনো ৰণধ্বনি নাই, কোনো উত্তেজনা নাই, কোনো ব্যক্তিগত হিংসা-বিদ্বেষ নাই। মানুহে মাথোন গোট খাই নিজৰ দাবীৰ সপক্ষে দেশবাসীৰ সমৰ্থন বিচাৰিছে। এই জনতা শান্তিকামী জনতা। এওঁলোকৰ মানত সমগ্ৰ বিশ্বই এখন ঘৰ। এওঁলোকে বিচাৰে যুদ্ধৰ সলনি মানৱৰ পাৰস্পৰিক প্ৰেম। ছুইজাৰলেণ্ডে এই শতিকাৰ আৰম্ভণিৰে পৰা তাৰে পৃষ্ঠপোষকতা কৰি আহিছে।

আমি এখন ৰেস্তোঁৰাৰ ওপৰ মহলাত ইটালীয় কফি খাই তলৰ সাগৰসংকাশ জনতালৈ চাই এনেবোৰ কথাই আলোচনা কৰিছোঁ।

ড. গিদোৱে কৈছে, "ছুইজাৰলেণ্ডৰ গণতন্ত্র হ'ল প্রত্যক্ষ গণতন্ত্র। অর্থাৎ দেশৰ কিছুমান প্রধান সমস্যাৰ ওপৰত পার্লিয়ামেণ্ট সিদ্ধান্ত লব নোৱাৰে। ৰাইজে সেই সমস্যাটোৰ ওপৰত ভোট দিহে সিদ্ধান্ত লব লাগে। সেনা বাহিনী ৰাখিব লাগেনে নালাগে ইয়াকে লৈ আমাৰ ইয়াত ঘোৰ বিতর্ক চলিছে। সেয়েহে অলপতে এই বিষয়ে ৰাইজে ভোট দিব। সেইবাবেই পার্লিয়ামেণ্টৰ আগত এই মেলা। কিন্তু এওঁলোক হাৰিব। মোৰ অনুমান, শতকৰা সত্তৰ ভাগ মানুহে সৈন্য বাহিনী ৰক্ষাৰ সপক্ষেহে ভোট দিব।"

কথাটো জানি বেয়াহে লাগিল। কাৰণ উন্নত দেশসমূহৰ এবছৰৰ যুদ্ধ-প্রস্তুতিৰ খৰচেৰে পৃথিৱীৰ সকলো মৰুভূমিত খেতি কৰিব পাৰি আৰু কোটি-কোটি অনাহাৰী-অর্ধাহাৰী মানুহক দুবেলা দুমুঠি খুৱাব পাৰি। কিন্তু যি দেখা গৈছে—ডাঙৰ যুদ্ধ নালাগিলেও পশ্চিমৰ দেশসমূহত যুদ্ধৰ প্রস্তুতি চলিয়েই থাকিব। আনকি ৬৫ লাখ জনসংখ্যাৰ ছুইজাৰলেণ্ডেও সৈন্য বাহিনী পুহি ৰখাৰ কথা ভাবে আৰু যুদ্ধৰ অস্ত্রশস্ত্রও নির্মাণ কৰে।

আমি ৰেস্তোঁৰাৰ পৰা উঠি মালতীৰ ঘৰৰ ফালে খোজ দিলো। ড. গিদোৱে গাড়ীখন ননাৰ কাৰণ হ'ল, আজি পার্ক কৰিব নোৱাৰিব। আমাৰ ভৰি কেইখন চলিবকে নোখোজে। কাৰণ পার্লিয়ামেণ্ট ভৱনলৈ যোৱাৰ আগতে আমি বার্নৰ কেথেড্রেল চাবলৈ গৈ তাৰ সৰু চিৰিয়েদি ১০০ মিটাৰ ওপৰলৈ উঠি সমগ্র বার্ন মহানগৰৰ অপূর্ব শোভা চাইছিলো আৰু সুবৃহৎ আকাশচুম্বী কেথেড্রেলটোৰ সৌন্দর্য বাহিৰ আৰু ভিতৰৰ পৰা চাই অভিভূত হৈছিলো। বার্নত ন-পুৰণি অসংখ্য সুউচ্চ অট্টালিকাৰ উচ্চতাক চেৰ পেলাই এই বিশাল কেথেড্রেলটোৱে সগৌৰৱে থিয় দি আছে।

আমি চিৰিয়েই এশ মিটাৰ উঠিছিলো। সেইকাৰণে বৰ ভাগৰ লাগিছিল। ওপৰৰ পৰা বার্ন মহানগৰৰ ঘৰবোৰ সৰু-সৰু লাগিছিল। তেনেহ'লে আগৰ কাৰিকৰসকলে ইয়াক ইমান ওখকৈ সাজিলে

কেনেকৈ ? দক্ষিণ ভাৰতৰ মন্দিৰ কেইটামান দেখিও মোৰ মনলৈ এইটো ভাব হয়।

বাৰ্ন কেথেড্ৰেলৰ আধাৰশিলা স্থাপন কৰা হৈছিল ১৪২১ চনত আৰু নিৰ্মাণ কাৰ্য শেষ হৈছিল ১৫২৩ চনত। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে পোন্ধৰ-ষোল্ল শতিকাতো শিল আৰু লোহা ব্যৱহাৰ কৰা ডাঙৰ কাৰিকৰ আৰু স্থপতি আছিল। ইউৰোপৰ ইতিহাসত বহু আগৰে পৰা প্ৰতিভাশালী স্থপতিৰ অৱদান বিচাৰি পোৱা যায়। ইয়াত স্থাপত্যবিদ্যাৰ মহান ঐতিহ্য আছে আৰু যিকোনো লোকে এটা গীৰ্জা আৰু অট্টালিকাৰ সৌন্দৰ্য উপলব্ধি কৰিব পাৰে। এলবাৰ্ট পীৰৰ সুবিখ্যাত গ্ৰন্থ Spandau, The Secret Diary-ত পোৱা যায় যে পৃথিৱীৰ সৰ্বনাশ ঘটোৱা হিটলাৰৰ স্থপতি হোৱাৰহে অভিলাষ আছিল। স্থাপত্যবিদ্যাত তেওঁৰ অসামান্য জ্ঞান আছিল।

ভাগৰ লাগিছিল যদিও বাৰ্ন কেথেড্ৰেলৰ উচ্চতা, বিশালতা আৰু কাৰুকাৰ্যই সন্ধিয়ালৈকে মোৰ মনটো আচ্ছন্ন কৰি ৰাখিছিল।

বাৰ্নৰ পৰা ৫০ কিল'মিটাৰ দূৰৈৰ এখন ধুনীয়া চহৰ। মাজত এটা সৰু সৰোবৰ। তাত মানুহে সাঁতোৰে। সাঁতোৰাৰ সময়ত সৰোবৰত যৌবনৰ জোৱাৰ উঠে। ৰাতি সৰোবৰৰ কাষৰ শাৰী-শাৰী বিজুলী বন্তিয়ে ৰূপতে ৰহণ চৰায়।

চহৰখনৰ নাম মুৰ্টেন (Murten)। সৰোবৰটোৰ নাম কি নাজানো। আমি সন্ধিয়া সেই ঠাই ওলালোগৈ। সৰোবৰৰ পাৰত ভালেমান পৰ মুগ্ধ হৈ বহি থাকিলো। এইটোৱেই আছিল মোৰ গিৰি-সৰোবৰৰ দেশ ছুইজাৰলেণ্ডত দেখা প্ৰথম সৰোবৰ।

২২ অক্টোবৰ। দেওবাৰ আজি সন্ধিয়াৰ আগতে আমি জেনেভা পাবগৈ লাগিব। সেইবাবে ড. গিদোৰ গাড়ীত আমি আকৌ বহিলো। আজি বতৰ ফৰকাল। দক্ষিণে ১০০ কিল'মিটাৰমান আঁতৰত সুউচ্চ আল্‌পছ গিৰিমালা দেখা পোৱা যায়।

ড. গিদোৱে আমাক এখন স্বাভাৱিক বাতাৱৰণত জীৱ-জন্তু থকা, হাবি-বননিৰে ভৰা চিৰিয়াখানা এটালৈ লৈ গ'ল। চাই খুব ভাল লাগিল। এই চিৰিয়াখানাটো আকৌ বার্নৰ মুক্তাহাৰ স্বৰূপ আৰে নদীৰ তীৰত।

আৰে নদীত বিবিধ চৰাই দেখা যায়। পাতি হাঁহো দেখা পালো। বিবিধ চৰাইৰ কাকলিয়ে নদীখন মুখৰ কৰি তুলিছে। পাৰত বহুত মানুহ। ওচৰত আকৌ প্ৰাকৃতিক পৰিবেশত নানা জীৱ-জন্তু। চৌদিশ জীৱন্ত।

মই ৰাইন নদী দেখিছোঁ, ৰাইনৰ মিলি যোৱা মাইনো দেখিছোঁ। উত্তৰ জাৰ্মেনিলৈ যাওঁতে কেইবাখনো নাম নজনা নদীও দেখিছোঁ। কিন্তু আৰেৰ দৰে খৰস্ৰোতা জীৱন্ত নৈ আগতে দেখা নাছিলো। পাহাৰ বগাই আহি আৰু পাহাৰ বগাবলৈ আছে কাৰণেই আৰে ইমান জীৱন্ত আৰু খৰস্ৰোতা। বহল আমাৰ দিখৌৰ সমান। ইয়াৰ পানী ফটিকৰ ধাৰ যেন নিৰ্মল।

তাত মাছ মৰাৰ ব্যৱস্থাও আছে। বহুতে হুইল বৰশীও বাইছে।

ইয়াকে দেখি মনত পৰিছে অসমৰ কেইখনমান নদীলৈ। অসমৰ ৰাংচালি নামৰ বনভোজৰ ঠাইখন এনেকুৱা কৰিব পাৰি। কাৰবি আংলঙতো এনে ঠাই বিচাৰি পোৱা যাব। কিন্তু আমাৰ মানুহ নিশ্চেষ্ট। শিৱসাগৰৰ হ্ৰদৰ দৰে পুখুৰী কেইটাক পৰ্যটকৰ আকৰ্ষণীয় কৰি তুলিব পাৰি। কিন্তু তেনে চেষ্টা আমি এতিয়ালৈকে দেখা নাই।

আকৌ বার্নৰ কথালৈ আহোঁ।

বার্ন ফেডাৰেল চৰকাৰৰ ৰাজধানী আৰু ভালেমান আন্তৰ্জাতিক সংস্থাৰ প্ৰধান কেন্দ্ৰ। ই নিজৰা, গছ-গছনি আৰু উদ্যানৰ নগৰ। ইয়াৰ আয়তন হ'ল ৫২ বৰ্গ কিল'মিটাৰ। ইয়াৰ এক তৃতীয়াংশ ঠাই অধিকাৰ কৰিছে ৰাজহুৱা উদ্যান আৰু গছগছনিয়েহে।

বার্ন স্থাপিত হয় ১১৯১ চনত। কিন্তু নগৰখনৰ নিৰ্মাণ কাৰ্য

১৮ শতিকালৈকে চলে। ইয়াৰ আটাইতকৈ চাবলগীয়া বস্তু হ'ল সুউচ্চ কেথেড্ৰেলটো। তাৰ পাছতেই আৰে নদীৰ পাৰৰ জীৱ-জন্তুবোৰ। ইয়াৰ 'গোলাপ উদ্যান' আৰু উদ্ভিদ উদ্যান (Botanical garden) সঁচাকৈয়ে চিত্তাকৰ্ষক। ইয়াত পোন্ধৰটা যাদুঘৰেই আছে। সকলোবোৰ এদিনতে চোৱাটো অসম্ভৱ কথা। প্ৰায় ডেৰ লাখ মানুহৰ গুৰুত্বপূৰ্ণ চহৰখনত হোটেলেই ৪৬ খন আছে।

বাৰ্ন দুখন। পুৰণি আৰু নতুন বাৰ্ন।

পুৰণি বাৰ্ন নিৰ্মাণ কৰা হৈছিল—বাৰৰ পৰা ওঠৰ শতিকাৰ ভিতৰত। ইয়াৰ ভাস্কৰ্য মনোৰম। চাৰি মাইল জোৰা আৰ্কেডৰ সমীপত আৰু তলতো সুন্দৰকৈ সজাই থোৱা দোকানবোৰে পথিকৰ মনু বিভ্ৰান্ত কৰে। নগৰৰ এই পুৰণি অংশতো নতুন জীৱনৰ খলকনি শুনা যায়।

নতুন বাৰ্নখন নতুন যদিও ইয়াতো ওঠৰ শতিকাৰ ভাস্কৰ্যৰ প্ৰভাৱ বিদ্যমান। গতিকে বাৰ্ন নতুন আৰু পুৰণিৰ সংমিশ্ৰণত গঢ়ি উঠা এখন বৈশিষ্টপূৰ্ণ চহৰ।

ই এখন বিশ্ববিদ্যালয়ৰ চহৰো। বাৰ্ন বিশ্ববিদ্যালয় স্থাপিত হৈছিল ১৮৩৪ চনত। সম্প্ৰতি ই ছুইজাৰলেণ্ডৰ বুদ্ধিজীৱীসকলৰ কেন্দ্ৰ। এই বিশ্ববিদ্যালয়ে বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগ বঢ়াইছে। চন্দ্ৰৰ ওপৰত বেলা সৌৰ বতাহৰ বেগ জুখিবৰ বাবে এটা পদ্ধতি উদ্ভাবন কৰিছে—এই বিশ্ববিদ্যালয়ৰে কেইজনকমান গৱেষকে।

ছুইজাৰলেণ্ডক জানিবলৈ হ'লে আগতে বাৰ্নক জানি ল'ব লাগিব বুলি ইয়াৰ মানুহে কয়। ইয়াতহে ছুইজাৰলেণ্ডৰ আচল মানুহখিনি পোৱা যায় হেনো।

কাজল, পশ্চিম জাৰ্মেনি,

২।১১।৮৯

চৈধ্য

আৰে নদীৰ পাৰত স্বাভাৱিক অৱস্থাত থকা জীৱজন্তু আৰু বিবিধ চৰাই চাই থাকোঁতেই দিনৰ বাৰ বাজিল। জেনেভালৈ যোৱা এখন ৰেলগাড়ীৰ সময় পাৰ হ'ল। শেষ ৰেলগাড়ীখন যায় ডেৰ বজাত। আমি তাৰে এখন ৰেস্তোৰাত ইটালীয়ান ভাত খালোঁ। থকা ঠাইৰ পৰা মালবস্তু লৈ ষ্টেছনলৈ বুলি মটৰত উঠোঁতেই ভাবিলোঁ, এই ৰেলগাড়ীখনো কিজানি পোৱা নাযাব। ৰেল যোৱাৰ তিনি মিনিটৰ আগতে ৰেল ষ্টেছন পালোঁহি। কিন্তু পাৰ্ক কৰিবলৈ জেগা নোপোৱাত ড. গিডো গাড়ীতে থাকি গ'ল। মই, মাধুৰী আৰু মালতী দৌৰিব লগীয়া হ'ল। এবাৰ নামি প্লেটফৰ্ম নম্বৰ চাই ছুবাৰ ওপৰলৈ উঠি আমাৰ প্লেটফৰ্ম পাই ফোঁপাই-ফোঁপাই জিৰণি লবলৈ সময় নাপালোঁৱেই। ৰেলগাড়ী আহিলেই। আমি উঠিলো। ৰেল গাড়ী ৰোৱাৰ সময়খিনিতে সাত বছৰীয়া এলিছ আৰু ড. গিডোও ওলালহি। তেওঁলোকৰ পৰা বিদায় লৈ সঁচাকৈয়ে ছুখ লাগিল। দেখিলো যে ছুদিন আমাৰ লগত ধেমালি-ধুমুলা কৰি থকা পুতলা যেন এলিছৰ চকু চলচলীয়া। এলিছ মালতীৰ একমাত্ৰ সন্তান। মালতী আৰু ড. গিডোৰো মুখ ছুখন বিষণ্ণ।

ছুই মিনিটৰ পাছত ৰেলখন জেনেভাৰ ফালে চলিল। সেই দিনা আছিল ২২ অক্টোবৰ (১৯৮৯), দেওবাৰ।

নগৰ পাৰ হৈয়ে আকৌ ফুলাম গছ-গছনি, সেউজীয়া ঘাঁহেৰে ঢকা ওখ-চাপৰ ঠাইবোৰ, দূৰৈত ৰহস্যময় গিৰিমালা, কাষৰ ঘাঁহনিত চৰি থকা গৰুগাই, ভেড়া আৰু পোহনীয়া পছু। হয়তো কাষৰ বননিত বিবিধ চৰায়ে সুধাকণ্ঠৰে গীত জুৰিছিল। আমি হয়তো ৰেলৰ গুমগুমনিতহে শুনা নাছিলো।

ৰেলগাড়ীখন লাহে-লাহে ওখৰ পৰা বেছি ওখলৈ উঠি আহিছিল। কিন্তু তিৰ্যকভাৱে নহয়। অধিক উচ্চতালৈ ৰৈখিকভাৱে প্ৰসাৰিত কোণটো নিচেই কম আছিল। ৰেলপথটো এনেভাৱে নিৰ্মিত যে

ৰেলগাড়ীৰ ক্রমাৎ উৰ্ধগতি ধৰিবই নোৱাৰি। তথাপি আমি ধৰিব পাৰিলো যে ৰেলগাড়ীখনে পাহাৰ বগাইছে। য'ত পাহাৰ এটা অধিক তিৰ্যকভাৱে তাতে পাহাৰৰ তলৰ সুৰংগৰ মাজেদি ৰেলগাড়ী পাৰ হৈছে।

এনে দৃশ্য চাই-চুাই এঘণ্টা পাৰ কৰিলো। ইয়াৰ পাছতেই আকৌ নকৈ চমক লগোৱা দৃশ্য। আমাৰ বাঁওফালে উত্তৰ দিশ। সেই দিশে সুদূৰত আল্‌্ছ গিৰিমালা ৰ'দত ভিৰবিৰাইছে। আমাৰ নিচেই কাষতে এক সৰোবৰ। এই সৰোবৰটো ৰেলপথৰ প্ৰায় সমান্তৰাল হৈ আছে। সেই বাবে আমাৰ লগে-লগে সৰোবৰটো আহি থকা যেন লাগিছে। সাগৰ যেন সৰোবৰ। ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰৰ দৰে ইটো পাৰ মনিব নোৱাৰি।

সৰোবৰৰ ৰ'দ জিলিমিলি বুকুত ক্ষণে-ক্ষণে সুৰুযৰ বহুত ৰঙৰ খেলা। মাজে-মাজে আকৌ এই বুকুখন আকাশনীলা হয়। মনত ভাব হয় যেন নীলিম আকাশখন সকলো সম্পদেৰে সৈতে ধৰণীৰ বুকুলৈ নামি আহিছে।

দুকাষে পৰ্বত। দক্ষিণে আল্‌্ছৰ পাদদেশৰ পৰ্বত, উৰ্ধত ৰূপালী আল্‌্ছ আৰু উত্তৰে আমাৰ অজান গিৰিমালা। তাৰ মাজত ওৰ নপৰা সৰোবৰটো আৰু আমাৰ চলন্ত ৰেলগাড়ীখন।

আমি সঁচাকৈয়ে প্ৰকৃতিৰ অবৰ্ণনীয় অপৰূপতাৰ মাজত; এক অভূতপূৰ্ব নান্দনিক অনুভূতিৰ মাজত। এই অপৰূপতা আৰু অনুভূতিক ধৰি ৰাখিব পাৰি কবিতাৰে, কবিতাৰ চিত্ৰকল্পৰে। নতুবা শিল্পীৰ তুলিকাৰে। কিন্তু স্থিৰ চিত্ৰ তুলিব পৰা কেমেৰাৰে এনে অপৰূপ পটভূমিক সামগ্ৰিকভাৱে ধৰি ৰাখিব নোৱাৰি কিজানি বিখ্যাত আলোকশিল্পীও হতাশ হ'ব। এনে পটভূমিক ধৰি ৰখাৰ কিজানি আধুনিক এটাই উপায় আছে। সেয়ে হ'ল—সকলো ৰং গ্ৰহণ কৰা মুভি কেমেৰাহে।

মনোৰম সৰোবৰটিয়েই হ'ল সুবিখ্যাত জেনেভা সৰোবৰ। এই

সবোবৰ জেনেভা নগৰীৰ মাজত শেষ হৈছেহি। তাকে ওচৰৰ যাত্ৰী এজনৰ পৰা জানিলো। তেওঁ কিন্তু সবোবৰৰ পূৰ্ণ বিস্তৃতি কিমান ক'ব নোৱাৰিলে।

জেনেভা ৰেল ষ্টেছনত নামিলোগৈ। কেইবামহলীয়া ৰেল ষ্টেছন। ফ্ৰেকংফাৰ্টৰ আৰ্হিৰ। গতিকে কাঁড় মাৰি নিৰ্দেশ দিয়া শব্দবোৰ পঢ়ি-পঢ়ি আমি টেক্সি থকা ঠাই ওলালোগৈ। টেক্সি ড্ৰাইভাৰক আমি আগতে 'বুক' কৰি ৰখা হোটেলখনৰ নামটো ক'লো। তেওঁ আমাৰ বাকছ দুটা গাড়ীৰ ভৰাই আমাক টেক্সিত বহিবলৈ দিলে।

টেক্সি ড্ৰাইভাৰটো দেখিও কৌতূহলী নহৈ নোৱাৰিলো। তেওঁ সুন্দৰ ছুট পিন্ধিছে, টাই মাৰিছে। ওখপাখ মানুহটো সঁচাকৈয়ে সুপুৰুষ। এনে চেহেৰাৰ টেক্সি ড্ৰাইভাৰ থাকিব পাৰে বুলি কল্পনা কৰাই টান। তেওঁক টেক্সি ড্ৰাইভাৰ বুলি নাভাবি টেক্সিখন নিৰ্মাণ কৰা কোনোবা প্ৰতিষ্ঠানৰ মালিক বুলি ভাবিলেও ভুল কৰা নহ'ব কিজানি।

টেক্সি চলাৰ পাছত তেওঁ আমাক নিজৰ দেশৰ নাম সুধিলে। আমি ভাৰতীয় বুলি কোৱাত তেওঁ ৰবিশংকৰৰ চেতাৰবাদন শুনি বৰ ভাল পায় বুলি কৈ গাড়ীতে থকা ৰবি শংকৰ চেতাৰ-বাদনৰ কেছেট এটা বজাই শুনালে। আমি সঁচাকৈয়ে অভিভূত হ'লো। সংস্কৃতিবান টেক্সি ড্ৰাইভাৰজনলৈ শ্ৰদ্ধা উপজিল। তেওঁ ভাল ইংৰাজী কয়। অৰ্থাৎ ইংৰাজীতে বেছি ভাগ কথা বুজাকৈ ক'ব পাৰে। মাইনৃছত ড. ফুক্সে তেনেহ'লে ঠিকেই কৈছিল যে জেনেভাত সকলোৱে ইংৰাজী কয় কাৰণে মোৰ অকণো অসুবিধা নহ'ব। জেনেভাৰ কোনো এটা অংশত শতকৰা আশী ভাগ মানুহেই ফৰাছী ভাষা (ফ্ৰেঞ্চ) কয়। তাতহে অলপ অসুবিধা হয়। আমি ফোন যোগে জেনেভাত হোটেলৰ কোঠা 'বুক' কৰিবলৈ যোগাযোগ কৰোঁতে সেই অংশত কম খৰচত থাকিব পৰা হোটেল পাইছিলো। কিন্তু মোৰ ছেক্ৰেটেৰি শ্ৰীমতী ক্ৰনেই ক'লে যে তাত থাকিলে ভাষাৰ ক্ষেত্ৰত আমাৰ

অসুবিধা হ'ব। সেয়েহে জেনেভাৰ মধ্যস্থলৰ সকলো সুবিধা থকা ঠাইত এটা তিনি তাৰকাযুক্ত হোটেলত তেওঁ দুখন বিছনা থকা কোঠা এটা বুক কৰিলে।

হোটেলটোৰ নাম 'টৰ'। আমি তাত প্ৰায় আঢ়ৈ দিন আছিলো। অৰ্থাৎ দুদিন দুৰাতি আৰু শেষ দিনাৰ দুপৰলৈকে।

হোটেলটোৰ সকলো ব্যৱস্থা সুন্দৰ। লক্ষ্ণৌৰ গোমতী, নতুন দিল্লীৰ হংসৰাজ, কলিকাতাৰ গ্ৰেইট ইষ্টাৰ্ন আদি ভাৰতৰ পঞ্চ তাৰকাযুক্ত হোটেলত থকাৰ অভিজ্ঞতা মোৰ আছে। কিন্তু এই তিনি তাৰকাযুক্ত হোটেলটো তাতকৈ সুবিধাজনক যেনহে লাগিল। ইয়াৰ তুলনা হয় কেৱল নতুন দিল্লীৰ ইণ্ডিয়া ইন্টাৰনেছনেল ছেণ্টাৰৰ লগতহে। অৱশ্যে দাম আমাৰ দেশৰ টকাৰে জুখিলে খৰচ বেছি যেন লাগে। এৰাতিত ১১০ ছুইছ্ ফ্ৰাংক অৰ্থাৎ ১১০০ টকা।

হোটেলত কাপোৰ-কানি সলায়েই মই ওলাই আহিলো।— ৰিছেপছন কাউণ্টাৰলৈ। তাত নাম পঞ্জীভূত কৰাৰ সময়ত দুখনমান জেনেভাৰ গাইড বুক দেখিছিলো। মই তাৰে এখন হাতত তুলি ল'লো। থিতাতে জেনেভাক প্ৰাৰম্ভিকভাৱে জানিবলৈ নহয়, জেনেভা সৰোবৰৰ বিস্তৃতি জানিবলৈহে। কাৰণ সৰোবৰটোৰ বিশালতাই তেতিয়াও মোৰ মনত ক্ৰিয়া কৰি আছিল। গাইড বুকত ইয়াৰ পৰিচয় পাই গ'লো। এই সৰোবৰ দীঘলে ৭২ কিল'মিটাৰ (৪৫ মাইল)। মালতীৰ এক মাত্ৰ জীয়েক এলিছে এনেকৈ ঠিকেই কৈছিল, "Uncle, the lake there will really surprise you."

বেলি বহিবলৈ আৰু দুঘণ্টা বাকী। আমি ওলাই আহি জানি আচৰিত হ'লো যে আমি থকা ঠাইৰ পৰা এশ মিটাৰমান নিলগতে জেনেভা সৰোবৰটো। আমি হ'লে হোটেলৰ পৰা সৰোবৰটো দেখা নাছিলো।

বাটতে শ্ৰীবাস্তৱ উপাধিৰ ভাৰতীয় এজন লগ পালো। তেওঁ লক্ষ্ণৌত বিদ্যুৎ পৰিষদৰ ইঞ্জিনিয়াৰ। তেওঁ লণ্ডনত প্ৰশিক্ষণ লৈ আছে। তেওঁ কোনোবা পৰ্যটন সংস্থাৰ বাহুত ইউৰোপৰ দুখনমান ৰাষ্ট্ৰৰ মহানগৰী দুখনমান চাই আহি এদিনৰ আগতে জেনেভাত উপস্থিত হৈছেহি। তেওঁ আৰু অন্যান্য যাত্ৰীক ওচৰৰে ডিপ্লোমেট হোটেলত পৰ্যটন সংস্থাটোৱে ৰাখিছে। তেওঁহে আমাক কথাটো ক'লে।

আমি তিনি মিনিটৰ পাছতে খোজ কাঢ়ি সৰোবৰটো পালোগৈ। পাৰত তেতিয়া বহুত মানুহ। পাৰত সমান্তৰালকৈ তিনিটা বাট। এটা বাট সৰোবৰৰ নিচেই পাৰেদি গৈছে। সেই ফালেদি মটৰ গাড়ী যাব নোৱাৰে। এটা বাট তাৰ ওপৰত। আন এটা বাট তাতকৈ আহল-বহল। এই বাটটোৰ কাষতে সৰোবৰৰ ফালে মুখ কৰি আছে হিল্টন আদি অতিশয় ব্যয়বহুল বিখ্যাত হোটেলবোৰ য'ত বিশ্বৰ অতি ধনী মানুহবোৰ থাকে। তাকে দেখি মই ভাবিলো: এই ধনী মানুহবোৰে সৰোবৰৰ শোভা চাবলৈ প্ৰকৃতি-পূজাৰী মনএটা অক্ষুণ্ণ ৰাখিব পাৰিছেনে? তেওঁলোকৰ প্ৰকৃতিক উপভোগ কৰিবলৈ উৎকণ্ঠাহীন মন এটা আৰু আহৰি আছেনে? তেওঁলোক হয়তো ইয়ালৈ আহে বেংকৰ দ্বাৰা বাণিজ্য বিস্তাৰিত কৰা সা-সুবিধাবোৰ আছে কাৰণেহে।

সৰোবৰৰ বহুত ঠাইত বিধ-বিধ পাল তৰা সৰু নাও—যাক yacht বোলে। আন কিছুমান মেছিনযুক্ত নাও আছে। মালবাহী জাহাজো অহা-যোৱা কৰি আছে। সিফালে সুবিশাল সৰোবৰটোৰ দাঁতিয়ে-দাঁতিয়ে যোৱা যাত্ৰীবাহী সৰু-সৰু ৰেলগাড়ীও (mini train) আছে। একাষে গগনচুম্বী অট্টালিকা আৰু এফালে বিৰাট সৰোবৰ। মাজত আৰু সৰোবৰৰ বুকুত মানুহ; প্ৰকৃতিৰ মহিমামুগ্ধ মানুহ।

সৰোবৰৰ বুকুত বহুত yacht আৰু আন মেছিনযুক্ত নাও।

পাৰতো তেনে কিছুমান নাও। মুঠতে অপৰূপ প্ৰকৃতিৰ ওপৰত মানুহৰ হস্তক্ষেপ। জেনেভা মহানগৰীৰ সৰোবৰৰ অংশটো আমি ৰেলগাড়ীৰ পৰা দেখা সৰোবৰতকৈ বহুত বেলেগ। সৰোবৰৰ এই অংশটো অলপ কৃত্ৰিম যেন লাগে। তথাপি ই অপৰূপ এই কাৰণেই যে ইয়াত মানুহেও প্ৰকৃতিক সুন্দৰতৰ কৰাৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। সুৰুযে ইয়াক বৰ মহিমাময় কৰি তুলিছে। উত্তৰে সুদূৰত জিলমিলাই থকা বৰফে ঢকা আল্‌প্‌ছ গিৰিমালাই ইয়াৰ ৰূপতে ৰহণ চৰাইছে।

এই অপৰূপতাৰ বৰ্ণনা কৰিবলৈ মই শব্দ বিচাৰি পোৱা নাই। এই মনোমোহা দৃশ্যটো বুজাবলৈ মোৰ গদ্যই যথাযথ চিত্ৰকল্প আৰু প্ৰতীক বিচাৰি পোৱা নাই। মই অস্বস্তিবোধ কৰিছোঁ। মোৰ মনত পৰিছে "বৰষা তোমাৰ চকুত কিহৰ অঞ্জন, বিজুলী লতাৰে তোমাৰ কবৰী বন্ধ'ৰ দৰে গীত লিখা কবি নৱ কান্ত বৰুৱালৈ আৰু 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্যলৈ।

সৰোবৰৰ পাৰৰ পৰা আহিবৰে মন নাযায়। সন্ধিয়া হ'ল। পথৰ দাঁতিত নানা প্ৰকাৰৰ বিজুলী বাতি জ্বলিল। পথত মটৰ গাড়ীৰ সংখ্যা বাঢ়িল। এতিয়া সৰোবৰৰ মাজ ভাগ নেদেখি। এতিয়া বস্তিৰ বিজুলীৰেখাইহে ইয়াৰ তটৰেখাৰ ইংগিত দিছে। সেয়েহে আমি চহৰৰ ব্যৱসায় প্ৰধান অংশলৈ আহি বস্তুৰ দাম-দৰ কৰিলোহি।

আমাৰ হোটেলটোৰ মূল দুৱাৰখন পাৰ হৈহে নিজৰ কোঠাটো পাব পাৰি। কিন্তু দুৱাৰখন প্ৰায়ে বন্ধ থাকে আৰু খুলিবও নোৱাৰি। কিন্তু দুৱাৰত হাত দিয়াৰ লগে-লগে এটা শব্দ হয় আৰু কোনোবাই খুলি দিয়েহি। পাছতহে গম পালো যে মানুহ দুৱাৰৰ ওচৰত থিয় হোৱাৰ লগে-লগে বিছেপছন টেবুলৰ আগৰ টিভিৰ দৰে বাকচৰ পৰ্দাত দৰজাৰ ওচৰত থিয় হোৱা ব্যক্তিৰ ছবি ওলায়। তাকে দেখিহে কোনোবাই দুৱাৰ খুলি দিয়ে। ইয়াৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে জেনেভা অপৰাধশূন্য ঠাই নহয়। কিয়নো

হোটেলত অপৰাধমূলক কাৰ্য নঘটিব ? ইয়াৰ হোটেলত থকা বেছি ভাগ লোকেই বেংকৰ লেনদেন কৰিবলৈ অহা মানুহ বা আড্যৱন্ত পৰ্যটক।

জেনেভা সঁচাকৈয়ে বেংক-মহানগৰী। ইয়াক মহানগৰী বুলি কোৱা হয় যদিও ইয়াৰ লোকসংখ্যা এক লাখ ষাঠি হাজাৰহে। ছুইজাৰলেণ্ডৰ লোকসংখ্যাও পয়ষষ্ঠি লাখহে। তথাপি জেনেভাখন দেখিলে ভাব হয় যেন ই বহু লাখ মানুহৰ সেৱাৰ বাবে অফুৰন্ত আয়োজন কৰিছে।

ইয়াত বিখ্যাত বেংক ২৭২টা আছে। কিছুমান বেংকৰ নাম দুটা ভাষাত লিখা থাকে। তাৰে এটা ভাষা হ'ল আৰবী। ইয়াৰ অৰ্থ এয়ে যে মধ্য প্ৰাচ্যৰ বহু ধন জেনেভাত গোট খাইছেহি। আমি আগবে পৰা শুনি আহিছোঁ যে ভাৰতৰ তথা বিশ্বৰ বহু ৰাষ্ট্ৰৰ দুৰ্নীতি-পৰায়ণ শাসক-প্ৰশাসকৰ আৰু শিল্পপতিৰ 'কৃষ্ণধন' ইয়াৰ বেংকত জমা হয়হি। এটা নম্বৰত ধন জমা হয়। এই নম্বৰটো টকা জমা দিয়া ব্যক্তিজনে আৰু বেংকটোৱেহে জানে। গতিকে আয়কৰ বিভাগে বা গোপন তদন্তই ইয়াৰ ভু পাব নোৱাৰে। কথাটো নিশ্চয় সঁচা। কাৰণ আমি বাতৰি-কাকততো (ভাৰতত) এনে কথা পঢ়িবলৈ পাওঁ। এবাৰ এখন বাতৰিকাকতত পঢ়িবলৈ পাইছিলো যে এগৰাকী শাসকৰ ক'লা টকা বিনিময় সংক্ৰান্ত কাৰ্যৰ বাবে এজন অসমীয়া চৰকাৰী বিষয়া ইয়ালৈ আহিছিল।

ৰাতি ভাত খালো 'বম্বে পেলেছ' নামৰ ঠাইত। সামান্য পৰিমাণৰ ভাত আৰু মটৰ মাহৰ লগত দুডোখৰমান পৰীৰ থকা ব্যঞ্জন। ভোক মুগুচিল। হোটেলত কল খাবলগীয়া হ'ল। পিছে ভোক মুগুচা আহাৰ খিনিৰেই এথালৰ দাম ১২ ছুইছ ফ্ৰেংক অৰ্থাৎ প্ৰায় ১২০ টকা।

হোটেলত সোমোৱাৰ লগে-লগে মেনেজাৰ গাভৰু গৰাকীয়ে মোৰ ওচৰলৈ লৰি আহি সুধিলে, "আপোনাৰ পুৰা নাম কি ?"

মই পোনতে বুজিব নোৱাৰি এল. এন. বুলি ক'লো। তাই সন্তুষ্ট নহৈ ক'লে, "এল আৰু এন এই দুটা আখৰে কি বুজায়, তাকে এই কাগজ ডোখৰত লিখি দিয়ক।"

মই লিখি দিয়াত তাকে তাই ক'ৰবালৈ ফোন কৰিলে। তাই ফোনটো থোৱাত মই সুধিলো, "মোৰ সম্পূর্ণ নামটো লাগে কিয় ?"

তাই ক'লে, "পুলিছ বৰ সাৱধানী (meticulous); সিহঁতে বিচাৰিছিল।"

মই আকৌ সুধিলো, "যদি এজনে সম্পূর্ণ নামটোকে ভুৱা নাম হিচাপে দিয়ে ?"

তাই ক'লে, "আপোনাৰ পাছপ'ৰ্টখন আছে নহয়।"

মই সুধিলো, "যদি তেওঁ ছুইজাৰলেণ্ডৰ মানুহ ?"

তাই মিচিকিয়াই ক'লে, "সেইবোৰ ঘটে কিজানি। আমি মাত্র আমাৰ কামখিনি কৰিছোঁ।"

ছাৰব্রুকেন, পশ্চিম জাৰ্মেনি

৪।১১ ৮৯

পোষ্কৰ

জেনেভাত মোৰ কামো আছিল। মই বিশ্ব বতৰ-বিজ্ঞান সংগঠনৰ (World Meteorolgical Organisation) কৃষি মৌচম-বিজ্ঞান শাখাটো চাব লাগে আৰু তাত কি কি কাম হয় জানিব লাগে। এই শাখাৰ পৰা নিমন্ত্রণো আগতীয়াকৈ পাইছিলো। মোৰ লগতে পত্নীও নিমন্ত্রিত হৈছিল।

কিন্তু মই ঠিকনাটোহে এৰি থৈ আহিলো। পিছে আগদিনা সন্ধিয়া হোটেলেই ঠিকনা আৰু ফোন নম্বৰ দিলে।

২৩ অক্টোবৰৰ পুৱা ৯ বজাত তালৈ ফোন কৰি জানিলো যে যি দুজন মানুহে আমাক তালৈ মাতিছিল তেওঁলোক এজনো আজি নাথাকে। এজন কিবা কামত আন দেশলৈ গ'ল আৰু এজন অসুস্থ।

কিন্তু বিশ্ব জলবায়ু কাৰ্যসূচী বিভাগৰ সঞ্চালক ভিক্টৰ জি বন্ডিৰেভে আমাক দেখা কৰিব বুলি ক'লে। কৃষি মৌচম-বিজ্ঞান শাখাটোও তেওঁৰ অধীনতে কাৰণে মোৰ অকণো অসুবিধা নহ'ব বুলি ভাবিলো।

আমি টেক্সি ড্ৰাইভাৰক আমাৰ গন্তব্য স্থানৰ কথা ক'লো। তেওঁ পিছে আমাৰ গন্তব্য স্থান সম্পৰ্কে অজ্ঞ। আমি আন এখন টেক্সি লমনে বুলি সোধাত তেওঁ ক'লে, "চিন্তা নকৰিব। মই পাৰিম।"

টেক্সি চলিল। গৈ থাকোঁতে তেওঁ গাড়ীত থকা ৰায়াৰলেছেৰে কাৰোবাক কিবা সোধে আৰু ক'ৰবাৰ পৰা কেনি যাব লাগে তেওঁ তাৰ নিৰ্দেশ শুনে। বোধকৰোঁ যানবাহন বিভাগৰ নিয়ন্ত্ৰণ কক্ষৰ পৰা এই নিৰ্দেশ আহে। আলিৰ মূৰে-মূৰে এনে নিৰ্দেশ শুনি-শুনি তেওঁ দহ মিনিটৰ ভিতৰত বিশ্ব বতৰবিজ্ঞান সংগঠনৰ প্ৰকাণ্ড বহুমহলীয়া অট্টালিকাটোৰ আগত গাড়ী ৰখালেহি। ভাৰা ললে এঘাৰ ছুইছ ফ্ৰাংক। আমাৰ হিচাপ মতে প্ৰায় ১১০ টকা।

বিশ্ব বতৰ-বিজ্ঞান সংগঠনৰ মানুহৰ ব্যৱহাৰ বৰ ভাল। এজন মানুহে আমাক ভিক্টৰ বন্ডিৰেভৰ ওচৰলৈ লৈ গ'ল। তেওঁ আমাক সাদৰেৰে বহিবলৈ দিলে। তেওঁ ছোভিয়েট ইউনিয়নৰ এজন জনাজাত বতৰ-বিজ্ঞানী। কৃষি মৌচম-বিজ্ঞানৰ প্ৰতি তেওঁৰ যথেষ্ট অভিৰুচি আছে। মানুহজনৰ বয়স বোধকৰোঁ পঞ্চাছৰ ওচৰা-উচৰি। ওখ আৰু স্বাস্থ্যবান মানুহজন দেখিলেই মনটো ভাল লাগি যায়। সুপুৰুষ মানুহজনে সুন্দৰ ইংৰাজী কয়।

বিশ্ব বতৰ-বিজ্ঞান সংগঠনে কি কি কাম কৰে তাকে তেওঁ ক'বলৈ লাগি গ'ল। আঁচনিসমূহ থকা কিতাপ এখনো মোক দিলে। অলপ পৰৰ পাছত সংগঠনে প্ৰকাশ কৰা কিতাপ আৰু বুলেটিনৰ নাম থকা আন এখন কিতাপো দিলে।

তেওঁ শেষত ক'লে, "এইটো হ'ল প্ৰশাসনীয় কেন্দ্ৰহে। আমাৰ ইয়াত কোনো বিজ্ঞানাগাৰ, মান মন্দিৰ আদি নাই। আমি পৃথিৱীৰ বিভিন্ন ঠাইত থকা গৱেষণাগাৰ আৰু প্ৰকল্পসমূহত ধন দিওঁ। আমাৰ

বিশেষজ্ঞসকল সেইবোৰ ঠাইলৈ যায়। আমি অৱশ্যে কিতাপ আৰু টেকনিকেল নোট ইয়াতে প্ৰকাশ কৰোঁ।"

তাকে শুনি অসম কৃষি বিশ্ববিদ্যালয়ৰ হৈ কিবা প্ৰকল্প পাব পাৰোঁনে সুধিলো। তেওঁ ক'লে যে ইয়াৰ দায়িত্বত আছে ড. আৰ. পি. সৰকাৰ। তেওঁ সকলো কথা জনাব।

এই নামটো শুনিয়েই মোৰ মনটো উথলমাথল লাগিল। কাৰণ ডক্টৰ সৰকাৰ ১৯৭২ চনত ভাৰতৰ কৃষি মৌচম বিজ্ঞান বিভাগৰ সঞ্চালক থকাৰ দিনৰ পৰা ১৯৮৭ চনত ভাৰত মৌচম-বিজ্ঞান বিভাগৰ মহাসঞ্চালক হোৱাৰ সময়লৈকে মোৰ চিনাকি। আমাৰ বন্ধুত্ব যোৱা সোতৰ বছৰৰ পৰাই। মই ডক্টৰেটৰ কাৰণে ৱাল্টায়াৰত গৱেষণা কৰি থকা সময়ত প্ৰায়ে পুনেলৈ যাবলগীয়া হৈছিল। তেতিয়া প্ৰতি নিশাই তেওঁৰ ঘৰত গুৰু ভোজন কৰিব লগীয়া হৈছিল। তেওঁ কলিকাতাৰ মানুহ। আন্তৰিক কথা পাতি ভাল পায়। তেওঁৰ মতে আন্তৰিকতা থকা মহানগৰ বোলে কেৱল কলিকাতাহে। তাৰ পিছতে বোলে পুনে আৰু লক্ষ্ণৌৰ নাম লব পাৰি।

তেওঁ পোনতে চাকৰি পাইছিল দিল্লীৰ বিমান কোঠত। বিচক্ষণ ছাত্ৰ আছিল বাবে পোনতেই বতৰ-বিজ্ঞানী হৈছিল। তেওঁ কলিকাতা বিশ্ববিদ্যালয়ৰ পৰা এম. এছ. ছিত গণিতশাস্ত্ৰত প্ৰথম শ্ৰেণী পাইছিল আৰু শিক্ষা সাং কৰি কলিকাতাৰ মহাবিদ্যালয় এখনত শিক্ষকতা কৰিছিল।

পিছে ভাৰত চৰকাৰৰ প্ৰথম শ্ৰেণীৰ চাকৰি এটা পায়ো দিল্লীত তেওঁৰ ইমান বেয়া লাগিছিল যে সেই চাকৰি এৰি পুনৰ কলিকাতা-লৈকে অহাৰ বাবে সিদ্ধান্ত লৈছিল। কিন্তু বন্ধু-বান্ধৱসকলে বৰকৈ মানা কৰাতহে তেওঁ সেই চাকৰিতে থাকিল। সেইবাবে তেওঁ সেই উপকাৰী বন্ধু-বান্ধৱসকলৰ প্ৰতি আজিও কৃতজ্ঞ। চাকৰিটো নেৰিলে কাৰণেই তেওঁ জীৱনত ইমান উন্নতি কৰিব পাৰিলে।

ড. সৰকাৰে এইবোৰ কথা মোক ১৯৮৭ চনৰ মাৰ্চ মাহত

কলিকাতাত লগ পাওঁতে কৈছিল। মানুহজনৰ সহৃদয়তা আৰু অকণো অহং ভাব নথকা স্বভাৱটোৱে মোক সদায় মুগ্ধ কৰিছিল।

এতিয়া মোৰ ভাগ্য ইমান সুপ্ৰসন্ন যে তেওঁক সুদূৰ জেনেভাত লগ পাব পাৰিম।

ভিক্টৰ বন্দিৰেভে ফোন কৰি মোক ক'লে, "ড. সৰকাৰ এতিয়া কোঠাত নাই; কিন্তু ইয়াতে ক'ৰবাত আছে। আন কোঠালৈ যাব পাৰে। মই পিছে তেওঁৰ ছেক্ৰেটেৰিক আপুনি অহা বুলি জনাই থৈছোঁ।"

এই বুলি কৈয়ে তেওঁ ক্ষান্ত নহ'ল। তেওঁ নিজে ড. সৰকাৰক বিচাৰি গ'ল। আমাৰ নিচিনা ঠাইত হোৱা হ'লে ড. সৰকাৰক বিচাৰি দুফালে দুটা পিয়ন গ'লহেঁতেন। কিন্তু পশ্চিমৰ এই উন্নত দেশবোৰত পিয়ন, ড্ৰাইভাৰ আদি নাই।

অলপ পৰৰ পাছত বন্দিৰেভৰ লগত ড. সৰকাৰ ওলালহি। পোনতে মাধুৰীক নমস্কাৰ জনাই মোক কৰমৰ্দন কৰিয়েই তেওঁ সন্তুষ্ট নহ'ল; মোৰ এখন হাত নিজৰ দুখন হাতৰ মুঠিত ধৰি বহু পৰ মোৰ মুখলৈ চাই ৰ'ল। দুদিনৰ কাৰণে মই জেনেভালৈ অহাৰ কোনো কাৰণ হয়তো তেওঁ বিচাৰি নাপালে।

ভিক্টৰ বন্দিৰেভৰ লগত অলপ পৰ কথা পতাৰ পাছত তেওঁ আমাক নিজৰ আহল-বহল সুসজ্জিত কোঠাটোলৈ লৈ গ'ল।

আমি এতিয়া বাংলা ভাষাত কথা পাতিছোঁ। ড. সৰকাৰে আমাৰ সকলো খা-খবৰ ললে। আমি তেওঁৰো খবৰ ললো। তেওঁৰ সন্তান মাথোন এটি। পুত্ৰ সন্তান। ল'ৰাটি পঢ়াশুনাত খুব ভাল। আমেৰিকাৰ বাফেলো বিশ্ববিদ্যালয়ত "বিজনেছ এডমিনিষ্ট্ৰেছন" পঢ়ে। ভাত এই বিষয়ৰ পঢ়া-শুনা হেনো বৰ টান। কেতিয়াবা ৰাতি এঘাৰ বজালৈকে ক্লাছ হয়। এতিয়া মাক গৈ তাতে আছেগৈ। তেওঁ এতিয়ালৈকে এপষমান নিজে বজাৰ কৰি নিজে ৰন্ধা-বঢ়া কৰি খায়। ঘৰো নিজেই ছাফা কৰে। কাৰণ, "আপনিতো জানেন, এখানে

চাকৰ-নাকৰ হ'ল দুৰ্লভ জিনিষ। গিন্নী না থাকলে বিদেশে থাকা যায় না।"

কাবোবাক আমেৰিকাত 'বিজিনেছ এডমিনিষ্ট্ৰেছন' পঢ়ুওৱা মানে টকাৰ শ্ৰাদ্ধ। তেওঁ ল'ৰাটোলৈ বছৰি পোন্ধৰ হাজাৰ ডলাৰ (প্ৰায় দুই লাখ ত্ৰিছ হাজাৰ টকা) পঠিয়াব লাগে। সি পঢ়া-শুনাও কৰিব লাগে প্ৰচুৰ। তাৰ সময়ৰ বৰ অভাৱ। সেয়েহে তেওঁ অলপতে আমেৰিকালৈ যাওঁতে এখন মটৰ গাড়ী আৰু এহেজাৰ ডলাৰ দি এটা "পাৰ্ছনেল কম্পিউটাৰ" কিনি দি আহিছে। কম্পিউটাৰটো থকাৰ কাৰণে সি নিজৰ কোঠাতে ভালেমান কাম কৰিব পাৰিব আৰু যথেষ্ট সুবিধা হ'ব বুলি ল'ৰাটোৱে তেওঁক কৈছিল। মটৰ গাড়ী থকাৰ বাবে তাৰ সময়ৰ অভাৱ কমিছে।

তেওঁ কৈ যায়, "মই তাক কওঁ, পাছ কৰি ভাৰততে কোনোবা মাল্টি নেছনেলত কাম কৰহি। খুব ভাল কথা হ'ব। সি কয় যে তিনি বছৰমান আমেৰিকাত কাম নকৰিলে পঢ়াৰ খৰচটোকে পোৱা নাযাব। তাৰ বাবেই এতিয়া আকৌ মই বিদেশত চাকৰি কৰিব লগীয়া হৈছে। দিল্লীত ডাইৰেক্টৰ জেনেৰেলৰ চাকৰিত কিমান সন্মান আপুনি জানেই। কিন্তু ল'ৰাক পঢ়ুৱাবলৈকে সেই কামৰ পৰা আগতীয়াকৈ অৱসৰ লৈ ইয়ালৈ আহিলো। ইয়াত দৰমহাও বেছি আৰু ৰাষ্ট্ৰসংঘৰ অধীনৰ চাকৰি কাৰণে আয়কৰো নাই।"

কৃষি মৌচম-বিজ্ঞানৰ কিবা প্ৰকল্প পাব পাৰোঁনে বুলি সোধাত তেওঁ ক'লে যে তেওঁলোকে ৰাষ্ট্ৰসংঘৰ উন্নয়ন আঁচনিক (UNDP) —United Nations Development Programme) ধন দিয়ে। ভাৰত মৌচম-বিজ্ঞান বিভাগৰ জৰিয়তে তালৈ আঁচনি পঠিয়াব লাগে। আঁচনিসমূহ তেওঁলোকে পৰীক্ষা কৰি মঞ্জুৰ কৰে।

গতিকে এনে আঁচনি মঞ্জুৰ হোৱাৰ সম্ভাৱনা যথেষ্ট। কিন্তু তাকে জানি মোৰ মনটো বেয়াহে লাগিল। মোৰ এতিয়া এনে এটা বয়স যে নতুনকৈ কিবা এটা কৰাৰ বাবে সময় কমি আহিছে। বিদেশতহে

মাঠি বছৰৰ পাছতো জীৱনটো নকৈ আৰম্ভ কৰিব পৰাৰ সুবিধা আছে। মই দহ বছৰৰ আগতে এনেকৈ বিদেশলৈ আহিব পৰাহেঁতেন হয়তো আই অসমীক কৃষি মৌচম-বিজ্ঞানৰ কিছু উল্লেখযোগ্য বৰঙণিৰে সেৱা কৰিব পাৰিলোহেঁতেন। এতিয়াও তাত ডেকা সহকৰ্মীসকলক এইবোৰ বতৰা দি উৎসাহিত কৰিমগৈ। তেওঁলোকৰ কামত আহিব।

দিনৰ ডেৰ বাজিল। আমাৰ আকৌ জেনেভা চোৱাৰ ইচ্ছা। কিন্তু ড. সৰকাৰে আমাক এৰিবকে নোখোজে। তেওঁ ক'লে যে ইউৰোপলৈ আহি পেৰিছ আৰু ৰোম চাই নগ'লে হেনো আমাৰ বৰ ভুল হ'ব; পাছত পস্তাব লাগিব। আমি কিন্তু এই দুখন ঠাইলৈ যাম বুলি ক'ব নোৱাৰিলো। আমি নিজৰ ঠাইলৈ যাবলৈ আৰু প্ৰায় এমাহহে আছে। তদুপৰি সেইবোৰ ঠাইত কিমান ধন ভাঙিব লাগে আমি একো অনুমান কৰিব পৰা নাই। ইয়াত থাকি আন এখন দেশৰ বাবে ভিছা যোগাৰ কৰোঁতেই ভালেমান ধন খৰচ হয়। কোনো-কোনো দেশে ভিছা নিদিয়েও।

ডক্টৰ সৰকাৰে ৰাতি আমাৰ হোটেললৈকে যাব বুলি কৈ ড. ডেনিয়েল নামৰ তামিলনাডুৰ মৌচম-বিজ্ঞানী এজনক মাতি আমাক এখন পৰ্যটন সংস্থাৰ বাছত দুই বজাৰ পৰা ফুৰিবলৈ সুবিধা কৰি দিবলৈ ক'লে। ড. ডেনিয়েলে নিজৰ গাড়ীত আমাক আনি তেনে এখন বাছত উঠাই দিলে।

আমি পোনতে পুৰণি জেনেভাখন চালো। তাতে কেইবা শতিকাৰো আগতে স্থাপিত জেনেভা বিশ্ববিদ্যালয়খন দেখিলো। বহুত পুৰণি সুন্দৰ-সুন্দৰ অট্টালিকাও দেখিলো। পোন্ধৰ শতিকাৰ পৰা ওঠৰ শতিকালৈকে নিৰ্মাণ কৰা অট্টালিকাসমূহ দেখি বিগত যুগৰ সুন্দৰ স্থাপত্য বিদ্যাৰ এটা থূলমূল আভাস পালো। আমি জানি অভিভূত হ'লো যে পুৰণি ছুইজাৰলেণ্ডৰ অট্টালিকাসমূহ আৰু প্ৰতিমূৰ্তিসমূহে এখন দেশৰ চহকী ইতিহাসৰ সাক্ষী দিছে। তাত

সোভৰ শক্তিকাতে নির্মাণ কৰা কেইবা মহলীয়া নাটঘৰটো আৰু অপেৰা-গৃহৰ কাৰুকাৰ্যই মোক বিশেষভাৱে মুগ্ধ কৰিলে।

তাৰ পাছত নতুন জেনেভাত। বিশ্ব শ্রমিক সংগঠন (Inteana-tional Labour Organisation), বিশ্ব স্বাস্থ্য সংস্থা (World Health Organisation) আদিৰ সুন্দৰ চৌহদত থকা দৈত্যকায় অট্টালিকাবোৰ আৰু কেইবাটাও যাদুঘৰ চাই জেনেভাৰ আন্তর্জাতিক গুৰুত্বক কিছু পৰিমাণে অনুভৱ কৰিব পাৰিব পাৰিলো।

হোটেলখন পোৱাৰ আগতে বজাৰ কৰিবৰ মন গ'ল। কিন্তু বজাৰত বস্তুৰ দাম দেখি আমি অবাক। ইয়াত বস্তুৰ দাম পশ্চিম জাৰ্মেনিতকৈয়ো বেছি। অথচ পশ্চিম জাৰ্মেনিতেই আন দেশৰ তুলনাত বস্তুৰ দাম ইমান বেছি যে ইয়াৰ পৰা দিল্লীৰ বিমান বন্দৰত হাজিৰ হোৱা লোকক কাষ্টমছে বাকছ পৰীক্ষা নকৰি গ্রিন ছিগনেলৰ তলেদি পাৰ হ'বলৈ দিয়ে বুলি ফ্রেংকফার্টত থকা অঞ্জন বৰুৱাৰ পৰা শুনিছিলো।

পিছে ইয়াত ঘড়িৰ দাম কম। এৰাকাখন দোকানত ভিন ভিন ঘড়ি দেখি আচৰিত হ'ব লাগে। মই সস্তাত পাই চাৰিটা ঘড়ি কিনিলো।

ৰাতি চাৰে আঠ বজাত ড. সৰকাৰ আমাৰ হোটেলৰ কোঠা পালেহি। তেওঁ বহু পৰলৈকে আমাৰ লগত কথা পাতিলে। তেওঁ বাছত আহিছে। গাড়ী পার্ক কৰিবলৈ অসুবিধা কাৰণেই। ইয়াৰ বেছিভাগ চহৰৰে ব্যস্ত ঠাইত গাড়ী ৰখাবলৈ ঠাইকে পোৱা নাযায়।

ড. সৰকাৰ এজন মৌচম-বিজ্ঞানৰ প্রসিদ্ধ বিজ্ঞানী। তেওঁৰ গৱেষণা-পত্রৰ উল্লেখ জার্মান অধ্যাপকৰ ইংৰাজীত লিখা গ্রন্থত পাইছোঁ। তেওঁ আগতেও বিদেশত ভালেমান বছৰ কাম কৰিছিল। নাইৰোবি আৰু ব্ৰাজিলত কেইবা বছৰো আছিল। তেওঁ নেদেখা ঠাই নাই বুলিয়েই ক'ব পাৰি। তেওঁ কয় যে ব্ৰাজিলৰ বাহিৰে তেওঁৰ বিদেশৰ কোনো ঠাই পছন্দ নহয়। নাইৰোবি আদি আফ্রিকাৰ

ঠাইবোৰ তেওঁ বেয়া পায়। কাৰণ তাৰ মানুহবোৰৰ বেছি ভাগেই দুর্নীতি পৰায়ণ। উন্নত দেশসমূহৰ চহৰ-মহানগৰবোৰ হেনো পহিলাতেহে ভাল লাগে। পাছত তাৰ একেসুৰীয়া জীৱনে বিতৃষ্ণা জন্মায়। এইবোৰ চহৰ-মহানগৰৰ চাকচিক্য অলপ দিনৰ পাছতে বৈচিত্র্যহীন হৈ পৰে। তেওঁৰ মতে এই দুদিন আমি জেনেভাখন দেখি ভাল পাইছোঁ যদিও এমাহমানৰ পাছত আমাৰো ইয়াত আমনি লাগিব।

তেওঁক মই সুধিলো, "আচলতে পাশ্চাত্যৰ জীৱন কেনেকুৱা ?"

তেওঁ ক'লে, "একেটা শব্দতে ক'বলৈ গ'লে—dull, অত্যন্ত প্ৰাণহীন। অন্ততঃ আমাৰ কাৰণে। মানুহৰ লগত মিলামিছা নকৰিলে আমি থাকিব নোৱাৰোঁ। কাম নথকা সময়ত আমি আড্ডা জাৰিহে ভাল পাওঁ। কিন্তু ইয়াত আগতে এপইণ্টমেণ্ট নাপালে কোনো কাৰো ঘৰলৈ যাব নোৱাৰে। মানৱীয় সম্পৰ্ক বাৰু এনেকুৱা হ'ব লাগেনে ? জেনেভাত প্ৰায় পাঁচ শ ঘৰমান ভাৰতীয় মানুহ আছে। তেওঁলোকো এতিয়া ইয়াৰ মানুহৰ দৰে হৈ পৰিছে। কওকচোন বাৰু, এপইণ্টমেণ্ট লৈ কাৰোবাৰ ঘৰলৈ যাব পাৰিনে ? এদিন মই এঘৰ ভাৰতীয় মানুহৰ ঘৰলৈ আগতে যোগাযোগ নকৰাকৈ গৈছিলো। তেওঁলোকে—মোক ভদ্ৰ ব্যৱহাৰেই কৰিলে। কিন্তু মই যোৱা বাবে যে ভাল পোৱা নাই বুজা গ'ল।"

যিবোৰ দেশত সন্তানে বৃদ্ধ অৱস্থাত মাক-বাপেকক নাচায় আৰু কৈশোৰ পাৰ হোৱাৰ পাছত মাক-বাপেকে সন্তানক নিজৰ বুলি ভবাৰ কাৰণ নাথাকে তেনেবোৰ দেশেই হ'ল অৰ্থনীতিবিদৰ ভাষাত উন্নত দেশ। এনে দেশত ঐশ্বৰ্য আৰু জ্ঞান-বিজ্ঞানৰ চমক থাকিব পাৰে, কিন্তু শান্তি নাই।

বহু উন্নত দেশত থাকি অভিজ্ঞতা লাভ কৰা ড. সৰকাৰৰ মতামত থুলমূলকৈ এনেকুৱাই।

তেওঁ কৈ যায়, "ইয়াৰ পাৰিবাৰিক জীৱন তেনেই অস্থায়ী। সুস্থ পাৰিবাৰিক জীৱন এটা কৰবাত আছে বুলি মোৰ সন্দেহ হয়। অৱশ্যে বহুতৰেই এই সন্দেহ। কাৰণ, আমেৰিকাকে ধৰি সকলো উন্নত দেশতে বিবাহ-বিচ্ছেদ চাহ-কেক খোৱাৰ দৰে অতি সাধাৰণ কথা হৈ পৰিছে। ইয়াত যিকোনো বয়সতে বিবাহ-বিচ্ছেদ হ'ব পাৰে। এইবোৰ দেশত পঞ্চাছ বছৰ পাৰ হোৱা পুৰুষ-নাৰীবো বিবাহ-বিচ্ছেদ হয়। কাৰণ এইবোৰ দেশত কোনে কাক পছন্দ কৰে কল্পনা কৰাও টান। দেখা যায় যে পঞ্চাছ বছৰীয়া মানুহৰ লগত বিছ বছৰীয়া গাভৰুৰ বিয়া হৈছে। সেই দৰে পঞ্চাছ বছৰীয়া মহিলাৰ প্ৰতি পঁচিছ বছৰীয়া যুবক আকৃষ্ট হৈ শেষত একেলগে আছে।"

আমাৰ দেশৰ বিদেশত চাকৰি কৰা ডেকাও উন্নত দেশলৈ গৈ সেই দেশৰ ছোৱালী বিয়া কৰাই হেনো তেনেই স্বকীয়া হৈ পৰিছে। ড. সৰকাৰে তাৰে এটা উদাহৰণ দিলে। ভাৰত কৃষি মৌচম-বিজ্ঞান বিভাগৰ প্ৰাক্তন সঞ্চালক এজনৰ পুতেকে আমেৰিকাত চাকৰি কৰি আমেৰিকান ছোৱালী বিয়া কৰালে। এবাৰ দেউতাকৰ খুব টান অসুখ হ'ল। মাকে খবৰ দিলে। কিন্তু পুতেক নাহিল। দুদিন-মানৰ পাছত দেউতাক ঢুকাল। মাকে খবৰ দিয়াত পুতেকে পাছ দিনাই আহিম বুলি ফোন যোগে ক'লে। কিন্তু পাছ দিনা মাকে আকৌ ফোন যোগে পুতেকৰ পৰা খবৰ পালে যে তাৰ ঘৈণীয়েকৰ অসুখ বাবে সি আহিব নোৱাৰে।

ড. সৰকাৰে কথাখিনি বৰ দুখ মনেৰে ক'লে। মই একো অভিমত নিদিলো। ছিগাৰেটত হোঁপা দুটামান মাৰি তেওঁ ক'লে, "সেই কাৰণেই মোৰ একমাত্ৰ ল'ৰাটোৱে আমেৰিকাত চাকৰি কৰাটো পছন্দ নকৰোঁ। কিন্তু কি কৰিব? সকলো ভাগ্যৰ লিখন। মূঠতে জীৱনৰ বহু বছৰ পাৰ কৰি মই এই সিদ্ধান্তলৈ আহিছোঁ যে টকা-পইচা আৰু পদবীয়ে অশান্তিহে বঢ়ায়। জীৱনত সুখ আৰু

শান্তিহে আচল বস্তু। কিন্তু পশ্চিমে এই দুটা বস্তু দিব নোৱাৰে। দিল্লীত মোৰ এটা ফ্লেট হ'ব। পিছে মই অৱসৰ লৈ দিল্লীত নাথাকোঁ। কলিকাতাৰ ওচৰৰ নৰেন্দ্ৰপুৰতহে থাকিম। বোধকৰোঁ তাতহে শান্তি পাম।"

মই সুধিলো, "তেনেহ'লে পশ্চিমৰ মানুহৰ ভাল গুণ কি কি ?"

তেওঁ চমুকৈ ক'লে, "মানুহবোৰে কঠোৰ পৰিশ্ৰম কৰে। কিছুমান কথাত ইহঁত বৰ সৎ।"

আঢ়ৈ ঘণ্টামানৰ পাছত ড. সৰকাৰে আমাৰ পৰা বিদায় ললে। তেওঁ যোৱাৰ পাছত মোৰ মনটো উকগুা-উকগুা লাগি গ'ল।

পাছ দিনা পুৱা আকৌ জেনেভা সৰোবৰৰ পাৰত ঘূৰিলোঁ। পাছত বজাৰতো ঘূৰিলোঁ। জেনেভাৰ স্মৃতি স্বৰূপে কিছুমান ছবি আৰু ঘড়ি কেইটাৰ বাহিৰে (দাম অতি বেছি কাৰণে) আন একো বস্তু কিনিব নোৱাৰিলোঁ।

দিনৰ ১২ বাজি ৫৫ মিনিটৰ ৰেলগাড়ীত উঠি বাটত দুখন ৰেল-গাড়ী সলাই আমি সন্ধিয়া সাত বজাত আমাৰ তিনিমহীয়া বাসস্থান মাইনছ পালোহি।

পশ্চিম জাৰ্মেনি,
৬।১১।৮৯

ফোন

পশ্চিমৰ দেশসমূহত ফোন যোগে সংযোগ ৰক্ষা কৰাৰ বৰ সুবিধা। মাত্ৰ দেশখনৰ আৰু নগৰখনৰ ক'ড নম্বৰ জানিলেই হ'ল। অৱশ্যে আজিকালি এছ. টি. ডিৰ প্ৰচলন হোৱাৰ পাছত আমাৰ দেশতো দূৰ-সংযোগৰ উন্নতি নাই হোৱা বুলি ক'ব নোৱাৰি। তথাপি আমাৰ দেশত লাইন বেয়া হোৱা, লাইন নোপোৱা, নিজৰ বা দূৰৰ মানুহজনৰ ফোনটো বেয়া হৈ থকা আদি হুৰেক ৰকমৰ সমস্যা কেতিয়া দূৰ হ'ব অনুমান কৰা টান। কিন্তু ইউৰোপত এনে সমস্যা থাকিব

নোৱাৰে। অসমত সাধাৰণতে টেলিফোন আৰু বিজুলী সৰবৰাহ বিজুতি ঘটাটোহে স্বাভাৱিক কথা। আৰু এটা বিজুতি অসমত সাধাৰণতে ঘটে। সেয়ে হ'ল, ছেনিটেৰি শৌচাগাৰৰ পানীৰ চৌবাচ্চাটোৱে সাধাৰণতে কাম মকৰাটো। এই তিনি বিধ অসুবিধাই আমাৰ সময় নষ্ট কৰে, কামৰ ক্ষতি কৰে আৰু আৰাম হৰণ কৰে। আমাৰ দেশত কোনোবাই কোনোবা এটা তাৰিখে পামগৈ বুলি তাৰবাৰ্তা পঠিয়ালে মানুহজন সেই ঠাই পোৱাৰ পাছতহে তাৰবাৰ্তা পোৱাৰ ভালেমান দৃষ্টান্ত বিচাৰি পোৱা যায়।

কিন্তু পশ্চিমৰ দেশসমূহত সংযোগ ব্যৱস্থা অতিশয় অনুপম। এই ক্ষেত্ৰত সামান্য বিজুতিও নঘটে। যদি ঘটে সেয়া ঐতিহাসিক ঘটনাৰ দৰে কাকতে-পত্ৰই প্ৰচাৰ হ'বলগীয়া বিৰল ঘটনাহে হ'ব। মই এই প্ৰবন্ধটো লিখাৰ সময়লৈকে প্ৰায় আঢ়ৈ মাহ পশ্চিম জাৰ্মেনিত আৰু মাজে-মাজে তিনি-চাৰিদিন ইউৰোপৰ আন-আন ঠাইত থকাৰ সময়ত ক'তো এনে অনিয়মিত কাৰ্য ঘটিছে বুলি ক'ব নোৱাৰোঁ। ৰেলগাড়ীয়ে সময় সঠিকভাৱে ৰক্ষা কৰে। গতিকে ৰেলগাড়ীৰ আগমন-প্ৰস্থানৰ সময়-তালিকাত এটা মিনিটৰো মূল্য বহুত। সেয়েহে ইয়াৰ সময়সূচীত ৯.০৪, ৭১১ আদি সময়ৰ মূল্য যথেষ্ট এই কাৰণেই যে যাত্ৰীজন ৯ বাজি ৫ মিনিটত বা ৭ বাজি ১২ মিনিটত ওলালেই তেওঁ ৰেলখন নাপাব। এনে সময়সূচী আনকি ছিটি বাছ, অন্যান্য বাছ আৰু ট্ৰামেও মানি চলে।

আজিকালি পশ্চিমীয়া দেশত টেলিগ্ৰাম কৰাটো ব্যৱবহুল আৰু পুৰণিকলীয়া ব্যৱস্থা বুলিহে বহুতে ভাবে। ইয়াৰ মানুহে টেলেক্স আৰু টেলিফেক্সৰ ওপৰতহে বেছিকৈ নিৰ্ভৰ কৰে। আন্তৰ্দেশীয় টেলিফোনৰ ব্যৱস্থা, টেলেক্স আৰু টেলিফেক্সৰ যোগেদি ইয়াৰ মানুহে এমাহৰ এই কাম এদিন বা দুদিনতহে কৰিব পাৰে। তাৰে এটা সাধাৰণ দৃষ্টান্ত দিব খুজিছোঁ: মোক ছুইজাৰলেণ্ডৰ ভিছা এখন লাগে। ফ্ৰেংকফাৰ্টৰ ছুইছ কনছুলেটত ফোন কৰি জানিব পৰা গ'ল

যে কোনোবা সংস্থাই মোক নিমন্ত্ৰণ জনালেহে তাৰ ভিত্তিত শীঘ্ৰে ভিছা পোৱা যাব। তাকে শুনি সেই মুহূৰ্ততে বিশ্ব মৌচমবিজ্ঞান সংগঠনলৈ (World Meteorological Organisation) ফোন কৰা হ'ল। তাত এজন বিষয়াই জনালে যে এই সংগঠনে মোক নিমন্ত্ৰণ কৰা পত্ৰখন পাছ দিনা টেলিফেক্সত পঠিয়াই দিব। এইখিনি কাম কৰোঁতে মাত্ৰ পাঁচ মিনিট সময়হে লাগিল। পাছ দিনা সঁচাকৈয়ে টেলিফেক্সত সেই নিমন্ত্ৰণী পত্ৰখন অহাত ডাকযোগে যাবতীয় বস্তু ফ্ৰেংকফাৰ্টৰ ছুইছ কনছুলেটলৈ পঠালত তিনি দিনতে মই ভিছা পালো। এনে খৰতকীয়া ব্যৱস্থা আমাৰ দেশত কল্পনাই কৰিব নোৱাৰি। পশ্চিমৰ দেশৰ মানুহ যে কামৰ মানুহ, এইবোৰ দেশত যে সময়ৰ মূল্য আছে আৰু এজন মানুহৰ একোটা কামৰ দায়িত্ব বুজা যে আন এজন মানুহ আছে এয়ে তাৰ প্ৰমাণ। অথচ ভাৰতৰ পাৰপত্ৰ কাৰ্যালয়সমূহত আকৌ এটা অদ্ভুত নিয়ম আছে যে একৈছ দিন পাৰ নহ'লে কোনেও পাৰপত্ৰ পাব নোৱাৰে। ভাৰতত এখন দেশৰ ভিছা পোৱাৰ যন্ত্ৰণাদায়ক অভিজ্ঞতা নিশ্চয় আমাৰ বহুতৰে আছে।

কিন্তু ইয়াত ভিছা পোৱাৰ যন্ত্ৰণাদায়ক নিয়মকাৰণবোৰ নাই। পিছে ভাৰতস্থ কনছুলেট কাৰ্যালয়ৰ কৰ্মকৰ্তাসকলেহে ভিছা বিচৰা মানুহজনক দুৰন্ত অপৰাধী যেন জ্ঞান কৰি নানা নিয়ম আৰু প্ৰশ্নৰ অৱতাৰণা কৰি তেওঁক অতিষ্ঠ কৰে।

ছুইজাৰলেণ্ডৰ ভিছা সহজে পাইছিলো। কিন্তু ছয় নৱেম্বৰত (১৯৮৯) ইংলেণ্ডৰ ভিছা পাবলৈ অৱশ্যে বেচ কষ্ট কৰিবলগীয়া হৈছিল যদিও কলিকাতাত ভিছা পোৱাৰ নিচিনাকৈ অতিষ্ঠ হোৱা নাছিলো। ইংলেণ্ডৰ ভিছা পোৱাই আটাইতকৈ টান। ভিছা দিয়া লোকসকলৰ এনে মনোভাব যেন আমি তেওঁলোকৰ ওচৰত ঋণী হোৱা উচিত। ভিছা দিয়াসকলৰ সকলোৰে ওপৰত সন্দেহৰ ভাব। সেই বাবেই তাত চিঠি যোগে একো কাম কৰিব নোৱাৰি। আনকি ট্ৰেনজিট ভিছাৰ বাবেও নিজ কনছুলেট জেনেৰেলৰ অফিছলৈ যাব লাগে।

ভিছাৰ মাচুলো প্ৰচুৰ। ছুইজাৰলেণ্ডৰ বাবে এই মাচুল ২৮ মার্ক; কিন্তু ইংলেণ্ডৰ বাবে ৬২ মার্ক। সিফালে কনছুলেটটো ডুছেলডর্ফতহে; বনত নহয়।

সেই কাৰণে ইংলেণ্ডৰ ভিছা পাওঁতে মাইনৃছৰ পৰা অহা-যোৱাকে ধৰি মোৰ আৰু পত্নীৰ প্ৰায় তিনিশ মার্ক খৰচ হ'ল। অৱশ্যে তিনি ঘণ্টাৰ ভিতৰতে ভিছা দুখন উলিয়াব পৰা গ'ল। অর্থাৎ বৃটিছ কনছুলেটৰ মানুহে ইউৰোপৰ আন মানুহৰ দৰে অন্ততঃ মানুহৰ সময়ক মূল্য দিলে।

পশ্চিম জার্মেনিৰ বৃটিছ কনছুলেটৰ প্ৰতি এটা বিৰক্তিপূর্ণ মনোভাব প্ৰকাশ কৰিছোঁ যদিও লাগে-লাগে সেই প্ৰতিষ্ঠানক ধন্যবাদো জনাইছোঁ। ভিছাৰ বাবে ডুছলডর্ফলৈ নোযোৱাহেঁতেন এইখন মহা-নগৰকে ধৰি তিনিখন সুন্দৰ মহানগৰ আমি নেদেখিলোহেঁতেন আৰু ড. নিৰোদ কুমাৰ বৰুৱাৰ দৰে সহৃদয় গুণী মানুহজনৰ ঘৰত এদিন এৰাতি থকা নহ'লহেঁতেন। বাকী দুখন মহানগৰ হ'ল—ক'ল'ন আৰু বন।

এই তিনিওখন মহানগৰ পশ্চিম জার্মেনিৰ উত্তৰে ৰৈখিকভাৱে ওচৰা-উচৰিকৈ আছে। ক'ল'ন এখন শিল্প-উদ্যোগখ্যাত মহানগৰ। ক'ল'নৰ চুবুৰীয়া অঞ্চলতো ভালেমান ডাঙৰ-ডাঙৰ কলকাৰখানা আছে। আমাৰ সেইবোৰ দেখাৰ সৌভাগ্য হৈছিল। লগতে পশ্চিম জার্মেনিৰ প্ৰধান শিল্পাঞ্চলটোও।

ৰাইন নদী চুইজাৰলেণ্ডৰ আল্পছ গিৰিমালাৰ পৰা ওলাই পশ্চিম জার্মেনিয়েদি বৈ গৈ নেদাৰলেণ্ড সোমাই সাগৰত মিলি গৈছে। ৰাইন পশ্চিম জার্মেনিৰ প্ৰাণগংগা। ৰাইন আৰু মাইন নামৰ নদী দুখনৰ পাৰৰ শিল্প-বাণিজ্যসমৃদ্ধ মহানগৰ হ'ল মাইনৃছ আৰু ফ্ৰেংকফার্ট। ক'ল'ন আৰু বনো ৰাইনৰ পাৰত। ৰাইনে এই চাৰিখন চহৰক চাৰিত্ৰিক বৈশিষ্ট্যও দান কৰিছে।

পাঁচ নৱেম্বৰত এই যাত্ৰা। আমি ৰেলেৰে গৈ ক'ল'ন পোৱাৰ

কথা। দিনৰ দহটা চৌৱন্ন মিনিটত। ড. নিবোদ কুমাৰ বৰুৱাই আমাক তেওঁৰ ঘৰলৈ নিবলৈ ৰেল-ষ্টেছনত বৈ থাকিব। মই মাইনৃছলৈ অহা দিন ধৰি প্ৰায়ে তেওঁলৈ ফোন কৰি থাকোঁ। তেওঁো মাজে-মাজে ফোন কৰি আমাৰ খা-খবৰ লৈ থাকে। কেতিয়াবা মনৰ কথা ফোনৰ সময়-সীমাবদ্ধতাতকৈ বেছি হ'লে আমি চিঠি লিখোঁ। সিফালে আমাৰ এতিয়ালৈকে দেখাদেখিয়েই হোৱা নাই। চিঠি আৰু ফোনৰ যোগেদিয়েই আমাৰ মাজত অন্তৰংগতা গঢ়ি উঠিছে। অৱশ্যে 'প্ৰান্তিক'ৰ যোগেদিও তেওঁ মোৰ চিনাকি।

পুৱা ৰেলত উঠিলো। বতৰ সুপ্ৰসন্ন। পুৱাতে ৰ'দ। নৱেম্বৰত সাধাৰণতে ইয়াত আকাশ গোমা হৈ থাকে আৰু চেঁচা বতাহত বাদেও কিনকিনিয়া বৰষুণ পৰে। এনে বতৰত টুপী আৰু অ'ভাৰকোট নিপিন্ধিলে বাজলৈ ওলাব নোৱাৰি। ইয়াত তেতিয়া কেৱল অ'ভাৰ-কোট পিন্ধিলেই নহ'ব, সেই কোটত পানী নসৰকা ব্যৱস্থা থাকিব লাগিব। সেয়েহে ইয়াত পানীকোটবোৰৰ তলত গৰম কাপোৰ থাকে আৰু একেটা কোটে একেলগে জাৰ আৰু বৰষুণৰ পৰা ৰক্ষা কৰিব পাৰে। সেয়েহে ইয়াত কেৱল পানীকোট কিনিদলৈ পোৱা নাযায়। সেই বাবেই মই বৰ অসুবিধাত পৰিছোঁ।

যি হওক, ক'ল'নৰ উদ্দেশ্যে ৰেলত উঠিবলৈ যোৱাৰ দিনা আমাৰ পানীকোট বা অ'ভাৰকোট নাইবা পানীকোটজাতীয় অ'ভাৰকোট পিন্ধাৰ প্ৰয়োজন নাছিল। পাঁচ নৱেম্বৰৰ দেওবাৰৰ সেই পুৱাটো আছিল অক্টোবৰৰ শৰতৰ দৰে। আকাশ ফৰকাল থকাৰ বাবে আমি ৰেলগাড়ীৰ খিড়িকিয়েদি বাহিৰৰ অপূৰ্ব সৌন্দৰ্য উপভোগ কৰিব পাৰিছিলো। এই সৌন্দৰ্য স্বৰূপতেই অবৰ্ণনীয়। ৰাইন নদীক আগতেও কেইবা ঠাইতো দেখিছিলো ; কিন্তু সেই দিনাৰ দৰে বেলেগ ৰূপত আগতে ৰাইনক পোৱা নাছিলো।

মাইনৃছৰ পৰা ক'ল'নলৈ যোৱা ৰেলগাড়ীখন ৰাইনৰ পাৰে-পাৰে গৈছিল। আমাৰ পূবে অপৰূপা ৰাইন। সিপাৰেও গছে-বনে ভৰপূৰ

পাহাৰ, ইপাৰেও তেনে পাহাৰ। সিপাৰেও ৰেলৰ আলি, বাছ-মটৰ চলা বহল আলি; এই পাৰেও তেনে আলি। ইপাৰৰ পাহাৰৰ টুপত মাজে-মাজে চৈধ্যপোন্ধৰ শতিকাত সজা দুৰ্গ আৰু সিপাৰেও তেনেকুৱা দুৰ্গ। এনে ভাব হয় যেন আমি এই শতিকাৰ যন্ত্ৰনিৰ্ভৰ মানুহ হৈয়ো অতীতৰ কেইবা শতিকাৰো ইতিহাস আৰু অক্ষুণ্ণ প্ৰকৃতিৰ মাজেদি কোনোবা অজান ভৱিষ্যতলৈ আগবাঢ়িছোঁ।

ৰাইনৰ কোনো অংশ চঞ্চলা পাটগাভৰুৰ দৰে, কোনো অংশ নৃত্যপটীয়সীৰ দেহ-ভংগিমাৰ দৰে, কোনো অংশ সৰোবৰৰ দৰে শান্ত আৰু কোনো অংশ আমাৰ দিখৌ বা কপিলীৰ দৰে। দুয়ো পাৰে খেতি, হাবি-বন, সৰু-সৰু আত্মতুষ্ট গাঁওবোৰ; মাজে-মাজে আধুনিক যান্ত্ৰিক কৃষি কৰি চহকী হোৱা একোখন চহৰ যেন লগা গাঁও। পঞ্চাছ-ষাঠি কিল'মিটাৰ অন্তৰে-অন্তৰে একোখন সুপৰিকল্পিত চহৰ। দূৰৈত মাস্তুলৰ ধোঁৱাই কলকাৰখানাৰ জাৰ্মেনিখনৰো পৰিচয় দিছে।

ৰাইনক বৰ আপোন-আপোন লাগিছে। ৰাইনক দিখৌ, বুঢ়ীদিহিং বা কপিলীৰ লগত তুলনা কৰিব নোৱাৰি। ইয়াৰ বুকু এই কেইখন নদীতকৈ নিমজ; সিমান খৰস্ৰোতাও নহয়। অৱশ্যে যথেষ্ট বহল। দক্ষিণ ভাৰতৰ গোদাবৰী নদীৰ সমান। কিন্তু শীতৰ ৰাইন, গোবাবৰীৰ দৰে যৌৱনহীনা নহয়। ছুইজাৰলেণ্ডৰ গিৰিমালাৰ পৰা বাগৰি অহা জলধাৰাই ৰাইনক শীতকালতো ভৰপূৰ কৰি ৰাখিছে। ৰাইনৰ এই ৰূপ যেন কোনোবা অনন্ত যৌৱনাৰহে। ৰাইনৰ পাৰ আৰু জলস্ৰোতত সৰ্বদায় প্ৰাণৰ পয়োভৰ। এই নদী যেন দুখন যুদ্ধত লেওসেও হৈয়ো জ্ঞান-বিজ্ঞান আৰু সমৃদ্ধিৰ ক্ষেত্ৰত অনুকৰণীয়ভাৱে অপৰাজেয় হৈ থকা অক্লান্ত জাৰ্মান জাতিৰ প্ৰতীকহে।

আমাৰ চকুৰ পৰা অকস্মাতে ৰাইন আঁতৰি গ'ল। এতিয়া দুয়ো ফালে সুন্দৰ-সুন্দৰ ঘৰ। আমি তাৰ মাজেদি আহি আছোঁ। উকি

নিদিয়াকৈ ৰেলখন ৰ'লহি। ফলিখন পঢ়ি চালো—Koln Hauht-bahnhof অর্থাৎ প্রধান ৰেলষ্টেছন, ক'ল'ন।

আমাক নিবলৈ ড. নিৰোদ কুমাৰ বৰুৱা বৈ আছেনে নাই ক'ব নোৱাৰোঁ। কাৰণ তেওঁ আমাৰ চাক্ষুষ দৃষ্টিত অপৰিচিত। তথাপি আমি ভাবিলো যে তেওঁ আমাক চিনি পাব। কাৰণ পত্নীৰ পোছাকৰ পৰাই ড. বৰুৱাই তেওঁক অসমীয়া বুলি গম পাব।

কিন্তু অপৰিচিত ঠাইত আমাৰ ওচৰলৈ কোনো পৰিচয় লবলৈ নাহিল। ষ্টেছনত নমা যাত্রীসকল দুয়ো ফালে ভূগর্ভৰ ফালে সোমোৱা বাটেদি কৰবালৈ গ'লগৈ। এতিয়া প্লেটফর্মত আমি দুজনহে। তাতে থকা ফোনৰ কিনাৰত এক মার্ক ভৰাই ড. নিৰোদ বৰুৱালৈ ফোন কৰিলো। ফোনটো বাজিল, কিন্তু কোনেও নধৰিলে। গতিকে মই নিশ্চিন্ত হ'লো যে তেওঁ সপৰিয়ালে নিশ্চয় ৰেল ষ্টেছন-লৈকে আহিছে।

আমি অলপ চিন্তান্বিত হৈছোঁ ; কিন্তু বিচলিত হোৱা নাই। কাৰণ হাতত ধন থাকিলে এখন চহৰ বা মহানগৰত বিপদত পৰিব নালাগে। নিৰোদ বৰুৱা কিয় নাহিল তাৰ কাৰণ কেইটা জুকিয়াই চালো। কালি ৰাতি ফোন কৰোঁতে ফোনটো জীয়েকে ধৰিছিল। তাই ভুল সময় এটা ক'লে নেকি ? এই সন্দেহো অযুক্তিকৰ যেন লাগিল। পিছে তাৰ বাহিৰে আন একো কাৰণ বিচাৰি নাপালো।

হঠাতে মোৰ এটা সন্দেহ হ'ল। আমাৰ ৰেলগাড়ীখন ক'ল'নত ৰওঁতে কোন ফালেদি নামিব লাগে তাকে বুজা টান হ'ল। কাৰণ দুই ফালেই প্লেটফর্ম দুখন ৰেলৰ লগত মিলি আছে। কেইজনমান মানুহ নমা দেখি আমি বাঁওফালে নামিলো। কিন্তু সেই মানুহ কেইজনৰ সেইটো আচল প্লেটফর্ম নহয় বুলি সন্দেহ হ'ল। সেইবাবে তেওঁলোক ৰেলগাড়ীত উঠি পাব হৈ সোঁফালে নামিল। আমিও তাকেই কৰিলো। ফলত আমাৰ দুই মিনিটমান পলম হ'ল। সেই কাৰণেও হয়তো বৰুৱাই আমি নাহিলো বুলি ধৰি ললে।

মই খটখটিয়েদি নামি আহিলো। ভাবিলো, নিশ্চয় খটখটি শেষ হোৱাৰ ঠাইত তেওঁ বৈ থাকিব বা টেক্সি থকা ঠাইতো তেওঁক লগ পোৱা যাব।

মোৰ অনুমান সঁচা হ'ল। খটখটি শেষ হোৱা ঠাইত ওপৰলৈ চাই থকা মানুহজনেই নিৰোদ বৰুৱা বুলি মোৰ অনুমান হ'ল। লগত এজনী ছোৱালী যাৰ চেহেৰা পুৰামাত্ৰাই জাৰ্মান ছোৱালীৰ দৰে। কিন্তু মই দেখা মানুহজনক ভাৰতীয় বুলি সতকাই ক'ব নোৱাৰি। পিছে চুলিকোছা যথেষ্ট ক'লা বাবে তেওঁৰ মুখত মোৰ চকু বৈ গ'ল। নিৰোদ বৰুৱাৰ মনত মোৰ কাল্পনিক চেহেৰাটো বোধকৰোঁ সুকীয়া আছিল। মই পাৰ হৈ যাবৰ সময়তো সেই মানুহজনে আগৰ দৰে তললৈ নমা খটখটিটোৰ ওপৰ ভাগলৈ চাই আছিল।

মই তেওঁৰ ওচৰত থিয় দিলো। তেওঁ ইংৰাজীতে সুধিলে, "কাৰোবাক বিচাৰিছে?" মই ক'লো, "বোধকৰোঁ আপুনি নিৰোদ বৰুৱা।"

তেওঁ অসমীয়াতে সুধিলে, "বাইদেউ নাহিল নেকি? অকলে অহা দেখি মই আপুনিয়েই এইজন মানুহ বুলি ভবা নাছিলো।"

আমি ওপৰলৈ গৈ পৰিবাৰক লৈ আহিলো। তেওঁ পোনতে জীয়েকৰ লগত আমাক পৰিচয় কৰাই দিলে। আমি তেওঁৰ মটৰ-গাড়ীৰ ফালে আহি থাকোঁতে তেওঁ ক'লে যে আমাক প্লেটফৰ্মত নেদেখি তেওঁ তলৰ ফোনৰ ঘৰটোৰ ওচৰত বৈ আছিল। শেষত খটখটিৰ তলত বৈ থকাটোকে তেওঁ ভাল হ'ব বুলি ভাবিছিল।

নিৰোদ বৰুৱা থকা ফ্লেটটো ৰেল ষ্টেছনৰ পৰা ভালেখিনি নিলগত। তেওঁৰ মটৰগাড়ীত আমি পুনৰ ৰাইনৰ পাৰে-পাৰে আহি আছোঁ। এই মহানগৰৰ পাৰৰ বাইনো অপৰূপ। দঁতিৰ গছ-গছনিয়ে আগুৰা সুন্দৰ ৰাজপথত বিভিন্ন ধৰণৰ দ্ৰুতবেগী মটৰগাড়ী। সিপাৰে শিল্পাঞ্চল। এই পথৰ দাঁতিত সুশোভন গগণচুম্বী অট্টালিকাৰ শাৰী। অট্টালিকাসমূহৰ ভাস্কৰ্যৰ চাৰুকাৰ্য এনেকুৱা যে তাত

আধুনিক ভাস্কৰ্যৰ একে ধৰণৰ বিৰাটত্ব নাই। অট্টালিকাসমূহ 'নিঅ' ক্লাছিছিজম' আৰ্হিৰ বাবে চাই আমনি নালাগে।

আমি নিৰোদ বৰুৱাৰ আহল-বহল আৰামদায়ক ফ্লেটটো পালোহি। তেওঁৰ জাৰ্মান পত্নীয়ে ক'ল'নৰ অনাতাঁৰ কেন্দ্ৰৰ বহিৰ্বিভাগত কাম কৰে। তেওঁ আন এঠাইত ফুৰিবলৈ গৈছে। ঘৰত এতিয়া ছোৱালী দুজনীহে আছে। ডাঙৰ ছোৱালী ডায়েনাৰ বয়স যোল্ল। দুবছৰৰ পাছত তেওঁ স্নাতক হ'ব। তেৰ বছৰীয়া অনুস্যা স্কুলত পঢ়ে। দুয়োজনী ছোৱালীৰ উচ্চতা আৰু গাৰ বং জাৰ্মান ছোৱালীৰ দৰেই। কিন্তু চুলি কাউৰীৰ পাখি যেন ক'লা। ডায়েনাই চুলিও অসমীয়া ছোৱালীৰ দৰে ৰাখিছে। তেওঁৰ আচৰণ আৰু ব্যক্তিত্বত অসমীয়া ছোৱালীৰ চিন বিচাৰি পোৱা যায়। বৰ নৰম লগা ছোৱালী। সাধাৰণতে দেখা পোৱা জাৰ্মান ছোৱালীৰ তজ-বজীয়া স্বভাৱটো তেওঁৰ নাই।

অনুস্যাৰ বয়স তেৰ যদিও জোনৰ দৰে একলা একলাকৈ বাঢ়ি অহা ছোৱালীজনীক বয়সতকৈ ডাঙৰ দেখি। মেঘক'লা চুলিখিনিৰ কপালৰ ওপৰৰ অংশ বেছি দীঘল। তেওঁ সাধাৰণতে দেখা ধুনীয়া ছোৱালীবোৰতকৈয়ো ধুনীয়া।

অনুস্যা নামটোৰো চমু ইতিবৃত্ত আছে। বাপেকে তাইৰ নাম ৰাখিছিল অনুসূয়া। কিন্তু এবাৰ অসমলৈ গৈ তেওঁ গম পালে যে নিজৰ ওচৰ সম্পৰ্কীয়া ছোৱালী এজনীৰ নামো অনুসূয়া। ফলত তেওঁৰ নাম অনুস্যা হ'ল। পিছে এই নাম অৰ্থবহ নহয় বুলি বাপেকে স্বীকাৰ কৰিলে।

ডায়েনা আৰু অনুস্যাক দেখিয়েই মোৰ নিজৰ ভতিজা জীয়ৰী যেন লাগিল। মোৰ ভাব হ'ল, তেওঁলোকৰ সজীৱতাখিনি যেন অসমৰ প্ৰকৃতিৰহে।

ড. নিৰোদ কুমাৰ বৰুৱা সঁচাকৈয়ে সুপুৰুষ। নায়কোচিত চেহেৰা। খেলুৱৈৰ দৰে মেদবৰ্জিত ঋজু উচ্চ দেহ। গাৰ ৰঙো

সুন্দৰ। মুখশ্ৰী তেজোদীপ্ত। তেওঁৰ বয়স হৈছে। কাৰণ তেওঁ ১৯৬৪ চনৰে লণ্ডন বিশ্ববিদ্যালয়ৰ ডক্টৰেট। কিন্তু দেখাত তেনেই ডেকা। বোধকৰোঁ তেওঁৰ সহপাঠীসকলৰ তেওঁক দেখি ঈৰ্ষাহে হ'ব।

ড. বৰুৱাক পোনতে দেখিয়েই বহু দিনৰ চিনাকি যেন লাগি গ'ল। হয়তো তেওঁৰ আকৰ্ষণীয় ব্যক্তিত্বৰ কাৰণেই। পহিলা দহ মিনিটৰ ভিতৰতে আমাৰ মাজত এক দ্বিধাবিহীন মানসিক সংযোগ স্থাপিত হ'ল।

তেতিয়া জাৰ্মেনিত দুপৰীয়া চাৰে এঘাৰ বাজিছে। ড. বৰুৱা আৰু ছোৱালী দুজনীয়ে আমাক আলহ-উদহকৈ কফি খুৱালে। লগত কেইবাবিধো জাৰ্মান কেক।

ড. বৰুৱাই ক'লে, "আপোনালোকৰ নিশ্চয় ভাত খোৱাৰ সময় হৈছে। মই এতিয়া ভাত ৰান্ধোগৈ। দাইলো ৰান্ধিম। মাছো আছে।"

এইবুলি কৈয়ে তেওঁ ৰান্ধনি ঘৰ পালেগৈ। আমি কথাটো ভাল নেদেখিলো। আমাৰ ভোকো লগা নাছিল। পুৱাই মাইনৃছৰ পৰা আহিছিলো যদিও আমি ততাতৈয়াকৈ কলৰ লগত গাখীৰ-ভাত খাই আহিছিলো। সেয়েহে আমি তেওঁক ক'লো যে ভাত ৰান্ধি সময় নষ্ট কৰিব নালাগে; ভাত ৰান্ধিলে আমাৰ ফুৰিবলৈ কম সময় থাকিব। এনে সময়তে তেওঁ এটা ফোন পালে: লেফটেনেণ্ট কৰ্নেল ভাস্কৰ বৰুৱা এঠাইত বৈ আছে। তাৰ পৰা তেওঁক আনিব লাগে। মই আৰু ড. বৰুৱা তেওঁক আনিবলৈ গ'লো।

ভাস্কৰ বৰুৱা প্ৰখ্যাত অভিনেতা (জয়মতী চলচ্চিত্ৰৰ গদাপাণি) ফণু বৰুৱাৰ পুতেক। সেনা বিভাগৰ কামৰ পৰা অৱসৰ লৈ তেওঁ সম্প্ৰতি শিৱসাগৰত নিজৰ চাহ বাগিচা কেইখন চলায়।

তেওঁক পাই আমাৰ বৰ ভাল লাগিব। মানুহজন অত্যন্ত বিনয়ী আৰু যথেষ্ট সমাজ-সচেতন। তেওঁৰ পৰা ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ খবৰ ললো। তেওঁ ইউৰোপলৈ ফুৰিবলৈকে আহিছে।

তেওঁৰ ভনী জোৱায়েক আমজাদ আলি খান সস্ত্রীক আহিছে ইউৰোপৰ বিভিন্ন ঠাইত সৰোদ-সংগীত পৰিবেশন কৰিবলৈ। লগত অৱশ্যে সাৰেংগী আদি বজোৱা অন্য বিখ্যাত লোকে আছে। মই থকা জোহানছ গুটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ চৌহদত তেওঁলোকে জাৰ্মেনিৰ বিভিন্ন ঠাইত সংগীত পৰিবেশন কৰাৰ আকৰ্ষণীয় বিজ্ঞাপন দেখি 'অসমৰ জোঁৱাই' এজনৰ খ্যাতিৰ উমান পই মনে-মনে গৌৰৱ অনুভৱ কৰিছিলো।

সম্প্ৰতি লেফটেনেণ্ট কৰ্নেল বৰুৱা আহিছে আৰ্মষ্টাৰডামৰ পৰা। তেওঁ নিৰোদ বৰুৱাক কোৱা শুনিছোঁ, 'কিমাননো দলটোৰ লগত হোটেল-হোটেল ঘূৰি ফুৰিম? তোমাৰ তাত কেইদিনমান কটাই যাওঁ।"

এই বুলি কৈ তেওঁ ফলি এডোখৰ দেখুৱাই ক'লে, "চাওক এওঁ-লোকৰ কাণ্ড: এই ফলিখন হোটেলৰ কোঠাৰ চাবিহে। ফুটবোৰ বহিছে কম্পিউটাৰৰ নিৰ্দেশত। এইখন ভৰাই দিলে দুৱাৰ খোল যায়। এই ফলিযেন চাবিটো হোটেলে ঘূৰাই নলয়; কাৰণ আন মানুহে আন এটা এনে চাবি পাব। মই আকৌ গৈ সেই এৰি অহা কোঠাটোত সোমাব নোৱাৰোঁ।"

আমি সেই 'চাবি'টো ঘূৰাই পকাই চালো। তেওঁ ক'লে, "ইয়াত মানুহৰ ঠাই সঁচাকৈয়ে যন্ত্ৰই অধিকাৰ কৰিছে। জীৱনৰ পৰিচালক হৈছে কম্পিউটাৰ। হোটেলত ধন দি ওলাই আহিবলৈকো এক মিনিটমান সময়হে লাগে। জাপানত এইবোৰ কাণ্ডকাৰখানা আৰু বেছি হৈছে। তাত হোটেলৰ কোঠাত নানাবিধ পানীয় আৰু কিবা-কিবি খোৱা বস্তু থাকে। তাকে কাকো নোসোধাকৈ খাই থাকিব পাৰি। কিন্তু কিমান মূল্যৰ বস্তু খালে তাৰ হিচাপ অদৃশ্য কম্পিউটাৰে ৰাখে।"

মই সুধিলো, "আপুনি আমষ্টাৰডম কেনে পালে?" তেওঁ ক'লে, "মানুহবোৰ বৰ উদাৰ যেন লাগিল। তাত আন দেশৰ মানুহ বহুত।

ইংৰাজীৰ প্ৰচলন যথেষ্ট। তাত আন্তৰ্জাতিক মানসিকতা স্পষ্ট। তাত থাকিলে বিদেশত থকা বুলি ভাব নহয়।”

আকৌ মটৰগাড়ী চলিল ৰাইনৰ পাৰে-পাৰে। চালক ড. নিৰোদ বৰুৱা। কাইলৈ নিচেই পুৱাতে মই আৰু মাধুৰী ইংলেণ্ডৰ ভিছা আনিবৰ বাবে ডুছেলডৰ্ফলৈ যাব লাগিব। ভিছা পোৱাৰ পাছত একে দিনাই আমি মাইনৃছ পোৱাৰ কথা। পুনৰ ক’ল’নলৈ ঘূৰি নাহোঁ। সেই কাৰণে ড. বৰুৱাই আমাক আজিৰ ভিতৰতে বন আৰু ক’ল’ন দেখুৱাবলৈ ঠিক কৰিলে। তেওঁৰ বিশ্বাস যে দুয়োখন ঠাইৰ প্ৰধান-প্ৰধান বস্তুবোৰ চাবৰ বাবে হাতত আজি যথেষ্ট সময় আছে।

আমি ক’ল’ন মহানগৰী বনৰ পৰা ঘূৰি আহি চোৱাৰ কথা। আমি ক’ল’ন এৰিছোঁ এক বজাত। বিথোভেনৰ জন্মস্থান আৰু পশ্চিম জাৰ্মেনিৰ ৰাজধানী বনৰ ফালে আমি তীব্ৰ বেগে আগ বাঢ়িছোঁ।

ওল্ডডেণ্টেল পশ্চিম জাৰ্মেনি

১০।১১।৮৯

সোতৰ

কল’নৰ পৰা বন বেছি দূৰৈত নহয়। দুয়োখন নগৰকে জমজ নগৰ বুলি ধৰিব পাৰি। হায়দৰাবাদ আৰু ছেকেন্দৰাবাদৰ লগত ইয়াক ৰিজাব পাৰি। এই দুয়োখন ঠাইকে ইয়াত মহানগৰী বা ছিটি বুলি কোৱা হয় যদিও জনসংখ্যাৰ ফালৰ পৰা ভাৰতৰ চহৰ-মহানগৰৰ লগত তুলনা কৰিলে ক’ল’ন আৰু বনক চহৰ বোলাহে ভাল। বাৰ্লিন, হামবুৰ্গ আৰু মিউনিকহে প্ৰকৃততে মহানগৰ।

ড. বৰুৱাই ক’লে, “বন সৰু ঠাই। দূতাবাস আৰু প্ৰশাসনৰ কেন্দ্ৰ। অৱশ্যে লগতে বিখ্যাত বন বিশ্ববিদ্যালয়। তাৰ বাহিৰে ইয়াত একো নাই। ঘৰ আৰু আলিবোৰ দেখিলে বৰ ডাঙৰ ঠাই যেন লাগে। পিছে ইয়াৰ মানুহে বনক ফেডাৰেল ভিলেজ বুলিহে কয়।”

তথাপি লানি নিছিগা চলন্ত মটৰ গাড়ী, প্ৰশস্ত ৰাজপথ, সুবৃহৎ প্লাজা, বিলাসপূৰ্ণ হোটেল, কাৰুকাৰ্যখচিত কেইবাটাও গীৰ্জা-কেথেড্ৰেল, বিশাল উদ্যান আৰু বিধ-বিধ সামগ্ৰী সজাই থোৱা ডাঙৰ-ডাঙৰ দোকান আৰু প্লাজাত যথেষ্ট মানুহৰ সমাগম দেখি আমাৰ হ'লে বনক সৰু ঠাই যেন নালাগিল।

বনো জাৰ্মেনিৰ প্ৰধান শিল্পাঞ্চলৰ অন্তৰ্ভুক্ত। কিন্তু ইয়াৰ অৱস্থিতি এনেকুৱা যে দূৰৈৰ কল-কাৰখানাই বনৰ পৰিবেশ প্ৰদূষিত কৰা নাই। বোধকৰোঁ ১৯৪৯ চনত পশ্চিম জাৰ্মেনিক নতুন ৰূপ দিবৰ বেলিকা পৰিকল্পনাকাৰীসকলে ফ্ৰেংকফাৰ্টৰ সলনি বনক ৰাজধানী হিচাপে নিৰ্বাচিত কৰাৰ ইয়ো অন্যতম কাৰণ হ'ব পাৰে।

আমি পোনতে বন বিশ্ববিদ্যালয়লৈ গ'লো। ইয়াতে কেইবা বছৰো ধৰি ড. বৰুৱাই যৌৱনৰ সোণালী দিনবোৰ পাৰ কৰিছিল। তেওঁ বন বিশ্ববিদ্যালয়ৰো ইতিহাসৰ ডক্টৰেট। বিশ্ববিদ্যালয়খনিৰ এমূৰে ৰাইন। চৌহদৰ ভিতৰৰে এখন উদ্যানত বিথোভানৰ প্ৰতিমূৰ্তি। তাৰ পৰা অলপ আগুৱাই গৈ এটা পুৰণি ধৰণৰ ডাঙৰ ঘৰ দেখিলো। এইটোৱেই বন বিশ্ববিদ্যালয়ৰ ভাৰততত্ত্বৰ বিভাগ। স্থাপিত হৈছিল ১৮০৮ চনতে। পিছে সম্প্ৰতি প্ৰকৃততে ভাৰততত্ত্বৰ শিক্ষা আৰু গৱেষণা হয় বুলি ড. বৰুৱাই ক'ব নোখোজে। ইয়াত সংস্কৃত, তামিল আদি কেইটামান ভাৰতীয় ভাষাৰ ব্যাকৰণ, শব্দতত্ত্ব আদিৰহে চৰ্চা হয়।

পশ্চিম জাৰ্মেনিৰ ভালেমান বিশ্ববিদ্যালয়ত ভাৰততত্ত্ব বিভাগ আছে। তাত ভাৰতৰ বিষয়ে গৱেষণা কৰা হয়। কিন্তু ইংলেণ্ডত থাকি মেক্সমুলাৰে আৰু ভাৰতত থাকি আনন্দৰাম বৰুৱাই যেনে ধৰণৰ গৱেষণা কৰিছিল তেনে ধৰণৰ ভাৰতীয় ধৰ্ম, ভাষা আৰু সাহিত্যৰ গৱেষণা ইয়াত কৰা হয় বুলি ড. বৰুৱাই নাভাবে। অৱশ্যে জাৰ্মানসকলৰ ভাৰতক জানিবলৈ যথেষ্ট আগ্ৰহ। সেইবাবে ভাৰতৰ

বিষয়ে গৱেষণাৰ নতুন-নতুন দিশৰ সন্ধান পালে ইয়াৰ পণ্ডিতসকলে ভাৰতক লৈ যথেষ্ট গৱেষণা চলাব বুলি মোৰ দৃঢ় বিশ্বাস।

পশ্চিম জাৰ্মেনিলৈ অহাৰ আগতে ড. বৰুৱাই দিল্লী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। ইয়াতো হাইডেলবাৰ্গ বিশ্ববিদ্যালয়ত অলপ দিনৰ কাৰণে অধ্যাপনা কৰিছিল। যোগ্যতাৰ বলত তেওঁ আলেক-জেণ্ডাৰ ভন হামবল্টৰ অনুদান পাই ভাৰত-জাৰ্মান-সম্পৰ্কৰ বিষয়ে গৱেষণা কৰিছিল। এই বিষয়ত বন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট পোৱা বাবে আৰু জাৰ্মান ভাষাত ব্যুৎপত্তি থকাৰ বাবেও তেওঁ জাৰ্মেনিত কৰ্মজীৱন গঢ়ি তুলিবলৈ যোগ্যতা অৰ্জন কৰিছিল। সম্প্ৰতি তেওঁ বনৰ আন্তৰ্জাতিক বিকাশ সংস্থাৰ এজন বিষয়া। এই কামটো তেওঁ বৰ ভাল পাইছে। কাৰণ জাৰ্মান ইতিহাস আৰু সংস্কৃতিৰ লগত তেওঁ পৃথিৱীৰ আন-আন দেশৰ ইতিহাস আৰু সংস্কৃতিৰ অধ্যয়ন কৰিব লাগে। তথাপি তেওঁ অসমৰ বুৰঞ্জী আৰু ৰাজনৈতিক জীৱনৰ অধ্যয়ন চলাই আছে। তেওঁ সম্প্ৰতি গোপীনাথ বৰদলৈৰ ৰাজনৈতিক জীৱনৰ বিষয়ে গৱেষণা চলাই নতুন-নতুন দিশ উন্মোচন কৰি মুগ্ধ হৈছে আৰু বৌদ্ধিক সন্তুষ্টি লাভ কৰিব পাৰিছে।

মই নিজে বুৰঞ্জীৰ মানুহ নহয় যদিও এইখিনিতে কৈ থওঁ যে ৰাতি তেওঁৰ গৱেষণাৰ বস্তু কিছুমান দেখুৱাওঁতে মনোগ্ৰাহী পদ্ধতি কেইটামান দেখি মই অভিভূতত নহৈ নোৱাৰিলো। দিল্লীৰ পৰা প্ৰকাশিত Mainstram-অত ১৯৮৬ চনৰ ১, ৪ আৰু ১৫ মাৰ্চত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা তেওঁৰ 'Virendranath Chattopadhyaya in Stockholm 1917—1912" শীৰ্ষক গৱেষণা নিবন্ধটো পঢ়িলেই তেওঁৰ প্ৰণালীবদ্ধ নিখুঁত গৱেষণাৰ এটা আভাস পাব পাৰি।

আমি আকৌ ক'ল'নত। ড. বৰুৱাই ক'ল'ন ৰেল জংছনটোৰ তলে-ওপৰে কেইবাটাও প্লেটফৰ্ম দেখুৱাই ক'লে যে ইউৰোপৰ ভিতৰত ইমান ডাঙৰ জংছন আৰু ক'তো নাই।

তেতিয়া সন্ধিয়া। ৰেল-জংছনৰ ওচৰতে এটা বিৰাট কেথেড্ৰেল। ইয়াৰ কাৰুকাৰ্যও অপৰূপ। স্কাইস্ক্ৰেপাৰবিশিষ্ট আধুনিক ক'ল'নতো সুউচ্চ কেথেড্ৰেলটোৱে নিজস্ব মহিমা ঘোষণা কৰি আছে। এই কেথেড্ৰেলটোৰ ভাস্কৰ্য গ'থিক। ইয়াৰ নিৰ্মাণকাৰ্য চলিছিল দ্বাদশ শতিকাৰ পৰা উনবিংশ শতিকালৈকে। তাকো ধৰ্মানুষ্ঠানৰ ধনেৰে নহয়, জনসাধাৰণৰ ধনেৰেহে। সেই কাৰণেই ক'ল'নবাসীৰ এই কেথেড্ৰেলটোলৈ স্বকীয়া মৰম এটা আছে। ইয়েই হেনো ক'ল'নৰ প্ৰাণ।

দিনটো আছিল দেওবাৰ। কেথেড্ৰেলৰ ভিতৰত কেইবাটাও হলঘৰ। তাত একেলগে ডেৰ হাজাৰমান দৰ্শক দেখিলো।

আমি আকৌ ড. বৰুৱাৰ ফ্লেটত। আমাক তেওঁ নিজে ৰান্ধি খুৱাব। সঁচাকৈয়ে তেওঁ ভাল ৰান্ধে। ইয়াত অৱশ্যে সকলোৱে গৃহকৰ্মত হাত দিবলৈ বাধ্য। পাৰ্ট টাইম কৰ্মী ৰখাটো বেছি ভাগ মানুহৰ কাৰণেই সম্ভৱপৰ নহয়। এনে পুৰুষ বা তিৰোতাক এঘণ্টাত ২০ মাৰ্ককৈ লাগে। ড. বৰুৱাই সন্ধিয়াৰ আহাৰ নিজ হাতেৰে তৈয়াৰ কৰি আমাৰ জিভাক জুতি দিলে আৰু পেটক সন্তোষ দিলে যদিও তেওঁৰ ৰন্ধা-বঢ়াৰ প্ৰতি ধাউতি আছে বুলি মতামত দিয়া টান। কাৰণ এই দেশলৈ আহি পত্নীৰ লগতে তেওঁ ৰন্ধা-বঢ়া ঘৰুৱা কামত হাত উজান দিবলৈ বাধ্য। ভাস্কৰ বৰুৱা আৰু মই বৰ খুচী। হোটেলৰ ৰান্ধনিৰ পৰা আলৰ বুঢ়ীলৈকে বহুতৰ হাতে ৰন্ধা আহাৰ খাইছোঁ, কিন্তু বুৰঞ্জীবিদে ৰন্ধা আহাৰ প্ৰথম সেই সন্ধিয়াহে খালো। ইয়ো ভাস্কৰ বৰুৱা, মাধুৰী আৰু মোৰ বাবে এক উল্লেখযোগ্য ঘটনা।

অৱশ্যে ড. নিৰোদ কুমাৰ বৰুৱাক বিদেশৰ নিজ কৰ্মস্থানত লগ পোৱাটোও মোৰ বাবে এক অবিস্মৰণীয় ঘটনা। তেওঁৰ ঘৰটোত সোমায়েই অনুমান কৰিব পাৰি যে এইখন ঘৰৰ গৰাকীজন সুৰুচিপূৰ্ণ পণ্ডিত ব্যক্তি হ'ব লাগিব। ঘৰৰ প্ৰত্যেক কোঠাতে কিতাপ।

পঢ়াকোঠাত অজস্ৰ কিতাপ। এটা কোঠাত কেৱল গৱেষণাৰ তথ্যপাতিসমূহ প্ৰণালীবদ্ধভাৱে ৰখা হৈছে। এচুকত বহুত অসমীয়া কিতাপ। কিতাপৰ থাক এটাত কেৱল 'প্ৰান্তিক'ৰ সংখ্যাবোৰ। অধ্যয়নক জীৱনৰ নিতান্ত গৌণ বিষয় বুলি গণ্য কৰা অসমৰ ভালেমান গণ্যমান্য লোকে ড. নিৰোদ কুমাৰ বৰুৱাৰ ক'ল'নৰ ফ্লেটত সোমাই বিবুদ্ধি হৈ পোনতে এনেকৈ মনে-মনে ভাবিব—এইটো মানুহ থকা ঘৰনে চৰকাৰী পুথিভঁৰাল ?

তেওঁৰ ঘৰত বোধকৰোঁ সকলো ধৰণৰ অসমীয়া কিতাপ পোৱা যায়। কাৰণ আমি উত্তৰ প্ৰদেশত আৰু বিহাৰত চলি থকা হিন্দু-মুছলমানৰ সংঘৰ্ষৰ কথা আলোচনা কৰি থাকোঁতে তেওঁ হঠাতে এখন কিতাপ আনিলে আৰু তাৰ পৰা আৱাহনৰ যুগৰ এগৰাকী বিশেষ নাম নথকা মুছলমান কবিৰ অসম প্ৰেমৰ কবিতা এটা মাতি শুনালে।

তেওঁ গোপীনাথ বৰদলৈৰ জীৱনৰ কেইবাটাও আনে নজনা দিশ বিচাৰি পাইছে। তেওঁৰ মতে গোপীনাথ বৰদলৈৰ দৰে মহানুভৱ ৰাজনীতিক সমগ্ৰ ভাৰততে বিৰল। তেওঁ বৰদলৈৰ জীৱন সম্পৰ্কে গৱেষণা কৰি আছে। সেই উদ্দেশ্যে তেওঁ অসমত তিনি মাহ আছিল। 'প্ৰান্তিক'ত গোপীনাথ বৰদলৈৰ বিষয়ে এলানি চিন্তগধুৰ প্ৰবন্ধ লিখাৰ উপৰিও তেওঁ কেইখনমান কিতাপ সম্পাদনা কৰি অসম চৰকাৰৰ হাতত দিছে। কাৰণ এই বছৰটোত গোপীনাথ বৰদলৈৰ জন্মশতবাৰ্ষিকী চলি আছে। তেওঁ সম্পাদনা কৰা গ্ৰন্থ কেইখনৰ এটা চমু পৰিচয় আগ বঢ়ালো ঃ

১। বৰদলৈ দিনৰেখা, ১৯৪৮-১৯৫০ ইয়াত তেওঁ প্ৰায় ১০০ পৃষ্ঠামানৰ আগ কথা আৰু পাতনিৰ উপৰিও বহুত দলিল আৰু পাদটীকা সন্নিবিষ্ট কৰিছে।

২। বৰদলৈ দিনৰেখা, ১৯৪০-১৯৪৫

৩। Gopinath Bordoloi, Indian Constitution and Centre-Assam Relations 1940—1950.

৪। Speeches and Writings of Gopinath Bordoloi.

শেষৰ গ্ৰন্থখনো তেওঁৰ নিখুঁত গৱেষণাৰ ফল। এইখন গ্ৰন্থ অৱশ্যে তেওঁ অসম চৰকাৰলৈ পঠোৱা নাই। কাৰণ অসম চৰকাৰৰ প্ৰকাশন পৰিষদে সঁহাৰি জনাই ড. বৰুৱাৰ প্ৰতি কৃতজ্ঞতা জনোৱাৰ সলনি চিঠিৰ উত্তৰ নিদিয়াটোকে উচিত বিবেচনা কৰিছে। মই অসমলৈ গৈ কিবা এটা কৰিবলৈ তেওঁ অনুৰোধ কৰিছে।

ড. বৰুৱাৰ বৌদ্ধিক চৰ্চাৰ দৃষ্টান্ত দেখি মই সঁচাকৈয়ে অভিভূত হ'লো। অসমে সঁচাকৈয়ে এজন গুণী মানুহক পশ্চিম জাৰ্মেনিক উপহাৰ হিচাপে দিলে। তেওঁ অসমত থকা হ'লে আমাৰ বুৰঞ্জী-চৰ্চাৰ পৰিসৰ নিশ্চয় বাঢ়িলহেঁতেন।

আকৌ ভাবিলো,—ড. বৰুৱাৰ এই অসমপ্ৰীতি আৰু অসম সম্পৰ্কীয় চৰ্চা তেওঁৰ ওপজা দেশখনৰ প্ৰতি নষ্টালজিয়াবোধৰ বিকল্প নে, অসমক অন্তৰেৰে ভাল পোৱাৰ ফল? বোধকৰোঁ অন্তৰৰে নিজ দেশক ভাল পায় কাৰণেই তেওঁ অসমৰ সংস্কৃতি-জীৱনৰ প্ৰতিটো খবৰেই জানে। "বৰদলৈ দিনলেখা, ১৯৪৮—১৯৫০" নামৰ গ্ৰন্থৰ বিস্তৃত পাতনিখনেও তেওঁ অসমক প্ৰকৃততে ভাল পোৱাৰ প্ৰমাণ দিছে।

পাছদিনা নিচেই পুৱাতে আমাক তেওঁ গাড়ী চলাই ক'ল'ন জংছনত থ'লেহি। আমাৰ এৰাএৰি সঁচাকৈয়ে বৰ বেদনাদায়ক আছিল। বিদেশতহে মোৰ মনৰ বহু কথা মিলা মানুহ এজন পাইছিলো।

ডুছেলডৰ্ফ অভিমুখে ৰেলগাড়ীত উঠি গধুৰ মনেৰে ৬ নৱেম্বৰৰ কু'ৱলীয়ে আবৰা পুৱাটোত বাৰে-বাৰে নিজক প্ৰশ্ন কৰিছিলো— ড. বৰুৱা বাৰু অসমলৈ যোৱা ভাল হ'বনে? আমাৰ অসমত বুদ্ধি-জীৱীৰ মাজত যিহে অৰিয়াঅৰি, তেওঁ জানো যোগ্যতা অনুসৰি

উপযুক্ত চাকৰি এটা পাব ? ধৰা যাওক, তেওঁ অসমলৈ আহিল। তেতিয়াও জানো তেওঁৰ ভাল হ'ব ? পশ্চিমৰ মানুহ আচলতে কৰ্মযোগী আৰু ভাৰতৰ মানুহে মাথোন পূজা আৰু ৰাজনীতি কৰে। গীতাই নিৰ্দেশ দিয়া কৰ্মময় জীৱন ভাৰতত বিৰল। গতিকে কৰ্মত বিশ্বাসী পশ্চিমত থাকি ড. বৰুৱাই অসমী আইক সেৱা কৰক। মই ৰেলগাড়ীত বহি ভাবি-ভাবি ইয়াকেহে বাঞ্ছা কৰিলো। কাৰণ অসমত আমাৰ জীৱনৰ স্থবিৰতাই তেওঁকো পোতাশালৰ বন্দী কৰি পেলাব, পশ্চিমত পোৱা গতিচঞ্চলতাক হয়তো তেওঁ বজাই ৰাখিব নোৱাৰিব।

ড. বৰুৱাক আকৌ এবাৰ গল পাবলৈ মোৰ মন গ'ল। বোধকৰোঁ তেওঁক অসমত এবছৰ বা দুবছৰৰ ভিতৰত লগ পাম। কাৰণ জীৱনটো পশ্চিম জাৰ্মেনিত কটাব লগীয়া হ'লেও তেওঁ মৰমৰ অসমক আৰু নগাঁৱত থকা মাকক নোচোৱাকৈ থাকিব নোৱাৰে।

মোৰ বহুত কথাই মনত পৰিল। সৰুতে নগাঁও চৰকাৰী উচ্চ বিদ্যালয়ত পঢ়াৰ সময়ত এজন জাতকজিলিকা মানুহ দেখিছিলো। তেওঁ আছিল চিকিৎসক আৰু সমাজকৰ্মী। সদায় ছাইকেলত উঠা দেখা পাইছিলো। হাফপেণ্ট, বগা ছাৰ্ট আৰু মূৰত চ'লাৰ হেটেৰে সৈতে প্ৰকাণ্ড স্বাস্থ্যবান মানুহজনেই আছিল "ইলা ভনিটালৈ মুকলি চিঠি'ৰ ৰচয়িতা। তেওঁ আছিল কৰ্মযোগী, এগৰাকী ভীমকৰ্মা পুৰুষ। তেৱেঁই ড. ললিত বৰুৱা। স্বনামধন্য পণ্ডিত-সাহিত্যিক ড. বিৰিঞ্চি বৰুৱাৰ ককায়েক।

আৰু সেই ভীমকৰ্মা ড. ললিত বৰুৱাৰে যোগ্য পুত্ৰ হ'ল আমাৰ ড. নিৰোদ কুমাৰ বৰুৱা।

অ'ল্ডঃডেন্টেল, পশ্চিম জাৰ্মেনি

১১।১১।৮৯

ওঠৰ

পশ্চিম জাৰ্মেনিৰ কৃষিকাৰ্যৰ বিষয়ে জানিবলৈ ইচ্ছুক মানুহৰ সংখ্যা আমাৰ অসমতো কম নহয়। মোৰ কেইজনমান বন্ধুৱে চিঠি যোগে এই বিষয়ে লিখিবলৈ অনুৰোধ জনাইছে। তাৰে এজন হ'ল অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড. প্ৰফুল্ল চন্দ্ৰ বৰা। তেওঁ পশুপালন আৰু পশুবিজ্ঞান শিক্ষাৰ বিষয়েও লিখিবলৈ কৈছে। পিছে মই ইয়াত লগ পোৱা মানুহখিনি মূলতঃ কৃষিবিজ্ঞানৰ মানুহ নহয়। তেওঁলোকে মোক পশুপালন আৰুপশুবিজ্ঞান শিক্ষা সম্পৰ্কে ভাল এটা ধাৰণা দিব পৰা নাই যদিও এনেকৈ কোৱা শুনিছোঁ : কৃষিবিজ্ঞান আৰু পশুপালন-পশুবিজ্ঞানৰ স্বকীয়া পৰিচয় থকা উচিত নহয়; সেইবাবেই ইয়াকো কৃষিৰ লগতে সামৰি লোৱা যুগুত। কাৰণ পশু উৎপাদন আৰু দুগ্ধ উৎপাদন কৃষকেই কৰে। তদুপৰি আজিৰ যুগত উৎপাদনৰ সকলো ক্ষেত্ৰতে ৰাসায়নিক পুনঃচক্ৰীকৰণৰ (chemical recycling) প্ৰয়োজন হৈ পৰিছে। নহ'লে পৰিবেশক স্বাস্থ্যকৰ কৰি তুলিব নোৱাৰি। কৃষিকাৰ্যৰ ক্ষেত্ৰতো কৃষি আৰু পশুপালন একে লগে কৰিলেহে কৃষিক্ষেত্ৰত ৰাসায়নিক পুনঃচক্ৰীকৰণ ঘটে। সেইবাবেই হয়তো কৃষিছাত্ৰক পশুপালন আৰু দুগ্ধউৎপাদনৰ শিক্ষা দিয়া হয়।

ফ্ৰেংকফাৰ্টৰ নিকটবৰ্তী অ'ফেনবাকত (Offenback) কেন্দ্ৰীয় বতৰবিজ্ঞান কেন্দ্ৰ আৰু কেন্দ্ৰীয় কৃষি মৌচমবিজ্ঞান গৱেষণা আৰু কৃষি উপদেষ্টা কেন্দ্ৰও আছে। তাৰে কেন্দ্ৰীয় কৃষি মৌচমবিজ্ঞান গৱেষণা আৰু কৃষি-উপদেষ্টা কেন্দ্ৰৰ মুৰব্বী ড. হেগেৰেও একে কথাই ক'লে।

ইয়াৰ পশুপালন আৰু পশুবিজ্ঞানৰ চৰ্চা যে উচ্চমানবিশিষ্ট আৰু ইয়াৰ অত্যাধুনিক কৌশলসমূহ যে কৃষকে প্ৰয়োগ কৰিব পাৰিছে তাৰ ভালেমান প্ৰমাণ পোৱা যায়।

পশ্চিম জাৰ্মেনিয়ে মাংসৰ বাবে কাৰো ওপৰত নিৰ্ভৰ কৰিব নালাগে। ইয়াত প্ৰয়োজনতকৈ বেছি মাংস উৎপন্ন হয়। অকল এবিধ-দুবিধ মাংসই নহয়; বিভিন্ন প্ৰকাৰৰ মাংস। আনকি পছুৰ মাংসও। অৱশ্যে ইয়াৰ মানুহৰ প্ৰিয় মাংস হ'ল পৰ্ক অৰ্থাৎ গাহৰিৰ মাংস। ইয়াত গাহৰিৰ মাংস মিহিকৈ কুটি পাউৰুটিতো ভৰাই দি বিক্ৰি কৰা হয়। দুপৰীয়া আৰু নিশাৰ আহাৰতো ঘূৰণীয়া-ঘূৰণীয়া গাহৰিৰ মাংসৰ চকল। প্ৰাতঃভোজনতো দেখাত আমাৰ পানীপিঠাৰ দৰে গাহৰিৰ মাংসৰ পিঠা অৰ্থাৎ 'হেম্'। কাগজে-পত্ৰে আৰু অনাতাঁৰ দূৰদৰ্শনত গাহৰিৰ মাংসৰ অপকাৰিতা সম্পৰ্কে যথেষ্ট প্ৰচাৰ কৰা হয়: গাহৰিটোৱে বেছি মাংস দিবৰ বাবে তাক বৃদ্ধিৰ হৰম'ন (growth hormone) দি আকাৰত ডাঙৰ কৰা হয়। মাংসত এই হৰম'ন থকাৰ বাবে ইয়াক খালে কেনছাৰ হ'ব পাৰে। তদুপৰি গাহৰিৰ মাংসত যথেষ্ট কলেষ্টেৰল থাকে বাবে ইয়াৰ পৰা হৃদযন্ত্ৰৰ ব্যাধি (heart disease) হ'ব পাৰে।

তথাপি গাহৰিৰ মাংস ইয়াত অতি প্ৰিয়। প্ৰিয় মাংস হিচাপে দ্বিতীয় স্থান অধিকাৰ কৰিছে গোমাংসই। একোখন ছুপাৰ মাৰ্কেটত বা ডিপাৰ্টমেণ্ট ষ্ট'ৰত ডোখৰ ডোখৰকৈ কাটি থোৱা গৰু-গাহৰিৰ কেঁচা মাংসৰ দ'মবোৰ দেখিলে বিচুৰ্তি খাব লাগে। এইবোৰ দেখি ভাব হয়—ইহঁতে মাংসৰ বাহিৰে অইন বস্তু নাখায় নেকি?

আচলতে আমাৰ ভাতৰ দৰে ইয়াত মাংসহে প্ৰধান খাদ্য। ইয়াৰ বজাৰত হাঁহ, কুকুৰা, ভেড়া আৰু পছুৰ মাংসও পোৱা যায়। ইয়াৰ খেতিয়কে পাহাৰ বা পৰ্বতৰ নামনিত নিজে খেতি কৰা ঘাঁহনিত কেইবাবিধো পছু পোহে। ইয়াত পশুবিজ্ঞান চৰ্চাত নিশ্চয় পছু-পালনৰ বিশেষজ্ঞও আছে।

এবাৰ ৰাইনৰ দুই পাৰৰ হাবি-বন আৰু পাহাৰৰ সেইজৰ কাষে-কাষে পৰ্যটন সংস্থাৰ বাছত যাওঁতে ছেপ্টেম্বৰ মাহত হাবি-বনৰ কাষত আৰু পাহাৰৰ নামনিত বহুত কোমল ঘাঁহৰ পথাৰ দেখিছিলো। তাত

নিশ্চিন্তে চৰি থকা বেলেগ-বেলেগ ৰঙেৰে পখৰা হৈ থকা বহুত গৰু-গাই আৰু ভেড়া দেখিছিলো। নিজৰাৰ দাঁতিত আৰু নিজৰাৰ পানীত দেখিছিলো পাতিহাঁহ, কপৌ, কণামুচৰিকে ধৰি বিধ-বিধ চৰাই। পাছত শুনিলো যে পাহাৰৰ উন্মুক্ত অঞ্চলতো পশ্চিম জাৰ্মেনিৰ কৃষকে উৰণীয়া চৰাই পুহিব পাৰিছে। তাকে দেখিলো ছুইজাৰলেণ্ডৰ উত্তাল তৰংগৰ নদী আৰেৰ (Aare) পাৰতো। এনেকৈ স্বাভাৱিক ঠাইত পখীপালন কৰাৰ নিশ্চয় কিবা এটা প্ৰকৃতিক হানি নকৰা বিধৰ (ecologically viable) কৌশল আছে।

এদিন বাছৰ খিৰিকিৰে এটা দৃশ্য দেখি দেহ-মন জুৰ পৰি গৈছিল। সেউজ পাহাৰৰ নামনিত পাইন গছৰ তলৰ কোমল ঘাঁহনিত পহু চৰি আছে। ঘাঁহনিৰ মাজেদি নিজৰা বৈছে। সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশ; সম্পূৰ্ণ পহু চৰি থকাৰ পৰিবেশ। কিন্তু গছৰ ৰঙৰ লগত মিলি থকা ওখ কাঁইটীয়া তাঁৰৰ বেৰ দেখিহে ভাবি পালো যে জাৰ্মানৰ কৃষকে এনেকৈয়ে পহু পোহে। তাকে দেখি মোৰ মনটো কোনোবা অজান দেশলৈ উৰি গৈছিল। এটা বিয়া নাম মনৰ ভিতৰতে গুণগুণাইছিলো :

তুলসীৰ তলে তলে।
মিৰ্ গ পহু চৰে কি ৰাম ৰাম
মিৰ্ গ পহু চৰে।
তাকে দেখি ৰামচন্দ্ৰই
শৰ-ধনু ধৰে কি ৰাম ৰাম
শৰ-ধনু ধৰে ॥

পশ্চিমীয়া উন্নত দেশৰ আহাৰৰ ধাৰণা আমাতকৈ বেলেগ। তেওঁলোকে ভাবে যে আহাৰ হিচাপে দানাজাতীয় শস্য অদৰকাৰী। গতিকে পশুক শস্য খুৱাই পশুৰ মাংসৰ পৰা উত্তম মাংসসাৰ বা প্ৰ'টিন খালেহে শৰীৰ সুস্থ সবল হৈ থাকে। কিন্তু প্ৰাচীন ভাৰতীয়

চিকিৎসাবিজ্ঞানে, হঠযোগসম্মত আহাৰবিধিয়ে আৰু অত্যাধুনিক পুষ্টিবিজ্ঞান আৰু শৰীৰবিদ্যাৰ গৱেষণাই দেখুৱাইছে যে পাকপ্ৰণালীৰ গঠন অনুসৰি মানুহৰ উপকাৰী আহাৰ আমিষ হ'ব নোৱাৰে, নিৰামিষহে মানুহৰ কাৰণে আচল আহাৰ।

মাংস খোৱাৰ পৰাও কেনছাৰ হয় বুলি কোনো-কোনোৱা কয়। হজম নোহোৱা মাংস পাকস্থলীত পঁচা অৱস্থাত ৰয় বাবে শৰীৰত নানা প্ৰকাৰৰ বিসংগতিও ঘটে। তদুপৰি বেছি মাংস খালে শৰীৰত ইউৰিয়া জমা হয়। এনে ইউৰিয়া হাড়ৰ সংযোগ বা গাঁঠিত জমা হোৱাৰ ফলত মানুহৰ বিষ-বেমাৰ হয়।

ইয়াৰ দৃষ্টান্ত পশ্চিম জাৰ্মেনিৰ আলিবাটত পাইছোঁ। ইয়াত ছুপ্পিয়াই-ছুপিয়াই খোজ কঢ়া ভালেমান আদহীয়া মানুহ দেখা পাইছোঁ। ইমানবোৰ মানুহ দুৰ্ঘটনাত পৰি নিশ্চয় খোৰা হোৱা নাই। এওঁলোকৰ বহুতেই কিজানি বিষ-বেমাৰী।

দেহৰ ওপৰত মাংসৰ বিষম প্ৰতিক্ৰিয়াৰ বিষয়ে শতকৰা ৯৯ ভাগ শিক্ষিত জাৰ্মানৰ বহুতেই কিজানি জানে। তথাপি মাংস, মাখন, চিজ আদিৰ উৎপাদন আৰু বিতৰণৰ ব্যৱসায়িক পদ্ধতি ইয়াত ইমান শক্তিশালী যে ইয়াৰ মানুহৰ চেতন-অৱচেতন মনক এইবোৰ বস্তুৱে প্ৰভাৱান্বিত কৰিছে। মানুহৰ সহজাত প্ৰবৃত্তি লোভেও ক্ৰিয়া কৰিছে। তদুপৰি সুৰা আৰু মাংস পশ্চিমীয়া সংস্কৃতিৰ এক অনিবাৰ্য অংগ।

পশুৱে ঘাঁহ আৰু দানাজাতীয় খাদ্যশস্য খাওক আৰু তাকে নাখাই আমি পশুৰ মাংস খাম। এইটোৱেই হ'ল চহকী পশ্চিমৰ ধাৰণা যাক তেওঁলোকে কাৰ্যকৰীও কৰিছে। তাৰ বাবে পৃথিৱীত কেনে বিসংগতি ঘটিছে তাৰ হিচাপো পোৱা গৈছে।

"বৃদ্ধিৰ পৰিবৰ্তনশীল নক্সাও আন এটা চিন্তাৰ বিষয় হৈ পৰিছে। বিশ্ব বেংকৰ মতে (১৯৮২), প্ৰায় ৬০০ নিযুত টন দানাজাতীয় খাদ্যশস্য সম্প্ৰতি প্ৰতি বছৰে পশুক খুউৱা হয়। ইয়াৰে তৃথীয়া দেশৰ

২.৫ বিলিয়ন মানুহক অৰ্থাৎ পৃথিৱীৰ দাৰিদ্যগ্ৰস্ত মানুহৰ দুগুণতকৈ বেছি মানুহক ভালকৈ খুৱাব পৰা গ'লহেঁতেন। তদুপৰি দানাজাতীয় শস্যক মাংসলৈ ৰূপান্তৰিত কৰিব পৰাৰ দক্ষতাও নিচেই কম: এই প্ৰণালীত শতকৰা ৬৫-ৰ পৰা ৯০ ভাগ প্ৰ'টিন আৰু শতকৰা ৭৫-অৰ পৰা ৯০ ভাগ কেলৰি নষ্ট হয়। তথাপিও এনে পশুৰ আহাৰক মানুহৰ আহাৰ কৰাৰ আৰু পৃথিৱীৰ ক্ষুধাৰ সমস্যাৰ সমাধান হোৱাৰ সম্ভাৱনাও কম। কাৰণ এই দানাজাতীয় শস্যৰ অধিকাংশই উন্নত দেশতহে উৎপন্ন হয়। গতিকে ইয়াক জন্তুৰ বাবে সৰবৰাহ কৰিব নোৱাৰিলে উৎপাদন কমি যাব।...” (Climate & Development ; edited by Asit K. Biswas).

এতিয়া গাখীৰৰ কথালৈ আহোঁ। অধিক দুগ্ধজাত দ্ৰব্য উৎপাদন কৰিবৰ বাবে পশ্চিম জাৰ্মেনিৰ কৃষকক চৰকাৰে সাহায্য দিছিল। ফলত গাখীৰ আৰু দুগ্ধজাত দ্ৰব্য কেইবছৰমানৰ ভিতৰতে ইমান উভৈনদী হৈ পৰিল যে অধিক উৎপাদনো এটা সমস্যা হৈ পৰিল। পশ্চিম জাৰ্মেনি ইউৰোপীয় অৰ্থনৈতিক গোষ্ঠীৰ অন্তৰ্ভুক্ত। তাৰ চৰ্ত অনুসৰি অপৰ্যাপ্ত ৰাহি দুগ্ধজাত দ্ৰব্য ইউৰোপৰ আন দেশতো বেছিব নোৱৰা হ'ল। এই সমস্যা সমাধানৰ অৰ্থে ফেডাৰেল চৰকাৰে কৃষক-সকলক এনে নিৰ্দেশ দিলে: বেছিকৈ গাখীৰ আৰু দুগ্ধজাত দ্ৰব্য উৎপাদন নকৰিব। তাৰ পৰা আপোনালোকৰ হানিহে হ'ব। উৎপাদন কমোৱাৰ বাবে অৰ্থ-সাহায্য দিয়া হ'ব।

কি যে 'উল্টা পুৰাণ'ৰ কাহিনী! উৎপাদন কমাবৰ বাবে আকৌ অৰ্থসাহায্য! পশ্চিম জাৰ্মেনি সঁচাকৈয়ে আচৰিত দেশ। সেইবাবেই হয়তো হিটলাৰৰ দৰে নৰপিশাচ আৰু এমানুয়েল কাণ্টৰ (১৭২৪-১৮০৪) দৰে ঋষিতুল্য দাৰ্শনিক ইয়াত জন্মিব পাৰে।

পশ্চিম জাৰ্মেনিত খেতিৰ মাটি মুঠ মাটিকালিৰ আধা। এই দেশ খাদ্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ। ইয়াত ধান আৰু ঘেঁহুৰ উৎপাদন নাই বুলিলেই হয়। কিন্তু ঘেঁহুৰ ঠাই 'ৰাই' নামৰ দানাজাতীয় শস্যই

অধিকাৰ কৰিছে। ইয়াৰ প্ৰধান খেতি হ'ল—আঙুৰ, চুগাৰ বিট, বাই আৰু আলু। ইয়াৰ বনসংৰক্ষণ বৰ উন্নত বাবে ইয়াত কাঠো যথেষ্ট। বেছি ভাগ সৰঞ্জামেই কাঠেৰে নিৰ্মিত। চকী, টেবুল, আলমাৰি, বিছনা, ছুই-তিনি মহলীয়া ঘৰৰ চাং কিছুমান কাঠেৰেই সজা। যিকোনো ঘৰৰে মজপুত দুৱাৰবোৰ কাঠৰহে।

মাংস, গাখীৰ আদি যেনেকৈ উদ্ভৈনদী, সেইদৰে কৃষিজাত দ্ৰব্যৰ উৎপাদনো যথেষ্ট। অথচ পশ্চিম জাৰ্মেনিয়ে কৃষি উৎপাদন বৃদ্ধিতকৈ কৃষিজাত সামগ্ৰীৰ গুৰুত্ব দিয়ে।

আৰু এটা বিশেষ কথা হ'ল এয়ে যে পশ্চিম জাৰ্মেনিৰ কৃষিকাৰ্য সম্পূৰ্ণ যন্ত্ৰনিৰ্ভৰ। সেই কাৰণে ১৯৫০ চনৰ পৰা খেতি কৰা মানুহৰ সংখ্যা কমি আহিছে আৰু ১৯৬০ চনৰ কৃষি উৎপাদনতকৈ এতিয়াৰ উৎপাদন শতকৰা ১৩৬ ভাগ বাঢ়িছে।

ইয়াৰ পৰা এয়ে প্ৰমাণিত হয় যে পশ্চিম জাৰ্মেনিব কৃষকসকল শিক্ষিত হোৱাৰ বাবে তেওঁলোকে কৃষিবিজ্ঞানৰ আধুনিক কৌশলসমূহ ব্যৱহাৰ কৰিব জানে, কৃষিবিজ্ঞান লগত যুক্ত লোকসকলে কৃষকৰ কৃষিৰ আধুনিক বতৰা ভালকৈ দিব পাৰিছে, কৃষিবিজ্ঞানৰ উপদেষ্টা পৰিষদ বা গৱেষণা-কেন্দ্ৰসমূহ যথেষ্ট শক্তিশালী আৰু কৃষি-পৰিকল্পনা বাস্তৱধৰ্মী আৰু সুপৰিকল্পিত।

সেই অনুক্ৰমে কৃষিশিক্ষাও ফলপ্ৰসূ হোৱাটো স্বাভাৱিক। লগতে কৃষি-গৱেষণাও। ইয়াত কৃষিশিক্ষা, কৃষি-গৱেষণা আৰু কৃষি-শিক্ষা সম্প্ৰসাৰণৰ কাম সুসমন্বিতভাৱে দ্ৰুতৰূপে চলি আছে যদিও ইয়াত আমেৰিকান আৰ্হিৰ কোনো কৃষি বিশ্ববিদ্যালয় নাই। কৃষিশিক্ষাৰ আৰু গৱেষণাৰ বাবে ষোল্লটা সংস্থা (Institute) আছে আৰু কেইবাখনো বিশ্ববিদ্যালয়ত কৃষি অনুষদ (Faculty of Agriculture) আছে। ওছ্‌নাব্ৰুক, ব্ৰাউঞ্চৱেগ, বন, মিউনিক আৰু ষ্টুটগাৰ্ট বিশ্ববিদ্যালয়ৰ কৃষি অনুষদৰ শিক্ষা উচ্চ মানবিশিষ্ট আৰু কৃষি-শিক্ষাৰ বাবে এই কেইখন বিশ্ববিদ্যালয়ৰ যথেষ্ট নাম আছে।

পশ্চিম জাৰ্মেনিত কৃষিবিজ্ঞানত বিশেষভাৱে শিক্ষা লাভ কৰা কিছুমান যুবক-যুবতীৰ সৃষ্টি কৰাতকৈ কৃষিগৱেষণাতহে অধিক গুৰুত্ব দিয়া হয়। ইয়াৰ কৃষি-গৱেষণা কেন্দ্ৰসমূহত বিজ্ঞানৰ সকলো বিষয়ৰ বিশেষজ্ঞৰ প্ৰভুত্ব আৰু প্ৰয়োজনীয়তা সমান। আমাৰ ভাৰতত্হে কৃষিস্নাতকে সংঘবদ্ধ হৈ নিজকে এটা সুকীয়া শ্ৰেণী বুলি প্ৰতিষ্ঠা কৰাৰ বাবে কৃষিশিক্ষা আৰু কৃষি গৱেষণাৰ কিবা সুবিধা হৈছে বুলি কোৱা টান। তদুপৰি আমাৰ কৃষিশিক্ষাই মূল বিজ্ঞানক কম গুৰুত্ব দিয়াটোৱে কেৱল কৃষিশিক্ষাৰে অনিষ্ট কৰা নাই; বিজ্ঞানচৰ্চাৰ উদাৰ ভিত্তিতো কুঠাঘাত কৰিছে। কিন্তু পশ্চিম জাৰ্মেনিত তেনে ঘটা নাই। কেতিয়াবা ইয়াত এনে দৃষ্টান্তও দেখা গৈছে যে শস্যৰক্ষাৰ ক্ষেত্ৰত পতংগতত্ত্ববিদ বা জীৱাণুবিদতকৈ ৰসায়নবিদে বেছি ভাল কাম কৰিছে নাইবা মৌচমবিজ্ঞানীয়ে ক্ষেত্ৰশস্যবিদতকৈ (Agronomist) শস্য-উৎপাদনৰ ক্ষেত্ৰলৈ অধিক অৰিহণা আগ বঢ়াইছে।

এটা কথা শুনি আচৰিত লাগে যে পশ্চিম জাৰ্মেনিৰ বিশ্ববিদ্যালয়সমূহত ডক্টৰেট ডিগ্ৰিৰ বাহিৰে আন ডিগ্ৰি নাই। ডিপ্লোমাহে আছে। এঘাৰ বছৰীয়া মাধ্যমিক শিক্ষাৰ পাছত উচ্চ শিক্ষা আৰম্ভ হয়। এই শিক্ষা পাঁচ বছৰীয়া। পাঁচ বছৰৰ মূৰত ছাত্ৰই ডিপ্লোমা এটা পাব। এইটো চূড়ান্ত ডিপ্লোমা। কিন্তু তেওঁ যদি পাঁচ বছৰ নপঢ়ে তেনেহ'লে এটা সাধাৰণ ডিপ্লোমা পাব। পিছে এইটো ডিপ্লোমা কোনো কামত নাহে বাবে সকলোৱে পাঁচ বছৰীয়া ডিপ্লোমাটোকে লয়।

পশ্চিম জাৰ্মেনিত শস্য অনুসৰি উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানো আছে। অৰ্থাৎ আঙুৰ খেতি, ফলমূল-শাক-পাচলিৰ খেতি আদিৰ ক্ষেত্ৰত সুকীয়া-সুকীয়া ডিপ্লোমা থাকিব পাৰে। সেইমতে আঙুৰ কৃষিচৰ্চা (Viticulture) বা ফলমূল-শাকপাচলিৰ কৃষি-চৰ্চা আদিৰো সুকীয়া-সুকীয়া উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আছে আৰু বিশ্ববিদ্যালয়ৰ

কৃষি অনুষদসমূহতো এনে ডিপ্লোমা পোৱাৰ ব্যৱস্থা আছে। ধৰক ডিয়েট্রিক ষ্টেইনকফে উদ্যানবিদ্যাত (Horticulture) চূড়ান্ত ডিপ্লোমা লাভ কৰিলে। তেনেহ'লে তেওঁ নাম-পৰিচিতি এনেকৈ দিব :

Dietrich Steinkopff

Diplom-ingenieur Gartenbau

ধৰক এছ, ডোমাৰমুথে গেইছেনহাইম (Geisenheim) আঙুৰ কৃষিবিদ্যাৰ শিক্ষাগৱেষণা সংস্থাৰ (Viticulture Institute) পৰা চূড়ান্ত ডিপ্লোমা লাভ কৰিলে। তেওঁৰ নামফলিখন এনেকুৱা হ'ব :

S. Dommermuth

Diplom-ingenieur Viticulture.

ইয়াৰ কৃষিশিক্ষাৰ পদ্ধতি এনেকুৱা যে পুথিগত বিদ্যাৰে আৰু মুখস্থ কৰি পৰীক্ষাত উত্তীর্ণ হ'ব নোৱাৰি। প্রেক্‌টিকেল আৰু মুখে মুখে লোৱা পৰীক্ষাই বেছি। পৰীক্ষার্থীয়ে পথাৰত খেতিৰ কিবা এটা কৰি দেখুৱাৰ লাগিব আৰু তেওঁ এই খেতিৰ বিষয়ে বহুত প্রশ্নৰ উত্তৰ দিব লাগিব। ইয়াতে বহুত নম্বৰ থাকে। লিখা-পৰীক্ষা খুব কম। গতিকে নকল কৰা আৰু মুখস্থ কৰি লিখাৰ প্রশ্নই নুঠে। অৱশ্যে এনেকুৱা পৰীক্ষাৰ ক্ষেত্ৰত শিক্ষকজনৰ বিচাৰবোধ আৰু সততাৰ বৰ প্রয়োজন। এনে দুটা গুণ সকলো জাৰ্মান অধ্যাপকৰ আছে বুলি জনসাধাৰণ আৰু ছাত্র-ছাত্রীৰ নিশ্চিত ধাৰণা।

ইয়াত পৰীক্ষাত বেছি ভাগেই উত্তীর্ণ হয়। কাৰণ উত্তীর্ণ হোৱাৰ বিভাগ বা শ্রেণী পাঁচটা : প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ আৰু পঞ্চম শ্রেণী বা বিভাগ। পিছে প্রথম বা দ্বিতীয় বিভাগত উত্তীর্ণ হোৱা ছাত্র-ছাত্রীয়েহে সকলো ক্ষেত্ৰতে অগ্রাধিকাৰ পায়। বাকীখিনি ডিপ্লোমাধাৰীৰ ডিপ্লোমাৰ পৰা কোনো কামত নাহে। সেই বুলি তৃতীয়, চতুর্থ বা পঞ্চম বিভাগ লাভ কৰা ছাত্র-ছাত্রীয়ে পুনৰ পৰীক্ষা দি নিজৰ ডিপ্লোমাৰ শ্রেণী বা বিভাগ উন্নত কৰিব নোৱাৰে। কিন্তু

ভাৰতীয় কৃষি বিশ্ববিদ্যালয়সমূহত গ্রেড ইমপ্রুভমেণ্টৰ ব্যৱস্থা আছে। ইয়াৰ পৰা ছাত্র-ছাত্রী আৰু কৃষিশিক্ষাৰ কিবা বিশেষ সুবিধা হৈছে বুলি কোৱা টান।

পশ্চিম জাৰ্মেনিত কৃষিৰ ক্ষেত্রত অত্যধিক গুৰুত্ব দিয়া হয় শস্যৰক্ষাত আৰু বতৰত। গোটেই দেশখনত শস্য ৰক্ষা সেৱা কেন্দ্র (Plant Protection Service Culture) বহুত আছে। ইয়াত থকা বিজ্ঞানীসকল সকলো বিষয়ৰে হ'ব পাৰে ;—প্রাণীবিজ্ঞানীৰ পৰা শস্যবিজ্ঞানীলৈকে, কম্পিউটাৰ বিজ্ঞানীৰ পৰা বতৰবিজ্ঞানী-লৈকে। প্রত্যেকটো শস্য ৰক্ষা সেৱাকেন্দ্রতে একোটা উন্নত, ছেনছৰযুক্ত বতৰজোখা কেন্দ্র (Weather Station with Sensors) থাকে। ইয়াৰ ছেনছৰযুক্ত যন্ত্রপাতিবোৰৰ লগত নিয়ন্ত্রণ কক্ষ এটা বৈদ্যুতিকভাৱে যুক্ত হৈছে। তাৰ ফলত আধা ছেকেণ্ড সময়ৰ অন্তৰে-অন্তৰে নিয়ন্ত্রণ কক্ষৰ কম্পিউটাৰৰ পৰ্দাত বতৰৰ উপাদানবোৰৰ (উষ্ণতা, বৰষুণৰ পৰিমাণ, বায়ুৰ বেগ আদি) তথ্য উঠি থাকে আৰু এই তথ্য বা ডাটাবোৰ কম্পিউটাৰত বুতাম টিপিয়েই ছেকেণ্ডে-ছেকেণ্ডে বতৰৰ সবিশেষ বাতৰি জানিব পাৰি; বিগত সপ্তাহৰ বিগত দুই-তিনি বছৰৰ বতৰৰ সামগ্রিক ধাৰণা এটাও পাব পাৰি আৰু বতৰৰ ধাৰাও বুজিব পাৰি। এই কম্পিউটাৰটোৱে গ্রাফ আঁকিব পাৰে আৰু হিষ্ট'গ্রামৰ যোগেদি বতৰৰ সময়ানুক্রমিক তাৰতম্য দেখুৱাব পাৰে। মুঠতে ইয়াকে ক'ব পাৰি যে কৃষি মৌচম বিজ্ঞানৰ গৱেষণা-পত্রিকা বা গৱেষণা-গ্রন্থত প্রয়োজন হোৱা ৰেখা চিত্র, গ্রাফ আৰু তালিকা আদি এহ কম্পিউটাৰটোৱে আঁকি দিয়ে। ই কাষত থকা যন্ত্রটোৰ যোগেদি এই অঁকা বস্তুটোৰ কেইবা কপিও ছপা কৰিব পাৰে। অথচ ই আকাৰত সৰু। এটা সাধাৰণ টাইপ ৰাইটাৰৰ দুগুণমানহে হ'ব। এই কম্পিউটাৰটো ইয়াৰ প্রায়বোৰ কৃষি-গৱেষণাগাৰত আছে। ই কৃষিবিজ্ঞানত অসম্ভৱকো সম্ভৱ কৰিছে। কীটপতংগৰ সাময়িক অভ্যুত্থানৰ লগত বতৰৰ সম্পৰ্ক কি

জানি লৈ এনে একোটা ছেনছৰযুক্ত বতৰ-জোখা কেন্দ্ৰ আৰু কম্পিউটাৰৰ যোগেদি এওঁলোকে আগতীয়াকৈ শস্যত পোক-পৰুৱাই আক্ৰমণ কৰাৰ কথা ক'ব পাৰিছে আৰু কি কৰিব লাগে তাৰো দিহা দিব পৰা হৈছে। কিন্তু আমাৰ দেশত এইবোৰ তাত্বিক বস্তু আৰু গণিতৰ নিস্ফল বৌদ্ধিক চৰ্চাহে হৈ আছে।

অকল এয়ে নহয়। পশ্চিম জাৰ্মেনিত প্ৰায় ষাঠিটামান বতৰ-বিজ্ঞান কেন্দ্ৰ আছে। তাৰে কিছুমানে কেন্দ্ৰীয় মানমন্দিৰক তথ্যৰ যোগান ধৰে আৰু আঞ্চলিকভাৱে বতৰৰ আগলি বতৰা দিয়ে। কিছুমান আকৌ কৃষি উপদেষ্টা সেৱাৰ লগত যুক্ত হৈছে। এইবোৰত কৃষি মৌচম বিজ্ঞানৰ গৱেষণা হয়। শস্য ৰক্ষা সেৱা বিভাগৰ লগত যুক্ত কৃষি মৌচম বিজ্ঞান কেন্দ্ৰতো ভাল কৃষি গৱেষণা হয়। কেইজন-মান কৃষিবিজ্ঞানীৰ মুখে গম পালো যে আজিকালি কৃষি মৌচম বিজ্ঞানৰ যন্ত্ৰ আৰু সা-সঁজুলি আৰু তথ্যৰ সহায় নহ'লে কৃষিৰ কোনোটো দিশৰে গৱেষণা কৰা সম্ভৱপৰ নহয়। সেই কাৰণেই পশ্চিম জাৰ্মেনিত প্ৰত্যেক গৱেষণাকেন্দ্ৰৰ লগত এটা স্বয়ংক্ৰিয় কৃষি মৌচমবিজ্ঞান গৱেষণা কেন্দ্ৰ আৰু কৃষি-বতৰমাপক কেন্দ্ৰ আছে। মই এনে কেন্দ্ৰ চাৰিটা মানত কাম কৰাৰ সৌভাগ্য লাভ কৰিছোঁ। এই কেন্দ্ৰবোৰত কৃষি উপদেষ্টা কেন্দ্ৰ একোটাও আছে। ইয়াৰে প্ৰধান কেন্দ্ৰকেইটাৰ অৱস্থান হ'ল—উত্তৰে কুইকবৰ্ন আৰু ব্ৰাউঞ্চ-ৱেগত, মাজত বন, অফেনবাক আৰু গেইছেনহাইমত আৰু দক্ষিণে ফ্ৰেইবাৰ্গ আৰু ৱেইহেনষ্টেফানত।

ইয়াৰে গেইছেনহাইমৰ কৃষি বতৰবিজ্ঞান আৰু গৱেষণা কেন্দ্ৰ-টোলৈ মই কেইবাবাৰো গৈ সকলো চাই-চিতি থাকোঁ। বতৰৰ জোখলোৱা কেন্দ্ৰটো (Weather station) ছেনছৰযুক্ত, স্বয়ংক্ৰিয় আৰু কম্পিউটাৰৰ লগত বৈদ্যুতিকভাৱে যুক্ত। আধা ছেকেণ্ডৰ অন্তৰে-অন্তৰে কম্পিউটাৰৰ পৰ্দাত বতৰৰ হিচাপ (ডাটা) উঠে। এই কম্পিউটাৰে আকৌ বতৰৰ উপাদানৰ সংখ্যাবোৰৰ নানা বিধ

(মাসিক, বাৰ্ষিক আদি) গড় উলিয়ায় আৰু নিজৰ স্মৃতিকক্ষত জমা কৰি থয়।

ইয়াৰ আৰু এটা দূৰদৰ্শনৰ বাকছটোৰ দৰে লগা যন্ত্ৰত কেইবাটাও সংখ্যা থকা বুতাম টিপি নিৰ্দেশ দিলে এখন পৰ্দাত সেই ঠাইৰ বতৰৰ পূৰ্বাভাস আৰু আগৰ দিনবোৰৰ বতৰ কেনেকুৱা আছিল তাৰ খবৰ ওলাই পৰে। এইবোৰ আহে অ'ফেনবাকৰ কেন্দ্ৰীয় মানমন্দিৰৰ পৰা। অ'ফেনবাকৰ কেন্দ্ৰই এনেকৈ ভালেমান কৃষি-মৌচম গৱেষণা কেন্দ্ৰ আৰু কৃষি উপদেষ্টা সেৱা কেন্দ্ৰলৈ তাত থকা কম্পিউটাৰৰ নিৰ্দেশ অনুসৰি এইবোৰ খবৰ পঠিয়াই থাকে। এইবোৰ খবৰ কৃষকেও নিমিষতে পায়। তদুপৰি কিছুমান কৃষকৰ ঘৰতো খবৰ আৰু পূৰ্বাভাস গ্ৰহণ কৰিব পৰা তেনেকুৱা একোটা পৰ্দাযুক্ত বাকচ আছে। তাত বতৰৰ সকলো খবৰ পোৱা যায়। তদুপৰি সকলো কৃষকে কৃষিৰ দিহা-পৰামৰ্শ, বতৰৰ আগজাননী আৰু কীট-পতংগৰ আক্ৰমণ-কালৰ আগজাননী আদি কৃষি গৱেষণা কেন্দ্ৰ, কৃষি গৱেষণা কৰ্মী, কৃষি উপদেষ্টা সেৱা আদিৰ পৰা পাবই। এওঁলোকে আকৌ বতৰৰ খবৰ মুহূৰ্তে মুহূৰ্তে পাই থাকিব—কম্পিউটাৰ, টেলি-প্ৰিণ্টাৰ আদিৰ যোগেদিও।

কিছুমান সদ্যপ্ৰকাশিত পাঠ্যপুথিতো পোৱা যায় যে বতৰৰ পূৰ্বাভাস বাসত্তৰ ঘণ্টালৈকে নিখুঁতভাৱে কৰিব পাৰি। পিছে তাতকৈ বেছি নোৱাৰি। পিছে পূৰ্বাভাস দীঘলীয়া কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ মৌচম বিভাগে ছুপাৰ কম্পিউটাৰ অনাইছে। কিন্তু এতিয়ালৈকে প্ৰাৰম্ভিক কামেই হোৱা নাই। এতিয়াও ভাৰতত বতৰৰ মধ্যম্যাদী পূৰ্বাভাস (চাৰিদিনৰ পৰা দহ দিনলৈকে) আকাশকুসুম হৈয়ে আছে। কিন্তু পশ্চিম জাৰ্মেনিত ছদিনলৈকে বতৰৰ পূৰ্বাভাস দিয়াটো কেইবাবছৰৰে পৰা চলি আছে। তাকে কৰাৰ আগতে এওঁলোকে ছুপাৰ কম্পিউটাৰক লৈ হুলস্থুল কৰিছিলনে বা নিজেই চুপে-চাপে তেনে কম্পিউটাৰ নিৰ্মাণ কৰিছিল,

এই বিষয়ে প্ৰশ্ন কৰাত বন, গেইছেনহাইম আৰু অফেনবাকৰ বিজ্ঞানী কেইজনে একো ক'ব নোৱাৰিলে।

গেইছেনহাইম, পশ্চিম জাৰ্মেনি

২২।১১।৮৯

জাৰ্মানসকলৰ দেশপ্ৰেম

জাৰ্মান সকলৰ বহুত ভাল গুণৰ ভিতৰত দেশপ্ৰেম অতি আদৰ্শনীয় গুণ। এই গুণ কেৱল ব্যক্তি বিশেষতে দেখা নাপায়, সাধাৰণ মানুহৰ পৰা নেতৃস্থানীয় লোকলৈকে সকলোৰে মাজত দেখা পোৱা যায়। সেই কাৰণেই হয়তো দুখন মহাযুদ্ধই বিধস্ত কৰা অদমনীয় জাৰ্মান জাতিটোৱে মূৰ দাঙি উঠি বিশ্বৰ চমক লগাইছে। এতিয়া দেশখন অতিপাত চহকী। ইয়াৰ তুলনাত ইংলণ্ডক কোনো মতে চলি থকা দেশ যেনহে লাগে। অথচ এই দেশত প্ৰাকৃতিক সম্পদৰ ভিতৰত কেৱল কয়লাহে অপৰ্যাপ্তৰূপে পোৱা যায়। দেশৰ মানুহে দেশখন স্বৰ্গ যেন কৰি তুলিছে কেৱল এটা কাৰণত: সেয়ে হ'ল, দেশৰ উন্নতিৰ অৰ্থে ব্যক্তিয়েই দেশ গঢ়াত ব্ৰতী হৈছে। গভীৰ দেশপ্ৰেম নেথাকিলে মানুহ এনে হ'ব নোৱাৰে। গতিকে জাৰ্মানসকলৰ পৰা আমি এটা শিক্ষা পাওঁ: দেশ গঢ়াৰ ঘাই আহিলা হ'ল মানৱ সম্পদ আৰু দেশপ্ৰেম।

পশ্চিম জাৰ্মানী ১৯৪৮ চনলৈকে ভগ্নস্তুপহে আছিল। তেতিয়ালৈকে দ্বিতীয় মহাসমৰৰ ধ্বংসৰ চিন ইয়াৰ গাৰেঁ ভুঞে প্ৰকট হৈ আছিল। শতকৰা আশী ভাগ ঘৰদুৱাৰ বোমাই বিধ্বস্ত কৰিছিল। আন এখন দেশ হোৱাহেঁতেন মানুহবোৰ হতাশ হ'লহেতেন আৰু পৰমুখাপেক্ষী হৈ নিজৰ ধ্বংস নিজে মাতি আনিলেহেতেন। কিন্তু বীৰৰ জাতি জাৰ্মানসকল হতাশ নহ'ল। ১৯৪৯ চনৰ পৰাই দেশ গঢ়াৰ কামত লাগি গ'ল। শুনা যায় যে এটা অট্টালিকা বা ৰাজ-

আলি বা দলং সজাৰ সময়ত সকলোৱে পদবীৰ সৰু ডাঙৰ স্থান বাদ দি দৈহিক শ্ৰম কৰাত লাগি গৈছিল। ফলত আজি পশ্চিম জাৰ্মেনীৰ বেছি ভাগ অট্টালিকাই নতুন। সেইদৰে সকলোৱে শ্ৰম দান কৰি কল-কাৰখানাও সাজিছিল। এই ক্ষেত্ৰত অৱশ্যে জাৰ্মান সকলৰ এটা বিশেষ অৰ্হতাই বৰ সহায় কৰিছিল। এতিয়াও আৰু তেতিয়াও জাৰ্মানসকলৰ অধিকাংশ লোকেই একো একোজন নিপুণ কাৰিকৰ। অৰ্থাৎ লোক সংখ্যাৰ এটা বুজন অংশ ইঞ্জিনিয়াৰ, বিজ্ঞানী, ডাক্তৰ আদি। ইয়াৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে ভাৰতৰ দৰে আধ্যাত্মিকতা আৰু ভাববাদী দৰ্শনেৰে এখন দেশক বস্তুগত প্ৰগতিৰে দাৰিদ্ৰ্যমুক্ত কৰিব নোৱাৰি, পাৰি কেৱল কাৰিকৰ জাতীয় এবিধ বিশেষ মানব সম্পদেৰেহে। ইয়াৰ প্ৰমাণ পোৱা যায় জাপান, আমেৰিকা, কানাডা আদি দেশত। এইবোৰ দেশৰ আৰু এটা বৈশিষ্ট্য হ'ল, এয়ে যে অৰ্থ নৈতিক পৰিকল্পনাকাৰীসকলৰ বাস্তৱবুদ্ধি, আমাৰ দেশৰ তেনেবোৰ লোকতকৈ বহুত বেছি। ভাৰতৰ আৰ্থিক দুৰ্যোগৰ অন্যতম কাৰণ হ'ব পাৰে আমাৰ অৰ্থনীতিবিদ সকলৰ অনুকৰণপ্ৰিয়তা আৰু বাস্তৱ বিমুখতা।

গতিকে পশ্চিমৰ ফালৰ অতিশয় স্বচ্ছল জাৰ্মেনীত বেছি ভাগ লোকে উৎপাদনমুখী কাৰিকৰী জ্ঞান অৰ্জন কৰাটোও তেওঁলোকৰ দেশপ্ৰেমৰ চিন।

মই পশ্চিম জাৰ্মেনীত থকাৰ সময়তে হাঙ্গেৰীয়েদি লাখ লাখ পূব জাৰ্মেনীৰ লোক ভাগি আহিছিল। পাচত বাৰ্লিনৰ প্ৰাচীৰ ভাঙি বিনা বাধাই পূব জাৰ্মেনীৰ লোক পশ্চিম জাৰ্মেনীলৈ অহাৰ সময়তো মই আছিলো। আমাৰ নিচিনা দেশত হোৱাহেঁতেন পূব জাৰ্মেনীৰ পৰা অপেক্ষাকৃতভাৱে দৰিদ্ৰ মানুহৰ প্ৰব্ৰজনে এটা ডাঙৰ সমস্যা হিচাপে দেখা দিলেহেঁতেন। কিন্তু ঐশ্বৰ্য বিভূতি আৰু জীৱন গুণেৰে সংপৃক্ত পশ্চিম জাৰ্মেনীৰ লোকসকল অত্যন্ত উল্লাসিত হৈ পৰিল। তেওঁলোকৰ প্ৰত্যেকৰে উল্লাসৰ কাৰণ এনেকুৱা : আমাৰে ভাই-ভনী,

ককাই ভাইক কমিউনিষ্টসকলে দাস কৰি ৰাখিছিল, এতিয়া ভালেই হৈছে। আমি একে জাৰ্মান। আমি একেলগ হৈ অধিক শক্তিশালী জাৰ্মেনী সৃষ্টি কৰিম। আমি পূব জাৰ্মেনীৰ দুখীয়া অথচ তেজৰ সম্পৰ্ক থকা লোকসকলৰ কাৰণে স্বাৰ্থত্যাগ কৰিবই লাগিব। আমাৰ দেশতো সমস্যা আছে। দুইখন জাৰ্মেনী লগ হোৱাৰ পাচত আমাৰ সমস্যা কিছুমান বাঢ়িব। কিন্তু তাৰ বাবে আমি সাজু হব লাগিব।

মই ভালেমান জাৰ্মানক সুধি মোটামুটিভাৱে এনে ধৰণৰ দেশ-প্ৰেমিক উক্তিয়েই শুনিলো আৰু এটা কথাৰ ভূলৈ মই আচৰিত হ'লোঁ। পাচত পশ্চিম জাৰ্মেনীৰ পৰা ইংৰাজী ভাষাত প্ৰকাশিত সাপ্তাহিক কাকত কেইখনমানত চকু ফুৰাই দেখিলো যে তাত প্ৰশ্নসনৰ কেলেংকাৰী আদি নেথাকে। এজন জাৰ্মান অধ্যাপকক সোধাত তেওঁ ক'লে যে তেনেকুৱা দুনীতি তেওঁলোকৰ দেশত নাই। মোৰ বোধেৰে জাৰ্মান মানসিকতা এনেকুৱা ঃ আমি দুখন মহাযুদ্ধ কৰিলো, তাত আমাৰ লাখ লাখ মানুহ নিধন হ'ল। তেওঁলোকৰ আত্মাৰ ওপৰত থিয় হৈ আছে আজিৰ ঐশ্বৰ্যবিভূতিৰে ভৰপূৰ জাৰ্মেনী। আমি দেশক গঢ় দিছোঁ দেহৰ ঘামেৰে, বুকুৰ তেজেৰে। গতিকে আমি দুৰ্নীতি বা ভ্ৰষ্টাচাৰত লিপ্ত হোৱা মানে দেশক অপকাৰ কৰাহে।

মোৰ প্ৰতিজন জাৰ্মানক এনে মনোভঙ্গীৰ লোক যেন লাগিল। কাৰণ সেইখন যেনেকৈ আইনষ্টাইন, আৰু বীথোফেনৰ দেশ, সেইদৰে গোটে আৰু বিস্মৰ্কৰো দেশ।

তাত যে মানুহৰ সাধুতাৰ বুনিয়াদ দৃঢ় আৰু তেওঁলোক ভ্ৰষ্টাচাৰৰ প্ৰতি বিমুখ তাৰ প্ৰমাণ পোৱা যায় ৰেল আৰু বাছত ভ্ৰমণ কৰোতে। প্ৰায় এশ কিলোমিটাৰমান দূৰতলৈ চলা ৰেলসমূহত আৰু মহানগৰতে চলা বাছসমূহত সাধাৰণতে টিকেট 'চে'ক কৰা নহ'য়। কাচিৎহে এপষৰ মূৰত এখন দুখন ৰেলবাছত এনে কৰা হয়। কিন্তু দেখা যায় যে সকলোৱেই টিকেট 'চে'ক কৰাৰ এনে শিথিল ব্যৱস্থা সত্বেও টিকেট

কাটে। এনেকৈ টিকেট চেক কৰা মই দুবাৰ দেখা পাইছিলো। মই লক্ষ্য কৰি অভিভূত হৈছিলো যে প্ৰত্যেকেই টিকেট নাইবা মাহেকীয়া 'পাছ' উলিয়াই দিছিল। মাজে মাজে হেনো টিকেট নথকা মানুহ ধৰা পৰে। তেতিয়া তেওঁৰ পৰা ভদ্ৰভাৱে ৩৫ ডি, এম, (ডচ্চ মাৰ্ক) দিবলৈ কয়। দিব নোৱাৰিলে ঠিকনা বিচাৰে। পিছে শুনা যায় যে জাৰ্মানৰ মাজত এনে লোক নেথাকে, আন দেশৰ মানুহহে এনেকৈ ধৰা পৰে।

এইবোৰ দেখি মোৰ ভাৰি ভাল লাগিছিল যে ব্যক্তিগত জীৱনৰ সাধুতা (Integrity) আৰু ভ্ৰষ্টাচাৰহীনতা দেশপ্ৰেমৰেই ফলশ্ৰুতি।

জাৰ্মানসকলৰ আন এক বৈশিষ্ট হ'ল, তেওঁলোক বৰ চাফচিকুন। তাত চাকৰ-বাকৰ পাবলৈ নাই। আনকি এজন বিচাৰপতিৰ দৰে পদমৰ্য্যদা থকা মানুহৰ ঘৰতো আমাৰ দেশৰ চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰীৰ দৰে লগুৱা এটা নেথাকে। তাৰে প্ৰমাণ পালো এনে এগৰাকী লোকৰ ঘৰত এৰাতি থাকি। তথাপি এঘৰ মানুহৰ ঘৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা দেখি তবধ মানিব লাগে। বেৰ, মজিয়া, চকি, মেজ আদি ক'তো ধূলিৰ কণা এটা পাবলৈ নাই। সকলো বস্তু চকমকাই থাকে। বাথৰুম তথা পায়খানাৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ড্ৰয়িংৰুমৰ দৰেই। সেই দৰে ডাইনিং টেবুলত পৰা কাপোৰখনৰ পৰা আহাৰ খোৱা পাত্ৰটোলৈকে সকলোতে নিৰ্ভুল পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দেখি আচৰিত হ'ব লাগে।

এনে পাৰিপাট্য আৰু পৰিচ্ছন্নতা বিচাৰি পোৱা যায় তাৰ কাৰ্য্যালয় আৰু কাৰখানাসমূহতো। মাইন্‌চৰ জোহান্‌চ গুটেণবাৰ্গ বিশ্ববিদ্যালয়ত মোক দিয়া কোঠাটো ইমান পৰিপাটী আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল যে চিঠিৰ খামটো ফালোঁতে বিচ্ছিন্ন হোৱা সামান্য টুকুৰাটো পেলাবৰ কাৰণে ভাবিবলগীয়া হয়। সেই চিঠিখনট খামটো ৰাস্তাত গৈ থাকোঁতে ফালোতেও একে অবস্থা হয়। ওচৰত

কাগজ পেলোৱা বাকচ নেথাকিলে এই সামান্য টুকুৰাটোও জেপত ভৰাই থ'বলগীয়া হয়।

এইবোৰকে দেখি তাতে এবছৰ থকা মোৰ এজন ভাৰতীয় বন্ধুৱে কৈছিল, "জাৰ্মানসকল ইমান চাফা যে আনকি ইংৰাজেও এজন জাৰ্মানক আলহী ৰাখিবলৈ দ্বিধাবোধ কৰে।"

ব্যক্তিগতভাৱে চাফচিকুন হৈ থকা আৰু সামাজিক জীৱনতো পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰাও (বিপৰীত দৃষ্টান্ত হ'ল আমাৰ পৰিবহন নিগমৰ শৌচাগাৰসমূহ) জাৰ্মানসকলৰ দেশৰ প্ৰতি থকা অকৃত্ৰিম মৰমৰ চিন যেন লাগে। তাৰে এটা দৃষ্টান্ত দিয়াৰ লোভ সামৰিব নোৱাৰিলো।

পানী আৰু বায়ুৰ প্ৰদূষণ সমগ্ৰ বিশ্বৰে সমস্যা। জাৰ্মেনিও ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু জাৰ্মানসকল নিজৰ দেশৰ ভৌতিক পৰিবেশ সুস্থ কৰি ৰাখিবৰ বাবে সদা-সচেষ্ট। ই কেৱল বৈজ্ঞানিক সচেতনতাৰেই নহয়, দেশখনক ভাল পোৱাৰো চিন। ইয়াত প্ৰত্যেক শিল্প-প্ৰতিষ্ঠানে কাৰখানাৰ উপজাত পদাৰ্থই পৰিবেশ প্ৰদূষিত কৰা-নকৰাৰ প্ৰতিবেদন একোখন মাহেকে পষেকে সকলোৱে জানিব পৰাকৈ প্ৰকাশ কৰিব লাগে। আমাৰ দেশৰ প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণকাৰী পৰিষদ আদিৰ দৰে তাৰ এনে চৰকাৰী শাখাসমূহ সোপাঢিলা নহয়।

আমাৰ দেশৰ পৰিবেশ প্ৰদূষণ নিবাৰণৰ লগত জড়িত লোকসকলে ঘৰুৱা আৱৰ্জনাই সৃষ্টি কৰা প্ৰদূষণক সামান্য গুৰুত্ব দিয়া দেখা নেযায়। ই সঁচাকৈয়ে এক অবৈজ্ঞানিক অৱহেলা। কিন্তু পশ্চিম জাৰ্মেনিত এই ক্ষেত্ৰত নিখুত প্ৰদূষণ-নিবাৰণ ব্যৱস্থা দেখা পালো।

ইয়াত ৰাস্তাৰ কাষৰ খালি পৰি থকা সুবিধাজনক ঠাইত সঘনে কিছুমান মজবুত আৰু ডাঙৰ ডাঙৰ, আৱৰ্জনা ৰখা বাকচ দেখিবলৈ পোৱা যায়। এনে বাকচ দুবিধ। এবিধত কাগজ, কাগজৰ পেকেট

আদি পেলাব লাগে। ইবিধ বাকচত বটল, টেমা আদি পেলাব লাগে। নিচেই পুৱাতে ক্রেইনযুক্ত এখন লৰী আহি এই বাকচবোৰ তুলি লৈ যায় আৰু লগে লগে নাইবা অলপ পাচতে সেই সেই ঠাইত নতুন বাকচ দেখিবলৈ পোৱা যায়।

আবর্জনাবোৰ এনেকৈ ছভাগ কৰি লৈ যোৱাটোও সুচিন্তিত বৈজ্ঞানিক পৰিকল্পনাহে। কাৰণ কাগজ আদিৰ আবর্জনাৰ পৰা ৰাসায়নিক পুণঃচক্রী-কৰণ পদ্ধতিৰ যোগেদি (Chemical recycling) পুণৰ কাগজ, কাপবর্ড আদি তৈয়াৰ কৰা হয়। মই তাৰ বিশ্ববিদ্যালয়ৰ বিপণিত যিমানবোৰ কাগজ দেখিলো তাৰ বেছি ভাগেই এনেকৈ তৈয়াৰ কৰা কাগজ। এই কথা কাগজত লিখাও থাকে। আনবিধ বাকচত থকা পেলনীয়া বস্তুবোৰকো হয়তো বৈজ্ঞানিক পদ্ধতিৰে উৎপাদনৰ মূল চক্রলৈ অনা হয়। কিন্তু এটা কথা উল্লেখ কৰিব লাগিব যে এই ক্ষেত্রত তেওঁলোক সফল হৈছে সর্বসাধাৰণ ৰাইজে দেশক ভাল পাই অকুণ্ঠ সহযোগ আগ বঢ়োৱাৰ কাৰণেহে। এই ক্ষেত্রত সৰু বৰ সকলো জার্মান সজাগ আৰু সদা-সচেষ্ট।

এনে সচেতনতা আৰু পৰিবেশ নিকা কৰি ৰখাৰ প্রচেষ্টাও যে দেশপ্রেম-প্রসূত তাৰ প্রমাণ পালোঁ মই জার্মান এৰাৰ শেষ সন্ধিয়াটোত। মই পোনতে বটল আৰু টেমা কিছুমান তাৰ বাবে ৰখা বাকচটোত পেলাই থৈ আহিলোঁ। তাৰ পাচত কাগজ আৰু কাগজৰ পেকেটবোৰ আন এটা বাকচত পেলাবলৈ যাওঁতে এই অঘটনটো ঘটিল। এইবোৰ পেলাওঁতে এই লোহাৰ বাকচটোৰ তলত ঘটংকৈ শব্দ এটা হ'ল। অর্থাৎ কাগজৰ বস্তুৰ লগতে ভুলতে বটল এটাও আছিল।

তেতিয়া ওচৰত কোনো মানুহ নাছিল। কিন্তু গছ এজোপাৰ তলৰ 'বাৰ'ৰ (পানশালা) ওচৰত থিয় হৈ থকা মানুহ এটা দৌৰি

আছি মোক জাৰ্মান ভাষাত কঠিন সুৰত কিবা বকিবলৈ ধৰিলে। সি কি ক'লে· মোৰ বুজিবলৈ বাকী নেথাকিল। মই বেয়া কাম কৰিছোঁ। ইচ্ছা কৰি বা অসাবধনাতাৰ ফলন। মানুহটোৱে মোক সতৰ্ক কৰি দিবলৈ আহিল।

এই অপৰিচিত মানুহজনৰ এয়া জানো দেশপ্ৰেম নহয়? মোৰ মানুহটোলৈ বৰ শ্ৰদ্ধা হ'ল।

লণ্ডন, ৩০ ডিচেম্বৰ,
১৯৮৯